# চকুৱাখনা মহাবিদ্যালয় আলোচনী

## ৰূপালী জয়ন্তী সংখ্যা



সম্পাদনা

মেঘালী দত্ত

## মহাবিদ্যালয় সংগীত

কথা ঃ পূৰ্ণানন্দ গগৈ
প্ৰৱক্তা অসমীয়া বিভাগ

আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
পোহৰৰ গতি খেদি
অজ্ঞানৰ আন্ধাৰ ভেদি
নিতে নৱ সৃষ্টিৰে আপোন প্ৰতিভা বিকাশোঁ।
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সময়ৰ সংগতি ৰাখি
পুৰণি দুস্কৃতি নাশি
আমি নৱ জ্ঞানৰ দিগন্ত প্ৰকাশোঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সাম্য মৈত্ৰীৰ গান ৰচি
বঞ্চিতক প্ৰাপ্য যাচি
ভাতৃসম বন্ধুত্বৰে
নতুন সমাজ গঢ়োঁ।
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ।

# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

## ৰূপালী জয়ন্তী সংখ্যা • ২০০২-২০০৩ বৰ্ষ

শ্ৰদ্ধাৰে / প্ৰীতিৰে

________________________

________________________

________________________

তত্ত্বাৱধায়ক ঃ
ভোলানাথ গগৈ

সম্পাদনা ঃ
মেঘালী দত্ত

# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

## ৰূপালী জয়ন্তী সংখ্যা • ২০০২-২০০৩ বৰ্ষ

### সম্পাদনা সমিতি

সভাপতি ঃ শিৱ প্ৰসাদ গগৈ
তত্ত্বাৱধায়ক ঃ ভোলানাথ গগৈ
শিক্ষক সদস্য ঃ ইন্দিবৰ বুঢ়াগোহাঞি
ড° জিতৰাম কলিতা
ডিম্বেশ্বৰ গগৈ
ছাত্ৰ সদস্য/সদস্যা ঃ কিৰণ গগৈ
বশিষ্ঠ দেৱ ফুকন
জুৰি ভূঞা
সম্পাদিকা ঃ মেঘালী দত্ত
বেটুপাত অংকণ ঃ নমিতা দত্ত
বেটুপাতৰ তাৎপৰ্য ঃ শিল্প সাহিত্য সংস্কৃতিৰ চৰ্চাত ২৫ বছৰ
কলা নিৰ্দেশনা/আলোকচিত্ৰ ঃ ইন্দিবৰ বুঢ়াগোহাঞি
স্কেচ্ ঃ কমল কৃষ্ণ বৰুৱা
মুদ্ৰণ ঃ চিত্ৰবন প্ৰিণ্টাৰ্চ
২৬৩ ৰাধাগোবিন্দ বৰুৱা পথ
গুৱাহাটী-৭৮১ ০০৩
প্ৰকাশক ঃ ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ
সাহিত্য আৰু আলোচনী বিভাগ


### কৃতজ্ঞতা স্বীকাৰ ঃ

- মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত শিৱপ্ৰসাদ গগৈদেৱ, উপাধ্যক্ষ ড° জিতৰাম কলিতাদেৱ, আলোচনী বিভাগৰ তত্ত্বাৱধায়ক শ্ৰীযুত ভোলানাথ গগৈদেৱ, শ্ৰীযুত ডিম্বেশ্বৰ গগৈদেৱ, শ্ৰীযুত নৰেন্দ্ৰ নাথ দত্তদেৱ, শ্ৰীযুত অমিয় কুমাৰ সন্দিকৈদেৱ।
- সম্পাদনা সমিতিৰ শিক্ষক সদস্য শ্ৰীযুত ইন্দিবৰ বুঢ়াগোহাঞিদেৱ, যাৰ ওচৰত মই আজীৱন ঋণী হৈ ৰ'লো।
- মোৰ প্ৰতি পদক্ষেপতে সহায় কৰা বান্ধৱী জুৰি, ৰীণা, জীনা, মিতালী, বন্ধু দিব্য, কিৰণ, কমল, ভাইটি বশিষ্ঠ আৰু ভণ্টি কৃষ্ণা, অঞ্জনা, অনুৰূপা।
- মহাবিদ্যালয়ৰ আলোচনীখনলৈ হেপাহেৰে বাট চাই থকা ছাত্ৰ-ছাত্ৰী সকল।
- এইসংখ্যাৰ আলোচনীলৈ লেখনি আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু লেখক-লেখিকাসকল।
- চিত্ৰবন প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী প্ৰমূখ্যে সমূহ কৰ্মকৰ্তা।


## সম্পাদকীয়

"তোমাৰ মুঠিমৰা হাতত কি আছে নাজানো
কিন্তুতোমাৰ মেলা হাতখনতেই
আছে ভৱিষ্যত
তোমাৰ আঁজলিত মানৱতা
তোমাৰ আঁজলিত মানৱতা" (হাত ঃ নৱকান্ত বৰুৱা)

আজিও তোমাৰ আঁজলিত মানৱতাই খলকণি তোলেনে? মানৱতাৰ স্পৰ্শত শিহঁৰিত হয়নে তোমাৰ মন? সঁচায়ে যদি আজিও মানৱতাই তোমাৰ আঁজলি উপচায় তেন্তে আঁজলিয়ে আঁজলিয়ে চটিয়াই দিয়া মানৱতাৰ বীজ আমাৰ বুকুলৈ। আমি জয়গান গাম.... জয়গান গাম আমি মানৱতাৰ...... !

আজিৰ যুগ যান্ত্ৰিক যুগ। যান্ত্ৰিকতাই আগুৰি ৰাখিছে আজি প্ৰত্যেকৰে জীৱন। এনে এক যান্ত্ৰিকতাৰে আৱৰা যুগৰে প্ৰতিনিধি আমি। আজি আমি প্ৰত্যেকেই দৌৰিছো মাথো নিজ নিজ কৰ্মৰ পিছত। কাৰোবাৰ সুবিধা-অসুবিধা, সুখ-দুখ আদিৰ প্ৰতি লক্ষ্য ৰাখিবলৈ কাৰো সময় নাই। প্ৰতিযোগিতাৰ আখৰাত ব্যস্ত সকলো। সেয়েহে আজি আমাৰ সমাজৰ পৰা ক্ৰমান্বয়ে হেৰাই যাব খুজিছে প্ৰেম-প্ৰীতি, বিশ্বাস, মানৱতাবোধ, ইত্যাদিবোৰ আৰু তাৰ ঠাইত লহপহকৈ বাঢ়ি আহিছে হিংসা-দ্বেষ, অত্যাচৰ ইত্যাদিবোৰ। আজিৰ মানুহে সৃষ্টিৰ সপোন নেদেখে, ধ্বংস যজ্ঞৰ ধোঁৱাই ধূসৰ কৰি ৰাখে সৃষ্টিৰ মায়াময় পৃথিৱী। আজি আমি শান্তি বিচাৰি দৌৰি নাযাওঁ মন্দিৰ, মছজিদ, গীৰ্জা আদিলৈ। বন্দুকৰ নলীৰ আগত শান্তিৰ পথ বিচাৰি পায় নতুন প্ৰজন্মই (যাৰ সিমূৰত বৈ থাকে তোৰ-মোৰ তেজৰ উষ্ণ সন্মিলন)। বন্দুকৰ নলীত ওলমি থাকে প্ৰত্যেকৰে জীৱন। ট্ৰিগাৰত আঙুলি পৰিলেই জৰ্জৰকৈ খহি পৰে নিৰীহজনৰ কল্পনাৰ বালিঘৰ! শান্তি বিচাৰি হিংসাৰ পথ বাচি লোৱা কোনোবাজনৰ বন্দুকৰ গুলিয়ে খহাই পেলাই কাৰোবাৰ কপালৰ জোন (জোনে উচুপে ৰাতি ৰাতি, খহি পৰাৰ অসহ্য বেদনাত) নাইবা উকা কৰে কাৰোবাৰ মনৰ পদূলি। নিজে শান্তি বিচাৰি গৈ সহস্ৰজনৰ শান্তিৰ এৰাল খুলি দিয়ে, হেদাঙি মেলা গৰুৰ দৰে শান্তিয়ে ঢাপলি মেলে, পাচে পাচে দৌৰে এজাক শান্তি পিপাসী মন।

কিন্তু এনে কিছুমান দিশ আছে, যিবোৰ দিশৰ ওপৰত গুৰুত্ব সহকাৰে দৃষ্টি দিলেও কিছুপৰিমাণে হলেও মনত শান্তি পোৱা যায়। উদাহৰণস্বৰূপে কোনোৱে সমাজৰ উন্নয়নমূলক কাম-কাজত হাত দিছে, কোনোৱে অনাথসকলৰ বাবে অনাথ আশ্ৰম খুলিছে আৰু কোনোৱে দুখীয়াক অন্ন-বস্ত্ৰ দান কৰিছে। ইয়াৰ উপৰিও শান্তি লাভৰ উদ্দেশ্যে কোনোৱে কাষ চাপিছে সাহিত্যৰ। সাহিত্যই মানুহক মানসিক তৃপ্তি দান কৰে। সাহিত্যৰ সফল চৰ্চাৰ ফলত মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পায় আৰু সমাজত সহনশীলতা, পৰোপকাৰ, সদ্ভাৱৰদৰে মহৎগুণবোৰৰ বিকাশ হয়। ফলস্বৰূপে, সমাজত এক সুস্থ বাতাবৰণৰ সৃষ্টি হয় আৰু মিলাপ্ৰীতি, একতা, সহযোগিতা ইত্যাদি সামাজিক বান্ধোনেৰে সমাজখন বান্ধ খায়।

'সাহিত্য হ'ল সমাজ তথা জাতিৰ দাপোনস্বৰূপ।' কোনো এখন সমাজৰ ভাষা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি সেই সমাজৰ সাহিত্যত প্ৰতিফলিত হয়। ফলস্বৰূপে, সেই সমাজৰ অনুকৰণীয় ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ প্ৰতি আন এখন সমাজ আকৰ্ষিত হয় আৰু ইখনৰ লগত সিখন সমাজৰ পাৰস্পৰিক সম্পৰ্ক গঢ়ি উঠে আৰু বন্ধুত্বৰ বান্ধোনেৰে সমাজ দুখন বান্ধখায়। এইদৰেই সাহিত্যৰ যোগেদি বিশ্বশান্তিয়ে ভুমুকি মাৰে।

কিন্তু আজিৰ যুৱপ্ৰজন্মৰ সাহিত্যৰ প্ৰতি হেপাহ যেন দিনে দিনে কমি আহিছে। সাহিত্য চৰ্চাৰ অভাৱ তেওঁলোকৰ মাজত প্ৰতিফলিত হোৱা দেখা গৈছে। কোনো কোনোৱে আকৌ কবিতা, গল্প, উপন্যাস আদি লিখি সফল নহৈ আধাতে এৰি দিয়ে। কিন্তু ভুকুতে জানো কলতো পকে? অসমীয়াত এষাৰ কথা আছে, "জুইশালত গঢ়িলেহে কমাৰ শালত গঢ়িব পাৰি।" অৰ্থাৎ প্ৰাথমিক অৱস্থাৰে পৰা চেষ্টা কৰিলেহে ভৱিষাতে উন্নতিৰ জখলাত বগাব পাৰি। সাহিত্যৰ ক্ষেত্ৰতো এই কথাষাৰ খাটে। কোনো সফল সাহিত্য দুই-এদিনতে সৃষ্টি নহয়। ই হ'ল জীৱনজোৰা প্ৰচেষ্টাৰ ফল। সেয়েহে ভৱিষ্যতে সফল সাহিত্য সৃষ্টি কৰিবলৈ হ'লে ছাত্ৰাৱস্থাৰে পৰা চেষ্টা কৰিব লাগিব। ইয়াৰ বাবে উপযুক্ত মাধ্যম হ'ল বিদ্যালয় বা মহাবিদ্যালয়ৰ মুখপত্ৰসমূহ। এই মুখপত্ৰসমূহক সাহিত্য চৰ্চাৰ কঠিয়াতলী বুলিব পাৰি। সেয়েহে ইয়াৰ বুকুতে নিজ নিজ প্ৰতিভাক ৰোপন কৰি, সাৰ-পানী দি লহপহীয়া কৰিবলৈ চেষ্টা কৰিব লাগে, যাতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশ হ'ব পাৰে। কিয়নো আজিৰ এই ছাত্ৰ-ছাত্ৰীসকলৰ মাজতেই লুকাই আছে ভৱিষ্যত দেশৰ একো একোজন কবি, সাহিত্যিক। সেয়েহে আমি আমাৰ সুপ্ত প্ৰতিভাক জাগৃত কৰি ভৱিষ্যতে একো-একো গৰাকী সফল সাহিত্যিক হ'বলৈ এতিয়াৰে পৰা চেষ্টা কৰো আহক।

"হাত মেলি দিয়া
কোঙা কৈ নাৰাখিবা তোমাৰ গতিশীল হৃদয়
চোঁৰা
তোমাৰ হাতৰ মুঠি খুলিবৰ বাবে
ৰৈ আছে সময়
ৰৈ আছে সময়।" (হাত)

**মুখপত্ৰখনিৰ বিষয়ে ঃ** ঢকুৱাখনা মহাবিদ্যালয়খনিয়ে ঢকুৱাখনাৰ ইতিহাসত কেইবাবছৰো অতিক্ৰম কৰিলে। ১৯৬৬ চনতে জন্ম লাভ কৰা উক্ত অনুষ্ঠানটিৰ বুকুত মহাবিদ্যালয়ৰ মুখ পত্ৰখনিয়ে গজালি মেলিছিল ১৯৭১ চনত। সেই মুখপত্ৰখনি বিকশিত হৈ ০২-০৩ বৰ্ষত 'ৰূপালী জয়ন্তী' বৰ্ষত ভৰি দিলে। মুখপত্ৰখনিৰ প্ৰথম প্ৰকাশৰে পৰা বৰ্তমানলৈকে বহুতো সম্পাদকৰ প্ৰচেষ্টা ইয়াৰ লগত জড়িত হৈ আছে। এই আপাহতে মই সেইসকল সম্পাদকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

'ৰূপালী জয়ন্তী' সংখ্যাৰ আলোচনী বুলিলে আলোচনী এখন যেনেদৰে সজাই তুলিব লাগে, ঠিক তেনেদৰে সজাই তুলিব নোৱাৰিলো। এখন উন্নত আলোচনীৰ আঁৰত থাকে সম্পাদক/সম্পাদিকাৰ জ্ঞান, প্ৰয়োজনীয় পুঁজি আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখা-মেলাৰ দিশত থকা আগ্ৰহ। আমাৰ ক্ষেত্ৰত হয়তো এইবিলাকৰ অভাৱৰ বাবেই পাঠকে বিচৰাৰ দৰে সৰ্বাংগসুন্দৰ আলোচনী এখন দিব নোৱাৰিলো। এই সীমাবদ্ধতাৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো।

(মেঘালী দত্ত)




# সূচীপত্ৰ

সম্পাদকীয়#৫

**প্ৰবন্ধ ঃ**

এইয়া আকাশবাণী □ অচ্যুত চমুৱা#৯
দৰিদ্ৰতাৰ কবলত উন্নয়নশীল অৰ্থনীতি □ প্ৰীতি গোস্বামী#১১
সৌন্দৰ্যৰ প্ৰতিমূৰ্তি লিছবন □ ৰাজশ্ৰী গগৈ#১৩
মহাবিদ্যালয় সপ্তাহ আৰু কিছু বাস্তৱিক চিন্তা □ হেমেন দলে#১৪
দুশ্চিন্তা □ মণিকান্ত দিহিঙীয়া#১৫
ইভ্‌টিজিং ঃ এক সামাজিক ব্যাধি □ অৰুণজ্যোতি ঘোষ#১৭
সুৰাপান আৰু কিছু প্ৰাসংগিক চিন্তা □ অৰুণকুমাৰ গগৈ#১৮
সমাজ সচেতনতাত যোগবিজ্ঞান □ ৰোহিত বড়া#১৯

**ভ্ৰমণ ঃ**

পৰ্যটকৰ ৰম্যভূমি চিমলা-ভ্ৰমণৰ ডুখৰীয়া ছবি □ নৰেন্দ্ৰ নাথ দত্ত#২১
ডাৱৰৰ মাজে মাজে মনোৰম টাৱাঙলৈ □ দিব্যজ্যোতি দত্ত#২৪

**গল্প ঃ**

শেৱালিৰ সুবাস □ ড° জিতৰাম কলিতা#২৯
ফিনিক্স পক্ষীৰ আৰ্তি □ পংকজ কুমাৰ শইকীয়া#৩৩
কলং পাৰৰ এনিশা □ জুৰি ভূঞা#৩৫
হিৰণ্যৰ বিবেক দংশন □ নন্দ চুতীয়া#৩৭
চাৰপ্ৰাইজ □ বন্তি গগৈ#৩৯
অশান্ত সময় □ বশিষ্ঠ দেৱ ফুকন#৪২
বিবৰ্ণ সপোন □ নব কুমাৰ হাজৰিকা#৪৪
প্ৰৱঞ্চনা □ দীপিকা দত্ত #৪৭

**কবিতা ঃ**


নতুন দিনৰ গান □ শিৱ প্ৰসাদ গগৈ#৫১
ফাটবিহু □ হেমেন দলে#৫১
প্ৰেমৰ বৰ্ণমালা □ জয়কুমাৰ শইকীয়া#৫২
ঠিকনা বিচাৰি □ হীৰা মণি লামু বৰুৱা#৫২
সূৰুযমুখীলৈ একলম □ মেঘালী দত্ত#৫৩
অনুভৱৰ তুলিকাৰে □ জুৰি ভূঞা#৫৩
বয়সে গৰকা দিন □ জিনা দত্ত#৫৪
সুৰৰ সন্ধানত □ অনুৰূপা দত্ত#৫৪
আত্মস্থ □ দেৱযানী গগৈ#৫৫
অনুভৱ মোৰ প্ৰেমৰ □ হৰ্ষচন্দ্ৰ টাইদ#৫৫
আমাৰে মইনা শুব এ □ বিকাশ গগৈ#৫৬
এবুকু প্ৰেমেৰে মোৰ গাওঁ খনিলৈ □ বন্তি গগৈ#৫৬

**ENGLISH SECTION :**

**PANDA : Symbol of World Wide Fund for Nature** □ Harsha Chandra Taid#59
**A PEN-PICTURE OF A DEORI VILLAGE** □ Dibyajyoti Dutta#60
**MY HEART** □ Achyut Chamuah#62

**মহাবিদ্যালয় শিতান ঃ**

বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন#৬৩-৭৭



# উচৰ্গা

বিগত বছৰটোৰে যিসকল মহান মনিষীক আমাৰ মাজৰ পৰা আঁতৰাই নিলে.... নাছাৰ ভাৰতীয় বিজ্ঞানী কল্পনা চাওলা, প্ৰকৃতিবিদ পদ্মশ্ৰী ডা° ৰবীন বেনাৰ্জী, হস্তীৰ কন্যা প্ৰতিমা পাণ্ডে বৰুৱা, কাণ্ডাৰী পুৰুষ ড° ভবেন্দ্ৰ নাথ শইকীয়া.... আদিৰ পবিত্ৰ স্মৃতিত ঢকুৱাখনা মহাবিদ্যালয়ৰ এই সংখ্যাৰ আলোচনীখন উচৰ্গা কৰা হ'ল।

সম্পাদনা সমিতি

## ৰূপালী জয়ন্তী সংখ্যা • ২০০২-২০০৩ বৰ্ষ

## সম্পাদনা সমিতি



ভোলানাথ গগৈ
তত্ত্বাৱধায়ক



ড° জিতৰাম কলিতা
শিক্ষক সদস্য



ইন্দিবৰ বুঢ়াগোহাঞি
শিক্ষক সদস্য

ডিম্বেশ্বৰ গগৈ
শিক্ষক সদস্য



মেঘালী দত্ত
সম্পাদিকা




জুৰি ভূঞা
সদস্যা



বশিষ্ঠ দেৱ ফুকন
সদস্য

কিৰণ গগৈ
সদস্য



ৰাজু শৰ্মা
যোগ সম্ৰাট (একেবাহে তিনিবছৰ)



মোহন চন্দ্ৰ গগৈ

## ২০০২-২০০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল




**হোমেন বৰগোঁহাঞি**
উপ-সভাপতি



**হৰিচন্দ্ৰ চুতীয়া**
সাধাৰণ সম্পাদক

**ৰাজেন গগৈ**
সহঃ সাধাৰণ সম্পাদক



**ঠুনিল বৰুৱা**
সাংস্কৃতিক শাখাৰ সম্পাদক



**নৃপেন দত্ত**
তৰ্ক আৰু আলোচনা
শাখাৰ সম্পাদক



**মেঘালী দত্ত**
সাহিত্য আৰু আলোচনী
শাখাৰ সম্পাদিকা




**প্ৰণৱ চুতীয়া**
সমাজসেৱা সম্পাদক




**মুনমী গগৈ**
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা



**ৰাজু বৰুৱা**
ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক



**দ্বীপেন দত্ত**
শৰীৰ চৰ্চা সম্পাদক




**নিতুল কোঁছ**
ক্ৰীড়া শাখাৰ সম্পাদক



মেঘালী দত্ত
শ্ৰেষ্ঠা সাহিত্য প্ৰতিযোগী



পৰশমণি পায়েং
শ্ৰেষ্ঠা গায়িকা




প্ৰশান্ত ছত্ৰধৰা
বেডমিণ্টন চেম্পিয়ন (একক)
(একেৰাহেদুবছৰ) ছাত্ৰ জিৰণি কোঠাৰ
শ্ৰেষ্ঠ প্ৰতিযোগী (একেৰাহে দুবছৰ)



মোহন মিলি
মিঃ ডিঃ কেঃ চিঃ



অচ্যুত চুতীয়া
লৌহ মানৱ



নৱজিত শইকীয়া
পাঞ্জাবীৰ, সাঁতোৰবিদ



মৌচুমী খনিকৰ
সাঁতোৰ বাণী



বৰ্ণালী গগৈ
কেৰম চেম্পিয়ন (একক)



দেৱজিত শইকীয়া
কেৰম চেম্পিয়ন (একক)



কৃণজুন দত্ত
তৰ্ক আৰু আলোচনা শাখাৰ
শ্ৰেষ্ঠা প্ৰতিযোগী



পংকজ কুমাৰ শইকীয়া
শ্ৰেষ্ঠ অভিনেতা



বিনীতা দলে
শক্তিমান মহিলা



টিনা চেতিয়া
শ্ৰেষ্ঠা সমাজ সেৱিকা



সংগীতা শইকীয়া
পাঞ্জাবাণী



বিজু মণি দেৱী
লুডু চেম্পিয়ন (একক)



কৃষ্ণা বৰুৱা
বেডমিণ্টন চেম্পিয়ন (একক)



জয়কুমাৰ শইকীয়া
শক্তিমান পুৰুষ



পম্পী বৰুৱা
ডবাখেল প্ৰতিযোগিতা



জিতেন খনিকৰ
শ্ৰেষ্ঠ কৌতুক অভিনেতা ও
শ্ৰেষ্ঠ সমাজ সেৱক



মনোজ শইকীয়া
শ্ৰেষ্ঠ ভলিবল খেলুৱৈ




জ্যোতিকা পাতিৰ কৃষ্ণা বৰুৱা
বেডমিণ্টন চেম্পিয়ন (একক)



দীপিকা দত্ত কল্পনা সন্দিকৈ
লুডু চেম্পিয়ন (দ্বৈত)



মুনমী গগৈ বিজু মণি দেৱী
কেৰম চেম্পিয়ন (দ্বৈত)



# প্ৰবন্ধ

# এইয়া আকাশবাণী

**অচ্যুত চমুৱা**
*দ্বাদশ শ্ৰেণী, বিজ্ঞান বিভাগ শাখা*

"এইয়া বাতৰি পঢ়িছোঁ ভাস্কৰ বৰাই"— এনেধৰণৰ কথাৰ লগত আমি প্ৰায় সকলোৱে পৰিচিত। বাতৰি দিয়াৰ সময় হ'লেই আমি এটা বিশেষ যন্ত্ৰৰ ওচৰলৈ যাওঁ, কাণপাতি শুনো। তাৰ উপৰিও কেতিয়াবা গান, কুইজপ্ৰগেম, আলোচনা ইত্যাদি বিভিন্ন ধৰণৰ অনুষ্ঠানসমূহ শুনো। কাৰোৱে বুজিবলৈ অসুবিধা হোৱা নাই চাগে কিহৰ কথা ক'বলৈ গৈছোঁ। হয়, আপুনি ভবাটোৱেই। আপোনাৰ ঘৰত থকা লক্ষণীয় যোগাযোগ বিহীন ৰেডিঅ'ৰ কথাকে কৈছোঁ। তথাপিও এইখিনিতে ধাৰণা দৃঢ় কৰিবৰ বাবে জনাই থওঁ যে, আকাশবাণী বুলি ক'লে স্বাভাৱিকতে কিছুমানৰ মনলৈ অহা আগৰ দিনৰ কাহিনীত উল্লেখ থকা আকাশবাণীৰ কথা কোৱা নাই। কংসই দৈৱকীক বসুদেৱৰ লগত বিয়া পাতি দি আগবঢ়াই থ'বলৈ যাওঁতে যি আকাশবাণী হৈছিল সেই আকাশবাণীৰ কথা ইয়াত কোৱা হোৱা নাই। ইয়াত কোৱা আকাশবাণী হৈছে— বিজ্ঞানৰ এক চমৎকাৰ আৱিষ্কাৰ ৰেডিঅ'ৰ মাধ্যমেৰে হোৱা কথা-বতৰা। তথাপিও প্ৰকৃততেনো এই আকাশবাণী কি? এই আকাশবাণী হৈছে ভাৰতীয় ৰেডিঅ' সেৱাৰ নাম। ১৯২৭ চনত মুম্বাই আৰু কলিকতাত স্থাপিত হয় ভাৰতৰ প্ৰথম ৰেডিঅ' সেৱা কেন্দ্ৰ। (তাৰ ছয় বছৰ আগতে ইংলেণ্ডত স্থাপন হয় ৰেডিঅ' সেৱা কেন্দ্ৰ— ১৯২২ চনত)। প্ৰথমে ইয়াৰ নাম আছিল Indian Broadcasting Corporation. ১৯৩০ চনত চৰকাৰে ইয়াৰ নাম থয় Indian Broadcasting Service, তাৰ পিছত বৰ্তমানৰ AIR অৰ্থাৎ ALL India Radio নামটো হয় ১৯৩৬ চনত। অৱশ্যে ১৯৫৭ চনতহে ভাৰতীয় ৰাষ্ট্ৰীয় ভাষাত ইয়াৰ নাম হয়গৈ আকাশবাণী (আকশ বাণী)। আকাশবাণী ভাৰতীয় ৰেডিঅ' সেৱাৰ নামহে দেশ ভেদে এই ৰেডিঅ' সেৱাৰ নাম ভিন ভিন, যেনে— British Broadcasting Corperation.

আমি শুনা এই আকাশবাণীনো কেনেদৰে বহু দূৰৰ পৰা আহে, গভীৰ অৰণ্যৰ মাজতনো কেনেদৰে শুনা যায়, কেনেদৰেনো কেন্দ্ৰত কৈ থকাৰ লগে লগে আমি শুনিবলৈ পাওঁ বা ৰেডিঅ'ৰ ভিতৰত মাত কথা সুমুৱাই থোৱা হয়নেকি— ইত্যাদি ধৰণৰ প্ৰশ্নসমূহৰ উত্তৰ বিচাৰি চোৱাই এই প্ৰবন্ধৰ মূল উদ্দেশ্য। এতিয়া আঁহো আকাশবাণী কেনেদৰে প্ৰেৰণ কৰা হয় সেই বিষয়লৈ।

আকাশবাণী প্ৰেৰণ ঃ ৰেডিঅ' কেন্দ্ৰৰ পৰা গীত-মাত, বাতৰি আদি প্ৰচাৰ কৰিবৰ বাবে বিদ্যুত চুম্বকীয় তৰংগৰ সহায় লোৱা হয়। অৰ্থাৎ আকাশবাণী প্ৰেৰণ কৰিবৰ বাবে যি তৰংগৰ সহায় লোৱা হয়, সেইয়া হ'ল বিদ্যুত চুম্বকীয় তৰংগ। এতিয়া প্ৰশ্ন হ'ল— এই বিদ্যুত চুম্বকীয় তৰংগনো কি? ই হৈছে পৰিবৰ্তনশীল বিদ্যুত ক্ষেত্ৰ (Electric field) আৰু চুম্বকক্ষেত্ৰৰ (Megntic field) গতি। অৰ্থাৎ দুদ্যোল্যমান বিদ্যুত চম্বকীয় বিকিৰণেই হৈছে বিদ্যুত চুম্বকীয় তৰংগ। ইয়াৰ বেগ এক ছেকেণ্ডত তিনি লাখ কিলোমিটাৰ। সেইবাবেই কেন্দ্ৰত বহি কৈ থকা কথাবিলাক আমি লগে লগে শুনিব পাৰো। যিহেতু শব্দৰ প্ৰাবল্য (Intensity) বা তীক্ষ্ণতা ইয়াৰ দূৰত্বৰ বৰ্গৰ ব্যস্তানুপাতিক, গতিকে দূৰত্ব বাঢ়িলে শব্দৰ প্ৰাবল্য কমি যায় বাবে পোনপটীয়াকৈ কেন্দ্ৰৰপৰা পৰিবেশিত গীত-মাতসমূহ বহু দূৰলৈ প্ৰেৰণ কৰিব নোৱাৰি। সেয়েহে অনাতাঁৰ তৰংগ প্ৰেৰণৰ ক্ষেত্ৰত উচ্চ কম্পনাংকৰ (শক্তিৰ) বিদ্যুত চুম্বকীয় তৰংগ বাহক হিচাপে ব্যৱহাৰ কৰি গীত-মাত প্ৰচাৰ কৰা হয়। ইয়াকে কৰিবলৈ যাওঁতে প্ৰথমে শব্দতৰংগটো বৈদ্যুতিক সংকেতলৈ (Elective signal) ৰূপান্তৰিত কৰা হয়। তাৰপিছত সংকেতটো বাহক তৰংগৰ ওপৰত স্থাপন কৰি প্ৰেৰক এণ্টেনাৰ সহায়ত প্ৰেৰণ কৰা হয়। এই বাহক তৰংগবিলাক সকলো মাধ্যমৰ মাজেৰে পাৰ হৈ যাব পাৰে। উপৰোক্ত সকলোবিলাক প্ৰক্ৰিয়াৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা হ'ল।


(i) মাইক্ৰ'ফ'নৰ সহায়ত শব্দ তৰংগ বৈদ্যুতিক সংকেতলৈ ৰূপান্তৰিত কৰা হয়।

(ii) শ্ৰাব্য সংকেতৰ কলন (Modulation)

কোনো এটা তৰংগৰ কিছুমান গুণ, যেনে কম্পনাংক বা বিস্তাৰ আন এটা তৰংগৰ (ধৰা হ'ল, বিদ্যুত চুম্বকীয় তৰংগৰ) সেই একেবাৰে গুণৰ দ্বাৰা পৰিৰ্বতন কৰা প্ৰক্ৰিয়াই হৈছে কলন। এই কলন প্ৰধানকৈ দুই প্ৰকাৰৰ। সেইকেইটা—

(a) বিস্তাৰ কলন ঃ ইয়াত শব্দ তৰংগৰ প্ৰভাৱত বাহক তৰংগৰ বিস্তাৰৰ সালসলনি কৰা হয়। এইক্ষেত্ৰত বাহক তৰংগৰ কম্পনাংক কলিত তৰংগৰ কম্পনাংকৰ তুলনাত কম হয়। কম্পনাংক বেছি হোৱাৰ লগে লগেই কলিত তৰংগৰ বিস্তাৰ বিভিন্ন হয়।

(b) কম্পনাংক কলন ঃ ইয়াত শব্দ সংকেতৰ প্ৰভাৱত বাহক




তৰংগৰ কম্পনাংকৰ সালসলনি কৰা হয়। প্ৰেৰণ কৰিবলগীয়া শব্দ সংকেতৰ কলনৰ ফলত কলিত বাহক তৰংগৰ কম্পনাংক বিভিন্ন হয়।

এইখিনিতে মনকৰিবলগীয়া যে বিস্তাৰ কলনত বায়ুমণ্ডলীয় হুলস্থুলৰ দ্বাৰা প্ৰভাৱান্বিত হয়। সেয়েহে আমি কেতিয়াবা ৰেডিঅ'ত হেলিকপ্টাৰৰ বা অইন বেলেগ কিছুমান মাত কথা শুনিবলৈ পাওঁ। উল্লেখ্য ভাৰতীয় ৰেডিঅ' প্ৰগ্ৰেম বিস্তাৰ কলনত প্ৰচাৰ কৰা হয়। অৱশ্যে এই বিস্তাৰ কলনৰ দৰে কম্পনাংক কলনত বায়ুমণ্ডলীয় প্ৰভাৱ নপৰে।

(iii) এণ্টেনা ঃ প্ৰেৰক আৰু গ্ৰাহক যন্ত্ৰৰ মাজত সংযোগ স্থাপন কৰে এণ্টেনাই। প্ৰেৰক এণ্টেনাই প্ৰেৰকৰ পৰা পোৱা বৈদ্যুতিক সংকেতক বিদ্যুত চুম্বকীয় শক্তিলৈ পৰিবৰ্তিত কৰি তৰংগৰ ৰূপত শূণ্যত প্ৰেৰণ কৰে। গ্ৰাহক এণ্টেনাই বিস্তাৰিত এই ৰেডি'অ তৰংগৰ এক অংশ গ্ৰহণ কৰে আৰু তাক বৈদ্যুতিক সংকেতলৈ ৰূপান্তৰিত কৰে। তলত ৰেডিঅ' তৰংগ প্ৰেৰণ আৰু গ্ৰহণৰ বিভিন্ন উপাদানসমূহ ব্লক চিত্ৰৰ সহায়ত দেখুওৱা হৈছে।

(iv) টিউনিং চাৰ্কিত (নিৰ্বাচক) ঃ ই হ'ল এটা অনুনাদী LC বৰ্তনী অৰ্থাৎ আবেশধাৰক বৰ্তনী। কোনো বিশেষ কেন্দ্ৰৰ পৰা অহা তৰংগ গ্ৰহণ কৰিবলৈ ধাৰকৰ মান এনেকৈ উপযোজন কৰা হয় যাতে ই সেই বিশেষ কেন্দ্ৰৰ বৰ্তনীৰ সমসুৰীয়া (tuned) হয়। অৰ্থাৎ প্ৰেৰক কেন্দ্ৰৰ বৰ্তনী আৰু গ্ৰাহক যন্ত্ৰৰ বৰ্তনী একে হ'ব লাগিব (যাক আমি সাধাৰণ অৰ্থত চেণ্টাৰত লগোৱা বোলো)। অৰ্থাৎ কেন্দ্ৰৰ পৰা যি বেগুত সংকত পঠোৱা হৈছে সিমান বেগুতহে গ্ৰাহকে ধৰিব পাৰিব। হেৰফেৰ হ'লেই সেই নিৰ্দ্দিষ্ট চেণ্টাৰত নালাগিব। এনেকৈয়ে এণ্টেনাই গ্ৰহণ কৰা ৰেডিঅ' সংকেতৰ পৰা প্ৰয়োজনীয় অংশটো বাছি লোৱা হয়।

(v) ৰেডিঅ' কম্পনাংক পৰিবৰ্দ্ধক (Radio Frequency Amplifier) ঃ গ্ৰাহক এণ্টেনাই গ্ৰহণ কৰা তৰংগই আৱিষ্ট কৰা বিদ্যুৎ চালক বল তেনেই ক্ষীণ। সেইবাবেই গ্ৰহণ কৰা তৰংগৰ পৰা শ্ৰাব্য সংকেত পৃথক কৰাৰ আগতে পৰিবৰ্দ্ধন কৰি ল'ব লাগে।

(vi) বিকলক (Demodulator) ঃ ইয়াৰ সহায়ত পৰিবৰ্দ্ধিত ৰেডিঅ' কম্পনাংকৰ পৰা শ্ৰাব্য সংকেত পৃথক কৰা হয়। এই তৰংগৰ ডিটেক্টৰৰ সহায়ত বিকলন কৰা হয়।

(vii) শ্ৰাব্য কম্পনাংক পৰিবৰ্দ্ধক (Adio Frequency Amplifier) ঃ বিকলিত শ্ৰাব্য সংকেত ইয়াৰ সহায়ত পৰিবৰ্দ্ধন কৰি লাউড স্পীকাৰলৈ প্ৰেৰণ কৰা হয়।

(viii) লাউড স্পীকাৰ ঃ পৰিবৰ্দ্ধিত শ্ৰাব্য সংকত এই স্পীকাৰত প্ৰয়োগ কৰি বৈদ্যুতিক তৰংগটো অনুৰূপ শব্দ তৰংগলৈ পৰিবৰ্তন কৰা হয়। ইয়াৰ ফলত অনাতাঁৰ কেন্দ্ৰই প্ৰচাৰ কৰা কাৰ্যসূচী গ্ৰাহকত অৰ্থাৎ ৰেডিঅ'ত শুনিবলৈ পোৱা যায়। এইদৰেই আমি এই যন্ত্ৰটোত সকলো কাৰ্যসূচী শুনিব পাৰো।

সৰ্বশেষত, আকাশবানী প্ৰেৰণৰ বাবে নিত্য-নতুন আহিলা পাতি ওলোৱাত অতি সৰু ৰেডিঅ'ও পোৱা যায়। আগৰ দিনত ইয়াত ভাল্‌ভ ব্যৱহাৰ কৰাৰ বাবে যন্ত্ৰটো ডাঙৰ আছিল, বৰ্তমানে ইলেক্ট্ৰনিক্সৰ সা-সামগ্ৰীয়ে (ট্ৰেনজিষ্টৰ ইত্যাদি) ইয়াক অধিক সুচল কৰি তুলিলে।

(সহায় লোৱা ...)





# দৰিদ্ৰতাৰ কবলত উন্নয়নশীল অৰ্থনীতি

প্ৰীতি গোস্বামী
*স্নাতক ৩য় বৰ্ষ (অৰ্থনীতি বিভাগ)*

অৰ্থনীতিবিদ নাৰ্কচৰ মতে "A country is poor because it is poor" অৰ্থাৎ দেশ এখন দুখীয়া হোৱাৰ বাবেই দেশখন দুখীয়া"

সাম্প্ৰতিক কালত সৰ্বব্যাপী দেখা দিয়া এটা প্ৰধান সমস্যা হৈছে দৰিদ্ৰতাৰ সমস্যা । ই কেৱল এটা অৰ্থনৈতিক সমস্যাই নহয়, ই এক মানবী য় সমস্যা। বিশ্ব অৰ্থনীতিত বৰ্তমান কালচোৱাত উন্নয়নশীল দেশ সমূহৰ ক্ষেত্ৰত এই দ্ৰৰিদ্ৰতাৰ সমস্যাই ছানি ধৰিছে, বৰ্তমান বিশ্ব অৰ্থনীতি গোলকীকৰণ কৰা হৈছে যদিও ইয়াৰ সুফল সমূহ উন্নত অৰ্থনীতি সমূহে উপভোগ কৰিছে। উন্নয়নশীল দেশ সমূহে গোলকীকৰণৰ সুফল সমূহ ভোগ কৰিবলৈ সমৰ্থ হোৱা নাই। ইয়াৰ ফলস্বৰূপে দুখীয়া দেশ সমূহ সদায় দুখীয়া হৈ গৈ আছে আৰু উন্নয়শীল দেশ সমূহে একে অৱস্থাত থাকিব লগা হৈছে। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশ সমূহত এই দৰিদ্ৰতাৰ সমস্যাই প্ৰৱল ৰূপ ধাৰণ কৰিছে। যাৰ ফলত এনে উন্নয়নশীল দেশ সমূহ দৰিদ্ৰ চক্ৰৰ কবলত (vicious circle) সোমাই পৰিছে।

উন্নয়নশীল দেশ সমূহ দৰিদ্ৰতাৰ চক্ৰবেহুত সোমাই পৰাৰ কিছুমান কাৰণ আছে— প্ৰথমতেই হৈছে এনে দেশবোৰৰ বিনিয়োগৰ অভাৱ। বিনিয়োগৰ অভাৱৰ ফলত জনমূৰী আয় কম হয়, ইয়াৰ ফলত সঞ্চয়ৰ মাত্ৰা কমি যায় আৰু এনেদৰেই উন্নয়নশীল দেশৰ অৰ্থনীতি দিনক দিনে দৰিদ্ৰ চক্ৰৰ কৱলত সোমাই পৰে।

একবিংশ শতিকাৰ দুৱাৰ দলিত অৱতীৰ্ণ হৈও উন্নয়নশীল অৰ্থনীতি সমূহ দৰিদ্ৰ চক্ৰৰ কলত সোমাই থকাৰ কাৰণ সমূহ আলোচনা কৰা হ'ল।

১। জনসংখ্যা বৃদ্ধি (Problems of population) ঃ বৰ্তমান উন্নয়নশীল দেশসমূহত দেখা পোৱা ই এক প্ৰধান সমস্যা ভাৰবৰ্ষৰ ক্ষেত্ৰতো দেখা পোৱা যায় যে বৰ্ত্তমান ভাৰতবৰ্ষত জনসংখ্যা ১০০ কোটিৰো আধিক। ভাৰতবৰ্ষত ইমানেই দ্ৰুত গতিত জনসংখ্যা বৃদ্ধি পাব ধৰিছে যে এটা সময়ত মানুহ থাকিবলৈ ঠাই নোহোৱা হ'ব।

২। দৰিদ্ৰতাৰ সমস্যা (Problems of poverty) ঃ ই হৈছে উন্নয়নশীল দেশসমূহৰ প্ৰগতিত বাধা প্ৰদান কৰা এটা প্ৰধান অন্তৰায়। একবিংশ শতিকাত উপনীত হৈও এতিয়াও উন্নয়নশীল দেশৰ জনসাধাৰণে দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰি আছে। এনে দেশ সমূহত দৰিদ্ৰতাৰ সমস্যা সৃষ্টি হোৱাৰ বাবে প্ৰধানকৈ দায়ী কৰিব পাৰি "নিৰক্ষৰতা" সমস্যাটো। নিৰক্ষৰ লোক সকলে আধুনিক ব্যৱস্থা সমূহ গ্ৰহণ কৰাৰ পক্ষপাতী নহয়। তেওঁলোকে ইয়াৰ সুফল সমূহ উপলব্ধি কৰিব নোৱাৰে।

তলত ভাৰতবৰ্ষৰত দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰালোকৰ এটি হিচাপ দিয়া হ'ল—

ভাৰতবৰ্ষত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ হিচাপ (সংখ্যা আৰু শতাংশ হিচাপ

| বছৰ | গাওঁ | % | নগৰ | % | মুঠ | % |
|---|---|---|---|---|---|---|
| ১৯৭৩-৭৪ | ২,১৬১৩ | ৫৬.৪ | ৬০০ | ৪৯.৪ | ৩,২১৩ | ৫৪.৯ |
| ১৯৭৭-৭৮ | ২,৬৪২ | ৫৩.১ | ৬৪৭ | ৪৫.২ | ৩,২৮৯ | ৫১.৩ |
| ১৯৮৩ | ২,৫২০ | ৪৫.৭ | ৭০৯ | ৪০.৮ | ৩,২২৯ | ৪৪.৫ |
| ১৯৮৭-৮৮ | ২,৩১৯ | ৩৯.১ | ৭৫২ | ৩৮.২ | ৩,০৭১ | ৩৮.৯ |
| ১৯৯৩-৯৪ | ২,৪৪০ | ৩৭.৩ | ৭৬৩ | ৩২.৪ | ৩,২০৩ | ৩৬.০ |

উক্ত তালিকাখনৰ তথ্য পাতিবোৰৰ পৰা দেখা যায় যে যদিও শতাংশ হিচাপত দেশখনত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা নিম্ন হৈছে তথাপিও সংখ্যা হিচাপত বৃদ্ধি পাইছে। এনেদৰেই প্ৰতি বছৰত ভাৰতবৰ্ষত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা বৃদ্ধি পাই গৈ আছে।

৩। নিম্ন জনমুৰী আয় (Low percapita income) ঃ নিম্ন জনমুৰী আয়ো উন্নয়নশীল দেশৰ প্ৰগতিত বাধা দিয়া এক কাৰক। আন দেশ সমূহ সৈতে উন্নয়নশীল দেশসমূহৰ জনমুৰী আয় তুলনা কৰি চালেই উন্নয়শীল দেশ সমূহৰ নিম্ন জনমূৰী আয়ৰ গতি পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে ১৯৯৫ চনত ভাৰতৰ জনমূৰী আয় আছিল ৩৪০ ডলাৰ, আন দেশ সমূহৰ লগত তুলনা কৰি চালে দেখা যায় যে এই আয় চুইজাৰলেণ্ডৰ তুলনাত ১১৯ গুণ কম, জাৰ্মেনীৰ তুলনাত ৮১ গুণ, আমেৰিকাৰ তুলনাত ৭৯ গুণ আৰু জাপানৰ তুলনাত ভাৰতবৰ্ষৰ জনমুৰী আয় ১১৭ গুণ কম। উপৰোক্ত তথ্যৰ পৰাই উন্নয়নশীল দেশৰ জনমূৰী আয়ৰ পাৰ্থক্য দেখা পোৱা যায়।

৪। নিম্ন আকাৰৰ মূলধন গঠন (Low of capital formation) এখন দেশৰ অৰ্থনৈতিক উন্নয়ন প্ৰধানকৈ নিৰ্ভৰ কৰে দেশখনৰ মূলধন গঠনৰ ওপৰত, কিন্তু উন্নয়নশীল দেশ সমূহৰ মূলধন গঠন প্ৰধানকৈ নিৰ্ভৰ কৰে সঞ্চয়ৰ ইচ্ছা আৰু ক্ষমতাৰ ওপৰত। কিন্তু উন্নয়নশীল দেশসমূহৰ ক্ষেত্ৰত দেখা যায় যে জনমূৰী আয় কম হোৱাৰ বাবে মানুহৰ সঞ্চয়ৰ ইচ্ছা নোহোৱা হয়, ইয়াৰ ফলত মূলধন গঠনৰ হাৰো কমি যায়। এনেদৰে মূলধন গঠন বৃদ্ধি, কৰিব নোৱাৰি উন্নয়নশীল দেশ সমূহ দৰিদ্ৰ চক্ৰৰ কবলত সোমাই পাৰে।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব অগ্ৰগতিৰ ফলত পৃথিৱীৰ উন্নত দেশবোৰ যিমানেই আগুৱাই গৈ আছে তাৰ লগে লগে অনুন্নত তথা উন্নয়নশীল দেশ সমূহে সিমানেই পিছ পৰি গৈ আছে। ইয়াৰ প্ৰধান কাৰণ হ'ল উন্নয়নশীল তথা অনুন্নত দেশসমূহ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ দিশত অনগ্ৰসৰ। ইয়াৰ ওপৰিও আন কিছুমান সমস্যা আছে যিবোৰ সমস্যাৰ বাবে উন্নয়নশীল দেশ সমূহ দৰিদ্ৰ চক্ৰৰ কবলত সোমাই পৰিছে। তাৰ ভিতৰত প্ৰথমতেই "উদ্যোগীকৰণৰ অভাৱ" সমস্যাটো উল্লেখ কৰিব পাৰি। উপযুক্ত পৰিমাণৰ উদ্যোগীকৰণৰ অভাৱতে ভাৰতবৰ্ষৰ দৰে এখন প্ৰাকৃতিক সম্পদত চহকী দেশ আজিও উন্নয়নশীল দেশৰ শাৰীতে থাকি যাব লগা হৈছে।

ইয়াৰ উপৰিও উন্নয়নশীল দেশ সমূহ দৰিদ্ৰতাৰ চক্ৰবেহুৰ মাজত সোমাই পৰাৰ ক্ষেত্ৰত আৰু কিছুমান কাৰণ দেখা যায় তাৰ ভিতৰত brain drain ৰ সমস্যাটোৰ কথা উল্লেখ কৰিব পাৰি। উন্নয়নশীল দেশসমূহত উপযুক্ত পৰিমাণৰ শিক্ষা তথা আধুনিক ব্যৱস্থাৰ অভাৱত বহুতো উচ্চ দক্ষতা সম্পন্ন লোকৰ বহিঃ প্ৰকাশ ঘটে। দ্বিতীয়তে, বৰ্তমান সমাজত মানুহে নিজে কেনেদৰে ভালদৰে জীয়াই থাকিব পাৰি তাৰ ওপৰতহে বেছি গুৰুত্ব দিয়া দেখা যায়। সমাজৰ কথা তথা দেশৰ কথা চিন্তা কৰাৰ অৱকাশ কাৰো নাই। ইয়াৰ উপৰিও আন আন কিছুমান সমস্যা আছে যিবোৰ সমাধান কৰিব নোৱাৰিলে আমাৰ ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহ সদায় দৰিদ্ৰ হৈয়ে থাকিব লাগিব। বৰ্তমান ভাৰতবৰ্ষত ৰাজনৈতিক ক্ষেত্ৰখনত সাংঘাটিক ধৰণৰ পোখা মেলিব ধৰিছে যাৰ ফলত দেশখনৰ অৰ্থনীতি দিনক দিনে দৰিদ্ৰতাৰ কৰাল গ্ৰাসত সোমাই পৰিছে, ভাৰতবৰ্ষৰ অৰ্থনীতি এনেদৰে দৰিদ্ৰ চক্ৰৰ কবলত সোমাই পৰাৰ আন এটা কাৰণ হিচাপে দেশখনত চলি থকা দুৰ্নীতিক দায়ী কৰিব পাৰি।

উন্নয়নশীল অৰ্থনীতি সমূহক দৰিদ্ৰ চক্ৰৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰাৰ বাবে কিছুমান প্ৰতিৰোধ মূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰি।

প্ৰথমতেই সামাজিক আৰু সাংস্কৃতিক দিশৰ ক্ষেত্ৰত দেখা দিয়া বৈষম্য দূৰ কৰিব লগিব। কথিত আছে যে loss of culture, loss of identity নিজস্বতা বহনকাৰী সংস্কৃতিয়েহে জগতত জিনিব পাৰে। গতিকে আমাৰ জাতীয় সংস্কৃতিৰ বান্ধ যাতে ঢিলা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। ইয়াৰ উপৰিও মানৱ সম্পদৰ পূৰ্ণ ব্যৱহাৰ কৰিব পাৰিব লাগিব। কেৱল আকাৰত জনসংখ্যা বৃদ্ধি হলেই নহব ইয়াক পূৰ্ণভাবে মানৱ সম্পদ হিচাপে গঢ়ি তুলিব পাৰিলেহে উন্নয়নশীল দেশসমূহ উন্নয়নৰ দিশত আগুৱাই যাবলৈ সক্ষম হ'ব।

এই দৰিদ্ৰতাৰ সমস্যাৰ শেষ কৰিবৰ বাবে চৰকাৰে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে যদিও ইয়াত জনসাধাৰণৰ সক্ৰিয় সহযোগৰ প্ৰয়োজন। এই সমস্যাটো মানবীয় সমস্যা হিচাপে উপলব্ধি কৰিব পাৰিলে উন্নয়নশীল দেশসমূহ দৰিদ্ৰতাৰ কৰাল গ্ৰাসৰ পৰা কোনোবা এদিন মুক্ত হব পাৰিব, ইয়াৰ বাবে লাগিব সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সক্ৰিয় সহযোগ। ■

*ৰুচ ভাষা শিক্ষাৰ প্ৰথম পাঠ গ্ৰহণ কৰিবলৈ শ্ৰেণীকোঠাত গোটখোৱা ছাত্ৰকেইজনমানৰ মনবোৰ দুশ্চিন্তাত ভাৰাক্ৰান্ত হৈ পৰিছিল— বিষয়টো চাগে কিমান কঠিন হব! অলপ পিছতে অধ্যাপক গৰাকী শ্ৰেণীকোঠাৰ ভিতৰলৈ সোমাই আহিল। তেখেতৰ পিছে পিছে আহিছিল এটা পোহনীয়া কুকুৰ। ছাত্ৰবোৰক এযাৰো একো নোকোৱাকৈ অধ্যাপক গৰাকীয়ে কুকুৰটোক বহিবলৈ, আঠু লবলৈ, শুই পৰিবলৈ আৰু লুটি বাগৰ মাৰিবলৈ নিৰ্দ্দেশ দিলে। কুকুৰাটোৱে প্ৰত্যেকটো নিৰ্দ্দেশ নিপুনভাৱে পালন কৰিলে।*

*"দেখিছা ৰুচ ভাষা কিমান সহজ!" অধ্যাপক গৰাকীয়ে কলে। "কুকুৰ এটায়ো এই ভাষা সহজে শিকিব পাৰে।"*

— কলেজ ৰোচ





# সৌন্দৰ্যৰ প্ৰতিমূৰ্তি লিছবন

**ৰাজশ্ৰী গগৈ**
*স্নাতক ২য় বৰ্ষ (অৰ্থনীতি বিভাগ)*

ইউৰোপৰ মুকুটমণি লিছবন। নানান উত্থান-পতনৰ স্বাক্ষৰ বহন কৰা লিছবন চহৰখনে স্বাধীনতাৰ ৰ'দকাচলিত বহি বিজ্ঞান আৰু কাৰিকৰী প্ৰগতিৰ সপোন ৰচিবলৈ সুযোগ পাইছিল সৌ সিদিনা মাথো। কিন্তু অতি কম সময়ৰ ভিতৰতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত ইউৰোপৰ আন ৰাজ্যৰ ৰাজধানীৰ তুলনাত লিছবনে এক অনন্য সফলতাৰে সকলোকে চমক খুৱাইছে।

লিছবন বিশ্ববিদ্যালয়ৰ পৰিবেশ আৰু অট্টালিকাবোৰৰ বিবিধ গৱেষণাৰ কাম-কাজ ইমান চকুত লগা যে, আমাৰ দেশৰ লগত তুলনা কৰিলে আমাক তেনেই অৰ্থহীন যেন অনুমান হয়। ইয়াৰ উপৰিও প্ৰাকৃতিক সৌন্দৰ্য্যৰে ৰমণীয় লিছবন চহৰলৈ নানা দেশৰ পৰ্য্যটকৰ সোঁত সদায় বয়। পৰ্য্যটকৰ বাবে ৰম্যভূমি লিছবন চহৰত ৩৫ (পয়ত্ৰিশ) খনৰো অধিক তিনিতাৰকাযুক্ত হোটেল জক্‌মকাই আছে। ইউৰোপৰ দক্ষিণত আটলাণ্টিক মহাসাগৰে চৰণ পখালি থকা প্ৰাকৃতিক সৌন্দৰ্য্যৰ লয়লাসে থৌকি-বাথৌ কৰি থকা লিছবনৰ সৌন্দৰ্য্য অনন্য আৰু অপূৰ্ব। টাগুছ্ নদীৰ দুয়োপাৰে সংযোগী ইউৰোপৰ সৰ্ববৃহৎ ওপঙা দলংখনে ঢাকি ৰখা বিশাল নদীৰ লহৰবোৰ আৰু স্বকীয় বৈশিষ্ট্যৰে জক্মকাই থকা সাতভণী পাহাৰটোৱে লিছবন যেন ইন্দ্ৰৰ অমৰাৱতী। এট্ৰেলা চাছ্ৰ কাষৰ ১৮৫০ চনত নিৰ্মিত 'জাৰ্দিম ডা এট্ৰেলা' নামৰ উদ্যানখন লিছবনৰ আটাইতকৈ পুৰণি প্ৰাকৃতিক শোভাৰে চিৰ যৌৱনা হৈ থকা মনোৰম উদ্যান। এই ঐতিহাসিক উদ্যানৰ পৰা কিছু দূৰৈত অৱস্থিত চিৰিয়াখানাখনো ইউৰোপৰ অতি পুৰণি বিশ্ববিখ্যাত প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা ৰম্যভূমি। প্ৰায় ৬৫ একৰ মাটিৰে আগুৰা চিৰিয়াখানাখন প্ৰায় ৩,৫০০ (চাৰি তিনি হাজাৰ) বিধিৰ বিবিধ জীৱ-জন্তুৰ বাসভূমি। ইয়াৰ নানা বিধৰ ফুল আৰু সৰোবৰৰ কমনীয় দশ্যৰ উপৰিও নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে প্ৰদৰ্শন কৰাত ডলফিনৰ চমকপ্ৰদ নাচোন পৰ্য্যটকৰ বাবে অন্য এক আকৰ্ষণ।

লিছবনৰ অন্য এক সৌন্দৰ্য্য টাগুছ নদীৰ পাৰৰ বেলেমটাৱাৰ, প্ৰাচীন নাম ৰেষ্টেনোৰিচ। ই আছিল ৰজাঘৰীয়া বৰ্ষাকালীন আবাসভূমি। পঞ্চদশ শতিকাৰ শেষত কিং মোনোৱেল - ১ এ নিৰ্মাণ কৰা বেলেমটাৱাৰ আৰু মস্তেই ৰোদছ্ জেৰ'নিমচ মঠে চহৰখনৰ নৱজাগৰণৰ স্মৃতি বহন কৰি আছে।

১৯৫০ চনত ৫০০ জন শ্বহীদৰ স্মৃতিত নিৰ্মিত 'পোদ্ৰাও ডচ তেস্কোব্ৰিমেণ্টচ' অৰ্থাৎ 'আৱিস্কাৰৰ স্মৃতি' সৌধটো লিছবনৰ অন্য এক গৌৰৱ। ইয়াৰ কুটুবমিনাৰ সদৃশ চূড়ামণিৰ দুয়োফালে ইতিহাসৰ প্ৰসিদ্ধ অলেখ যুঁজাৰুৰ মূৰ্ত্তিখচিত দৃশ্যই অপূৰ্ব অনুভৱৰ সোৱাদ দিয়ে, তথা দেশবাসীৰ মনত স্বদেশ প্ৰেমৰ তপ্ত শোণিতৰ জোঁৱাৰ তোলে। অতীজৰ 'কলনিয়েল গাৰ্ডেন' নামেৰে জনাজাত বেলেমৰ বটানিকেল গাৰ্ডেনৰ দৃশ্য অতি অপূৰ্ব। আটলাণ্টিক মহাসাগৰৰ পাৰে পাৰে মনোৰম ঠাই কেইচ কেলৈ আটক ধুনীয়া বৈদ্যুতিক ৰেল ১৫ মিনিটৰ অন্তৰে অন্তৰে গতি কৰে। কেইচকেচত আটলাণ্টিকৰ ৰঙচুৱা বালিক ধুৱাই থকা সৰুবৰ ঢৌবোৰৰ নৃত্যৰত দৃশ্যবোৰে পৰ্য্যটকৰ মন আপোন পাহৰা কৰি পেলায়।

'ৰচিত' লিছবন মহানগৰীৰ অতি ব্যস্ত বজাৰ অঞ্চল। পৰ্তুগালৰ অতি পুৰণি নগৰ 'চিণ্ট্ৰা'ত ৰাণী এলিজাবেথৰ গ্ৰীষ্মকালীন আবাসগৃহ আছিল।

'লিছবন' হৈছে ইউৰোপৰ অতি প্ৰাচীন ঐতিহাসিক গৰিমাৰে আলোকিত মনোৰম মহানগৰী। শত-সহস্ৰ সংঘাতৰ বলি হৈয়ো সজীৱ কৰি ৰখা বিবিধ লিখনি সম্ভাৰে চহকী পৰ্তুগালৰ অতীত বুৰঞ্জীক লিছবনত ৩৫ টা লেখত লবগীয়া যাদুঘৰত যিদৰে জীৱন্ত ৰূপত সজাই থোৱা আছে তাৰ তুলনা বিশ্বত বিৰল। আটলাণ্টিক মহাসাগৰ আৰু ভূমধ্য সাগৰেদি পঞ্চদশ শতিকাৰ পৰা নৌ অভিযানেৰে বিশ্বক আৱিস্কাৰৰ বাবে এই দেশৰ নাগৰিকসকলে যি প্ৰচেষ্টা চলাইছিল, সিও কম বিস্ময়কৰ নাছিল। শ শ পালতৰা নাৱেঁৰে সীমাহীন বাধা বিঘিনি নেওচি দুঃসাহসিক পৰ্তুগীজ জাতিয়ে ভাৰত, ব্ৰাজিল আৰু চীন দেশলৈ যিদৰে ইউৰোপীয় প্ৰথম আটলাণ্টিক জন যাত্ৰাৰ সূচনা কৰিলে সেইয়া হ'ল লিছবনৰ বিশেষ আৰু নানা জাতি-ধৰ্মৰ মহামিলনৰ তীৰ্থ ৰূপত জেউতি চৰিছে এইখন নগৰত। লিছবন বাসীৰ অমায়িক আচৰণ আৰু অতিথিপৰায়ণ চেনেহ, মন মোহিনী আচাৰ-ব্যৱহাৰে সকলো পৰ্য্যটকৰে মন আকৰ্ষিত কৰিব পাৰে। ■

# মহাবিদ্যালয় সপ্তাহ আৰু কিছু বাস্তৱিক চিন্তা

হেমেন দলে
দ্বাদশ শ্ৰেণী (বিজ্ঞান শাখা)

মহাবিদ্যালয়ৰ সপ্তাহ বা কলেজ উইক হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ এক অতি আকাংক্ষিত সপ্তাহ। ছাত্ৰ-ছাত্ৰীসকলে এই সাতোটা দিনৰ বাবে যেন অতি আগ্ৰহেৰে বাট চাই থাকে। কাৰণ বছৰৰ এই সাতোটা দিনেই হৈছে শ শ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰত্যেকে প্ৰত্যেকক শ্ৰেষ্ঠ প্ৰতিপন্ন কৰাৰ এক উৎসৱ মুখৰ পৰিবেশ। যেনে ধৰক-সাহিত্যানুৰাগী সকলৰ প্ৰবন্ধ, কবিতা, গল্পৰ মছগুল, খেলপথাৰত ফুটবল, ভলীবল, ক্ৰিকেটৰ প্ৰেক্টিছ, কমন ৰূমত ডবা, কেৰম, টেবুল টেনিছৰ প্ৰেক্টিছ, সংগীতানুৰাগী সকলৰ সঙ্গীতৰ মছগুল। কাৰো অলপো সময় নাই। সকলো নিজৰ নিজৰ কামত ব্যস্ত। অধ্যাপক সকলৰ গাতো তত্ নাই। নহ'বই বা কিয় ? কলেজখনেই তেখেতসকলৰ কৰ্মস্থান, ছাত্ৰ-ছাত্ৰীসকল তেখেতসকলৰ আহিলা, তেওঁলোকৰ সফলতাই তেখেতসকলৰ সফলতা। ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক, শৈক্ষিক আৰু আনুষঙ্গিক খেলা-ধূলাত আগবঢ়াই নিব পৰাটোৱেই তেখেতসকলৰ কৃতিত্ব। সাংস্কৃতিক সন্ধ্যা আয়োজনৰ কথা নকলোৱেইবা। এই সকলোবিলাক 'প্ৰগেম' সুচাৰুৰূপে পৰিবেশন কৰি বাকীবিলাক কলেজৰ দৃষ্টি আকৰ্ষণেৰে যশস্যা বোটলাৰ আত্মাভিমানো আছে। মুঠতে এই যে, 'মহাবিদ্যালয়ৰ সপ্তাহ' কিমান যে হেপাঁহৰ! নিদিওঁ বুলি ভাৱিলেও বিদায় দিবলৈ ই যে বাধ্য।

ধৰাহওঁক আপুনি ইমানপৰে এটা সপোন দেখি আছিল। দুচকু মেলি দেখিব এইখন 'ঢকুৱাখনা কলেজ'। ঢকুৱাখনা মহকুমাৰ ভিতৰত উচ্চশিক্ষা অৰ্জনৰ এক নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান। শিক্ষা, সংস্কৃতি, খেলা-ধূলা, কোনো ক্ষেত্ৰতে পিছপৰি নথকা ঢকুৱাখনা কলেজ। কিন্তু এতিয়া আপুনি 'কলেজ উইকটো'ৰ বাস্তৱিক ৰূপটো কি দেখিছে? আছেনে আগৰ সেই উৎসৱমুখৰ পৰিবেশ? আছেনে ছাত্ৰ-ছাত্ৰীৰ মাজত সেই ব্যস্ততা, হেপাঁহ, কলেজখনৰ সৰ্বাঙ্গীন বিকাশৰ প্ৰচেষ্টা। আছেনে বাৰু অধ্যাপকসকলৰ সেই সহযোগিতা। নিশ্চয় নাই, অপ্ৰিয় হলেও ইয়াক আমি নীৰৱেই স্বীকাৰ কৰিব লাগিব।

এইখিনিতে লিখনিৰ বিষয়বস্তুৰ বাহিৰৰ দুটামান কথা উল্লেখ কৰিব বিচাৰিছো। ছাত্ৰী নিবাসটোৰ কথাই ধৰক। ঢকুৱাখনা শান্ত পৰিবেশৰ ঠাই বাবেই হয়তো কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ ৰেকৰ্ড নাই। যিটো ছাত্ৰী নিবাসত আজিলৈকে উপযুক্ত বেৰাৰ ব্যৱস্থা কৰা হোৱা নাই, সেই ছাত্ৰী নিবাসত এনে কোনো অপ্ৰীতিকৰ ঘটনাও যে নঘটিব তাৰো কোনো নিশ্চয়তা নাই। ছাত্ৰাবাসটোৰো যে কি দুৰৱস্থা! আপোনালোকৰ সকলোৰেই দৃষ্টিগোচৰ হৈছে চাৰিকড়ীয়াৰ খহনীয়াৰ তাণ্ডৱ লীলা। অহা দুই তিনি বছৰতে হয়তো গোটেই কলেজখনকে চাৰিকড়ীয়াই গ্ৰাস কৰি পেলাব। এই খহনীয়াৰ প্ৰতি কাৰো যেন গুৰুত্বই নাই।

এতিয়া মূল বিষয়টোলৈ আহিব খুজিছো। উপযুক্ত খেল পথাৰৰ অভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ কাৰ্য্যত কিঞ্চিত পৰিমাণে হ'লেও প্ৰভাৱ পেলাইছে। ইয়াৰ লগতে আহে দৰ্শকৰ কথা। প্ৰতিজন খেলুৱৈয়ে হয়তো দৰ্শকৰ পৰা বিচাৰে পূৰ্ণ সহযোগিতা। কিন্তু প্ৰতিযোগীসকলে দৰ্শকৰ পৰা পূৰ্ণ সহযোগিতা পায়নে? নিশ্চয় নাপায়। আমাৰ 'মহাবিদ্যালয় সপ্তাহ' এমুঠিমান ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজন কৰা মাথোন কেইজনমান অধ্যাপকৰ দ্বাৰা পৰিচালিত হোৱা এক গতানুগতিক অনুষ্ঠান। ইয়াত নাই কোনো স্ফূৰ্ত্তি, নতুনত্ব, নাই প্ৰতিগোগিতামূলক মনোভাৱ। বৰঞ্চ নিম্নতম মানদণ্ড খিনিৰো অভাৱ। এইখিনিতে ২০০২-২০০৩ বৰ্ষৰ বিভাগীয় সম্পাদক সম্পাদিকা সমূহৰ প্ৰতি এটা অভিযোগ, ২০০২-২০০৩ বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ প্ৰতিযোগীসকলৰ প্ৰাপ্য পুৰস্কাৰসমূহ আজি পৰ্যন্ত বিতৰণ কৰা ন'হল কিয়? কাৰণত আগন্তুক 'মহাবিদ্যালয়ৰ সপ্তাহ'বোৰত অংশগ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনীহা ভাৱ ফুটি উঠিব পাৰে।

মুঠতে হেপাঁহৰ 'মহাবিদ্যালয় সপ্তাহ' কলেজৰ প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰী, অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰীৰ বাবে পূজা বন্ধৰ দৰে এটি বন্ধ পৰ্বহে। এনে লাগে যেন 'মহাবিদ্যালয় সপ্তাহ' কলেজৰ সামূহিক অনুষ্ঠান নহয়, ই প্ৰতিভা বিকাশৰ থল নহয়, ইয়াৰ লগত কলেজখনৰ সামাজিক মান-সন্মান, ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাৰ মান-সন্মান জড়িত নহয়। এই অনুষ্ঠানটো যেন কাৰো দায়িত্বিবোধৰ ভিতৰেই নপৰে। বছৰ বছৰ ধৰি চলি আহিছে আৰু ই একেভাৱেই হয়তো চলি থাকিব। অনুষ্ঠানটোক নতুনকৈ জীৱন্ত ৰূপত সজাই তোলাৰ কাৰো প্ৰচেষ্টা নাই, আগ্ৰহ নাই। হায়! এই কঠোৰ বাস্তৱ যদি মাথোন হলহেঁতেন এটি দুঃস্বপ্নহে। প্ৰশ্ন হয়, এইখন কলেজেই আমাৰ প্ৰথম পৰিচয় নহয় নেকি? যদি হয়, আমি জানো সাৰ পাই আছো.........? ■





# দুশ্চিন্তা

মণিকান্ত দিহিঙীয়া
স্নাতক ৩য় বৰ্ষ

"প্ৰতিটো সূৰ্যোদয় জীৱনৰ আৰম্ভণি, সূৰ্যাস্ত জীৱনৰ শেষ। এই কম সময়ৰ ভিতৰতে প্ৰতিজন ব্যক্তিয়ে নিজৰ বাবে জ্ঞান আৰু শক্তি আহৰণ কৰাৰ উপৰিও পৰোপকাৰী কামৰ খতিয়ান ৰাখি যাব লাগিব।" জন ৰাস্কিনে কোৱা এই স্মৰণীয় কথাষাৰ আমি কিমান দূৰ মনত ৰাখিছো। কাৰ্যক্ষেত্ৰতটো আমি পাহৰিয়ে যাওঁ। কিন্তু আমি কিহৰ কাৰণে চিন্তা কৰো? আমি অনুভৱ নকৰাকৈয়ে পাৰ হৈ গৈ আছে একোটা নতুন জীৱন, এটি নতুন দিন আৰু একোটা নতুন পুৱা। কি যে আচৰিত! আমি কি হেৰুৱাইছো ধৰিবকে নোৱাৰো। হেৰুৱাই হেৰুৱাই অৱশেষত শূণ্যৰ ঘৰত পৰিম। তাৰ পিছত? তাৰ পিছত জন ৰাস্কিনকে কম— আপুনি আপোনাৰ স্মৰণীয় কথাষাৰ নতুনকৈ শুদ্ধ কৰি আমাক দিয়ক, আমাৰ শূণ্যঘৰত পৰাকৈ। যদি তেখেত মৃত হয় তেনেহ'লে আমিও এই শূণ্যঘৰতে মৃত্যু হ'ম। যদি তেখেত জীৱিত, তেন্তে শুদ্ধ কৰি আমাক ক'ব— প্ৰতিটো সূৰ্যোদয়ৰ শূণ্যতে জীৱনৰ আৰম্ভণি, সূৰ্যাস্তও শূণ্যতে শেষ। এতিয়া চিন্তা কৰি লাভ নাই, তোমাৰ জীৱনেই শূণ্য।

মানুহৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোনৰ লগত এৰাব নোৱাৰা ধৰণেৰে জড়িত হৈ আছে মনৰ দুশ্চিন্তা। মায়াময় পৃথিৱীত জীৱনৰ দুশ্চিন্তাই বিশৃংখলাৰ সৃষ্টি কৰি আছে। ইয়াৰ প্ৰভাৱ যে মাত্ৰ ব্যক্তিকেন্দ্ৰিক, সেইটো নহয়। ইয়াৰ সৃষ্টি ব্যক্তি, কিন্তু ধ্বংস ব্যক্তি আৰু সমাজ উভয়ৰে। পৃথিৱীৰ কোনো এজন ব্যক্তিয়ে ক'ব নোৱাৰে এইবিধ মানসিক ৰোগত পৰা নাই বুলি। ব্যক্তিবিশেষে আৰু পৰিস্থিতি সাপেক্ষে ই পৃথক পৃথক হয়। দুশ্চিন্তা চিন্তাৰে অন্য এটা ৰূপ যি মানুহৰ মনৰ পৰা সৃষ্টি হৈ মানুহৰ জীৱনলৈ বিপদ মাতি আনে। এই দুশ্চিন্তা দূৰ কৰাৰ বিভিন্ন উপদেশ বিভিন্নজনে আগবঢ়ায় যদিও ই সিমান সহজ নহয় যে অনুকৰণীয় পদ্ধতিৰে ইয়াক উপশম কৰিব পাৰি। কিন্তু অনুকৰণৰ দ্বাৰাও ইয়াক হজম কৰিব পাৰি। পাৰি এই কাৰনেই যে, সেই উপায়বোৰ আনে নোকোৱা বা নেদেখুৱাৰ আগতে আমি দুশ্চি ন্তা উপশমৰ ব্যৱস্থা ল'ব নাজানো। অৰ্থাৎ আমি আমাৰ মতলববোৰ ক্ষণিকৰ সুখ, আনন্দ-বিষাদৰ বাবেই আগুৱাই লৈ যাওঁ নিজৰে অস্তিত্ব। আমাৰ সন্মুখত একো উপায়ে দেখা নিদিয়ে। আমি ভাবি নাপাওঁ আমি কিহৰ বিষয়ে চিন্তা কৰিম।

চিন্তা আৰু দুশ্চিন্তাৰ মাজত পাৰ্থক্য আছে, যদিও ইহঁতৰ উৎসৰ কাৰক একেবিধেই। চিন্তাৰ কাৰণে সমাজখন প্ৰেমেৰে জীয়াই আছে আৰু দুশ্চিন্তাৰে বাবে বিষাদৰ ডকা চাকনৈয়া আছে। মানুহৰ মানসিক পৰিস্থিতি ইমান সৰল নহয় যে, বোঁৱতী নদীৰ আৱহমান গতিৰ দৰে ই প্ৰবাহিত হ'ব। আমি বহুত কথাই ভাবি থাকো আৰু বহুত ভাবিবলগীয়া থাকে। বহুতো সমস্যাৰ লগত আমি বসবাস কৰো। এইসমস্যাবোৰ কেতিয়াবা পৰিপূৰক আৰু কেতিয়াবা বিকল্প হিচাপে সৃষ্টি হয়। কিন্তু কথা হ'ল এই সমস্যাবোৰৰ লগত আমি মৃত্যু পৰ্যন্ত সহবাস কৰিবই লাগিব। সেইবুলি আমি এই তিক্ততাৰপৰা হাত সাৰিবলৈ কৃত্ৰিম উপায় অৱলম্বন নকৰিমনে? এইখিনিতে প্ৰশ্ন হয়— আমি সমস্যাবোৰৰ সমাধান কেনেদৰে কৰিব পাৰোঁ? আমি সমস্যাবোৰ শেষ কৰিব নোৱাৰো, কিন্তু এইবোৰ দূৰ কৰিব পাৰো। কিন্তু কেনেদৰে? আমি সমস্যাবোৰৰ বিষয়ে চিন্তা কৰিব লাগে, কিন্তু দুশ্চিন্তা কৰা উচিত নহয়। চিন্তা আৰু দুশ্চিন্তাৰ মাজৰ পাৰ্থক্য কি, তাক আৰু সহজভাৱে জানিবলৈ হ'লে ডেল কানেগীৰে কোৱা কথাষাৰত গুৰুত্ব দিব লাগিব। ডেল কানেগীৰে কৈছিল— "নিউয়ৰ্কৰ যান— জটেৰে ভৰা পথ অতিক্ৰম কৰাৰ সময়ত মই চিন্তা কৰো, কিন্তু দুশ্চিন্তা নকৰো।" চিন্তা হ'ল আমাৰ সন্মুখত দেখা দিয়া সমস্যাবোৰ চালি-জাৰি চাই সহজ ভাৱে সমাধান কৰাটো, দুশ্চিন্তা হ'ল সেই একেই সমস্যাবোৰৰ কাৰণে বুৰ্বকামী কৰাটো।

আমি মনৰ দুশ্চিন্তা দূৰ কৰিবলৈ হ'লে মহৎলোকৰ আদেশ পালন কৰিব লাগে। কিয় লাগে? মহৎলোকনো কোন? প্ৰকৃততে তেওঁলোকেও তেওঁলোকৰ সমস্যাবোৰৰ কাৰণে সমস্যাত পৰিছিল। কিন্তু পিছত তেওঁলোকে চিন্তা কৰি সমস্যাবিলাকৰ সমাধানৰ পথ বিচাৰি পাইছিল। সেইকাৰণে আমি আগতীয়াকৈ যাতে সজাগ হ'ব পাৰো তাৰবাবে তেওঁলোকৰ কথাবোৰ মনত ৰখা উচিত।

জীয়াই থকা জীৱনত মানুহৰ মনৰ দুশ্চিন্তা শেষ নহয়। কিন্তু মানুহৰ জীৱনটো বেছি কষ্টকৰ কৰি তোলে যৌৱনকালৰ কিছুমান দুশ্চিনাই। মানুহৰ দুশ্চিন্তা এইকাৰণেই শেষ নহয় যে, মানুহে যিকোনো পৰিবৰ্তনক সহজভাবে লব নোৱাৰে। পৰিবৰ্তনক সহজভাবে লবলৈ হ'লে পৰিৰ্বতনবোৰো সহজভাৱে ল'ব লাগিব। কিন্তু আমি পৰিবৰ্তনবোৰ সহজভাবে সজাব নাজানো অথবা পৰিবৰ্তনবোৰ সহজ হ'বলৈ নিদিওঁ। কিন্তু এজনে সহজ হ'বলৈ দিলেও আনজনৰ বাবে কঠিন হৈ পৰে। কাৰণ সকলো মানুহৰে মানসিকতা বা মানসিক শক্তি, সংযম একে নহয়। কিছুমান মানুহৰ মানসিক উত্তেজনা প্ৰৱল হয় আৰু কিছুমান মানুহৰ কম হয়। মানসিক উত্তেজনাক কেতিয়াও ওজনৰ তুলাচনীৰে জুখিব নোৱাৰি। ই কেতিয়াবা বেছি, কেতিয়াবা কম ক্ষতিকাৰক আৰু কেতিয়াবা মানুহৰ প্ৰয়োজনীয় হৈ পৰে। মানুহৰ মানসিক শক্তিৰ সঠিক জোখ এইকাৰণেই পোৱা নাযায় বা ই সম্ভৱ নহয় যে ইয়াৰ নিৰ্দিষ্ট কোনো

ওজন নাই। অন্যকথাত ইয়াৰ বৈজ্ঞানিক দৃষ্টিভংগী আৰু বস্তুগত দিশ নাই। মানসিক উত্তেজনা সকলো মানুহৰে থাকে। কিন্তু আভ্যন্তৰিণ তিনিটা গুণৰ কাৰণে মানসিক উত্তেজনা কম-বেছি হয়। সেই গুণ তিনিটাই মানুহৰ জীয়াই থকা জীৱনটোৰ কাৰণে প্ৰত্যক্ষ বা পৰোক্ষভাৱে যত্ন লয়। সেই গুণ তিনিটা হ'ল ধৈৰ্য্য, সাহস আৰু সত্য। যিজন বা যিলোকৰ ক্ষেত্ৰত এই গুণ তিনিটা অন্তৰ্নিহিত হৈ থাকে তেওঁলোকৰ মানসিক উত্তেজনা বাহ্যিক ৰূপত কম পৰিমাণে দেখা দিয়ে। এই তিনিটা গুণৰ ভিতৰত বিশেষকৈ ধৈৰ্যগুণ যাৰ বেছি তেওঁলোকৰ মানসিক উত্তেজনা কম হয়। অন্যহাতেদি, যি মানুহৰ ক্ষেত্ৰত ধৈৰ্য্য, সাহস আৰু সত্য এই তিনিটা গুণ অন্তৰ্নিহিত হৈ নাথাকে অথবা কম পৰিমাণে অন্তৰ্নিহিত হৈ থাকে, তেওঁলোকৰ মানসিক উত্তেজনা প্ৰবল হয়। সেইকাৰণে সকলোমানুহে যিকোনো পৰিবৰ্তনক সহজভাৱে ল'ব নোৱাৰে আৰু মানুহৰ মানসিক দুশ্চিন্তাও শেষ নহয়।

সত্যই ধৈৰ্য্য আৰু সাহসৰ বাবে প্ৰেৰণা যোগায়। যাৰ ধৈৰ্য্য আৰু সাহস নাই তেওঁ যিকোনো কামত ব্যস্ত থাকিব নোৱাৰে। আনকি মানুহৰ মন সজীৱ কৰা, মানুহৰ আয়ুস বৃদ্ধি কৰা আৰু স্বাস্থ্য সুন্দৰ কৰি তোলা মনখোলা এটি হাঁহিৰ বাবেও ব্যস্ততাৰ প্ৰয়োজন। কিন্তু এই ব্যস্ততাৰ কাৰণে তাতোতকৈ আগতীয়া প্ৰয়োজন হ'ল ধৈৰ্য্য। বেঞ্জামিন ফ্ৰেংকলিনে কৈছিল যে, ধৈৰ্য্যগুণ থকা মানুহে জীৱনত যি হ'ব বিচাৰে হ'ব পাৰে। জীয়াই থকা জীৱনত যিবোৰ মানুহে মহৎ কাৰ্য সম্পাদন কৰিছে, সেইসকলৰ জীৱন-কাহিনী পঢ়িলে আমি জানিব পাৰো যে তেওঁলোকে তেওঁলোকৰ মহৎ কৰ্মবোৰ অশেষ ধৈৰ্য, গুণৰ বলতহে কৰিব পাৰিছে। মানুহৰ জীৱনত সুখ-দুখ আৰু আশা-নিৰাশা থাকেই। সেইবুলি মানুহে হতাশাত ভাগি পৰি দুশ্চিন্তা কৰা উচিত নহয়। মানুহে কৰিব খোজা প্ৰতিটো কামত নিৰাশা আহি যাব পাৰে আৰু এই নিৰাশাই মানুহৰ মনলৈ দুশ্চিন্তা আনি দিয়ে। এই দুশ্চিন্তাক অতিক্ৰম কৰিব পৰা গুনকেইটা হৈছে— ধৈৰ্য্য, সাহস আৰু সত্য। পৃথিৱীত মহৎকৰ্ম সম্পাদন কৰা লোকসকল এই তিনিটা গুনৰ কাৰণে আজিও অমৰ হৈ আছে।

মানুহৰ মনৰ সন্তুষ্টিয়েই সুখৰ মূল কাৰণ। সুখ বুলি মানুহৰ অন্য বস্তু এটা নাই। দুৰ্দিন মানুহৰ জীৱনলৈ এদিন হ'লেও আহিবই। আমি সেই দুৰ্দিনতো সুখ অনুভৱ কৰিব পাৰিব লাগিব। দুখ কি তাক নজনা মানুহে সুখ কি তাকো নাজানে। আমি ভালদৰে নিজৰ জীৱনৰ ভাল দিশবোৰ আয়ত্ব কৰিবলৈ যাওঁতে বেয়া দিশবোৰনো কি তাকো জানিবলগীয়া হয়। নহ'লে কিছুমান নিৰ্দিষ্ট সত্যত উপনীত হ'ব নোৱাৰি। কাৰণ, বেয়াটোনো কি তাক নজনাকৈ ভালটো জনাত অসুবিধা হয়। কিন্তু সকলো কাৰ্যতে যে এই কথাষাৰ প্ৰযোজ্য হয়, সেইটো নহয়। ই তেনেই সহজ। আমি কেতিয়াবা কিছুমান কাৰ্য কৰিবলৈ যাওঁতে আমাতকৈ ডাঙৰ বা জ্ঞানীলোকে আমাক বাধা দি কয়— এইটো কৰিব নাপায়, সেইটো কৰিব নাপায় ইত্যাদি। আমি তেতিয়া প্ৰশ্ন কৰোঁ, কিয় কৰিব নাপায়? এইখিনিতে আমি নাপায় অৰ্থাৎ বেয়াটোনো কি জানিলৈ ভালটো কৰিবলৈ আগবাঢ়োঁ।

ওপৰত কৈ আহিছো যে, মানুহৰ জীয়াই থকা জীৱনটো বেছি কষ্টকৰ কৰি তোলে যৌৱনকালৰ দুশ্চিন্তাই। অন্যকথাত ছাত্ৰজীৱনৰ চিন্তা-চৰ্চাৰ ওপৰতে ভৱিষ্যত জীৱনটো গঢ় লৈ উঠে। আমাৰ মানসিক পৰিস্থিতিবোৰে আমাৰ ভাগ্য নিৰূপন কৰে। বিখ্যাত দাৰ্শনিক মাৰ্কাচ অৰলয়েচে কৈছিল— "Our life is what our thoughts make it." অৰ্থাৎ আমাৰ ভাৱনাই আমাৰ জীৱন গঢ়ে। মাৰ্কাছ অৰলয়েছৰ এই কথাফাঁকি আমি প্ৰতিটো খোজতে মনত ৰখা উচিত। কেৱল ছাত্ৰ-ছাত্ৰীসকলেই নহয়, অশিক্ষিত লোকসকলেও অৰলয়েছৰ এই কথাষাৰি গুৰুত্ব দিয়া উচিত। কিয়নো সেইসময়তে আমাৰ মনত দুশ্চিন্তাই ক্ৰিয়া কৰিবলৈ ধৰে। সেই সময়ত মনৰ দুশ্চিন্তা আঁতৰাব নোৱাৰিলে বা দুশ্চিন্তাবোৰৰ লগত মনটো উটি-ভাঁহি ফুৰিবলৈ দিলে আমাৰ ভাগ্য বেয়াৰ ফাললৈ ঢাল খাব। ফলত ভৱিষ্যত জীৱনটোৰ কোনো স্থিৰতা নাথাকিব। অন্যকথাত ক'বলৈ হ'লে সময়ৰ কাম সময়ত নকৰিলে কোনো কামত নাহে। আমি আমাৰ মনৰ চিন্তাবোৰ দুশ্চিন্তাৰ পৰা মুক্ত কৰিবৰ বাবে ধৈৰ্য্যৰ সহায়েৰে মনটোৰ বহুত যত্ন ল'ব লাগিব। যত্নৰ অবিহনে আমি মানসিক পৰিস্থিতিৰ সুন্দৰতা আনিব নোৱাৰো। থেলমা থমচনে কৈছিল, "সকলোতকৈ ভালবস্তুটোৱে সকলোতকৈ কঠিন। হয় আমি ভাল বস্তু এপদ উপভোগ কৰিবলৈ লওঁতে শকত ধনৰ প্ৰয়োজন হয়। ইয়াৰ অবিহনে বস্তুপদ উপভোগ কৰিব নোৱাৰো। এইটো মাত্ৰ এটা স্বাভাৱিক উদাহৰণ।

আমি জানো যে, আমি সদায় নিজৰ ভালৰ কাৰণে চিন্তা কৰোঁ। কিন্তু আমাৰ মনলৈ হঠাত দুশ্চিন্তা আহে কিয়? যদিহে আমি সকলো সময়তে মনত ৰাখিব পাৰো যে আমাৰ যি আছে তাতে আমি সন্তোষ্ট, তেতিয়া আমাৰ মন অপৰিতৃপ্ত হৈ নপৰে আৰু দুশ্চিন্তা কৰিবলগীয়াও নাথাকে। কিন্তু আমাৰ যি আছে তাত আমি সন্তেষ্ট নহওঁ। চোপেন হাওৱাৰে কোৱা বাক্যশাৰী পৃথিৱীৰ সকলো মানুহৰ ক্ষেত্ৰতে প্ৰযোজ্য। তেওঁ কৈছিল— "আমাৰ যি আছে তাৰ বিষয়ে আমি কদাচিতহে ভাবো, কিন্তু যি নাই তাৰ কথাহে অনবৰতে ভাবো। আমি মানুহবোৰ সদায় উচ্চাকাংক্ষী। এই উচ্চাকাংক্ষী মনৰ বাবে আমাৰ যি আছে তাৰ বিষয়ে ভাবিবলৈ পাহৰি যি নাই তাৰ কথাহে অনবৰতে ভাবো। কিন্তু এখন সমাজত মানুহৰ মাজত যিমানবোৰ দুখৰ সৃষ্টি হৈছে, তাৰে বেছিখিনি দুখ এনেধৰণৰ ভাৱনাই সৃষ্টি কৰিছে। সকলো মানুহৰে উচ্চাকাংখ্যা থাকে। উচ্চাকাংখ্যা পূৰণ কৰিবলৈ যাওঁতে আনৰ উচ্চাকাংখ্যাত আঘাট হানিব নালাগিব।"

এমাৰচনৰ কথাৰ পৰা ডগলাচ মেলচে লিপিবদ্ধ কৰা কবিতা এফাঁকিৰে এই লেখা শেষ কৰিবলৈ লৈছো। কবি ডগলাচ মেলচে এনেদৰে লিখিছিলঃ—

"তুমি যদি পাহাৰৰ বুকুত দেবদাৰু হ'ব নোৱাৰা
তেন্তে হৈ উঠা উপত্যকাৰ কোনো জোপোহা,
যদি জোপোহাও হব নোৱাৰা
তেন্তে হৈ উঠা এমুঠি ঘাঁহ।
যদি দলপতি হৈ উঠিব নোৱাৰা
হৈ উঠা সেনা,
যদি ৰাজপথ হৈ উঠিব নোৱাৰা
হৈ উঠা সৰু পথ।"

ইয়াৰ মূল কথাটো হ'ল— আমি আমাৰ মনৰ দুশ্চিন্তাবোৰ বাদ দি আমাৰ যি আছে তাতে সন্তোষ্ট হৈ জীৱন সংগ্ৰামৰ পথত যিমানলৈ আগবাঢ়িব পাৰি তাৰ বাবে আগবাঢ়ি যাব লাগে। ■





# ইভ্‌টিজিং ঃ এক সামাজিক ব্যাধি

অৰুণজ্যোতি ঘোষ
*স্নাতক ৩য় বৰ্ষ, বিজ্ঞান শাখা*

সাধাৰণতে কাৰোবাক জোকোৱা, অশ্লীল ইংগিত দিয়া আদিকে ইভ্‌টিজিং বুলি আখ্যা দিব পাৰি। ইভটিজিং আমাৰ শিষ্টাচাৰ তথা শালীনতাৰ সম্পূৰ্ণ বিপৰীত ধৰ্মী এক ক্ৰিয়া কাণ্ড। সুনীতি, নিয়ম মানি চলা এজন সুস্থ মগজুৰ মানুহৰ পক্ষে এইবোৰ কাম (ইভটিজিং) কৰা সম্ভৱ নহয়। নৈতিকতাহীন মানসিক ভাবে বিকাৰগ্ৰস্ত লোকৰ পক্ষেহে এইবোৰ কাম কৰা সম্ভৱ। সেই কাৰণে ইয়াক এক প্ৰকাৰ মানসিক ৰোগ (Mental Disease) বুলিও ক'ব পাৰি। ইভ্‌টিজিংৰ লগত সাধাৰণতে যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়া চামটোৱেই বেছিকৈ জড়িত। সেয়েহে বহুতে ক'ব বিচাৰে যে ইভটিজিং যৌৱনৰ চঞ্চল মনৰ বহিঃ প্ৰকাশ ঘটোৱা এক প্ৰক্ৰিয়াহে। ইয়াৰ দ্বাৰা তেওঁলোকে আনন্দ লাভ কৰে। কিন্তু এই মত কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। কিয়নো এনে নৈতিকতাবিহীন কুৰুচি পূৰ্ণ কাম যুৱ সমাজৰ আনন্দ লাভৰ উপায় কেতিয়াও হব নোৱাৰে। সমাজে ইয়াক কোনো পধ্যে গ্ৰহণ কৰিব নোৱাৰে। গতিকে ইভটিজিঙক মানসিক ভাবে বিকাৰ গ্ৰস্ত লোকৰ পাশৱিক আনন্দ লাভৰ এক তৰল নিকৃষ্ট উপায় বুলি আখ্যা দিয়াহে যথাযোগ্য হ'ব।

পোনতে পশ্চিমীয়া দেশবোৰতহে ইভ্‌টিজিং বহুলভাবে প্ৰচলিত আছিল। কিন্তু দুখৰ বিষয়, ই বৰ্তমান সমগ্ৰ বিশ্বতে শিপাই পেলাইছে। আমাৰ ভাৰতৰ দৰে এখন উন্নয়ণশীল দেশতো ইয়াৰ প্ৰভাৱ পৰাটো সচাকৈয়ে দুৰ্ভাগ্যজনক কথা। দেশৰ সৰুবৰ চহৰবোৰৰ লগতে গাঁৱলীয়া অঞ্চলতো ইয়াৰ প্ৰভাব পৰিলক্ষিত হৈছে। স্কুল-কলেজ, ৰাষ্টা-ঘাট, দোকান-পোহাৰ, মেল-মিটিং, বিয়া-সবাহ-ভাওনা আনকি পূজা-পাতলৰ দৰে এক মাংগলিক অনুষ্ঠানতো ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হৈছে।

ইভটিজিঙৰ লগত সাধাৰণতে যুৱসমাজেই বেছিকৈ জড়িত। ইয়াক যুৱসমাজৰ এক সংক্ৰামক ৰোগৰ লগত তুলনা কৰিব পাৰি। কিয়নো সংক্ৰামক ৰোগ বিয়পি পৰাৰ দৰে এজনক দেখি আনজনে ইয়াৰ লগত জড়িত হৈ পৰে। আজিৰ যুৱক-যুৱতীসকলে পৰস্পৰে পৰস্পৰক কৰা কিছুমান আচৰণ দেখি এনে ভাৱ হয় মন দুয়োটা জাতি ভিন্ন গ্ৰহৰহে আৰু এনে আচৰণ তেওঁলোকৰ মাজত বহুদিন ধৰি চলি অহা এখন সমাপ্তিহীন যুদ্ধৰ পৰিণতিহে। এইটো অপ্ৰিয় হ'লেও সত্য যে ছোৱালীক সুবিধাত পালে নোজোকোৱাকৈ, অশ্লীল ইংগিত নিদিয়াকৈ সাধাৰণতে প্ৰায়ভাগ যুৱকেই সন্তুষ্ট হব নোৱাৰে। উল্লেখ যোগ্য যে কিছুবছৰ আগতে এজনী ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খেলুৱৈয়ে ইভ্‌টিজিঙৰ কবলত পৰি বেয়াকৈ ক্ষতিগ্ৰস্থ হোৱাৰ কথা বাতৰিৰ শিৰোনামালৈ আহিছিল। এয়া সমগ্ৰ দেশৰ বাবে দুৰ্ভাগ্যজনক কথা।

ইভটিজিঙৰ ফল আজি সুদূৰ প্ৰসাৰী। ইয়াৰ ফল লগে-লগে নহলেও পলমকৈ হলেও আমি উপভোগ কৰিব লগা হয়। কাৰোবাক জোকোৱা, অশ্লীল ইংগিত দিয়া আদি কাৰ্য্যৰ ফলত আমাৰ মনবোৰ চঞ্চল আৰু পাতল হয়। ফলস্বৰূপে আমি কৰ্মবিমুখ হৈ পৰোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নত ব্যাঘাট জন্মে। কৰিবলগীয়া কামবোৰ নিৰ্দ্দিষ্ট সময়ত নকৰাৰ ফলত জীৱনটো হা-হুতাশাৰে কটাব লগীয়া হওঁ। ইয়াৰ উপৰি অনুজসকলৰ ওপৰতো ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰে। যি সময়ত আমি অনুজসকলৰ এক আদৰ্শ হিচাপে কাম কৰিব লাগে, সেইসময়ত আমি ইভ্‌টিজিঙৰ দৰে নৈতিকতা বিহীন কাম-কাজৰ লগত জড়িত হৈ পৰাটো পৰিতাপৰ বিষয়।

ইভ্‌টিজিঙৰ ফলত ব্যক্তিজীৱনৰ লগে লগে ৰাষ্ট্ৰজীৱনৰো বৃহৎ ক্ষতিসাধন হৈছে। কাৰণ এখন দেশৰ ভবিষ্যত ঘাইকৈ যুৱসমাজৰ ওপৰতেই নিৰ্ভৰ কৰে। ভবিষ্যত তেতিয়াই উজ্জ্বল হ'ব যেতিয়া নৈতিক নীতি-নিয়ম মানি চলা সুৰুচিৱান লোকে দেশৰ দায়িত্ব গ্ৰহণ কৰিব। সংক্ৰামক ৰোগ সদৃশ ইভ্‌টিজিঙৰ প্ৰকোপ দিনে দিনে বাঢ়িছেহে, কমা নাই। ইয়াৰ প্ৰধান কাৰণ হৈছে, ইভ্‌টিজিঙক মানুহে অপৰাধ বুলি গন্য নকৰে। আৰু ইয়াৰ কুফলবোৰৰ প্ৰতি মানুহবোৰ সজাগ নহয়। কোনোবাই বৰ্তমান জীৱনত ইয়াৰ কুফলবোৰ ভোগ কৰি থাকিলেও এইবোৰক ইভ্‌টিজিঙৰ ফলত উদ্ভৱ হোৱা কু-ফল বুলি গন্য নকৰে। ইয়াৰ উপৰি বহুতৰে এটা বদ্ধমূল ধাৰণা আছে যে ইভ্‌টিজিং নৈতিকতা বিৰোধী হলেও আইন বিৰোধী নহয়। কিন্তু ভাৰতীয় দণ্ড বিধি আইনৰ ২৯৪ নং ধাৰা মতে, সাধাৰণতে আমি যিবোৰ কাৰ্য্যক ইভ্‌টিজিং আখ্যা দিওঁ, তাক দণ্ডণীয় অপৰাধ বুলি গণ্য কৰা হয়। এই ক্ষেত্ৰত অপৰাধীয়ে তিনিমাহ পৰ্য্যন্ত কাৰাদণ্ড বা জৰিমনা ভৰিব লগা হয়। ইভ্‌টিজিঙত জড়িত ব্যক্তিয়ে যদি মহিলাৰ শালীনতা হানিৰ পৰ্য্যায় পায়গৈ, তেনেহলে ভাৰতীয় দণ্ডবিধি ৩৫৪ নং ৩২৩ নং ধাৰামতে অপৰাধীয়ে এবছৰ পৰ্যন্ত কাৰাদণ্ড অথবা জৰিমনা ভৰিব লাগে।

ইভ্‌টিজিং বিলুপ্তিৰ বাবে আমি সকলোৱে সজাগ হোৱা উচিত। এই ক্ষেত্ৰত বিশেষকৈ যুৱ সমাজেই অগ্ৰণী ভূমিকা গ্ৰহণ কৰা উচিত। যুৱ সমাজে ইভ্‌টিজিং আৰু ইয়াৰ ফলত উদ্ভৱ হব পৰা অশান্তিৰ বিষয়ে সমাজক বুজাই দিয়া উচিত। যিসকললোক ইভ্‌টিজিঙৰ লগত জড়িত তেওঁলোকে বুজা উচিত যে ইভ্‌টিজিঙৰ ফলত মানুহৰ কোনো ধৰণৰ ব্যক্তিত্ব বা প্ৰতিভাৰ বিকাশ নহয়। বৰঞ্চ ই নিজক হেয় প্ৰতিপন্ন কৰাৰ লগতে সামাজিক অশান্তিৰহে সৃষ্টি কৰে। আৰু ইয়াৰ উপৰি যিসকললোকে ইভটিজিঙৰ কবলত পৰিছে, তেওঁলোকে পলায়নবাদী মনোভাৱ নলৈ ইয়াক, প্ৰনালীবদ্ধ ভাৱে সমাজৰ পৰা উচ্ছেদ কৰিবলৈ চেষ্টা কৰা উচিত। এই ক্ষেত্ৰত তেওঁলোকে আৰক্ষীৰো সহায় ল'ব পাৰে।

গতিকে ইভটিজিঙৰ দৰে মাৰাত্মক সামাজিক ব্যাধিক সময়মতে নিঃশেষ নকৰিলে সমগ্ৰ দেশ তথা মানৱ সম্পদৰ বাবে যে এক প্ৰত্যাহ্বান হৈ পৰিব সি নিশ্চিত। ■

# সুৰাপান আৰু কিছু প্ৰাসংগিক চিন্তা

অৰুণকুমাৰ গগৈ
*দ্বাদশ শ্ৰেণী (বিজ্ঞান শাখা)*

বৰ্তমান যুৱকসকলৰ মদ্যপানৰ প্ৰতি এক সহজাত আসক্তি বাঢ়ি অহা পৰিলক্ষিত হৈছে। প্ৰাৰম্ভিক অৱস্থাত সুৰা সেৱন নিয়ন্ত্ৰিত অৱস্থাত থাকিলে পাছলৈ ই অনিয়ন্ত্ৰিত হৈ পৰে। নিয়ন্ত্ৰিত মাত্ৰাত সেৱন কৰা সুৰাই মানুহৰ শৰীৰত সাধাৰণতে সেৱন কৰে তেন্তে হাওঁফাওঁৰ কাৰ্য্য সঞ্চালৰ বৃদ্ধিহে কৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে নিয়ন্ত্ৰিত পৰিমানে সুৰা সেৱন কৰা লোকৰ কৰ'নাৰী হাৰ্টিৰ অসুখ সাধাৰণতে নহয়।

বহুতো গৱেষণাৰ পৰা প্ৰমাণ পোৱা গৈছে যে সুৰাই দেহৰ বহুতো শক্তিৰ আধাৰ জীৱকোষসমূহ ধ্বংস কৰে। ৰক্তচাপ আৰু লিভাৰ চিৰ'চ্ছি ৰোগ হোৱাত সুৰাই যথেষ্ট অৰিহণা যোগায়। সুৰাৰ ক্ৰিয়াৰ ফলত মানুহৰ স্নায়ুতন্ত্ৰত ডিপ্ৰেচেণ্ট ভাৱ জাগি উঠে আৰু ইয়াৰ কাৰ্য্যক্ষমতা হ্ৰাস কৰে। ইয়াৰ ফলত মানুহে যিকোনো কথা ভালকৈ চিন্তা কৰিব নোৱাৰে। সেইবাবেই মানুহৰ মনত উদ্বেগ বা উত্তেজনা নোহোৱা হয় বা ইয়াৰ পৰিমাণ হ্ৰাস পায়, মনলৈ অহৈতুকী আনন্দৰ জোৱাৰ আহে আৰু মনত প্ৰচণ্ড আত্মবিশ্বাসৰ জন্ম হয়। এনেবোৰ কাৰণতে যিকোনো সামাজিক উৎসৱত সুৰাই বিশেষ স্থান লাভ কৰি আহিছে।

বহুসংখ্যক মানুহে বিশ্বাস কৰে যে সুৰাই মানুহৰ শক্তি আৰু কৰ্মক্ষমতা বৃদ্ধি কৰে; কাৰণ সুৰা সেৱনৰ পাছত তেওঁলোকে নিজকে অতি দৃঢ় আৰু যোগ্য ব্যক্তি যেন অনুভৱ কৰে। কিন্তু বিভিন্ন পৰীক্ষাৰ পৰা দেখা গৈছে যে ধাৰণাটো সম্পূৰ্ণ অশুদ্ধ। বিশেষকৈ নিয়ন্ত্ৰিত মাত্ৰাতকৈ অধিক সুৰাই অৰ্থাৎ এক বা দুই পেগতকৈ বেছি সুৰাই মানুহৰ শাৰীৰিক আৰু মানসিক শক্তিৰ ওপৰত বিৰূপ প্ৰভাৱহে পেলায়। বিশেষকৈ যিবোৰ কাৰ্য্যত মন আৰু বিবেক বুদ্ধিৰ সূক্ষ্ম একাত্মতাৰ প্ৰয়োজন হয় সেইবোৰ কাৰ্য্য সঠিককৈ কৰিব নোৱাৰে।

সুৰা বা এলকহলে মানুহৰ শৰীৰত অতি দ্ৰুত গতিত প্ৰভাৱ বিস্তাৰ কৰে। ই মগজুৰ যি ৰক্ষণশীল প্ৰক্ৰিয়া তাক সহজেই ভেদ কৰি ব্লাড ব্ৰেইন বেৰিয়াৰৰ নিচেই ওচৰ চাপে। মানুহৰ মগজুটোৱেই হৈছে মূখ্য তন্ত্ৰ। ইয়েই মানুহৰ সকলো জৈৱনিক ক্ৰিয়া নিয়ন্ত্ৰণ কৰে। এই মগজুটো এক নিৰ্দিষ্ট নিয়ন্ত্ৰিত অৱস্থাৰ মাজত সংৰক্ষিত হৈ থাকে। মানুহৰ দেহত থকা বিভিন্ন ৰক্তবাহী নলীবোৰত তেজৰ লগত বিভিন্ন অনিষ্টকাৰী পদাৰ্থ চলাচল কৰি থাকে। এই বিষাক্ত পদাৰ্থবোৰৰ অকণমানো যদি মগজু স্পৰ্শ কৰিব পাৰে তেন্তে লগে লগে মগজুৰ কাৰ্য্য স্থবিৰ হৈ পৰিব। প্ৰতিটো জীৱকোষৰ একোডালকৈ নলীকা থাকে। এই নলীকাবোৰ অতি ক্ষুদ্ৰ আৰু ইহঁতবোৰ মগজুৰ ৰক্তকোষবোৰৰ লগত এনে দৃঢ়ভাৱে বান্ধ খাই থাকে যে বিষাক্ত পদাৰ্থই আক্ৰমণ কৰিলে ইহঁত একেলগে ফিউজ হয়। সিহঁতে ডাঙৰ আৰু বিষাক্ত অনুবোৰ অৱশ্যে সহজেই প্ৰৱেশ কৰিবলৈ নিদিয়ে। এই পদাৰ্থবোৰ আতৰতে ৰাখি অতি সূক্ষ্ম অনুবোৰৰ সহায়ত অক্সিজেন গ্ৰহণ কৰে। এই প্ৰক্ৰিয়াত সিহঁতে কোনো পদাৰ্থকে প্ৰৱেশ নকৰায়। যদি কেনেবাকৈ সুৰাৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ কণা এটাও ভিতৰলৈ যাব পাৰে তেন্তে মানুহজনৰ লগে লগে মৃত্যু হোৱাৰ সম্ভাৱনা আছে।

ওপৰোক্ত তথ্যখিনিত কেৱল শৰীৰৰ আভ্যন্তৰিণ অপকাৰিতাৰ বিষয়েহে কোৱা হৈছে। এইবোৰৰ উপৰিও সুৰাপানৰ ফলত নানান আলৈ আহুকালৰ সন্মুখীন হ'ব লগা হয়। এবাৰ মদ মুখত দিলে সহজে এই অভ্যাস ত্যাগ কৰিব নোৱাৰি। বহুত কষ্টৰ মুৰতহে এই অভ্যাস আঁতৰাব পাৰি। যিহেতু এবাৰ মদখোৱা মানুহে মদ নোখোৱাকৈ থাকিব নোৱাৰে। গতিকে যদি মদ খাবলৈ হাত টকা পইচা নাথাকে তেন্তে মনে মনে ঘৰৰ সম্পত্তি আদিও বিক্ৰি কৰি তাৰ টকাৰে মদ খোৱা দেখা যায়।

আগতেই উল্লেখ কৰিছো যে মদ্যপানৰ পাছত স্নায়ুতন্ত্ৰই ভালকৈ কাম কৰিব নোৱাৰা হয় আৰু চিন্তাশক্তি কমি যায়। এনে অৱস্থাত সুৰামত্ত লোকজনে ঘৰুৱা অশান্তিৰ সৃষ্টি কৰে। এই অৱস্থাত লোকজনে কোনো বেলেগ কথা শুনিব নোখোজে আৰু এনেয়ে চিঞৰ বাখৰ কৰি হুলস্থুল কৰি থাকে। তাৰ ফলত ঘৰত থকা শিশু সন্তানৰ মনস্তাত্ত্বিক গঠনত বিশেষভাৱে প্ৰভাৱ পৰে। সদায় অশান্তিময় পৰিবেশত ডাঙৰ হোৱা সন্তানে শান্তি বিচাৰিয়েই বদ সঙ্গত পৰি মদ মুখত দিব লগা হয়। মদ খাই থকা অৱস্থাত সেই অশান্তিবোৰে কোনা প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। ফলত তেওঁও সুৰা সেৱনত অভ্যস্ত হৈ পৰে।

ইয়াৰ উপৰিও বাটে পথে হোৱা দূৰ্ঘটনা, অসামাজিক কাৰ্য্যকলাপ, গৃহ কন্দল, বিবাহ বিচ্ছেদ আদিত সুৰাই এক বিশেষ ভূমিকা পালন কৰে। গতিকে এইবোৰৰ পৰা হাত সাৰিবলৈ হলে আমি প্ৰত্যেকেই সুৰাপানৰ অভ্যাস বৰ্জন কৰিব লাগিব। সকলো সচেতন হলেহে এই কাৰ্যটো সম্ভৱ হব আৰু নতুন প্ৰজন্মক এখন নিকা আৰু সুগঠিত সমাজ উপহাৰ দিব পাৰিম। ■





# সমাজ সচেতনতাত যোগবিজ্ঞান

ৰোহিত বড়া
*স্নাতক ৩য় বৰ্ষ, বিজ্ঞান শাখা*

মানৱ আৰ্বিভাৱৰ আদিম যুগত মানুহৰ চিন্তা-চৰ্চা তথা সামাজিকতাৰ বিকাশ প্ৰায় সীমিত আছিল। সেই সময়ত মানৱে কেচাঁ খাদ্য খাইয়েই জীৱন নিৰ্বাহ কৰিছিল। কিন্তু সৃষ্টিশীল মনৰ বিকাশৰ লগে লগে সভ্যতাৰো বিকাশ হ'বলৈ ধৰিলে। সৃষ্টিৰ প্ৰগতিত মানুহে এদিন জুই আৱিস্কাৰ কৰিলে। এই জুই ব্যৱহাৰ কৰিবলৈ শিকাৰে পৰা মানৱে অন্য সকলো জীৱতকৈ এক পৃথক উন্নতশীল জীৱ হিচাপে স্বীকৃতি দিবলৈ ধৰিলে। এনেদৰেই ক্ৰমান্বয়ে উন্নতিৰ দিশত আগুৱাই গৈ গৈ মানুহে এসময়ত সমাজ নামৰ সত্বাটোক গঢ়ি তুলিলে। এই সমাজেই আকৌ বিৱৰ্ত্তনৰ পথত নিত্য-নতুন ৰূপ ধাৰণ কৰি আজিৰ এই বিৰাট আধুনিক সমাজ ৰূপে গঢ় লৈ উঠিবলৈ সক্ষম হৈছে।

আজিৰ যুগ বিজ্ঞানৰ যুগ, প্ৰযুক্তি বিদ্যাৰ যুগ। এই বৰ্তমান যুগৰ ক্ৰিয়া কৌশলে মানৱ সমাজৰ দৈনন্দিন জীৱনত সকলো অভাৱ অভিযোগ, ৰোগ-ব্যাধি আদিৰ দৰে ঋণাত্মক দিশ সমূহক আতঁৰাই সুখ, আনন্দ, আৰাম আৰু স্বচ্ছলতা প্ৰতিষ্ঠা কৰিবৰ চেষ্টা কৰিছে। কিন্তু সেইয়া জানো কাৰ্য্যত সম্পূৰ্ণৰূপে ৰূপ দিব পাৰিছে? দিনৰ উজ্বলতা যিমানেই বাঢ়িছে, ৰাতিৰ আন্ধাৰৰ গভীৰতাও সিমানে পৰিছে। পাৰ্থিব বিষয়-বাসনাত আৱদ্ধ হৈ মানুহে নিজৰ আৰু বিশ্বব্ৰহ্মাণ্ডৰ অন্তৰালত থকা চিৰন্তন সত্য, আত্মা আৰু পৰমাত্মাৰ স্বৰূপ তথা স্থিতি অনুসৰণ নকৰি, জগতত কিছুমান অসাৰ ক্ষণস্থায়ী বস্তুকে সাৰ আৰু স্থায়ী বস্তু বুলি গণ্য কৰিছে। যাৰ ফলত মানৱৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক প্ৰতিভাৰ পূৰ্ণ বিকাশৰ পৰিৱৰ্তে ম্লান হৈ যাব ধৰিছে।

অনাদি কালৰে পৰা মানুহক ৰোগ, শোক, জৰা, মৃত্যুৰ যান্ত্ৰনা, অভাৱ-অভিযোগ আদিৰ দৰে নানান সামাজিক সমস্যাই জীৱন যাত্ৰাৰ পথ বিকৃত কৰি প্ৰত্যেক মূহুৰ্ত্ততে সুখ ভোগৰ অন্তৰায় হিচাপে থিয় দি আহিছে। এই বিলাকক জীৱনৰ পৰা নোহোৱা কৰিব পৰা সঠিক পথ ঠিৰাং কৰিব পৰা হোৱা নাই। ইয়াৰ কাৰণ বিচাৰি চাবলৈ গ'লে দেখা যায় যে, আজিৰ মানৱে নিজকে নিজেই পাহৰি গৈছে, মানৱ ধৰ্ম কি? ইয়াৰ গুণাগুণ নষ্ট হ'লে কেনেকৈ সংস্কাৰকৰণ কৰিব পাৰি তাক নিপুণতাৰে বিশ্লেষণ কৰি নোচোৱাটো মানৱৰ এক প্ৰকাৰ বিকাৰ। ব্যক্তিয়ে নিজৰ নিত্য-নৈমিত্তিক কৰ্মক নেওচি, মানৱতাক আওকান কৰি পাৰ্থিৱ সুখ-ভোগসমূহকহে গুৰুত্ব দিছে। কিন্তু এনেদৰে আগবাঢ়িলে ভৱিষ্যত প্ৰজন্মৰ আশানুৰূপ ফল কেনে হ'ব সেইটো আমাৰ চিন্তনীয় বিষয়। গতিকে মানুহৰ মগজুৰ সম্প্ৰসাৰণৰ লগে লগে মানৱ অন্তৰ সংকুচিত হ'লে নহ'ব। বাহ্যিক জ্ঞান-বৃদ্ধিৰ লগে লগে অৰ্ন্তদৃষ্টি হ্ৰাস পালেও নহ'ব। আজিৰ মানৱে সমাজৰ সকলো দিশ চালি জাৰি চাই ব্যক্তিৰ শাৰীৰিক মানসিক, নৈতিক আৰু আধ্যাত্মিক দিশক ন্যায়ৰ জ্ঞানেৰে বিশ্লেষণ কৰি সত্যৰ পথত আগুৱাই নিব লাগিব। তেতিয়াহে সমাজ জীৱনে সকলো ফালৰে পৰা উন্নতি লাভ কৰি চৰম লক্ষ্যত উপনীত হ'ব পাৰিব।

এই ক্ষেত্ৰত প্ৰধানকৈ সচেতন হ'ব লাগিব আমাৰ যুৱ সমাজ। আমি যুৱ সমাজে সত্য, পবিত্ৰতা অটুত ৰাখি সহনশীলতা, মানসিক স্থিৰতা, একাগ্ৰতা, দৃঢ়তা আৰু ধৈৰ্য্যৰে সূক্ষ্মভাৱে বিশ্লেষণ কৰি নিজ কৰ্মত পটুতা লাভ কৰিব লাগিব। সামাজিক বাতাবৰণ উন্নত কৰিবলৈ, সমাজত সুখ শান্তি স্থাপন কৰিবলৈ প্ৰথমেই আমি গুৰুত্ব দিব লাগিব। ব্যক্তিৰ স্বাস্থ্য বুলি কওঁতে তাত আকৌ সোমাই পৰে শাৰীৰিক আৰু মানসিক স্বাস্থ্য। বিশ্লেষণ কৰিলে দেখা যায় যে, এই দুয়ো ক্ষেত্ৰতে প্ৰাচীন কালৰে পৰা বিশেষভাৱে অৰিহনা যোগাই আহিছে 'যোগ' চৰ্চাই। যাক দৈনন্দিন জীৱন যাপনৰ এক বিজ্ঞানসন্মত পদ্ধতি বুলিও স্বীকৃতি দিছে। ইয়াৰ অভ্যাসৰ ফলত শাৰীৰিক সুস্থতা, সবলতা আৰু শক্তি বৰ্দ্ধিত হৈ ব্যক্তিৰ শাৰীৰিক স্বাস্থ্যৰ উন্নতি সাধন হোৱাৰ উপৰিও স্ফূৰ্তি, সহনশীলতা, মানসিক স্থিৰতা, একাগ্ৰতা, দৃঢ়তা, ধৈৰ্য্য আৰু সূক্ষ্ম বিশ্লেষণ শক্তি বৰ্দ্ধিত হৈ মানসিক স্বাস্থ্যৰো উন্নতি সাধিত হয়।

যোগৰ ৰস আস্বাদনৰ লগে লগে মানুহে নিৰ্ণয়ৰ জ্ঞান লাভ কৰি নিজকে সংস্কাৰ কৰি মানৱ জীৱনৰ প্ৰকৃত পুৰুষাৰ্থ কি হোৱা উচিত, তাক অনুধাৱন কৰিব পাৰে। যাৰ ফলশ্ৰুতিত শাৰীৰিক আৰু মানসিকতাই ব্যক্তিৰ প্ৰকৃত স্বাস্থ্য ৰূপে ধৰা দিয়ে।

'যোগ' চৰ্চাই চঞ্চল আৰু বিকৃত কৰি তোলা ৰিপু আৰু কৰ্মসমূহক নিজৰ কাত ৰাখি, জীৱনক অসুস্থ কৰি তোলা শাৰীৰিক, মানসিক, আবেগিক, নৈতিক আৰু আধ্যাত্মিক সমস্যাসমূহ সু-পৰিপৰিকল্পিতভাৱে বিচাৰ কৰি চাব পৰা গুণ আনি দিয়ে। গতিকে আমি সাধনা কৰিব লাগিব, আমি সৎ সংস্কৃতিবান হ'লেহে আমাৰ ঘৰখনত সেই পৰিবেশ গঢ়ি তুলিব পাৰিম আৰু আমাৰ ঘৰখনত যদি তাক সুস্থভাৱে ৰূপায়িত কৰাব পাৰো, তেন্তে আমি গঢ়ি তোলা সমাজখন ক'ব নোৱাৰাকৈয়ে সু-

সংস্কৃতিপন্ন সমাজৰূপে গঢ় লৈ উঠিব। গতিকে আমি প্ৰথমেই নিজক জানিব লাগিব, যিহেতু ব্যক্তিৰ স্বাস্থ্যৰ উন্নতি সাধন হ'লেহে সমাজিক স্বাস্থ্যৰ উন্নতি সাধন সম্ভৱ হ'ব।

বৰ্তমানৰ পৰিবেশ পৰিস্থিতিৰ ফালে লক্ষ্য কৰিলে দেখা যায় সকলো দিশতে প্ৰদূষণৰ মাত্ৰা বাঢ়ি গৈছে। পৰিবেশ প্ৰদূষণ, ৰাজনীতিত প্ৰদূষণ আনকি ধৰ্মনীতিটো প্ৰদূষণ হৈছে। এই সকলো বিলাকৰ প্ৰধান অন্তৰায় হৈছে মনৰ প্ৰদূষণ। এই প্ৰদূষণৰ প্ৰতিকাৰ কৰাত মানৱ সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে অধিকভাৱে সচেতন হ'ব ইয়াক কৰিব পাৰিলেহে ব্যক্তিৰ মনৰ পৰা লোভ, মোহ, কাম, ক্ৰোধ আৰু অহংকাৰৰ দৰে কু-প্ৰবৃত্তিবোৰক নাশ কৰিব পাৰিব। দেখা হৈছে যোগ অভ্যাসৰ দ্বাৰা মানৱ মনৰ প্ৰদূষণ সহজেই দূৰ কৰিব পৰা যায়। এই পদ্ধতি অনুশীলন কৰোঁতে শৰীৰতকৈ মনৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। 'মনে' কেৱল মানসিক কাৰণত হোৱা ৰুগ্ন পৰিস্থিতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাই নহয়, ই শৰীৰৰ সকলোবিলাক জীৱানুজনিত, বিপাকীয় বিজুতিজনিত ন-পুৰণি পৰিস্থিতিটো বিশেষ ভূমিকা লয়। অশান্ত মনে খং, উদ্বেগ, চিন্তা, মানসিক অস্থিৰতা বৃদ্ধি কৰাৰ লগে লগে দেহৰ মাংসপেশী আৰু প্ৰৱাহিকা বিলাকৰ স্পন্দন বহু পৰিমাণে বৃদ্ধি কৰে। লগে লগে আমাৰ দেহত থকা প্ৰধান তন্ত্ৰবিলাক যেনে ঃ শাসতন্ত্ৰ, স্নায়ুতন্ত্ৰ, পৰিবহনতন্ত্ৰ আদিৰ কাৰ্য্য পৰিচালনাত বিজুতি ঘটে। যাৰ ফলত সৰ্ব শৰীৰতে বিভ্ৰান্তিৰ সৃষ্টি হয় আৰু দেহ হৈ পৰে ৰুগ্ন। কিন্তু যোগ চৰ্চাৰ অভ্যাসে মনক এনেভাৱে পৰিচালিত কৰে যে, অতি শক্তিশালী ৰিপু, সংবেগী আবেগ আদিৰেও মনক তলাব নোৱাৰে। মনোযোগ গভীৰ হয়, সজাগতা আহে, সৃষ্টিশীল প্ৰতিভাৰ বিকাশ হয় ফলস্বৰূপে, অভ্যন্তৰৰ অংগমূহৰ কাৰ্য্য সুচাৰুৰূপে পৰিচালিত হয়।

যোগ চৰ্চাই মানৱৰ সুপ্ত শক্তিক জাগৃত কৰি দেহ তথা আত্মাত নিহিত থকা সমস্ত শক্তিক কেন্দ্ৰীভূত কৰি কৰণীয় কৰ্মত প্ৰয়োগ কৰাৰ ক্ষমতা দান কৰে। ইয়াৰ লগে লগেই ব্যক্তিয়ে ক্ৰমে নিজেই, নিজৰ ঘৰখনে, নিজৰ সমাজখনে চৈতন্য সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব পাৰে। ফলশ্ৰুতিতেই মানৱে নিৰ্ণয়ৰ ক্ষমতা লাভ কৰি সমাজ তথা বিশ্বতেই সুস্থ বাতাবৰণ গঢ়ি তুলিব পাৰে। ■

*ব্ৰটিশ্ব সংসদৰ প্ৰাইভেট চেক্ৰেটাৰী এজনে এদিন গাড়ীৰে ডেভনত ফুৰি থাকোতে বাট হেৰাল। ডেভনৰ এজন গাঠলু লোকক দেখা পাই তেওঁ সুধিলে "মই এতিয়া ক'ত আছে?"*

*"আপুনি আপোনাৰ গাড়ীতে আছে।" স্থানীয় লোকজনে উত্তৰ দিলে।*

*সংগীজনলৈ চাই চেক্ৰেটাৰীজনে তপৰাই মন্তব্য কৰিলে, "সংসদৰ প্ৰশ্নৰ এইটো এটা উৎকৃষ্ট উত্তৰ - সংক্ষেপ, সত্য আৰু আগতে জনা কথাখিনিৰ লগত ধনিষ্ঠামানো সংযোজন নকৰে।*

— লৰ্ড কুলমিৰ

*যিজন ডেকা মানুহে কেতিয়াও কন্দা নাই তেওঁ এজন হৃদয়হীন পশু; যিজন বুঢ়া মানুহে হাঁহিব নেজানে তেওঁ এজন মুৰ্খ।*

—জৰ্জ ছান্টিমামা





ভ্ৰমণ ঃ

# পৰ্যটকৰ ৰম্যভূমি চিমলা-ভ্ৰমণৰ ডুখৰীয়া ছবি

নৰেন্দ্ৰ নাথ দত্ত
*প্ৰৱক্তা, প্ৰাণীবিজ্ঞান বিভাগ*

ভ্ৰমণে মানুহৰ মনৰ দিগন্ত প্ৰসাৰিত কৰাৰ লগতে অনেক নজনা কথা জনা আৰু নতুন কথা শিকাৰ যে সুযোগ আনি দিয়ে তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ভ্ৰমণ মোৰ বাবে এক প্ৰিয় বিষয়। কোনো ঠাইলৈ বিশেষকৈ ৰেলত যাত্ৰা কৰি ভাল পাওঁ আৰু সি যদি দূৰগামী ৰেলত হয় তেতিয়া আৰু ভাল লাগে। তেনে এক দূৰগামী ৰেল যাত্ৰা কৰাৰ সুযোগ মিলিছিল যোৱা ২০০২ চনৰ এপ্ৰিল মাহৰ শেষৰফালে হিমাচল প্ৰদেশ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা এক পাঠ্যক্ৰমত যোগদান কৰিবলৈ সুবিধা পোৱাত। ঢকুৱাখনা মহাবিদ্যালয়ৰপৰা সহকৰ্মী সেৱক চন্দ্ৰ চুতীয়া আৰু মই একেলগে গুৱাহাটীৰপৰা নতুন দিল্লীলৈকে দীঘলীয়া পথছোৱা অতিক্ৰম কৰিছিলো ৰেলেৰে।

শৈশৱৰ পঢ়াশালিৰ দিনবোৰতে ভূচিত্ৰাৱলীখন পঢ়া-মেজত মেলি লৈ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু বেঠাৰাম বৰুৱাদেৱে দিয়া উপদেশ মৰ্মে দেশ-বিদেশৰ অনেক ঠাই মেপত বিচাৰি সেই ঠাইৰ মানুহ, প্ৰকৃতি আদিৰ এক কল্পিত চিত্ৰ মনত চিত্ৰণ কৰি বহুদিন বহুসময় ভাৱত আপোন-পাহৰা হৈছিলো আৰু তেনেদৰেই কোনো এটা দিনত হয়তু হিমালয়ৰ বুকুৰ হিমাচল প্ৰদেশ তথা চিমলাৰ সতে যেন আক্ষৰিক অৰ্থত চিনাকী হৈছিলো। দিন বাগৰিল আৰু পিছলৈ ভাৰতৰ প্ৰধানমন্ত্ৰী কবি অটল বিহাৰী বাজপেয়ীদেৱৰ হিমাচল প্ৰদেশৰ বিশেষকৈ কুলুভেলী, মানালী, ধৰমশালা, চিমলা, ডেলহাউচি আদি ঠাইত কৰা ভ্ৰমণ আৰু তাত থকা সময়ছোৱাত তেখেতে লিখা কবিতাসমূহৰ বিষয়ে প্ৰচাৰ মাধ্যমত প্ৰকাশ পোৱা বাতৰি পঢ়ি মোৰ মনৰ পক্ষীঘোঁৰা যেন সেই স্থান সমূহলৈ উৰা মাৰিছিল। যেইকি নহওক, বাস্তৱত হিমাচলৰ স্থানবিশেষ ভ্ৰমণৰ সুযোগ মিলাত মোৰ মন আনন্দত নাচি উঠিছিল।

হিমাচল প্ৰদেশ। গিৰিৰাজ হিমালয়ৰ বুকুত চালে চকুৰোৱা এখন মনোৰম ৰাজ্য। ভাৰত স্বাধীন হোৱাৰ পিছত ১৯৪৮ চনৰ ১৫ এপ্ৰিলত ৩০খন সৰু ৰাজ্য একত্ৰিভূত কৰি এই ৰাজ্যখন গঠন কৰা হৈছিল ভাৰতৰ ১৮তম ৰাজ্য হিচাপে। অৱশ্যে, এই ৰাজ্যখনে পূৰ্ণাংগ ৰাজ্যৰ মৰ্যদা লাভ কৰিছিল ১৯৭১ চনৰ ২৫ জানুৱাৰীতহে। বিলাসপুৰ, চাম্বা, হামিৰপুৰ, কাংগাৰা, কিন্নৰ, কুলু, লাহল-চিপ্টি, মান্দি, চিমলা, চিৰসৰ, চলান আৰু উৰা এই ১২খন জিলাক লৈ গঠিত হিমাচল প্ৰদেশৰ মাটিকালি ৫৫,৬৭৩ বৰ্গকিঃমিঃ। শেহতীয়া লোকপিয়লৰ তথ্য অনুসৰি ৫১,১১,০৭৯ জনসংখ্যাৰ এই ৰাজ্যখনৰ প্ৰধান ভাষা হিন্দী। অৱশ্যে, পাহাৰী আৰু পাঞ্জাবী ভাষা কোৱা লোকৰ সংখ্যাও যথেষ্ট আছে।

দিল্লীগামী ৰেলেৰে বিহাৰ আৰু উত্তৰ প্ৰদেশৰ অংশবিশেষ যেতিয়া পাৰ হৈছিলো, সেই সময়ত অনুভৱ কৰিছিলো প্ৰচণ্ড গৰম বতাহে যেন আমাৰ গাৰ ছাল বখলিয়াইহে পেলাইছে। ভাৱ হৈছিল বৰ বেয়া সময় এছোৱাত আমি পাঠ্যক্ৰমটোৰ বাবে আমন্ত্ৰণ পালো। অৱশ্যে, দিল্লী পোৱাৰ পিছদিনা, হাৰিয়ানা ৰাজ্যিক পৰিবহন নিগমৰ এখন দ্ৰুতগামী বাচেৰে যেতিয়া দিল্লীৰ বাচ আস্থান (ISBT) ৰ পৰা চিমলালৈ বুলি যাত্ৰাৰম্ভ কৰিলো বতৰ আমাৰ বাবে অনুকূল হোৱাত বৰ ভাল লাগিল। যমুনাৰ পাৰে পাৰে দ্ৰুতগতিত আমাৰ গাড়ীখন আগবাঢ়িল, খিড়িকীৰে আমাৰ দৃষ্টিত ধৰা পৰিল দিল্লী মহানগৰৰ অনেক ডুখৰীয়া ছবি; ক'ৰবাত হয়তু নয়নাভিৰাম দৃশ্য, আনহাতে ক'ৰবাত আকৌ প্ৰদূষণৰ কৰ্দয ৰূপ। মোৰ কাষতে বহা এজন হিন্দী ভাষী সহযাত্ৰীৰ লগত চিনাকী হ'লো। তেখেত হাৰিয়ানাৰ মাধ্যমিক বিদ্যালয় এখনৰ প্ৰাক্তন শিক্ষক। চণ্ডীগড়লৈকে সমগ্ৰ দীঘলীয়া পথছোৱাত যেন এজন গাইডহে পালো; আমি দুয়ো বৰ ভাল পালো তেখেতৰ সহযোগিতাত। ঐতিহাসিক স্থানসমূহ যেনে - পানীপথ, কাৰ্ণাল, কুৰুক্ষেত্ৰ, আম্বালা, চণ্ডীগড় আদিৰ বিষয়ে বুৰঞ্জীৰ পাতত যিমানখিনি পঢ়িবলৈ পাইছিলো তাৰ অতিৰিক্ত অনেক নতুন কথা সেই ভদ্ৰলোকজনৰপৰা জানিবলৈ মন গৈছিল। তেখেতেও নিঃসংকোচে আমাক কৈ গৈছিল অনেক কথা, গাড়ীৰ খিড়িকীৰে দেখুৱাই গৈছিল ঐতিহাসিক সাক্ষীসম্বলিত অনেক স্থান।

ভাৰত বুৰঞ্জীৰ তিনিখনকৈ গুৰুত্বপূৰ্ণ যুদ্ধৰ সাক্ষী হ'ল পানীপথ। ১৫২৬ চনৰ ২১ এপ্ৰিলত আৰম্ভ হোৱা বাবৰ আৰু ইব্ৰাহিম লোডীৰ মাজৰ পানীপথৰ প্ৰথম যুদ্ধ, ১৫৫৬ চনৰ ৫ নৱেম্বৰত আৰম্ভ হোৱা হিমু আৰু আকবৰৰ মাজৰ পানীপথৰ দ্বিতীয় যুদ্ধ আৰু ১৭৬১ চনৰ ১৪ জানুৱাৰীত আহমদ শ্বাহডুৰাণী আৰু মাৰাঠীনেতা সদাশিৱ ৰাওৰ মাজত সংঘটিত পানীপথৰ তৃতীয় যুদ্ধৰ স্মৃতি এতিয়াও সজীৱ কৰি ৰখাৰ ব্যৱস্থা কৰিছে আধুনিক সময়ৰ হাৰিয়ানাবাসীয়ে। পানীপথ বাচ আস্থানত কিছুসময়ৰ বাবে আমাৰ গাড়ীখন যেতিয়া ৰৈছিল, গাড়ীৰপৰা নামি গৈ দুই-একৰ লগত কথা পাতিছিলো আৰু লগতে দুই-এপদ সামগ্ৰী ক্ৰয় কৰিছিলো, স্মৃতিৰূপে ৰাখিবৰ উদ্দেশ্যে। আমাৰ সহযাত্ৰীজনে

অতীত আৰু বৰ্তমানৰ পানীপথৰ অনেক কথা কৈছিল। দিনৰ প্ৰায় দহ বজাত আমি কুৰুক্ষেত্ৰ পালোগৈ। মহাভাৰতত বৰ্ণিত এই কুৰুক্ষেত্ৰ হিন্দুসকলৰ বাবে এক পবিত্ৰ স্থান। ইয়াত ৩৬৬ টা হিন্দুৰ মন্দিৰ আছে। কৌৰৱ-পাণ্ডৱৰ মাজৰ যুদ্ধ ১৮ দিন ধৰি ইয়াতেই চলিছিল বুলি মহাভাৰতত উল্লেখ আছে। সূৰ্যগ্ৰহণৰ সময়ত দেশ-বিদেশৰ অনেক তীৰ্থযাত্ৰী কুৰুক্ষেত্ৰলৈ আহে; তেওঁলোকে স্নান কৰে পূণ্য অৰ্জনৰ লক্ষ্যৰে। এই সকলোবোৰ কথা বৰ্ণনা কৰি যেন গৌৰৱবোধ কৰিলে আমাৰ সহযাত্ৰীজনে। আমাৰ গাড়ী দ্ৰুতগতিত আগবাঢ়িল। পথৰ দুয়োকাষে ঘেঁহু, কুঁহিয়াৰ আদিৰ পথাৰ। দুই-এক ব্যক্তি তেতিয়াও পথাৰৰ কামত ব্যস্ত। মাজে মাজে আমাৰ গাড়ীখনৰ কাষেদি একো-একোখন ট্ৰেক্টৰ পাৰ হৈ যায়; য'ত মহিলা চালকে কৃষি সামগ্ৰী বোজাই কৰি সঞ্চয় গৃহলৈ বোধকৰো লৈ গৈছিল। কৃষিত চহকী হাৰিয়ানাৰ মহিলাসকলৰ কৰ্মক্ষেত্ৰত সহযোগিতা সঁচাই আনৰ বাবে প্ৰেৰণাৰ উৎস। এই হাৰিয়ানাৰে কাৰ্ণালৰ জীয়ৰী কল্পনা চাওলাই জানো দুবাৰকৈ মহাকাশ ভ্ৰমণ কৰি শেষত মহাকাশতেই বিলীন হৈ বিশ্ববাসীৰ আগত ভাৰতীয় মহিলাৰ সাহস আৰু মেধাৰ পৰিচয় দিবলৈ সক্ষম হোৱা নাছিল!

আমি এটা সময়ত চণ্ডীগড় পালোগৈ। ভাৰতৰ এখন পৰিকল্পিত মহানগৰ এই চণ্ডীগড়। কেইবাটাও লেনযুক্ত পথসমূহৰ মাজে মাজে বগেনভেলীয়া ফুলৰ অপূৰ্ব শোভা। চাৰিওফালে পৰিকল্পিত সেউজীয়াৰ মাজত দালানসমূহ। পঞ্জাব আৰু হাৰিয়ানাৰ ৰাজধানী হ'ল এই চণ্ডীগড় মহানগৰ। বৈচিত্ৰপূৰ্ণ ৰ'ক উদ্যান, আৰ্ট গেলেৰী, গান্ধীভৱন, গোলাপ বাগান, হ্ৰদ, চণ্ডীদেৱীৰ মন্দিৰ, পুথিভঁৰাল, উচ্চ ন্যায়ালয় ভৱন, ষ্টেট্ মিউজিয়াম, পাঞ্জাব বিশ্ববিদ্যালয় আদি অনেক পৰ্যটকৰ আকৰ্ষণীয় স্থানৰ সম্ভেদ দি কেতিয়াবা দীঘলীয়াকৈ চণ্ডীগড়ত থাকি সেইসমূহ চোৱাৰ আহ্বান জনাই আমাৰ সহযাত্ৰীজন চণ্ডীগড় বাচ আস্থানতে নামি পৰিল। আমিও খন্তেকতে আপোন কৰি লোৱা সেই ভদ্ৰলোকজনক বিদায় দিব লগা হ'ল। ভৱিষ্যত সময়ত জানো কেতিয়াবা তেখেতক পুনৰ লগত পাম, মনটো সঁচাই বিষাদেৰে ভৰি পৰিছিল।

দিনৰ প্ৰায় দুই বজাত আমাক লৈ যোৱা গাড়ীখনে চিমলাৰ ঐতিহাসিক 'ভিক্টৰী টানেল'ৰ মাজেৰে পাৰহৈ 'লক্কৰবাজাৰ' বাচ আস্থানত প্ৰৱেশ কৰিলেগৈ। গাড়ীৰ পৰিচালকজনে আমাক নামিবলৈ ইংগিত দিলে। অতি কম সময়ৰ বাবে আস্থানত ৰোৱা গাড়ীখনৰ পৰা আমি হুৰমূৰকৈ নামি গলো। চাৰিওফালৰ পৰিবেশটোলৈ লক্ষ্য কৰাত সঁচাকৈয়ে মন আনন্দত নাচি উঠিছিল। গিৰিৰাজ হিমালয়ৰ শিৱালিক অংশৰ এই চিমলা মহানগৰৰ ৰূপ অপূৰ্ব। 'শ্যামলা' অৰ্থাৎ মা-কালীৰ নামৰ পৰা উৎপত্তি হোৱা চিমলা প্ৰকৃততে সমুদ্ৰপৃষ্ঠৰপৰা ৭২৩৮ ফুট উচ্চতাত অৱস্থিত এখন শৈল মহানগৰ। ৰৌদ্যোজ্বল অনেক সৰু বৰ পাহাৰৰ গাত শাৰী শাৰী দেৱদাৰু, ওক, পাইন আদি গছৰ লগতে নানান ৰূপৰ বাসগৃহৰ নান্দনিক শোভাই কোনো সৌন্দৰ্যপিপাসীক আকৰ্ষণ নকৰাকৈ নাথাকে। প্ৰায় ৫০ বৰ্গ কিঃমিঃ এলেকাৰ অৰ্দ্ধচন্দ্ৰাকৃতিৰ মহানগৰখনৰ পাহাৰৰ হেলনীয়া ভাঁজে ভাঁজে সৰ্পিল অনেক পথত যান-বাহনৰ বিচিত্ৰ বেহ-ৰূপ। হঠাৎ সেৱকদাৰ মাততহে যেন কল্পনাৰাজ্যৰপৰা বাস্তৱলৈ ঘূৰি আহিলো। হয়! আমি এতিয়া হিমাচল প্ৰদেশ বিশ্ববিদ্যালয় অৰ্থাৎ 'চামাৰ হিললৈ' যোৱা গাড়ী ধৰিব লাগিব। ইতিমধ্যে, তেখেতে এজন হিমাচলীলোকৰ লগত কথাপাতি গাড়ীৰ বিষয়ে সঠিককৈ জানি ললে আৰু সেই মতেই আমি আবেলি পৰত 'চামাৰ হিল'ত নামিলোগৈ। গাড়ীৰপৰা নামিয়েই চকুত পৰে বিশ্ববিদ্যালয়ৰ প্ৰকাণ্ড তোৰণখন। এইখন তোৰণৰ তলেদিয়েই অনেক দেশী-বিদেশী ছাত্ৰই বিশ্ববিদ্যালয়ত অধ্যয়ন-অধ্যাপনা কৰিবলৈ গৈছিল। মনত পৰিল আফগানিস্তানৰ বৰ্তমান ৰাষ্ট্ৰপতি হামিদ কাৰজাইৰ কথা; তেখেতেও এইখন বিশ্ববিদ্যালয়ৰ পৰাই স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। বিশ্ববিদ্যালয়ৰ পৰা পাহাৰৰ তললৈ নামি 'চামাৰহিল' ৰেল ষ্টেচনৰ ওচৰতে থকা 'চিটি গেষ্ট হাউচ' নামৰ অতিথিগৃহত উঠিলোগৈ।

মে' মাহৰ ৬ তাৰিখৰপৰা আমাৰ নিৰ্দ্ধাৰিত পাঠ্যক্ৰম আৰম্ভ হৈছিল। ইয়াত অংশ গ্ৰহণ কৰিবলৈ ভাৰতবৰ্ষৰ ১৪ খন ৰাজ্যৰ মুঠ ৫৮ জন প্ৰতিনিধি আহিছিল। আমাৰ অসমৰ পৰাও আমি নজনে অংশগ্ৰহণ কৰিছিলো। 'কম্পিউটাৰ' বিজ্ঞানৰপৰা উড়িয়া সাহিত্যলৈকে প্ৰায় ২৪টা ভিন্নধৰ্মী বিষয়ৰ ছাত্ৰ সমাবেশ সঁচাকৈয়ে বৈচিত্ৰময় আছিল। প্ৰতিজন প্ৰশিক্ষাৰ্থীৰ বাবে 'চেমিনাৰ', 'কুইজ', 'সভা পৰিচালনা', 'মাইক্ৰটিচিং', নিৰ্দিষ্ট বিষয় সাপেক্ষে প্ৰবন্ধলিখন বাধ্যতামূলক আছিল। আমি এনেধৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি বেচ আমোদ পাইছিলো আৰু অনেক নতুন কথা এই পাঠ্যক্ৰমৰ অন্তত শিকিলো বুলি অনুভৱ কৰিছোঁ। উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়ন (Liberalization, Privatization and Globalization - LPG) ৰ ধাম্‌খুমীয়াত ভাৰতবৰ্ষৰ উচ্চশিক্ষাৰ স্থিতি, ভাৰতীয় দৰ্শন, যোগকলা, তথ্য প্ৰযুক্তি — জৈৱ প্ৰযুক্তিৰ শেহতীয়া প্ৰয়োগ আদি ভালেমান বিষয়ৰ সন্দৰ্ভত দক্ষতাৰে সমল আগবঢ়ালে সমল ব্যক্তিসকলে। কেইজনমান শিক্ষক, বিশেষকৈ ড° ডি. আৰ. ভিজ., ড° এল. কৌল, ড° যোগিন্দৰ ভাৰ্মা আদিৰ বাস্তৱধৰ্মী শিক্ষণ পদ্ধতি সঁচায়ে আদৰণীয়।

আমাৰ পাঠ্যক্ৰমৰ সময়ছোৱাত বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিসকলৰদ্বাৰা সাংস্কৃতিক কাৰ্য্যসূচী প্ৰদৰ্শন কৰা হৈছিল। জয়ন্তী মহান্তীহঁতৰ উড়িয়া লোকগীত, অনিল কালে আৰু পুনম পেনুলীহঁতৰ মহাৰাষ্ট্ৰৰ গীত, সীমা ভাৰ্মাৰ ভোজপুৰী গীত, অসমৰ দলীয় বিহু অন্যতম আছিল। ভিন্নজনে ভিন্নকাৰ্যসূচী ৰূপায়ন কৰিলেও অসমৰ দলীয় বিহু সকলোৰে বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল আৰু সঁচাকৈয়ে এই কাৰ্যসূচী শ্ৰেষ্ঠ বিবেচিত হৈছিল। আল্পনা বৰুৱা, মৃগাংক চৌধুৰী, ইন্দিৰা বৰুৱা, সেৱক চুতীয়া, দেৱানন্দ ভট্টাচাৰ্য, জীৱন চাংমাই, চফিকুল ইচলাম, নিৰঞ্জন শুক্লা আৰু এই লেখকৰদ্বাৰ গঠিত অসম দলটোৰ বিহু প্ৰদৰ্শনৰ সময়ত সভাকক্ষত উপস্থিত থকা প্ৰতিজনে চাপৰি বজাই নাচি-বাগি যি আনন্দ প্ৰকাশ কৰিলে ইয়ে প্ৰমাণ কৰে অসমৰ বিহুসংস্কৃতিক সকলোৰে আদৰ কৰে। উত্তৰপ্ৰদেশৰ বেদ প্ৰকাশে দিনটোৰ কাৰ্যবিৱৰণীত সবিনয়ে উল্লেখ কৰিছিল সেই বিহুৰ কথা।





চিমলা মহানগৰ আৰু ইয়াৰ নিকটৱৰ্তী অঞ্চলত অনেক পৰ্যটকৰ বাবে আকৰ্ষণৰ স্থান আছে। আমি চিমলাত থকা দিনকেইটাত সময় আৰু সুযোগ মিলাই প্ৰায়বোৰ স্থানেই চাবলৈ সক্ষম হৈছিলো। এই শৈলনগৰখনৰ কেন্দ্ৰভাগত এক মুকলি অংশ আছে; এই অংশটো 'ৰিড্জ' নামেৰে পৰিচিত। আমি প্ৰথমদিনাই 'ৰিড্জ'লৈ গৈছিলো আৰু তাৰপৰা চিমলাৰ অন্য অংশসমূহৰ অপূৰ্ব শোভা চাইছিলো। 'ৰিড্জ'ৰ নিচেই কাষতে আছে 'নিঅ'গঠিক' আৰ্হিৰ গীৰ্জাঘৰ আৰু 'নিউ-টিউডৰ' লাইব্ৰেৰী। শীতকালত দুই ফুট পৰ্যন্ত বৰফত ডুব গৈ থকা এই 'ৰিড্জ'ক প্ৰতি সন্ধ্যা দেশ-বিদেশৰ অনেক লোকৰ সমাগমে বৈচিত্ৰময় কৰি তোলে। 'লক্কৰবাজাৰ'ৰ কাঠৰ মনোমোহা সামগ্ৰীৰ বজাৰখন, 'লৱাৰ' আৰু 'আপাৰমাল ৰ'দ'ৰ বজাৰ তথা 'হিমাচল এম্পৰিয়াম'ত বজাৰ কৰাৰ লোভ কোনো পৰ্যটকেই সামৰিব নোৱাৰিব। ইয়াত বিভিন্ন 'ৰেষ্টুৰেণ্ট', 'গেইটি থিয়েটাৰ', অন্যান্য 'চপিং-চেণ্টাৰ' আৰু পৰ্যটন নিগমৰ এটা লিফ্‌ট আছে। 'ৰিভলী'ৰ তিৰ্বতীয় সামগ্ৰীৰ বজাৰখনেও সকলোকে আকৰ্ষণ কৰে। আমি, আমাৰ অন্য প্ৰদেশৰ বন্ধু-বান্ধৱীসকলৰ লগত পূৰ্বে উল্লিখিত 'চপিং চেণ্টাৰ' সমূহত সোমাই বিভিন্ন সামগ্ৰী ক্ৰয় কৰিলো। চিমলাৰ পাহাৰী ৰেলসেৱা অথবা বাচেৰে ইঠাইৰপৰা সিঠাইলৈ যাওঁতে 'হোটেল সম্ৰাট', 'অশোক হোটেল', 'উপহাৰ হোটেল', 'ভিক্টৰী হোটেল', 'মিনাৰ্ভা হোটেল', 'হিলষ্টাৰ', 'মালৱাৰ হোটেল' আদি অনেক নামী-দামী হোটেলসমূহ চকুত পৰে। এইসমূহে ভ্ৰমণকাৰীসকলৰ বাবে সকলো সুবিধা প্ৰদান কৰে। 'কালিবাৰী মন্দিৰ', 'তাৰাদেৱী মন্দিৰ', 'সংকটমোচন মন্দিৰ', 'ইক'টুৰিজিম চেণ্টাৰ' আদিলৈ আমিবোৰ দলবদ্ধভাৱে গৈছিলো। চিমলাক বহুতে মন্দিৰ নগৰী বুলি ক'ব খোজে, কাৰণ ইয়াৰ প্ৰতিটো অংশতেই মন্দিৰ পোৱা যায়। জাকুমন্দিৰ নামেৰে জনাজাত হনুমান মন্দিৰলৈ 'ৰিডজ'ৰ পৰা পাহাৰ বগাই যাবলৈ হ'লে প্ৰায়েই লাখুটিৰ সহায় ল'ব লগা হয়। আমাৰ দলটোৱে অৱশ্যে ২৪৫৫ মিটাৰ উচ্চতাত থকা মন্দিৰলৈ যাওতে লাখুটিৰ সহায় লোৱা নাছিলো। মহানগৰৰ অন্য কিছুমান স্থান, যেনে - ৰাজ্যিক সংগ্ৰহালয়, কামনাদেৱী মন্দিৰ, চিমলা ৰেল ষ্টেচন, দীন-দয়াল উপাধ্যায় মেডিকেল কলেজ, ৰাজভৱন, সচিবালয়, স্কেন্দেল পইণ্ট, ইন্দিৰা হলিদে হোম আদিত ভ্ৰমণ কৰি অনুভৱ কৰিলো সেইসমূহ স্থানও পৰ্যটকৰ বাবে কম আকৰ্ষণৰ নহয়। চিমলাৰ নিকটৱৰ্তী 'চামাৰহিল'ত থকা এসময়ৰ 'ভাইচৰয়'ৰ ভৱনটোৰ নিৰ্মাণশৈলী, ঐতিহাসিক গুৰুত্ব আদিয়ে সকলোকে আকৰ্ষণ কৰে। ইংৰাজসকলে ১৮৮৪ চনৰপৰা ১৮৮৮ চনৰ সময়চোৱাত এই বিশাল ভৱনটি নিৰ্মান কৰিছিল। দৃষ্টিনন্দন এই ভৱনটি পিছলৈ 'ভাইচৰয় ভৱন' নামেৰে পৰিচিত হৈছিল। ১৮৬৪ চনত চিমলাই ভাৰতৰ গ্ৰীষ্মকালীন ৰাজধানীৰ মৰ্যদা লাভ কৰে। আনহাতে আকৌ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পিছৰে পৰা ভৱনটোত গৱৰ্ণৰ জেনেৰেল লৰ্ড আৰ্মহাষ্টকে ধৰি অনেকজনে বাস কৰিছিল। ভাৰত-পাকিস্তান দ্বিখণ্ডিত হোৱাৰ ঐতিহাসিক সাক্ষী হ'ল এই ভৱন। ইয়াৰে এখন সৰু ঘূৰণীয়া টেবুলত ভাৰত বিভাজন কাৰ্য সমাপন হৈছিল। উল্লেখযোগ্য যে, সেই টেবুলখন একেদৰে স্থান পৰিবৰ্তন নকৰাকৈ ৰখা হৈছে। অৱশ্যে, পৰৱৰ্তী সময়ত ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি তথা দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে অনুভৱ কৰিলে এই ঐতিহাসিক প্ৰাসাদটিক কেৱল ৰাষ্ট্ৰপতিৰ বিলাসভৱন হিচাপে ব্যৱহাৰ কৰিলে দেশৰ জনসাধাৰণৰ প্ৰতি অন্যায় কৰা হ'ব। কাজেই, তেখেতে ইয়াক 'ভাৰতৰ উচ্চ গৱেষণা প্ৰতিষ্ঠান'(Institute of Indian Advance Studies) লৈ পৰিবৰ্তন কৰি দেশবাসীলৈ উচৰ্গা কৰিলে। বৰ্তমান উক্ত কেন্দ্ৰটি দেশ-বিদেশৰ সমাজ বিজ্ঞান (Social Sciences & Humanities) ৰ অনেক ছাত্ৰ-গৱেষকৰ বাবে উৎকৃষ্ট স্থান।

বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা আয়োজন কৰা এক ক্ষেত্ৰ ভ্ৰমণ (Field Study) কাৰ্যসূচীত আমি নালডেৰা আৰু কুফ্ৰী নামৰ ঠাই দুখনলৈ গৈছিলো। নালডেৰা চিমলাৰ পৰা ২২ কিঃমিঃ দূৰত অৱস্থিত এখন মনোৰম ঠাই। ইয়াৰ 'নাইন পইণ্ট গল্‌ফকৰ্চ'খন ইংৰাজ 'ভাইচৰয়' লৰ্ড কাৰ্জনে নিৰ্মাণ কৰিছিল। এই ঠাইখন ইমান মনোৰম যে, ইয়াৰ মোহত পৰি লৰ্ড কাৰ্জনে তেখেতৰ জীয়ৰী 'আলেক্‌জেন্‌ৰা'ৰ নাম 'নালডেৰা' ৰাখিছিল। আমি যিখন টুৰিষ্ট ৰেষ্টুৰেণ্টত খোৱা-বোৱা কৰিছিলো তাৰপৰা কিছু ওপৰত থকা পাইন আৰু দেৱদাৰুৰ অৰণ্যৰাশিৰ তলত অনেক দেশী-বিদেশী লোকক লগ পাইছিলো আৰু সেইসকলৰ লগত ভাব বিনিময় কৰিছিলো। কুফ্ৰী, হিন্দুস্থান-তীৰ্থত পথ (NH-22) ৰ চিমলাৰ পৰা ১৬ কি.মি. দূৰত থকা অন্য এক আকৰ্ষণীয় ঠাই। ইয়াত হিমালয়ৰ মধ্য অঞ্চলৰ প্ৰাণী য়াকৰ পিঠিত উঠি ফুৰিবলৈ যোৱা অথবা ফটো লোৱাৰ সুবিধা আছে। ইয়াত থকা আলু গৱেষণা কেন্দ্ৰটি বিখ্যাত। কুফ্ৰী চন্দ্ৰমুখীকে ধৰি ভালেমান আলুৰ নতুন সঁচ এই কেন্দ্ৰতেই উৎপাদন কৰা হৈছে। হিমাচলী চেৰীৰ সোৱাদ কুফ্ৰীতেই লবলৈ সুবিধা পালো। সেইদিনা আবেলি চিমলালৈ ঘূৰাৰ পথত মাচুৱা নামৰ ঠাইত হিমাচলী আপেলৰ বাগানত সোমোৱাৰ সুযোগ মিলিল।

চিমলালৈ যোৱা প্ৰতিজন পৰ্যটকেই বোধকৰোঁ এবাৰৰ কাৰণে হ'লেও ৰেল ভ্ৰমণৰ সোৱাদ ল'বলৈ নাপাহৰে। চিমলাৰপৰা কালকালৈ ৯৫.৫০ কিঃমিঃ দৈৰ্ঘ্যৰ 'নেৰোগজ' পথছোৱাত ১০২ টা সৰু বৰ সুৰংগ আছে। সুৰংগৰ মাজেৰে পাৰ হোৱাৰ উত্তেজনাৰ লগতে পাহাৰৰ এঢলীয়া গাৰে মন্থৰ গতিত যোৱা ৰেলখনৰ দুয়োকাষৰ দৃশ্যৰাজি চাবলৈ সুবিধা হোৱা বাবে এই ভ্ৰমণ উপভোগ্য হৈ উঠে। ১৮৪৭ চনত 'ডিউক কোম্পানিয়ে জৰীপ সম্পাদন কৰি ১৯০৬ চনত ৰেল পথটো নিৰ্মাণ কাৰ্য শেষ কৰিছিল। সঁচা কথা ক'বলৈ হ'লে এইচোৱা ৰেলপথ হিমাচল প্ৰদেশ তথা ভাৰতৰ বাবে এক গৌৰৱ। আমিবোৰে পাঠ্যক্ৰমৰ সামৰণিৰ দিনাই আবেলিলৈ উক্ত ৰেলেৰে চিমলাত কটোৱা এটা মাহৰ মধুৰ স্মৃতি বুকুত বান্ধি 'চামাৰহিল' ৰেলষ্টেচনৰ পৰা কালকালৈ বুলি ঘূৰিলো। ■

বিঃ দ্ৰঃ- ভ্ৰমণ কালত নিজে সংগ্ৰহ কৰা তথ্যৰ লগতে হিমাচল প্ৰদেশ পৰ্যটন বিভাগৰ এখন প্ৰচাৰপত্ৰৰ সহায় লোৱা হৈছে।

ভ্ৰমণ ঃ

# ডাৱৰৰ মাজে মাজে মনোৰম টাৱাঙলৈ

দিব্যজ্যোতি দত্ত
*স্নাতক ৩য় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

মানুহৰ জীৱনটো অজস্ৰ সংঘাতেৰে জৰ্জৰিত অথচ আনন্দ উল্লাসৰ মধুৰতাও ইয়াতেই নিহিত। প্ৰাত্যহিক সংঘাতজৰ্জৰ জীৱন বৃত্তৰ পৰিধি ভাঙি নতুন কিবা এটা কৰা কিবা এটা চোৱাৰ অভিপ্সা প্ৰত্যেক মানুহৰে হৃদয়ৰ কোনো এক কোনত নীৰৱে সুপ্তাৱস্থাত থাকে। এক বেদনা বহুল জীৱন বৃত্তৰ নিলগত ছয়াময়াকৈ দেখিবলৈ পালো প্ৰাত্যহিক জীৱনৰ অৱসাদ মুক্ত এখন নতুন পৃথিৱী 'টাৱাং'— নামেই যাৰ আকৰ্ষণ।

২০০২ বৰ্ষৰ ২৭ অক্টোবৰৰ পুৱাটো শেৱালিৰ স্নিগ্ধ সুবাসত একান্তই নিজা হৈ পৰিছিল। পুৱা ৫ বজাতে লখিমপুৰৰ ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰ (National Informatics Centre) পালোগৈ। ইয়াতে আমাৰ দলৰ সকলোটি গোট খোৱাৰ কথা। সকলো সমবেত হোৱাৰ পাছত দুখন চুম'ত আমি ১৯ জনীয়া দলটিয়ে সপোনপুৰী টাৱাঙলৈ ৰাওনা হ'লো হৃদয়ত টাৱাঙৰ এখন কল্পনাপ্ৰসূত ছবি আঁকি। আমাৰ দলৰ নেতৃত্বত থাকিল জিলা তথ্য আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ বিষয়া দিব্যজ্যোতি দত্ত।



টাৱাঙৰ বিষয়ে আগেয়ে বিশেষ নাজানিছিলো। শুনিছিলো সমুদ্ৰ পৃষ্ঠৰ প্ৰায় ১০,০০০ ফুট উচ্চতাত অৱস্থিত ঠাইখন পৰ্যটকৰ প্ৰথম পচন্দৰ, কিয়নো ইয়াতে বিশ্বৰ দ্বিতীয় বৃহত্তম বৌদ্ধ মন্দিৰটো অৱস্থিত। টাৱাঙৰ কাল্পনিক ছবিখনি মনৰ মাজত অৱগাহন কৰি কৰি আমি ভালুকপুং পালোগৈ। তেতিয়া দিনৰ ১২.৩০ বাজিছিল। পেটৰ ভিতৰত আৰম্ভ হোৱা কুৰুক্ষেত্ৰ যুদ্ধখনৰ অৱসান ঘটালো এখন স্থানীয় হোটেলত। অৰুণাচল প্ৰদেশত সোমাবৰ বাবে Inner line permit ল'ব লাগে। দত্তছাৰৰ সৈতে দুজনমান পাৰপত্ৰ সংগ্ৰহৰ বাবে গ'ল। আমি আনকেইজনে ভালুক পুঙৰ মোহনীয় পৰিবেশত খোজকঢ়াৰ সিদ্ধান্ত কৰিলো। ...... সুউচ্চ গছবোৰৰ সৈতে বতাহৰ কিনো সংগম! কেৱল এটি মৃদু সো-সোৱনি। আকাশত ডাৱৰ আছিল। ডাৱৰৰ ফাঁকে ফাঁকে বেলিটিয়ে আমাক যেন লাজ লাজকৈ চাইছিল। তাতে সোণতে সুৱগা চৰাই এটি জুৰিয়ে পাহাৰৰ শিলত খুন্দিয়াই নিৰ্জন পৰিবেশটোক এক অনন্য মাত্ৰা প্ৰদান কৰিছিল।

পাৰপত্ৰ সংগ্ৰহ কৰা হ'ল। এইবাৰ আমি ব'মডিলা অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ। টাৱাঙলৈ যোৱা যাত্ৰীসকল ব'মডিলাত থকাটো বাঞ্চনীয়।

টাৱাঙত তৃতীয় বাৰৰ বাবে আয়োজন কৰা হৈছে বৌদ্ধ মহোৎসৱ। বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ সংস্পৰ্শলৈ আহিবলৈ আৰু তেওঁলোকৰ জীৱন নিৰ্বাহ প্ৰণালীৰ বিষয়ে জানিবলৈ এক অদম্য আগ্ৰহ আছিল। পাহাৰীয়া জীৱনৰ অনন্য সুষমা পান কৰাৰ লগতে 'নৃতত্ত্ব'ৰ প্ৰতি থকা হেঁপাহৰ কাৰণে পাহাৰীয়া জনগোষ্ঠীৰ জীৱনৰ বিষয়ে জানিবৰ যৎকিঞ্চিত প্ৰয়াস কৰিছিলো। সেইবিষয়ে পাছত আলোচনা কৰিম।

শাৰী শাৰী পৰ্বতমালা নিবিষ্ট চিত্তে থিয় হৈ আছে। সেউজীয়া পাহাৰৰ বক্ষভেদি অকোঁৱা-পকোৱা সৰ্পিল ৰাষ্টাৰে আমি আগবাঢ়িলো ব'মডিলা অভিমুখে। ফেৰফেৰীয়া বতাহজাক গাড়ীৰ খিড়িকিৰে সোমাই আহি আমাৰ গালত চুমা দি কাণে কাণে বৰষুণৰ আগমনৰ বাতৰি দি গ'ল। আমিও সাজু হ'লো। ঘন কুঁৱলীয়ে আমাক আগুৰি ধৰিলে। কুঁৱলীৰ মায়াজাল ফালি আমি আগবাঢ়ি গলো। সময়মতে ব'মডিলা পোৱা নহ'ব বুলি জানি আদবাটতে ক'ৰবাত থকাৰ সিদ্ধান্ত কৰা হ'ল। কিন্তু ক'তো সুবিধা কৰিব পৰা নগ'ল। উপায়হীন হৈ শেষত ব'মডিলালৈকে যোৱাৰ ঠিক কৰা হ'ল। ৰাতিৰ একাঁ-বেকা পাহাৰীয়া ৰাস্তা। চাৰিও দিশে কেৱল নিস্তব্ধতা। আমাৰ মনৰ মাজত এক চেপা উত্তেজনা। নিশা ৯(ন) মান বজাত আহি ব'মডিলা পালোহি। ডাক-বঙলা নোপোৱাত এখন হোটেলত থকাৰ ব্যৱস্থা কৰা হ'ল। ব'মডিলাৰ হাড় কপোৱা শীত প্ৰবাহে আমাক স্বাগতম জনালে।

ব'মডিলা এখন মনোমুগ্ধকৰ চহৰ। পাহাৰৰ খলা-বমাবোৰত জীৱনৰ অভিনৱ ত্বত অভিভূত হ'লো। পাহাৰৰ একাঁ বেকা ভাঁজবোৰৰ মাজেৰে সূৰ্যৰ কিৰণে ভুমুকি মাৰিলেহি। প্ৰাতঃকাৰ্য শেষ কৰি পদযাত্ৰা কৰাৰ ঠিৰাং কৰিলো। অকোঁৱা পকোৱা ৰাস্তাবোৰত খোজ কঢ়াটো যথেষ্ট কষ্টকৰ। এঠাইত দেখিলো কেইগৰাকীমান স্থানীয় দাৱনীয়ে ঘেহুঁজাতীয় কিবা দাই আছে। ব্যস্ত দাৱনীকেইজনীৰ মুখৰ পৰা নিঃসৃত সুমধুৰ অচিনাকী আৰু অবুজ সংগীতে খন্তেকতে মনত পেলাই দিলে নীলিমকুমাৰৰ সেই বিখ্যাত কবিতাৰ পংক্তিটো ঃ

"দাৱনী হৈ তেওঁ আহিব বুলি
কিমান বাৰ যে
মোৰ বুকুৰ পথাৰত
উপচি পৰিছিল সোনালী শস্য।"

ব'মডিলাৰ পৰা টাৱাঙলৈ ১৮১ কি.মি। যাত্ৰা আৰম্ভ হ'ল সপোন পুৰী টাৱাঙলৈ। সেউজীয়া পৰ্বতমালাৰ ওখ ওখ চূড়াবোৰ ডাৱৰেৰে ঢাকি থৈছে। খৰস্ৰোতা নিজৰাবোৰ সশব্দে তললৈ বাগৰি আহি চৌপাশৰ নিৰৱতা ভংগ কৰিছে। বিনন্দীয়া ধৰাখনিৰ ৰূপ চাই যেন হেঁপাহ নপলায়। অবিৰাম গতিৰে আমাৰ গাড়ী উঠি গৈছে ওপৰলৈ, ক্ৰমান্বয়ে ওপৰলৈ। গাড়ীৰ ভিতৰৰ সকলোৰে মুখত ফুটি উঠিছে অনাবিল প্ৰশান্তিৰ হাঁহি। আমি ডিৰাং পালোহি। ডিৰাঙৰ প্ৰাকৃতিক পৰিবেশে মনটো ৰোমাঞ্চিত কৰি তুলিলে। ডিৰাঙতে আমি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলো। গোলাপী গালেৰে থুলন্তৰ চেহেৰাৰ মানুহবোৰৰ মুখত পৰিতৃপ্তি আৰু শান্তিৰ বহিঃপ্ৰকাশ লক্ষ্য কৰিলো।

ডিৰাং এৰি মাথো আমি ওপৰলৈ উঠি গৈছো অকোৱা পকোৱা ৰাস্তাৰে। দূৰ-দূৰণিৰ ডাৱৰবোৰে আমাক আগভেটি ধৰিলে। মনৰ মাজত এক হিমশীতল অনুভূতি। গাড়ীৰ খিৰিকিখন খুলি ডাৱৰৰ সৈতে বাৰ্তালাপ কৰিবৰ ইচ্ছা হৈছিল। হাতখন বাহিৰলৈ উলিয়াই দিলো। ডাৱৰৰ শীতল চুম্বন গালে মুখে অনুভৱ কৰিলো। কি এক মিঠা শিহঁৰণ। হৃদয় আহ্লাদিত কৰিব পৰা কি এক মিঠা আৱেশ। দেহ-মন পুলকিত হ'ল। আমি এতিয়া সমুদ্ৰপৃষ্ঠৰ ১৩,৭০০ ফুট ওপৰৰ পৃথিৱীৰ দ্বিতীয় সৰ্ববৃহৎ ৰাজপথ 'ছেলাপাছ' পালেহি। বেলি পাতত বহাৰ যো-জা কৰিছিল। গাড়ী ৰ'ল। আমি সকলো নামিলো। ফেৰফেৰিয়া বতাহে কঢ়িয়াই অনা শীতলতাই আমাক চৰম আনন্দ প্ৰদান কৰিলে। গালে মুখে বতাহে চটিয়াই থৈ গ'ল সৰু সৰু তুষাৰ কণিকা। বেছিসময় বাহিৰত ৰৈ থকা সম্ভৱ নহয়। ওচৰতে এখন মাত্ৰ ৰেস্তোৰাঁ আছে, সোমাই গ'লো। 'বোখাৰি'ত হাত সেকিহে ৰক্ষা পালো। একাপ ধুমায়িত গৰম কফিখাই আমি পুনৰ গাড়ীত বহিলোহি। বাহিৰত কেৱল বতাহৰ সমবেত সংগীত। আন্ধাৰেও ক্ৰমে আমাক আগুৰি ধৰিলেহি। ছেলাৰ হিমশীতলতাই প্ৰদান কৰা আনন্দ গাড়ীৰ ভিতৰত ইজনে সিজনে ভগাই ললো। টাৱাঙলৈ এতিয়াও বহুদূৰ। টাৱাং পোৱাটো আমাৰ বাবে দুৰূহ হ'ল। নিশা ৮.৩০ মান বজাত 'জং' নামৰ এডোখৰ ঠাই পালোগৈ। ডাক বঙলা বিচাৰি পুনৰবাৰ হাবাথুৰি খাব লগা হ'ল। অৱশেষত ডাক-বঙলাৰ সৰু দুটি কোঠা পোৱা গ'ল। দলৰ কেইবাগৰাকী সদস্যই ওচৰৰে এখন স্কুলৰ কোঠাতে ৰাতিটো কটালে। পেটৰ ভোকৰ ওৰ পৰিছিল ডাক-বঙলাৰ সুস্বাদু খাদ্যত।

পুৱাই এক অনিন্দ্যসুন্দৰ প্ৰাকৃতিক পৰিবেশৰ মাধুৰ্য উপভোগ কৰিলো। 'জং' এখন সুন্দৰ পাহাৰীয়া ঠাই। পাহাৰৰ বৰফাবৃত চূড়াবোৰত পুৱাৰ কিৰণে সিঁচি দিয়া বৰ্ণিল চিত্ৰখন হৃদয়ত আঁকি ৰাখিলো। আমি জং এৰিলো। জঙৰ পৰা প্ৰায় ৩০ কিঃ মিঃ মান দূৰত্বত মনোমুগ্ধকৰ 'নুৰানাঙ' জলপ্ৰপাত অৱস্থিত। (উল্লেখ্য যে 'কয়লা নামৰ হিন্দী ছবিখনত এই জলপ্ৰপাতটোৰ সুন্দৰ প্ৰতিফলন ঘটিছে।) ৰাস্তাৰপৰা নুৰানাঙৰ স্বৰ্গীয় দৃশ্য দেখি আনন্দত চিঞৰি উঠিলো। ওচৰৰ পৰা চোৱাৰ এক তীব্ৰ ইচ্ছা জাগিল। নামি গ'লো। ওচৰতে বিদ্যুৎ উৎপাদনৰ প্ৰকল্প এটি আছে। কাষৰ পাহাৰীয়া নদীখনে কুলুকুলু মূৰ্চ্ছনাৰে অপূৰ্ব মূৰ্চ্ছনাৰ সৃষ্টি কৰিছে। আমি কেইগৰাকী মানে অদম্য সাহসেৰে জলপ্ৰপাতটোৰ একেবাৰে ওচৰ পালেগৈ। ওপৰলৈ চাই পঠালো। আঃ কি নয়নাভিৰাম দৃশ্য। সৃষ্টিৰ অভিনৱত্বত আৰু এবাৰ শিহঁৰিত হ'লো আৰু কাষ চাপি গ'লো। জলপ্ৰপাতৰ পানীৰ চিটিকণিয়ে আমাৰ সৰ্বত্ৰ তিয়াই পেলালে। আনন্দত চিঞৰি উঠিলো। দত্তছাৰে আমাক (handycam)ত আবদ্ধ কৰিলে। আমি তিতি বুৰি জুৰুলি-জুপুৰি হ'লো। গাৰ কাপোৰ খুলি ৰ'দত শুকুৱাব লগা হ'ল। অপাৰ আনন্দত আমি বিস্ময়াভিভূত হ'লো। স্বৰ্গীয় দৃশ্যটি শেষবাৰৰ বাবে হৃদয়ত আঁকি পুনৰ আগবাঢ়িলো।

দিনৰ ১২ মান বজাত টাৱাং পালোগৈ। বৌদ্ধ মহোৎসৱৰ সময়ত টাৱাঙৰ এক অন্যৰূপ ফুটি উঠিছে। পথৰ কাষে-কাষে ফুলি থকা থকা ৰোডে ডেনড্ৰন আৰু বিবিধ ৰঙৰ ফুলে চিত্ত হৰণকাৰী দৃশ্যৰ সৃষ্টি কৰিছে। সৰল গছৰ মাজে মাজে ভিন্ন ৰঙৰ বিভিন্ন প্ৰাৰ্থনা পতাকা বতাহত উৰিবলৈ ধৰিছে। এই সময়ছোৱাত টাৱাং পৰ্যবসিত হৈছে পৃথিৱীৰ আন এখন স্বৰ্গৰাজ্যলৈ। বৌদ্ধমহোৎসৱৰ কাৰ্যকলাপ পূৰ্ণগতিত চলি আছিল। মহোৎসৱৰ অন্দান্দিভাৱে অয়োজিত মেলাতে আমি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলো।

প্ৰথম দৃষ্টিতে টাৱাঙৰ প্ৰেমত পৰিলো। ওখ চাপৰ সেউজীয়া পৰ্বতমালাই সৃষ্টি কৰা বৰ্ণাঢ্য ৰূপ-ৰাজি উপভোগ কৰিও যেন হেঁপাহ নপলায়। বৌদ্ধ মহোৎসৱৰ বাবে চহৰখন আটোম টোকাৰিকৈ সজাই তোলা হৈছে। বহুতো বিদেশী পৰ্যটক চকুত পৰিল। টাৱাঙৰ জিলা তথ্য আৰু প্ৰযুক্তিবিদ্যা বিষয়াজনে আমাক যাৱতীয় বন্দৱস্ত সমূহ কৰাত সহায় কৰি দিলে।

সাগৰপৃষ্ঠৰ প্ৰায় ১০,০০০ ফুট উচ্চতাত অৱস্থিত 'টাৱাং' অৰুণাচল প্ৰদেশৰ পশ্চিম প্ৰান্তৰত। টাৱাঙৰ উত্তৰে তীব্বত (চীন), দক্ষিণ-পশ্চিমত ভূটান আৰু পূবত ৱেষ্ট কামেং জিলাৰ 'ছেলা'। টাৱাং ইয়াৰ চাৰিশ বছৰৰ প্ৰাচীন বৌদ্ধ মন্দিৰটোৰ বাবে বিশ্ববিখ্যাত এই ঠাইখনৰ জন্মবৃত্তান্তৰ বিষয়ে বহুতো প্ৰবাদ আছে। কিন্তু আটাইতকৈ গ্ৰহনীয় প্ৰবাদটো এনে— বৌদ্ধমন্দিৰটোৰ প্ৰতিষ্ঠাতা 'মেৰালামা'ৰ ঘোঁৰাটিক তেওঁ মন্দিৰ নিৰ্মাণৰ বাবে শুভ লক্ষণ জ্ঞান কৰিছিল। গতিকে

ঘোঁৰাটিৰ প্ৰতি আকৃষ্ট হৈ তেওঁ ঠাইখনৰ নাম ৰাখিছিল 'টাৱাং'। 'টা' মানে ঘোঁৰা আৰু 'ৱাং' মানে আশীৰ্বাদ। গতিকে টাৱাঙৰ অৰ্থ হ'ল 'ঘোঁৰাটিৰ আৰ্শীবাদ' (Blessed by the horse)

টাৱাঙত বাস কৰা সৰ্ববৃহৎ জনগোষ্ঠীটো হৈছে 'মনপা'। প্ৰাকৃতিকভাৱে মনপাসকল কলাসুলভ আৰু কৃষি এওঁলোকৰ প্ৰধান জীৱিকা। মনপা সম্প্ৰাদায়ৰ মাজত বিয়া বাৰু আলোচনাৰ মাধ্যমত হয়। অৱশ্যে এওঁলোকৰ মাজত বিলিংগ সহোদৰজ সন্ততি বিবাহো (Cross-Cousin marriage) প্ৰচলিত। এওঁলোকৰ সাজ-সজ্জা অতিশয় মৰ্যদাসম্পন্ন আৰু ৰং-বিৰঙৰ। পুৰুষসকলে এটা চুটি উণৰ কামিজ পিন্ধে যাক 'কানগ্নম' (Kangnom) আৰু এনে দীঘল কামিজটোকে 'ধৰ্ণা' (Dharna) বোলে। মহিলাসকলে ৰঙাৰঙৰ সাজ পিন্ধে আৰু বাহুৰপৰা কঁকাললৈকে ৰং-বিৰঙৰ আঁচ থকা এখন বগা কাপোৰ এপাট পেটীৰ সহায়ত মেৰিয়াই লয়।

টাৱাঙত বিশেষকৈ তীব্বতীয় বৌদ্ধ ধৰ্মাৱলম্বীসকলে বাস কৰে। তীব্বতীয় ধৰ্মৰে আকৌ চাৰিটাকৈ শাখা আছে। সেইবোৰ হ'ল— গেলুগ্‌পা (Gelugpa) বা হালধীয়া টুপী পৰিধান কৰোঁতাসকল, কাৰগি ওপা (Kargyupa) বা ৰঙা টুপী পৰিধান কৰোঁতা সকল, নিইঙমপা (Nyingmapa) বা প্ৰাচীন আৰু চেগিয়ালা (Sagyapa) বা পৃথিৱীৰ মানুহ। এই প্ৰত্যেকটি গোটে বৌদ্ধধৰ্ম তত্বলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছে। টাৱাঙত প্ৰচলিত বৌদ্ধধৰ্মই প্ৰত্যেক বস্তুৰ মাজত আন্তঃ সম্পৰ্কীয় যোগাযোগ থকাৰ ওপৰত গুৰুত্ব দিয়ে। ইয়াৰ মনপা সকল গেলুগ্‌পা ঠালৰ অন্তৰ্গত আৰু বিশ্বখ্যাত মন্দিৰটোৰ উপদেশবোৰতো এই ঠালৰ প্ৰভাৱ লক্ষণীয়।

মন্‌পাসকলৰ বিষয়ে কওঁতে 'মন্‌পা নৃত্য'ৰ বিষয়ে অকণমান নক'লে ব্যাখ্যা অসম্পূৰ্ণ হৈ ৰ'ব। এওঁলোকৰ মাজত বহুতো পৰম্পৰাগত নৃত্যৰ প্ৰচলন আছে, যিবোৰ সামাজিক উৎসৱ-পাৰ্বনৰ সময়ত প্ৰদৰ্শিত হয়। 'আণজি লামু' নৃত্য হৈছে 'ৰামায়ণ'ৰ স্থানীয় সংস্কৰণ। 'য়াক' নৃত্যই কেনেদৰে এটা পৰিয়ালে এক যাদুকৰী পক্ষীৰ দ্বাৰা শ শ বছৰৰ আগতে 'য়াক' (এবিধ নোমাল জন্তু) ৰ আৱিষ্কাৰ কৰিবলৈ সক্ষম হ'ল তাক প্ৰকাশ কৰে। আন এক উল্লেখযোগ্য নৃত্য হৈছে 'সিংহ আৰু খোঁৰা নৃত্য' ইয়াত পৃথিৱীলৈ কেনেকৈ শান্তি আৰু সমৃদ্ধি আহিল তাক বৰ্ণনা কৰা হয়।

এইবাৰ প্ৰৱল শীতপ্ৰবাহকো নেওচি আমি এচিয়াৰ সৰ্ববৃহৎ তথা বিশ্বৰ দ্বিতীয় বৃহত্তম বৌদ্ধ মঠটো দৰ্শনৰ নিমিত্তে ওলালো (বিশ্বৰ সৰ্ববৃহৎ বৌদ্ধ মন্দিৰটো 'লাছা'ত অৱস্থিত) খটখটি বগাই মূল প্ৰৱেশ দ্বাৰ পালোগৈ। গোম্পাৰ ভিতৰত প্ৰায় ২৮ ফুট ওখ স্বৰ্ণ খছিত ধাতুৰ বুদ্ধ মূৰ্ত্তিটোৱে আমাক সকলোকে আশ্চৰ্যচকিত কৰিলে। প্ৰয়োজনীয় (Photograph) ল'লো। ইয়াতে এক সুবিশাল প্ৰাৰ্থনা গৃহ আছে। মঠটিৰ দেৱালত বিভিন্ন ধৰণৰ তিব্বতী চিত্ৰকলা অংকিত হৈ আছে।

'টাৱাং' বিশেষকৈ ইয়াৰ হ্ৰদবোৰৰ বাবেও বিখ্যাত। শুনামতে, ইয়াত সৰু বৰ শতাধিক হ্ৰদ আছে। এনে কেইটিমান উল্লেখযোগ্য হ্ৰদ হ'ল— 'পি.টি. এছ.ও লেক,' 'সাঙ্গেশ্বৰ লেক,' 'পেৰাডাইজ লেক,' 'ছানছেট লেক,' ইত্যাদি।

বিনন্দীয়া টাৱাঙক শেষ বিদায় দিয়াৰ সময় আহি উপস্থিত হ'ল। চিৰসেউজীয়া প্ৰকৃতিৰ লীলাভূমি টাৱাঙক শেষ বিদায় জনোৱাৰ মুহূৰ্তত চকুযুৰি সেমেকি উঠিল। গাড়ীৰ ভিতৰত সকলোৰে মুখাবয়বত বিদায় পৰৰ কাৰুণ্য ফুটি উঠিল। টাৱাঙৰ পৰা ওভটি আহি আমি "যশোৱন্ত গড়'ত নামিলোহি। ১৯৬২ চনত চীন-ভাৰতৰ যুদ্ধৰ সময়ত আত্মবলিদান দিয়া বীৰ ভাৰতীয় স্বহীদ সকলৰ স্মৃতি বিজড়িত ঠাইখনত সেনাবাহিনীৰ জোৱানে আগবঢ়াই দিয়া য়াকৰ গাখীৰৰ গৰম চাহেৰে ঠাণ্ডা নিবাৰণৰ চেষ্টা চলালো। কুঁৱলীয়ে আমাক আগুৰি ৰাখিছিল। এজন জোৱানক ঠাইখনৰ বিশেষত্বৰ বিষয়ে সোধাত জনালে যে চীন-ভাৰতৰ যুদ্ধৰ সময়ত 'যশৱন্ত সিং ৰাণা' নামৰ বীৰ জোৱানজনে চীনা সেনাৰ সৈতে অকলশৰে ৭২ ঘণ্টা যুঁজি নিজৰ প্ৰাণ দেশমাতৃৰ চৰণত অৰ্পণ কৰিছিল। তেওঁৰ সন্মানাৰ্থেই ঠাইখনৰ নাম 'যশৱন্ত গড়' ৰখা হয়।

আমি পুনৰ ছেলা পালোহি। ছেলাত বৰফ পৰিছিল। বৰফৰ সৈতে খেলাৰ সুবৰ্ণ সুযোগ গ্ৰহণ কৰিছিলো। ভিজা নিমখৰ দৰে বৰফবোৰ ইজনে সিজনৰ গালৈ চটিয়াবলৈ লাগিলো। বৰফৰ কি দুৰ্বাৰ আকৰ্ষণ। আনন্দত মতলীয়া হৈ আমি সকলোটিয়ে বিহু নাছিলো। ৰেস্তোঁৰাখনৰ মালিকনী 'বিজু দিদি'কো বিহুলৈ আমন্ত্ৰণ জনোৱা হ'ল। বৰফাবৃত ছেলাৰ আকাশ-বতাহ বিহু গানৰ সুৰত মুখৰিত হৈ উঠিল। সমুদ্ৰপৃষ্ঠৰ ১৩,৭০০ ফুট ওপৰত আমি অনুভৱ কৰিলো জীয়াই থকাৰ আনন্দ। প্ৰকৃতিৰ দুষ্প্ৰাপ্য ছবিখনি মনৰ গহণ কোনত বাংম ৰূপে ধৰা দিলেহি। পশ্চিমৰ ৰঙা বেলিটিয়ে আমাক বিদায়ৰ বাৰ্তা প্ৰেৰণ কৰিলে। গাড়ীত উঠিলোহি। গাড়ীৰ ভিতৰতে সমগ্ৰ যাত্ৰাটিৰ ৰোমাঞ্চকৰ মুহূৰ্তবোৰ অৱগাহন কৰিলো। মনৰ দাপোনত টাৱাঙৰ বৰ্ণাঢ্য ৰূপৰাজিয়ে অগাদেৱা কৰিলেহি অনিন্দ্যসুন্দৰ ছবিৰ দৰে, য'ত নিহিত আছে সৃষ্টিৰ সুবিমল প্ৰাচুৰ্য আৰু জীৱনৰ চিৰ নতুন সবলতা। ■








গল্প

# শেৱালিৰ সুবাস

ড° জিতৰাম কলিতা
*উপাধ্যক্ষ, ঢকুৱখনা মহাবিদ্যালয়*



প্ৰাইভেট ছাত্ৰীবাসৰ পৰা ওলাই আহি মূল ৰাষ্টাটোত ভৰি দিয়েই মধুমতীয়ে এখন ৰিক্সা বিচাৰিলে, নাই এখনো ৰিক্সা নাই। কি কৰা যায় এতিয়া? তাই ঘড়ীটোলৈ চালে, দুই বাজিছে। ৰাজেন বৰুৱা ছাৰ থকা ঠাইলৈ তাৰ পৰা দুই কিলোমিটাৰতকৈ বেছি দূৰত্ব। ইফালে ৰ'দটোও বৰ চোকা। নিৰুপায় হৈ তাই ছাটিটো মেলি লৈ খোজ কাঢ়ি যাবলৈ সিদ্ধান্ত কৰিলে। অলপ দূৰ যোৱাৰ পাছত তাই দেখা পালে এখন খালি ৰিক্সা আহি আছে। তাই চিঞৰি মাতিলে—"ঐ ৰিক্সা"

ৰিক্সাখন আহি তাইৰ ওচৰত ৰ'ল।

"ক'লৈ যাব?" ৰিক্সাৱালাই সুধিলে।

"খলিহামাৰী?" তাই চমুকৈ উত্তৰ দিলে।

"উঠক"।

মধুমতীয়য়ে ছাটিটো জপাই ৰিক্সাখনত উঠিল। ৰিক্সাখনে নিৰ্দিষ্ট স্থানলৈ গতি কৰি থাকোতে তাইৰ মানস পটত জিলিকি উঠিল সেই বিশেষ দিনটোৰ কথা। কথাখিনি মনত পৰাৰ লগে লগে তাইৰ মুখমণ্ডলত এটা হাঁহিৰ ৰেখা জিলিকি উঠিল।

আজিৰ পৰা চাৰি বছৰ আগৰ কথা। তেতিয়া মধুমতী উচ্চতৰ মাধ্যমিক কলা শাখাৰ দ্বিতীয় (২য়) বাৰ্ষিকৰ ছাত্ৰী। সিহঁতৰ কলেজলৈ পদাৰ্থ বিজ্ঞানৰ নতুনকৈ এজন প্ৰবক্তা আহিছে। তেখেতৰ নাম ৰাজেন বৰুৱা। সেই বছৰতে তেখেতে সুখ্যাতিৰে প্ৰথম শ্ৰেণীত এম.এছ.চি পাছ কৰি নেট পাছ কৰিছে। নতুনকৈ কোনো প্ৰবক্তা আহিলে ছাত্ৰ-ছাত্ৰীহঁতে প্ৰবক্তা জনৰ নাম, ঘৰৰ ঠিকনা আৰু পৰীক্ষাৰ ফলাফল আদি কথাবোৰ আলোচনা কৰে। মধুমতীহঁতেও ৰাজেন বৰুৱাৰ সবিশেষ খবৰ সংগ্ৰহ কৰিছে যদিও কলা শাখাৰ বাবে তেখেতে সিহঁতক নপঢ়ায়। ৰাজেন বৰুৱাই চাকৰিত যোগদান কৰাৰ এপষেকমানৰ পাছত মধুমতীহঁতৰ গাঁৱত দবুৰ পূজা অনুষ্ঠিত হৈছিল। মধুমতীয়ে পূজাৰ আগদিনাই ঘৰলৈ গৈছিল। সিহঁতৰ ঘৰটো কলেজৰ ফালৰ পৰা গ'লে গাওখনৰ প্ৰথমতে পায়। মধুমতীহঁতৰ ঘৰৰ অৱস্থা সিমান ভাল নহয়। যদিও দেউতাক মুহিধৰ পেগু আৰু মায়েক এজনী আছে। তাই হল একমাত্ৰ ছোৱালী। দবুৰ পূজাৰ দিনা ৰাতি পুৱাৰে পৰা গাঁৱৰ ডেকা-বুঢ়া-ল'ৰা সকলোৱে এডাল এডাল ফুলবচা খাগৰি বা বাঁহৰ মাৰি হাতে হাতে লৈ গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈকে 'তালে আজেং আনদুং" (গ্ৰহ-দোষত হোৱা কৰ্মৰ প্ৰতিকাৰ কৰিবলৈ আহিছো) বুলি কৈ প্ৰতি ঘৰ মানুহৰ চাংঘত কোবাই কোবাই পদ গায়। মিচিং চাংঘৰ কোবোৱাৰ কাৰণে বহুতে ইয়াক চাং কোবোৱা পূজা বুলিও কয়। গিৰিহঁতে সাধ্যানুসাৰে নিমখ, জলকীয়া, চাউল, কুকুৰাৰ কণী (কোনো কোনো ক্ষেত্ৰত কলা গাহৰি) আদি উলিয়াই দি "এইবোৰ তোমালোকৰ বস্তু" বুলি উলিয়াই দিয়ে। এই পূজাত তিৰোতা মানুহৰ অনুপস্থিতি এটা বিশেষ বৈশিষ্ট্য। এইবাবে মধুমতী ঘৰতে আছিল। ৰাতিপুৱা ন বজাত তাই চাংঘৰটিৰ তুংগাঙৰ পৰা (বাৰান্দাৰ) দূৰৈৰ চাং কোবোৱা দৃশ্য চাই আছিল। হঠাতে তাই দেখা পালে ৰাজেন বৰুৱা ছাৰক কেইজনমান যুৱকে আৱদ্ধ কৰি সিহঁতৰ ঘৰলৈ লৈ আহিছে। তাই আচৰিত হল চাৰে নেজানিলে নেকি দবুৰ পূজাৰ উপলক্ষে গাঁৱৰ দুই মূৰৰ বাটত দুদালকৈ খাগৰিৰ ফুলবচা খুটিত জাননী আঁৰি থোৱাৰ কথা। কোনো মানুহ বা বাটৰুৱাই জ্ঞাত বা অজ্ঞাতভাবে এই জাননী পাৰ হৈ গাঁৱত অনুপ্ৰবেশ কৰিলে গাৱৰ লক্ষ্মী বাহিৰলৈ যায় বুলি জনবিশ্বাস আছে। এতিয়া চাৰে

প্ৰবেশ কৰিলে যেতিয়া তেখেতক পূজা শেষ নোহোৱালৈকে যাবলৈ দিয়া নহ'ব। ৰাজেন বৰুৱা চাৰক মধুমতীহঁতৰ ঘৰত আবদ্ধ কৰি ৰাখিবলৈ আনি দেউতাক মুহিধৰ পেগুৰ হাতত চমজাই দিলে। পেগুৱে চাংঘৰৰ তুংগাঙত মধুমতীয়ে আনি দিয়া চকীখনত বহিবলৈ দি সুধিলে;

"ডেকা ল'ৰা তোমাৰ ঘৰ ক'ত?"

"গোলাঘাটত" বৰুৱাই উত্তৰ দিলে।

"গোলাঘাটৰ ল'ৰা? মদাৰ গুৰিলৈ আহিলা কি সকামত কিবা চাকৰি কৰা নেকি?

উত্তৰ দিবলৈ নৌপাওঁতে মধুমতীয়ে ক'লে,

"দেউতায়ে চিনি নাপায়, এখেত আমাৰ ছাৰ"।

'অ' হয় নেকি? মাফ কৰিব। মই চিনি পোৱা নাছিলোঁ বাবেহে তুমি বুলি ক'লো।"

"আপুনি কেনেকৈ চিনি পাব? কলেজত জইন কৰা পোন্ধৰ দিন মানহে হৈছে।" মধুমতীয়ে হাঁহি হাঁহি ক'লে। বৰুৱাই মধুমতীলৈ চালে। "চাৰ আপুনি মোক চিনি নাপায়। মই আপোনালোকৰ কলেজত পঢ়ো, এইবাৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ কলা শাখাৰ ২য় বাৰ্ষিকৰ ছাত্ৰী। আমাক পঢ়াব নালাগে বাবে আপুনি মোক চিনি নেপায়। মোৰ নাম মধুমতী পেগু। প্ৰিয়লতা মেছত থাকো। মই আপোনাক চিনি পাওঁ। আপুনি মনিকা বাইদেউৰ ভাড়াঘৰত থাকে।"

বৰুৱাই মধুমতীৰ ফালে চালে। এজনী লাহী ক্ৰীম বৰণৰ ধুনীয়া ছোৱালী। নাম যেনে মধু, দেখা শুনাটো মধু।

"চাৰৰ নামটো কি আছিল?" মুহিধৰ পেগুৱে সুধিলে। "ৰাজেন বৰুৱা। পদাৰ্থ বিজ্ঞান বিভাগত চাকৰি কৰোঁ।" "ক'লেজৰ মই প্ৰায়বোৰ প্ৰবক্তাকে চিনি পাওঁ, বিজ্ঞান শাখা আৰম্ভ কৰোতে মই নগদ পাঁচশ টকা বৰঙণি দিছিলো।" কথাষাৰ কৈয়ে পেগুৱে হাঁহি এটা মাৰিলে।

"আমাৰ গাঁৱত আজি দবুৰ পূজা পাতিছে। যোৱাকালি গাঁৱৰ কাৰিকৰৰ দ্বাৰা জাননী দিয়া হৈছিল। গাঁৱৰ মূৰত জাননী এখন অসমীয়া আৰু মিচিং ভাষাত লিখা আছিল। আপুনি পঢ়ি নাচালে নিশ্চয়।"

"কি কম দেউতা, মোৰে ভাগ্য বেয়া। আজিৰ পৰা পাঁচদিন আগতে মই আপোনালোকৰ গাৱৰ ৰমা পেগু নামৰ ল'ৰা এজনৰ ঘৰত মোৰ মটৰ চাইকেলখন থৈ মাত-মৰা ঘাটৰে পাৰ হৈ ঘৰলৈ গৈছিলো। ৰমা পেগু আমাৰ ক'লেজতে বি. এছ. চি. পঢ়ে। পিছদিনাই ঘূৰি অহাৰ কথা আছিল। কিন্তু ঘৰলৈ গৈ খবৰ পালো, গুৱাহাটীত মোৰ এটা চাকৰিৰ ইন্টাৰভিউ আছে। গতিকে পিছদিনাই গুৱাহাটী পালোঁগৈ তাতে তিনিদিন থাকিবলগীয়া হল। তাৰ পৰা যোৱাৰাতি বাছেৰে ঢকুৱাখনালৈ আহিলোঁ, আজি ইয়ালৈ অহাৰ কথা নাছিল। কিন্তু সহকৰ্মী গগৈ মাত মৰা হৈ শিৱসাগৰলৈ যাব বুলি জানিব পাৰি তেখেতৰ স্কুটাৰতে বাঁহপৰালৈ উঠি আহিলো। মটৰ চাইকেল নিবলৈ আহোতে অপোনালোকৰ মানুহে মোক আৱদ্ধ কৰিলে। দবুৰ পূজাৰ কথা মই নাজানিছিলোঁ। জাননীখনৰ ফালেও নেচালোঁ।"

"আপুনি অৱশ্যে ইচ্ছাকৃত ভাৱে অপৰাধ কৰা নাই। তথাপি... পূজা নভঙালৈকে আপুনি আমাৰ ঘৰতে আৱদ্ধ হৈ থাকিব লাগিব... গাঁৱৰ ডেকা ল'ৰা কেইজন গ'লগৈ।

"চাৰ, আমাৰ বৰ বেয়া লাগিছে। পূজা শেষ নোহোৱালৈকে আ... আপোনাক একো খাবলৈ দিব নোৱৰিম। খোৱাটো নিষেধ। আপুনি চা... ভাত খাই অহা নাই।"

"নাই নালাগে, খোৱাৰ বাবে একো চিন্তা কৰিব নালাগে। আ... গধূলিলৈকে তোমালোকৰ ঘৰত আৱদ্ধ হৈ থাকিব লাগিব। নহয় জানে... বৰুৱাই হাঁহি মাৰি ক'লে।

"হয় চাৰ, তাৰ বাবেহে বেয়া লাগিছে।"

"বাৰু মধুমতী, তোমাৰ ইংৰাজী পাঠ্য পুথিখন আনা লগতে ... এখনো আনিবা। মই এনেয়ে সময় কটাই বৰ বেয়া পাওঁ। উচ্চ... মাধ্যমিক শিক্ষান্ত পৰীক্ষাত মই ইংৰাজীত সৰ্বোচ্চ নম্বৰ পাইছিলো... তোমাক অলপ পঢ়িবলৈ টোকা কেইটামান দি যাওঁ। তোমাৰ কাম... আহিব।"

মধুমতী ভিতৰলৈ গ'ল। বৰুৱাই মুহিধৰৰ লগত অলপ সময় ক... পাতিলে। তেখেতে মিচিং সংস্কৃতিৰ ওপৰত ভালেমান প্ৰশ্ন কৰিলে... পেগুৱে সেইবোৰৰ যথাযথ উত্তৰ দি গ'ল। বৰুৱাই মিচিং জনজাতি... বিভিন্ন সাংস্কৃতিক উৎসৱবোৰৰ বিষয়ে কিছু জ্ঞান আহৰণ কৰিলে।

"প্ৰাকৃতিক দুৰ্যোগে যাতে খেতি পথাৰ নষ্ট নকৰে, গাঁৱৰলো... ভালে কুশলে জীৱন যাপন কৰিব পাৰে, গাৱঁত যাতে সকলো ফা... পৰা শ্ৰীবৃদ্ধি হয়, এনেবোৰ সৱল কামনাৰে দবুৰ পূজা পতা হয়। সামা... ভাৱে পতাৰ বাহিৰেও ব্যক্তি বিশেষে কিছুমান কাৰণতো ঘৰুৱা ভা... এই পূজা পতা হয়। এই পূজাত সাধাৰণতে কলা বৰণৰ মাইকী গা... বধ কৰা হয়। কুকুৰা আৰু গাহৰি বধ কৰাৰ এটা বিশেষ নিয়ম আ... কুকুৰা ডিঙি চেপি উশাহ বন্ধ কৰি মৰা হয়। গাহৰি মাৰিবৰ সম... গাহৰিৰ মূৰ সোমাব পৰাকৈ চাৰিটা খুটি পুতি মাজৰ ঠেক ঠাইত ও... মুৱাকৈ গাহৰিৰ মূৰটো সুমুৱাই দি তাৰ মূৰ শিতানত "চিলো" ... এটুকুৰা কাঠ দিয়া হয়। আন এটুকুৰা কাঠৰ মাৰি গাহৰিৰ ডিঙিত ... মাৰিবৰ কাৰণে ব্যৱহাৰ কৰে" মুহিধৰ পেগুৱে কৈ গ'ল। "মই পূজা... অলপ তদাৰক কৰিব লাগে আপুনি বহক।" মুহিধৰে বিদায় ল'লে।

মধুমতীয়ে ওলাই আহি ক'লে "চাৰ পঢ়া কোঠালৈ সোমাই আহ... বৰুৱা থিয় হোৱাত মধুমতীয়ে চকীখন আগে আগে দাঙি নিলে ... বৰুৱা পিছে পিছে গৈ থাকিল। চাং ঘৰ যদিও মাজে মাজে বাহৰ বে... কেইটামান সৰু সৰু কোঠা তৈয়াৰ কৰি লোৱা হৈছিল। তেনেকুৱা ... সৰু কোঠাত বহিবলৈ দি মধুমতীয়ে ইংৰাজী পাঠ দুটা দেখুৱাই ... নাই বুলি ক'লে। বৰুৱাই কিতাপখন হাতত লৈ পাঠ দুটা ওপৰে ও... পঢ়ি গ'ল আৰু পিছত বহীখন ওচৰলৈ আনি ক'লে, "তুমি এতি... যোৱাগৈ, তোমাৰ এই পাঠ দুটাৰ সম্ভাব্য প্ৰশ্নবোৰ আৰু সেইবো... যথা যথ উত্তৰবোৰ মই লেখি যাম। তোমাৰ নিশ্চয় কামত আহি...





মধুমতীয়ে টেবুলত থকা ঘড়ীটোলৈ চালে। দহ বাজিছে, মধুমতী গ'লগৈ।

বৰুৱা কামত লাগিল। বাৰ বজাত মধুমতীৰ মাকে এবাৰ ভুমুকি মাৰি চালে। ৰাজেন বৰুৱাই মনোযোগেৰে লিখি গৈছে। তেওঁ আমনি নকৰি গুচি গ'ল। তাৰ কিছু পাছত পানী এগিলাচ আনি মধুমতীয়ে টেবুলৰ ওপৰত থলে। তাই অলপ সময় চাৰৰ কাষত থিয় হৈ থাকিল। চাৰৰ হাতৰ আখৰবোৰ ইমান ধুনীয়া। তাই মনতে আওৰলে। বৰুৱাই তাইৰ ফলে নেচাই লিখি থকাৰ বাবে তাই অভিমান কৰি ওলাই আহিল। তিনিমান বজাত মুহিৰাম এবাৰ আহি মধুমতীক জনালে পূজা অলপ পাছতে ভাগিব। ৰাজেন বৰুৱা শুই আছে নেকি" বুলি সুধিলে। মধুমতীয়ে হাঁহি মাৰি ক'লে "চাৰ ক'ত শুব?" লিখি আছে। মুহিৰামে গৈ ৰাজেন বৰুৱাৰ পচফালে থিয় হ'ল। বৰুৱাই লিখি আছিল।

"বৰুৱা ছাৰ, আপোনাৰ আজি বৰ অসুবিধা হ'ল।" আৰু আধা ঘণ্টামানৰ পাছতহে খাবলৈ দিব পৰা হব। মই মধুমতীক যা যোগাৰ কৰিবলৈ কৈছোঁ।

"নাই তেনে অসুবিধা হোৱা নাই" বৰুৱাই হাঁহি ক'লে।

"এতিয়া মিবুয়ে মংগল চাব। মই অহাত দেৰি হলে আপুনি যাবগৈ। মাজে সময়ে আহি থাকিব। মধুমতীক চমজালোঁ। তাইৰ পঢ়া শুনা খিনি চাব"। মুহিধৰে হাতযোৰ কৰি বিদায় ল'লে।

ৰাজেন বৰুৱাৰ লেখা শেষ হ'ল। তেখেতে লিখা দুবাৰ মান চুক ফুৰালে। মধুমতী কাষতে থিয় হৈ চালে—চাৰি বাজি গৈছে। এতিয়া চাগৈ পূজা ভাগিলে। মধুমতী কাষতে থিয় হৈ থাকিল। বৰুৱাই লিখা প্ৰশ্নখিনি আৰু উত্তৰবোৰ মধুমতীক পঢ়াই শুনালে আৰু ভালকৈ বুজাই দিলে। আৰু কিবা বুজিবলৈ থাকিলে তেখেতৰ ওচৰলৈ যাবলৈ সকীয়াই থলে।

সন্ধিয়া ৰাজেন বৰুৱাই লিখি থৈ যোৱাখিনি মধুমতীয়ে কেইবাৰো পঢ়িলে। কথাখিনি তাই বটিয়াকৈ বুজিলে। ইংৰাজী বিষয়টো তাই ইমান দিনে টান বুলি ভাবিছিল, এতিয়া তাইৰ অনুভৱ হল ভালদৰে অনুশীলন কৰিলে এই ভাষাটো সিমান টান নহয়। তাৰ পিছত বহীখন বুকুট সাৱটি ধৰি তাই ভাবিলে সেইখন যেন বৰুৱা ছাৰে তাইলৈ দিয়া এখন দীঘল চিঠি। চিঠিখন যেন প্ৰেমৰ চিঠিতকৈও মহান। তাই মৰ্মে মৰ্মে উপলব্ধি কৰিলে ইয়াৰ সাৰমৰ্ম তাইৰ মতে সময় বহুমূলীয়া বৰুৱাৰ চাৰে সময়ৰ মূল্য জানে। সেইবাবে সিহঁতৰ ঘৰত থকা সময়খিনি অগ্ৰংবগ্ৰং কথা কৈ খৰচ নকৰি অনুৰোধ নকৰাকৈ বিনা পাইচাত তাইক দুটা পাঠ শিকাই থৈ গল। সকলো শিক্ষক একে হোৱা হলে কিমান ভাল হ'লহেঁতেন। বৰুৱা চাৰৰ এনে কৰ্মই তাইক যেন সকীয়াই থৈ গ'ল সময় কেতিয়াও অবাববতে অতিবাহিত কৰা নহয়। তাইৰ মনটো পুলকিত হৈ পৰিল। তাই মনতে কাৰ্চিং কাৰ্তাঙক (ইষ্ট দেৱতা) সাক্ষী কৰি প্ৰতিজ্ঞা কৰিলে যে তাই সেইদিনাৰ পৰা সময়ৰ সৎ ব্যৱহাৰ কৰিব। নুবুজা পাঠ বুজিবলৈ মধুমতীয়ে একেলগে পঢ়া নিৰলা পেগুৰ লগত ৰাজেন বৰুৱাৰ ভাৰাঘৰলৈ মাজে সময়ে অহাযোৱা কৰিছিল। চাৰৰ পঢ়া কোঠালীটো কিতাপ আলোচনীৰ পৰিপূৰ্ণ। চাৰৰ কিতাপৰ আলমাৰী বিভিন্ন ভাষাৰ কিতাপ ঠাহ খাই আছে। চাৰে পদাৰ্থ বিজ্ঞানৰ কিবা এটা বিষয়ৰ ওপৰত গৱেষণা কৰি আছে। এইবাবে বন্ধ পালেই তেখেতে ডিব্ৰুগড়লৈ অহা যোৱা কৰে। এইবাবে কলেজ খোলা দিনতহে ৰাতিপুৱা দুয়ো পঢ়িবলৈ যায়। দুয়োজনীকে নুবুজা পাঠবোৰ সহজ সৰলকৈ বুজাই দিয়ে। অসমীয়া আৰু ইংৰাজী চাৰে ধুনীয়াকৈ বুজাব পাৰে। মধুমতী ৰাজেন বৰুৱাৰ প্ৰতি আকৰ্ষিত হৈ পৰিছে। এই আকৰ্ষণ কিহৰ বাবে তাই ধৰিব পৰা নাই।

উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত মধুমতী প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। মুহিধৰ পেগুৱে ইয়াৰ বাবে সন্তুষ্ট হৈ ৰাজেন বৰুৱাক দুপৰীয়া ভাত খাবলৈ মাতিলে। বৰুৱাই মধুমতীক ক'লে, "বুজিছা মধুমতী, সাধাৰণতে গাৱঁৰ মানুহে দুপৰীয়া খাবলৈ মাতে। অতিথিয়ে সময় মতে খাবলৈ গৈ দেখে কোনো আয়োজন নাই। আলহী ঘৰ পালেহে গৃহস্থৰ ঘৰৰ ডেকা ল'ৰাই কুকুৰা মাৰিবলৈ হাতত এচাৰি লৈ কুকুৰা খেদি ফুৰে। বহু সময়ৰ পাছত কুকুৰা মৰা হয়। আলহীয়ে খোৱা-বোৱা কৰি আহোঁতে চাৰি ঘন্টাৰ ওপৰ সময় খৰচ হয়। মই ইয়াৰ পক্ষপাতী নহয়। দেউতাৰাই মোক বাৰ বজাত মাতিছে। মই সময় মতে যাম। সময়ৰ অপব্যৱহাৰ নকৰিবা।"

ৰাজেন বৰুৱাই দুপৰীয়া বাৰ বজাত মুহিধৰ পেগুৰ ঘৰত উপস্থিত হ'ল। ঘৰৰ সকলোৱে তেখেতক আপ্যায়ন কৰিবলৈ সাজু হৈ আছে। সময়মতে তেখেতক খাবলৈ দিয়া হ'ল। বৰুৱাই তেখেতৰ কথা মতে কাম কৰাত সন্তুষ্ট হ'ল। ভাত খাই থাকোতে মধুমতীয়ে সুধিলে।

"চাৰ ডিগ্ৰী পঢ়োতে মই কোন বিষয়ত উচ্চমান ল'ম?"

প্ৰশ্নটো শুনি বৰুৱা অলপ সময় মনে মনে ৰ'ল। তাৰ পিছত ক'লে, "চোৱা মধুমতী, তোমাৰ ৰাপ কোন বিষয়ত আছে মই নাজানো। এইটো তোমাৰ ইচ্ছাৰ কথা। কিন্তু শুধিলা যেতিয়া মই ক'বলৈ বাধ্য হ'লো। মাতৃভাষা আৰু নিজা সংস্কৃতি ভালকৈ আয়ত্ব কৰিব নোৱাৰিলে সম্পূৰ্ণ ব্যক্তি হ'ব নোৱাৰি।

তুমি মিচিং জনজাতিৰ ছোৱালী। মিচিং ভাষাৰ উন্নতি সাধন কৰিবলৈ হ'লে ইয়াৰ উপযোগী ভাষাত তুমি উচ্চমান ল'ব লাগিব। গতিকে মই প্ৰত্যক্ষ ভাবে নকওঁ। তুমি নিজে চিন্তা কৰি নিৰ্বাচন কৰিবা।"

ৰাজেন বৰুৱাৰ কথাখিনি চালি জাৰি চাই মধুমতীয়ে অসমীয়া বিষয়তে উচ্চমান ল'লে। তাই উপলব্ধি কৰিলে মানুহৰ দায়িত্বৰ পৰিধি। মানুহে প্ৰথমতে নিজৰ পৰিয়াল আৰু তাৰ পিছত সমাজৰ বাবে জীৱন উছৰ্গা কৰিব লাগে। কিন্তু বৰ্তমান যুগত ইয়াৰ বিপৰীতহে দেখা যায়। গতিকে তাই সংকল্প গ্ৰহণ কৰিলে সমাজৰ বাবে কিছু ত্যাগ কৰাৰ।

বি.এ. পঢ়ি থাকোতে মধুমতীয়ে কেইবাবাৰো ৰাজেন বৰুৱাৰ ভাৰা ঘৰলৈ গৈছিল। বৰুৱা চাৰৰ ওচৰত তাই ইংৰাজী পাঠ শিকিছিল। বৰুৱা চাৰৰ ওচৰলৈ গলে তাই মন্ত্ৰমুগ্ধ হৈ পৰে। বৰুৱা চাৰ প্ৰায়ে তাইৰ ওচৰতে বহে। কিন্তু ভুলক্ৰমেও মধুমতীৰ হাত বা মুখ স্পৰ্শ নকৰে। মধুমতীৰ ইচ্ছা চাৰে তাইক স্পৰ্শ কৰিলে যি শিহৰণ অনুভৱ কৰিব

পাৰিব সেই শিহৰণে জীয়াই থকাৰ উৎসাহ দিব। এজন ২৮-২৯ বছৰীয়া যুৱক কেতিয়াও সন্যাসী হ'ব নোৱাৰে। তাই নিজে এতিয়া বিশ বছৰীয়া যুৱতী। তাই সকলো কথা জনা হৈছে। তাই উপলব্ধি কৰিব পৰা হৈছে পুৰুষৰ প্ৰেমে নাৰীৰ জীৱনৰ গৌৰৱমণ্ডিত কৰে। ৰাজেন বৰুৱাৰ সান্নিধ্যলৈ আহি তাই বুজি পাইছে। প্ৰেমিক জনে নাৰী হৃদয়ৰ নিৰাকাৰ শূণ্যতাৰ ভিতৰত প্ৰেমৰ মন্ত্ৰেৰে নিজৰ আদৰ্শ মূৰ্তি জগাই তুলিব পাৰে। তাইৰ জ্ঞান-স্পৃহাৰ কথা বৰুৱা চাৰে বুজি পায়। তাইৰ লাবণ্যময়ী শৰীৰ আৰু যৌৱনে ৰাজেন বৰুৱাক নিশ্চয় আকৰ্ষিত কৰাৰ যোগ্য। এইবাবে কেতিয়াবা তাই ইচ্ছা কৰি বুকুৰ পৰা খহি পৰা চাদৰখন সোনকালে তুলি নলয়। তেতিয়া তাই দেখা পায় বৰুৱা চাৰে সেইফালে নাচাই পঢ়াই থকা কিতাপখনত বেছি মনোযোগ দিয়ে। মধুমতীয়ে ক্ষুণ্ণ হৈ চাদৰখন তুলি লয়। তাই ভাবি লৈছে চাৰে তাইক অৱজ্ঞা কৰিছে। তাই ৰাজেন বৰুৱাৰ ওচৰলৈ নাযাবলৈ মনে মনে প্ৰতিজ্ঞা কৰে। কিন্তু কেইদিনমানৰ পাছতে সেই প্ৰতিজ্ঞা তাই নিজে ভংগ কৰে।

মধুমতী তেতিয়া স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী। ৰাজেন বৰুৱাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিলে। এই বাতৰিটোৱে তাইক ইমান আনন্দিত কৰিলে যে তাইৰ মুখৰ পৰা হাঁহি নুগুচা হ'ল। এমাহমান যোৱাৰ পিছত তাই শুনিবলৈ পালে ৰাজেন বৰুৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰৱক্তা নিযুক্ত হ'ল। মধুমতীয়ে উপলব্ধি কৰিলে যে তাইৰ অকাংক্ষাই বৰুৱা চাৰৰ উন্নতিত হেঙাৰ স্বৰূপ হ'ব। বৰুৱা চাৰৰ প্ৰতিভা জগতৰ হিতৰ বাবেহে। এনে এজন মহান পুৰুষক নিজৰ কৰি ঘৰৰ চাৰিবেৰৰ মাজত সমুৱাই ৰাখিবলৈ কল্পনা কৰিলে জগতে অভিশাপ দিব। তাই এতিয়াহে বুজি পালে ৰাজেন বৰুৱা চাৰৰ বাবে মধুমতী এজনী জনজাতীয় গাভৰু নহয় নাইবা এজনী কেৱল নাৰী নহয়। তাই যেন বৰুৱাৰ সহযাত্ৰী। তাই চেষ্টা কৰিব লাগিব জীৱনৰ বাট উজ্জ্বল কৰিবলৈ। নিজকে সুপ্ৰতিষ্ঠিত কৰিবলৈ। নতুন চাকৰিত যোগদান কৰিবলৈ যোৱাৰ আগতে তাইক মূৰত হাত থৈ আশীৰ্বাদ দি ক'লে—"তোমাৰ বিবেচনা আৰু ধৈৰ্য্যৰ ওপৰত মোৰ অটল বিশ্বাস আছে। মোক পাহৰি নাযাবা।" বৰুৱা চাৰৰ স্পৰ্শই মধুমতীৰ জীৱন ধন্য কৰা যেন লাগিল। পাহৰি নেযাবলৈ কোৱা কথাই তাইক সঁকিয়াই দিলে যেন তাই নিজৰ কৰ্তব্য চাৰৰ দৰে সমাপন কৰি যায়। তাইৰ মুখমণ্ডলত মিচিকিয়া হঁহিৰ ৰেখা বিৰিঙি উঠিল।

মধুমতীয়ে বি.এ. পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰিলে। তাই এইবাবে সুখী যে, বৰুৱা চাৰৰ ইচ্ছা তাই পূৰণ কৰিব পাৰিলে। বহুতে তাইক গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়িবলৈ পৰমাৰ্শ দিছিল। কিন্তু তাই ডিব্ৰুগড় বিশ্ববিদ্যালয়তহে নাম ভৰ্ত্তি কৰিলে। ছাত্ৰীবাসত আসন নোপোৱালৈকে তাই ডিব্ৰুগড়ৰ এটা প্ৰাইভেট ছাত্ৰীবাসত থাকিবলৈ ললে।

ৰিক্সাখন গৈ থাকোতে তাইৰ নিৰ্দেশত খলিহামাৰীৰ এঠাইত ৰ'ল। মধুমতীয়ে ৰিক্সাৰ পৰা নামি ভাৰাখিনি দিলে। তাৰ পিছত এটা আচাম টাইপৰ ঘৰৰ ফালে আগবাঢ়ি গ'ল। ঘৰটোৰ বাৰান্দাত থিয় হৈ তাই কলিং বেলটো টিপি দিলে। তাই মনতে ভাবিলে —তাই বৰুৱা চাৰক পাহৰা নাই। তাই আকৌ বেলটো বজালে। অলপ সময়ৰ পাছতে দুৱাৰখন মেল খালে। সন্মুখত ৰাজেন বৰুৱাই মধুমতীৰ মূৰত হাত এখন থৈ গদ গদ মাতেৰে ক'লে—"কংগ্ৰেচুলেচন"। মধুমতীয়ে বৰুৱাৰ বুকুত সোমাই পৰি ভাবিলে, বৰুৱা চাৰ দবুৰ পূজাৰ বাবে এদিনলৈ হলেও সিহঁতৰ ঘৰত আবদ্ধ হৈ আছিল। এতিয়া চাৰ থকা অঞ্চলত দবুৰ পূজা পতা হলে তাইয়ো চাৰৰ ঘৰত আবদ্ধ হ'ব লাগিলহেঁতেন। পূজাখন তাইৰ বাকী থকা জীৱনব্যাপী হোৱাহেঁতেন! তাই আৰু ভাবিব নোৱাৰিলে। বৰুৱাৰ বুকুতে আশ্ৰয় লৈ তাই থিয় হৈ পৰিল। "মধুমতী", মধুমতী"— চাৰৰ মাতত তাই সম্বিত ঘূৰাই পালে। ■

- সন্যাসীৰো যিদৰে অতীত আছে, পাপীৰো সেইদৰে ভৱিষ্যত আছে। — *ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ*
- মুখৰ সৌন্দৰ্যৰ লগত অন্তৰৰ সৌন্দৰ্যৰ মিল নাথাকিলে কোনো নাৰীয়েই সুন্দৰ হ'ব নোৱাৰে। — *বাৰ্ণাডশ্ব'*
- মই জীৱনৰ বিষয়ে গোটেইবোৰ কথা খুব চমুকৈ মাত্ৰ তিনিটা শব্দত প্ৰকাশ কৰিব পাৰোঃ জীৱনটো চলি থাকে। — ৰবাৰ্ট ফ্ৰষ্ট
- আজিকালি পঢ়িবলৈ সকলোৱে জানে, কিন্তু কি পঢ়িব লাগে সেইটোহে নাজানে। — বাৰ্ণাড শ্ব'।


*সংগ্ৰাহিকা*
সম্পাদিকা





# ফিনিক্স পক্ষীৰ আৰ্তি

পংকজ কুমাৰ শইকীয়া
*উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ*



আমি টঙিত উঠি ধান ৰখো। নহ'লে হেদাঙি মেলা গৰু-ম'হবোৰে টোকালি পেলোৱাৰ ভয়। দিনটো আনন্দেৰে যায়। আজাৰজোপাৰ ফেৰেঙণিত বহি বেলিটোৱে খন্তেক জিৰোৱাৰ সময়তে নিতৌ তৰাদৈ আহে। তৰাদৈ মিছিং ছোৱালী। সিহঁতৰ মাটিতে মই আধিয়াকৈ খেতি কৰিছোঁ।

তৰাদৈয়ে আমালৈ যতনাই আনে উখোৱা আৰু ৰঙা চাউলৰ ভাত। কেতিয়াবা আপঙো আনে, লগত পাতত দিয়া মাছ। মোক অনবৰতে সংগ দিয়া তৰাদৈহঁতৰ গৰখীয়া ল'ৰাটোৱে টকালি পাৰি পাৰি কয় — "বোলো তৰাদৈ, সেই নিবোকাটোক সোপাকে দি নিদিবি, মোৰ ফালেও চাবি আকৌ।"

"টেটুৰ গুৰিলৈকে খাই খাই নোদোকা গাহৰিটোৰ দৰে হৈছ। তথাপি তোৰ খক নুগুচে" - তাই কয়।

এই ছেগতে তাইলৈ চাওঁ মই। আঃ কি ৰূপ! গুলপীয়া গালৰ পৰা তেজবোৰ যেন সৰি পৰিব টোপাটোপে। মোৰ ডিঙি শুকাই যায়। ডেকা মনে নাকী ছিঙিব খোজে।

ৰাতিহে উৰুঙা উৰুঙা লাগে। পাটীত পৰিলেই তৰাদৈয়ে আমনি কৰে। এনে অৱস্থাত আইৰ কথাবোৰেও মনত খুন্দিয়ায়। ঘৰলৈ গলেই কিবা এটা চেলু উলিয়াই আয়ে কয় "দেহ, মোৰ দেহা দিনক দিনে পৰি আহিছে। এইবাৰ খেতিও কৰিলি ঢেৰমানে...."

পিছৰখিনি নক'লেও জানো যে, মই এজনী আনি ঘৰ সুমুৱাবহি লাগে। মই পিছে সদায় গা এৰা দি আহিছোঁ। কালিহে ফান্দত পৰিলোঁ। ভাত দুগৰাহমান খোৱাৰ পাছতে আয়ে বাঘে ধৰাদি ধৰিলে-"দেহ, গোলাপী বুঢ়ীৰ নাতিনীয়েক ফাগুনীক তোলৈ যাচিছে। আমি ওঁ বুলিলেই কাম সিজে।" এইবাৰহে নিগমে মৰিলোঁ। নিমাতে থকা আয়ে পুনৰ দোঁহাৰিলে — "এনে সুবিধা দুনাই নাপাৱ। মাত্ৰ মানুহটো গৈ এসাঁজ সকলোৱে দেখা-শুনাকৈ খাই ছোৱালীজনী লৈ আহিব লাগে।"

কিবা এটা নক'লে নহয়, ক'লো - "ফাগুনীক মোৰ ভাল নালাগে।"

"....কটা নিধকৰ জাত - কাক ভাল লাগে, সেই তৰাদৈ নে ফৰাদৈ বোলা মিৰিয়নী জনীক? ছি ছি....।"

তাৰ পিছত বহুত কথা। আইৰ দুচকুৰে ববলৈ ধৰিলে বাৰিষাৰ ঢল। আইৰ কান্দোন সহিব নোৱাৰি ক'লোঁ - "আই ভগৱানৰ নামত শপত খাই কৈছো মই এনে কাম দুনাই.....।"

....চিলমিলকৈ টোপনি আহিছিল মোৰ। মোক জগাই দি কৰ্ণও বহিল। কালিৰে পৰা উঠি থকা খংটো দমাব নোৱাৰিলোঁ - "চাল্লা টুটকীয়া, মোৰ কথা হকে-বিহকে আইৰ ওচৰত চব পিন্ধালিগৈ।"

"সঁচাটো কোৱাত বাধা ক'ত।"

মই পিছে আসৈ মাতিলো - 'তৰাদৈৰ প্ৰতি মোৰ অইন ভাব নাই। বিদ্যা-সৰস্বতী - এইয়া চা, নামঘৰলৈ চাই শপত খাইছো'।

বনৰীয়া মাত এষাৰ মাতি কৰ্ণ গুচি গ'ল। কি কৰিম, ফুকলীয়া কালতে এই দেৱ-দেৱীৰ নামবোৰ আয়ে মনত সুমুৱাই দিলে।

....ঐনিতমৰ সুৰ এটাই দুপৰৰ নিজম পথাৰখনক জগাই দিলে। সেইয়া কৰ্ণ। সি নিশ্চয় ভাত আনিছে। তৰাদৈ বা আজি কিয় নাহিল!

"মেচেকা, তৰাদৈ যাবলৈ ওলাইছে নহয়।" ভাত গৰাহ মুখলৈ নিওঁতেই কৰ্ণ ক'লে। মই পিছে পেংলাই কৰি ক'লোঁ - "হয়নে গাহৰি, ক'লৈ যাবলৈ ওলাইছেনো তোৰ সোণৰ সোলেংজনী।"

"হয় ৰতন, তৰাদৈৰ বিয়া। শুনিছো, ভাদৰ পহিলা সপ্তাহতে। দৰাটো হেনো কলিতা মানুহ।" — কৰ্ণৰ গহীন মুখ দেখি মই নিশ্চিত হ'লো যে সি ধেমালি কৰা নাই।

তাৰপিছত অথাই সাগৰত থাউনি নোপোৱা মানুহৰ দৰে অৱস্থা হ'ল মোৰ। ডিঙিটো শুকাই কৰকৰীয়া হ'ল। "হে প্ৰভু, মোক দুৰ্বল নকৰিবা। ধৰা পৰি মই আত্মসন্মান হেৰুৱাব নিবিচাৰো।" - মনে মনে মই বিৰবিৰালো।

"তাই মত দিছেনে বাৰু"?

"ওঁ....।"

"হওঁক দে। মাউৰী ছোৱালী, গত্ এটা লাগিলে।" মই টেঙৰালি খটালো।

"তাইলৈ মোৰ হ'লে চেৰেং চেৰেং মনত পৰি থাকিব। তাই গুচি গ'লে আপঙ আৰু গাহৰিৰ মঙহ কোনে যতনাই দিব!"

"এৰা" - মই শলাগিলো। চলচলীয়া চকু দুটা মচি সেহাই সেহাই ক'লো - "উস্.... জলকীয়াটোৰ বৰ জাল দেই।"

মুখ ধুবলৈ আহি বিলখনৰ পাৰত আকাশ-পাতাল ভাবি বহি থাকোঁতে কৰ্ণৰ চিঞৰ কাণত পৰিল — "ৰতন, কি কৰিছ? শুনচোন কিবা দিহা দিবলৈ দেউতাই তোক মাতি পঠাইছে। বিয়ালৈ আৰু বেছি দিন নাই নহয়।"

সঁচাকৈয়ে বৰ বেগেৰে দিনবোৰ গুচি গৈছে। কপৌ এজনীৰদৰে উৰি গৈ মনটো তৰাদৈৰ ওচৰত আছেগৈ। খেতি-খোলাত অলপো মন বহা নাই। এটাই মাথো সান্ত্বনা গৰ্ভৱতী নাৰীৰ দৰে মোৰ গোপন আশাৰো এক সম্ভাৱনা আছে। তৰাদৈ আহি কবহি চাগে - "ৰতন, তোত মোৰ মন মজিছে। সময় থাকোঁতেই কিবা এটা কৰ।"

কিন্তু মোৰ মনৰ এই ধুমুহা-দুপালনিৰ তৰাদৈয়ে জানো কিবা ভু-পায়! ভাদৰ ছয় তাৰিখে তৰাদৈ আনৰ হৈ যাব। তাইতো ইয়াক না কৰা নাই।

কথাবোৰ ফট্‌ফটীয়া হৈ গ'ল। আচলতে মই মিছা কল্পনাত ডুবি আছিলো। তৰাদৈৰ মৰম লগা চাৱনি, লাজত ৰঙা পৰা তাইৰ গাল - এইবোৰ নিশ্চয় মোৰ ভ্ৰম আছিল। এৰা, মোৰ নিচিনা কুঙ্কচ কেলেহুৱা এটাই কোনো ছোৱালীৰ হৃদয়ত প্ৰেমৰ বন্যা বোৱাব নোৱাৰে।

লাহে লাহে পথাৰত দাৱনী নামিল। তৰাদৈয়ো আহিছে। তাইক কথাবোৰ সুধিম বুলি সদায় ওচৰ চাপো - কিন্তু মুৰকত সাহসে নুকুলায়গৈ। আন ফালে মোৰ এশ এবুৰি চিন্তা। বুঢ়ীৰ অসুখ, পথাৰত খেতি। মথাউৰিটোও বোলে আজি ছিগো কাইলৈ ছিগোকৈ আছে।

ডাঙৰীভাৰ থৈয়েই খৰধৰকৈ টিপচাকিটো জ্বলাই মাৰ ওচৰত থ'লো। এইবাৰ ভয়ে ভয়ে ক'লো - "মা, জামুগুৰি মথাউৰিত আজি পৰ দিব লাগিব। কোনোবাই কোৰেৰে দুচাবমান মাৰি দিলেই চব খতম হ'ব হেনো।"

"এহ থ থ পায়। শুনা কথাহে, নেদেখাজনে ৰক্ষা কৰিব। মই জলদেৱতালৈয়ো মাননি এটা আগবঢ়াই থ'ম।"

হুঁহ, জলৰ দেৱতালৈ উপঢৌকন! প্ৰতিবাদ কৰিলোঁ - "নহয় আই...।"

"কি নহয় অ'। এই মৰিবলৈ ওলোৱা বুঢ়ীজনীক এৰি যাবলৈ ইমান সত গৈছেনে তোৰ? এজনী চপাই লবলৈ ক'লো-নুশুনিলি।"

"মনে মনে থাক। একেটা কথাকে চেপেটা কৰি নাথাকিবি।" প্ৰচণ্ড খঙেৰে কলোঁ।

আয়ে গালি বৰষিলে - "কটা নৰকী, তোৰ মতি-গতি মোৰ বুজিবলৈ বাকী নাই। মই মৰালৈহে তই বাট চাই আছ, তাৰ পিছত মিৰিয়নী আনি ৰাজপাট খাবি। কটা 'বেবেচাৰী', ৰৌ ৰৌ নৰকত পচিবি তই।"

ওৰে ৰাতি নিজকে আবিষ্কাৰ কৰিবলৈ চেষ্টা কৰি থাকিলো। ইতিমধ্যে উদয়াচল ৰাঙলী হ'ল আৰু নিৰুপায় হৈ অতীতৰ ওচৰত বৰ্তমানে ক্ষমা খুজিবলৈ সাজু হ'ল।

পিছে কানিদুৱৰীকৈ থকা বাঁহৰ দৰ্জাখনেৰে জুমি চাই দেখিলো মা কৃষ্ণ গোঁসাইৰ মূৰ্তিৰ ওচৰত চিত হৈ পৰি আছে। পৰিল যি পৰিলেই, মা আৰু নুঠিল। মই আচৰিত হলো কিয়নো মায়ে আজি বাহী গাৰে গোঁসাইঘৰত সোমাইছিল আৰু গোঁসাইৰ চৰণত ধূপ জ্বলোৱা নাছিল।

খবৰ পাই কৰ্ণনামৰ মিছিং ল'ৰাটো আহিল। সি দুখত ভাগি পৰিল। মোৰহে চকুপানী নোলাল।

"কৰ্ণ, মথাউৰীটো বাচি আছেনে?" মই সুধিলো।

"ক'ত বাচি আছে? শনাহীমখাই কাটিহে এৰিলে।" - কৰ্ণই উত্তৰ দিলে।

আশা ভৰসা সকলো শেষ। কিছুসময়ৰ ভিতৰতে পানীয়ে বুৰাই পেলাব ঘৰ-বাৰী, পথাৰ সমাৰ সকলো।

মানুহবোৰে শটো চাবলৈ জুমা-জুমি কৰিলেহি। কিন্তু কোনো দেখোন আগবাঢ়ি অহা নাই। "বোপা ৰতন তহঁত মিছিঙৰ লগত হাত-বাত কৰা মানুহ। তহঁতৰ লগত সঙ্গপাতিলে ৰাইজখনে আমাক সুদাই নেৰে। গতিকে....।" হয়, এইয়া মালৌৰ মাকৰ কথা। এতিয়া তেন্তে মাৰ শ-টো চুৱা। বাহী শ!

"ঐ নিবোকা, এতিয়া থম থমকৈ মদন গোপাল হৈ বহি থাকিবি নেকি?" কৰ্ণৰ খং উঠিল হয়তো।

"তোৰ কাম আছে যদি যাগৈ। মই অকলশৰীয়া মানুহ, অকলে থাকিম।"

"(অশ্লীল) কাপুৰুষ, সেইকাৰণেহে হাতৰ বস্তু আনে কাঢ়ি নিব পাৰিছে। আকৌ তই ভাগ্যকে ধিয়াই বহি থাকিবলৈ বিচাৰিছ।"

কৰ্ণৰ কথাই ঠিক। আৰু নাভাবিলো। মাৰ শ-টো দাহ কৰাৰ আগতে এটা আচৰিত কাম কৰিলো। সাতামপুৰুষীয়া গোঁসাইৰ মূৰ্তিটো কেৰাচিন ঢালি জ্বলাই দিলো। ভগবানৰ দেহৰ মঙহৰ ওপৰত অগ্নিৰ অত্যাচাৰ চলিল। এইয়া নিশ্চয় প্ৰতিশোধ নহয়।

খন্তেকতে কথাটো গাঁৱত ৰাষ্ট্ৰ হৈ গ'ল। কোনোবাই টেঁটু ফালি চিয়ঁৰিলে — "ৰতনে ভগৱানৰ মূৰ্তিটো জ্বলাই দিলে। তাক সুদাই এৰা নহ'ব ৰাইজ।"

শাস্তিলৈ ভয় লগা নাই। কিয় নাজানো, বেদনা এটাই বুকুখনত খুন্দা মাৰিলে।


"ধেৎ তেৰি..... তই কান্দিছ হবলা। থ থ, অসময়ত পেনপেননিখন থ।" কৰ্ণই কলে। ■





# কলং পাৰৰ এনিশা

জুৰি ভূঞা
*স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ*



কাতিৰ কুৱঁলীসনা এটি নিচেই পুৱাতে অৰুণাভে তাৰ টুথব্ৰাচডাল লৈ আগবাঢ়িল কলঙৰ অভিমুখে। কলঙৰ উতলা সোঁতৰ ঢলে যেন পুৱাতেই ৰিঙিয়াই মাতে অৰুণাভক। কলঙৰ পাৰ প্ৰথম প্ৰভাতৰ ৰ'দেৰে ৰৌদ্ৰস্নাতা, জলমল কৰিছে অদূৰৰ বনৰীয়া গছৰ পাত। কলঙৰ পাৰত ভৰি দিয়েই অৰুণাভৰ মণ-প্ৰাণ শিহঁৰিত হৈ উঠিল। ক্ষন্তেকৰ বাবে স্তিমিত হ'ল অৰুণাভ। ফেনে-ফুটোকাৰে বাঢ়ি অহা কলঙৰ ঢৌৰ প্ৰতিটো শব্দই যেন অৰুণাভৰ বুকুলৈ কঢ়িয়াই আনিছে হাজাৰটা প্ৰশ্নৰ জোৱাৰ। কিন্তু কি প্ৰত্যুত্তৰ দিব অৰুণাভে ইয়াৰ? কাতিমহীয়া বেলিটো উঠি আহি অৰুণাভৰ মূৰৰ ওপৰ পাইছেহি। বগা ৰ'দবোৰ আকাশৰ বুকুৰ পৰা পৃথিৱীলৈ নামি আহিছে অবিশ্ৰান্তভাৱে........।

নৈ'ৰ ফালৰ পৰা অহা এজাক ফিৰ্‌ফিৰিয়া কোমল বতাহে অৰুণাভৰ মন-প্ৰাণ নিচুকাই থৈ গ'ল। খন্তেকৰ বাবে সি আকাশখনলৈ চাই পথালে, এখন গাঢ় নীলা আকাশ, ক'তো এপাহ মেঘো নাই। নীলা আকাশখন বহুদূৰত নামি আহি পৃথিৱী চুইছেহি। বতাহত কপাঁ বিৰিঙা খাগৰিবোৰ জিৰ্‌জিৰ্ শিৰ্‌শিৰ্ কৰি ৰ'দৰ বুকুত সজীৱ হৈ উঠিছে। তাৰ লগে লগে অৰুণাভৰ বুকুৰ কোনোৱা নিভৃত কোঠালিতো সজীৱতাৰ পৰশ বিচাৰি বাউলি হৈছে অতীতৰ কিছুমান তেজৰঙী দুখৰ স্মৃতি। অৰুণাভৰ দেহমনে উৰা মাৰিলে অতীতলৈ, স্মৃতিৰ স্বাক্ষৰস্থলী হাজাৰটা বসন্তৰ মাদকতালৈ। তাৰ দুচকুৰ পতাত ভাঁহি উঠিল এখনি কঁপি থকা ৰামধেনুৰ টুলবুলীয়া ওঁঠ। যাৰ আকুল আহ্বানক উপেক্ষা কৰিব পৰা নাছিল অৰুণাভে।

অৰুণাভে তেতিয়া নৱম কি দশম মানৰ ছাত্ৰ। কলংপাৰৰ ধূলি-বালি, গছ-গছনি আনকি চৰাই-চিৰিকটিও প্ৰতিটোৰে পৰিচয় অৰুণাভৰ লগত। এদিন কলংপাৰলৈ নগলেই তাৰ জীৱনটোৱেই যেন ব্যৰ্থ হৈ যাব। অস্তিমিত সূৰ্য্যৰ শেষ সোণালী আভাকণো সদায় সি উপভোগ কৰে কলংপাৰৰ পৰাই। কলঙৰ ঢৌৱে তাৰ স'তে কথা পাতে, তাৰ মনৰ বুজ লয়, তাৰ সুখত সুখী আৰু দুখৰ সমভাগী হয়। অৰুণাভ ডাঙৰ হয়। ল'ৰালিৰ দেওনা গৰকি যৌৱনত ভৰি দিয়ে। অৰুণাভৰ দেহৰ চিৰাচৰিত পৰিৱৰ্ত্তন দেখি কলঙেও মুখ টিপি হাঁহে, আনন্দত, তৃপ্তিতঙ্গ কলং অৰুণাভৰ বুকুৰ মণি হৈ পৰে। আনফালে কলঙৰ নিষ্কলুষ, নিৰ্মল ঢৌৰ প্ৰচণ্ড গৰ্জনে কপাঁই তোলে কপাহী, বনশ্ৰীহতঁৰ সেউজী হৃদয়। সিহঁতো কলংপাৰলৈ আহে। কলঙৰ স'তে সুখ-দুখৰ কথা পাতিবলৈ, কলঙৰ ঢৌৰ নিৰ্মল জোনাকত নিজকে বিলাই দিবলৈ। সময় পৰিৱৰ্ত্তনশীল। ইয়াৰ দুৰন্ত গতিয়ে কাৰো বাবে অপেক্ষা নকৰে। ই যেন অতি নিৰপেক্ষ এক প্ৰৱাহ। সময়ৰ চলমান সোঁতত যি যিহকে পেলাই দিয়ে, নৈ'ৰ সোঁতৰ দৰে উটুৱাই নিয়ে। বয়সৰ তাগিদাত সিহঁতো গাভৰু হয়। যৌৱনে সিহঁতক ৰিঙিয়াই মাতে সীমনালৈ। সময়ে সিহঁতক স্পৰ্শ নকৰে, বয়স চিৰকালৰ বাবে স্তব্ধ হৈ যায় সিহঁতৰ শৈশৱ আৰু কৈশোৰৰ কোনো এক মধুৰ সন্ধিক্ষণত। হঠাৎ এজাক উন্মনা বতাহে চুই গ'ল সিহঁতৰ শৈশৱ আৰু শৈশোৰৰ কোনো এক মুধুৰ সন্ধিক্ষণত। হঠাৎ এজাক উন্মনা বতাহে চুই গ'ল সিহঁতৰ যৌৱন ফুলীয়া ঘৰ্মাক্ত দেহ। প্ৰথম চিনাকীতেই আকৃষ্ট হৈছিল দুয়ো-দুয়োৰে প্ৰতি। বনশ্ৰীৰ সান্নিধ্যই অৰুণাভক যেন অন্য এখন পৃথিৱীৰ সন্ধান দিলে। সিহঁতৰ মাজৰ প্ৰেমৰ নীলা চানেকিখন অজানিতেই বহুদূৰ বিয়পি পৰিল। এনেদৰেই সিহঁতে নিসংগ মূৰ্হুত্তবোৰ পাৰ কৰিলে নিভাঁজ মৰমৰ সান্নিধ্যৰে। সিহঁতে সপোন দেখিছিল মানুহ হোৱাৰ, প্ৰতিজ্ঞা বদ্ধ হৈছিল ভৱিষ্যতে দুয়ো-দুয়োকে আপোন কৰি লোৱাৰ।

হাইস্কুলৰ দেওনা পাৰহৈ অৰুণাভে নাম ভৰ্ত্তি কৰিলে ওচৰৰে স্থানীয় কলেজ এখনত। কলেজীয়া জীৱনৰ প্ৰতিটো ক্ষণেই অৰুণাভক

ৰোমাঞ্চিত কৰি তুলিলে। সি যেন নিজকে আৱিস্কাৰ কৰিলে নতুন ৰূপত। স্বাস্থ্যৱান সু-শ্ৰীৰূপৰ অধিকাৰী অৰুণাভ অতি কম দিনৰ ভিতৰতে সকলোৰে পৰিচিত এজন হৈ পৰিল। প্ৰায়বোৰ ছোৱালীয়েই অৰুণাভৰ প্ৰেমৰ চাকনৈয়াত নিজকে বিলাই দিবলৈ মন মেলিলে। কিন্তু অৰুণাভ নিৰৱ, নিৰ্বিকাৰ। তাৰ মনৰ মাজত উদ্বেলিত হোৱা ভাৱৰাশিক সি মনৰ মাজতে মাৰ নিয়াৰ চেষ্টা কৰে। কিন্তু সময়ৰ নিষ্ঠুৰ আহ্বান আৰু যৌৱনৰ প্ৰাণচঞ্চল মনোল্লাসক নেওচি জানো বৰ্ত্তি থাকিব পাৰে কোনোবা? মানুহৰ দেহটো বান্ধি ৰাখিব পাৰি, কিন্তু মনটোক বান্ধি ৰখাটো জানো সম্ভৱ? অৰুণাভেও নোৱাৰিলে। বিষাদৰ কালিমা সনা এচপৰা কলা ডাৱৰে ভূমুকি মাৰিলে অৰুণাভৰ মনাকাশত। আকাশ নাৰীৰ শৰীৰৰ দৰে, বুকুত অদৃশ্য চুম্বক থাকে। কিছুমান নাৰীৰ হাঁহিত কলিজাৰ ৰং সনা থাকে। যি হাঁহিৰ পৰশত পুৰুষসকলে হেৰুৱাই পেলাব খোজে নিজৰ অস্তিত্ব। অৰুণাভেও হাৰ মানিলে নিজ ব্যক্তিত্বৰ ওচৰত। দেহ মনে উৰা মাৰিলে কোনোবা আপোনজনৰ মৰমৰ সান্নিধ্য বিচাৰি। অৰুণাভৰ হৃদয় বেদীত স্থাপিত হ'ল অন্য এগাচি প্ৰেমৰ বন্তি। এই বন্তি যেন কোনোদিন নোমাব নোৱাৰে, নোনুমাই। অৰুণাভ আকৰ্ষিত হ'ল মৃন্ময়ীৰ প্ৰতি। মৃন্ময়ী চলিহা। ঘৰৰ একমাত্ৰ ছোৱালী হিচাপে প্ৰত্যেকৰে আশা তাইৰ ওপৰত। তাইয়ো চেষ্টা কৰে যাতে প্ৰতি পদক্ষেপতে জয়ী হৈ তাই মাক-দেউতাকক সুখী কৰিব পাৰে। মাক-দেউতাকৰ একমাত্ৰ আশাৰ বন্তিগছি তাই অকালতে নুমাই যাবলৈ দিব নোৱাৰে। কিন্তু..........মানুহ পৰিবেশৰ দাস। সেই দাসত্বক মানুহে বিনাপ্ৰতিবাদে স্বীকাৰ কৰি ল'বই লাগিব। মৃন্ময়ীৰো তেনেহ'ল। যৌৱনৰ উত্তাল তৰংগৰ মাদকতাই হাত বাউলী মাতিলে মৃন্ময়ীক। দিশহাৰা হৈ পৰিল মৃন্ময়ী। মাজে মাজে তাই বৰ অসহায়বোধ কৰিবলৈ ধৰিলে। তাই মাথো বিচাৰে অৰুণাভক। কাৰণ তাই অৰুণাভক ভাল পায়..........। অৰুণাভ অবিহনে তাই আনৰ কথা ভাৱিব নোৱাৰে। মাক-দেউতাকৰ অপত্য স্নেহো তাইৰ বাবে অপ্ৰয়োজনীয় হৈ পৰিল। সেই স্নেহৰ মাজতো তাই প্ৰয়োজন অনুভৱ কৰিলে অকণমান গোপনীয় অথচ সজীৱ মৰমৰ........।

উচ্চ মাধ্যমিক প্ৰথম বৰ্ষত ভৰি দিয়া এই কণমাণি ছোৱালীজনীৰ এনে অভাৱনীয় পৰিৱৰ্ত্তন দেখি মাক-দেউতাক চিন্তিত হ'ল। কিন্তু সময়ৰ পৰিৱৰ্ত্তনত মনৰো পৰিৱৰ্ত্তন হ'ব বুলি তেওঁলোকে আস্বস্ত হ'ল। কিন্তু মৃন্ময়ী...... ? তাই মাক দেউতাকৰ ওপৰত প্ৰচণ্ড অভিমান হ'ল। তাইৰ অন্তৰত প্ৰেমৰ লেলিহান শিখা আগতকৈয়ো যেন দুগুণ তীব্ৰতাৰেহে জ্বলিব ধৰিলে। তাই অৰুণাভক ভাল পায় ব..হু..ত! অৰুণাভেও! কিন্তু সিহঁতৰ এই সম্পৰ্কক যে ঘৰখনে স্বীকৃতি দিব নোৱাৰে সেইয়া তাইৰো অজ্ঞাত নহয়। অন্য নহ'লেও অৰুণাভৰ আৰ্থিক অৱস্থা সিহঁতততকৈ বহুগুণে তুচ্ছ। তেনেস্থলত আভিজাত্যত গৰ্বিতা মাক-দেউতাকে যে এইকথা সহজে মানি নলয় সেইয়া তাই ভালদৰেই জানে। তাই মনতে ভাৱে, কিয় বাৰু ঘৰখনে বুজিবলৈ চেষ্টা নকৰে যে, দুখন পৱিত্ৰ অন্তৰৰ মিলনতকৈ কোনো জাতি-ভেদৰ প্ৰশ্ন ডাঙৰ হ'ব নোৱাৰে! কিয় বাৰু নাভাৱে যে, দুখ ভালপোৱাৰ নামত কোনো জাতি-বৰ্ণ, ধনী-দুখীয়া, ধন-ঐশ্বৰ্য্য আদি থাকিব নোৱাৰে। ভালপোৱাৰ ওচৰত এই সকলোবোৰ জানো তুচ্ছ নহয়? কেৱল দুখন পবিত্ৰ অন্তৰৰ মিলনৰ বাসনাই জানো প্ৰকৃতাৰ্থত প্ৰেম হ'ব নোৱাৰে? কথাবোৰ ভাৱি ভাৱি অস্থিৰ হৈ পৰে মৃন্ময়ী....। আনফালে অৰুণাভ.....? পূৰ্বৰ বনশ্ৰীৰ কথা সকলো পাহৰি গভীৰ আৱেশেৰে দেহ-মন সপি দিছিল মৃন্ময়ীৰ প্ৰতি। সিয়ো জানিছিল সিহঁতৰ এই নিস্পাপ প্ৰেমক যে যুগমীয়া কৰি ৰাখিব নোৱাৰে। তথাপি মনে যে নসহে মনৰ আৱেগ.....। মৃন্ময়ীৰ প্ৰেমে তাক জীয়াই থকা প্ৰেৰণা দিছিল। তাইৰ হৃদয়ত সি বিচাৰি পাইছিল মাতৃতুল্য মৰম, ভগ্নীসুলভ কাৰুণ্য আৰু হয়তো বহুত কিবাকিবি......। আভিজাত্যৰ চেকাই তাইক তিলমানো স্পৰ্শ কৰিব পৰা নাছিল। কিন্তু সিহঁতৰ মাজত একমাত্ৰ প্ৰাচীৰ ৰূপে থিয় দিলে মৃন্ময়ীৰ মাক-দেউতাক। সেয়ে এদিন সি থোকাথুকি মাতেৰে মৃন্ময়ীক জনাইছিল তাৰ অন্তৰৰ শেষ কথাষাৰ— "মৃন্ময়ী আমাৰ ভালপোৱাৰ পবিত্ৰ বান্ধোনক তুমি পাহৰি যাবলৈ চেষ্টা কৰা। আমাৰ ভালপোৱাক আমি প্ৰকৃত প্ৰেমৰ মৰ্য্যদা দিব নোৱাৰিলো। অথচ মই যদি আজি তোমালোকৰ দৰে ধনীৰ সন্তান হ'লোহেতেঁন তেতিয়া নিশ্চয়............? এটা দুঃস্বপ্নৰ দৰেই তুমি সকলোবোৰ পাহৰি যাবলৈ চেষ্টা কৰা।" চল্চলীয়া চকুৰে সেইদিনা আৰুণাভে মৃন্ময়ীৰ পৰা বিদায় লৈছিল চিৰদিনলৈ। তাইৰ অজ্ঞাতেই অৰুণাভ অদৃশ্য হৈ পৰিছিল কোনোবা অদূৰত.....। বিদায় মূহুত্ববোৰ সচাঁকৈয়ে বৰ কৰুণ....।

এদিন ধুমধামেৰে মৃন্ময়ীৰ বিয়া হৈ গৈছিল ইঞ্জিনিয়াৰ অৰিন্দম হাজৰিকাৰ লগত। অৰুণাভে সেই উজাগৰী নিশাটো পাৰ কৰিছিল কেৱল গাৰুত মুখ গুজি। সেইদিনা সি পাৰেমানে কান্দিছিল। কান্দি কান্দি এটা সময়ত সি শান্ত হৈ পৰিছিল। মনতে সি ভাৱিছিল কেনেকৈ ধনৰ প্ৰৰোচনাত প্ৰকৃত প্ৰেমো মূল্যহীন হৈ পৰিব পাৰে............... ?

হঠাৎ, পুৱাৰ চৰাইজাকৰ চিঁ চিঁ শব্দত অৰুণাভৰ তন্ময়তা ভাগিল। কথাবোৰ ভাৱি ভাৱি সি কেতিয়ানো ঘৰ পালেহি ক'বই নোৱাৰিলে। ভণীয়েক নিমিষাই দিয়া চাহকাপ হাতত লৈ সি পুনৰ মেলি ল'লে সোঁৱৰণীৰ টোপোলা............। অজানিতেই তাৰ চকুৰ পতাই দি বাগৰি আহিল দুটোপাল তপত অশ্ৰু। এই অশ্ৰু যেন বাধাহীন, বৈ থাকিব ই অবিশ্ৰান্তভাৱে............। ■






# হিৰণ্যৰ বিবেক দংশন

নন্দ চুতীয়া

কোন ব্ৰেণ্ডৰ কোন চাইজৰ কোনটো বটলৰ কিমান দাম চৌধুৰী ৱাইনচপৰ মালিক হীৰা চৌধুৰীয়ে নৱ নিযুক্ত চেলচমেন হিৰণ্য দত্তক এনেদৰে বুজাবলৈ ধৰিলে যে, হিৰণ্যৰ মনত ভাব হ'ল তাহানিখন এম. ভি. স্কুলত পঢ়ি থকা কালত ষষ্ঠ শ্ৰেণীৰ ভূগোলৰ শিক্ষক পেটুলীচাৰে (আচল নাম কৃৰ্ত্তীনাথ গোঁহাই) বেৰত ভূগোলৰ মানচিত্ৰখন আঁৰিলে শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰআগত ভাৰতবৰ্ষৰ কোন কোন প্ৰদেশত কোনবোৰ নদ-নদী, হ্ৰদ, পৰ্বত, মৰুভূমি আছে তন্ন-তন্নকৈ চিনাকি কৰিহে দিছে। হীৰা চৌধুৰীয়ে বুজাই গ'ল —"এই হিৰণ্য এইখন খাটা দিলো তোক। ইয়াত মই যেনেকৈ দেখুৱাই দিলো তেনেকৈ কোন ব্ৰেণ্ডৰ কি চাইজৰ বস্তু বেচিলি লিখি যাবি। বুজিলি? হিৰণ্যই মূৰ দুপিয়াই চৌধুৰীক বুজি পালো বুলি জনাই দিলে। হীৰা চৌধুৰীয়ে ড্ৰয়াৰৰ পৰা চাবিকোছা উলিয়াই হাতত ওলোমাই লৈ হিৰণ্যৰ ফালে চাই কলে—'এই কোছা চাবি, দোকান খোলা মেলা কৰাৰ চাবি। হু চম্‌জি ল।' হিৰণ্যই হাত পাতি ললে। হীৰা চৌধুৰীয়ে কৈ গ'ল— "আজিৰ পৰা ৱাইনচপখন তোক বিশ্বাসেৰে গটালো। বাকী-বোকা নিদিবি। দিলেও মানুহ চাইহে দিবি। এনেকুৱা মানুহক দিবি যাতে বাকী পইচা ঘূৰি আহে। গুৰুৰ বচন শিষ্যই একান্তমনে শুনি যোৱাৰ দৰে হিৰণ্য দত্তয়ো হীৰা চৌধুৰীৰ কথাবোৰ আন্তৰিকতাৰে শুনি গ'ল। চৌধুৰীয়ে জেপৰ পৰা চিগাৰেটৰ পেটিটো উলিয়াই চিগাৰেট এটা জ্বলাই তৃপ্তিৰে দীঘলীয়াকৈ এহুপ মাৰি ধোৱাঁখিনি এক বিশেষ ভংগীত সুখানাভুতিৰে এৰি দি হিৰণ্যক ক'লে—"প্ৰতিদিনেই ৰাতিপুৱা দোকানৰ আগত চোতালৰ নামত যিকণ ঠাই আছে ঝাড়ু লগাবি। গাপা ধূই পবিত্ৰ মনে



আহি দোকানৰ দুৱাৰ খুলিবি আৰু দোকানৰ মজিয়াত দুচাতিমান পানী চটিয়াবি। তাৰ পিছত গনেশ বাবাৰ ফটোৰ তলত ৰখা মাটিৰ চাকিগছ লগাবি। ধূপ-কাঠি জ্বলাই ৰেকত দুবাৰ মান ঘূৰাই দোকানৰ কাউন্টাৰৰ মুখত বাহিৰফালে গুজি দিবি। দুই তিনিদিনৰ মূৰে মূৰে ফটা কাপোৰ এখন লৈ বটলবোৰ চাফ কৰি থাকিবি। চাফ-চিকুণতাই হ'ল দোকান ঘৰৰ আচল আকৰ্ষণ। গ্ৰাহকৰ লগত মাত কথা মিহি ৰাখিবি। মিহি মাতে গ্ৰাহক টানে, গ্ৰাহক বঢ়ায়। আৰু শুন আজিকালি হ'ল ব্যস্ত যুগ। আজিৰ মানুহে শকত ভলিউমৰ কিতাপ পঢ়ি সময় নষ্ট কৰিবলৈ টান পোৱাৰ দৰে দীঘলীয়া নামবোৰো মুখত লবলৈ টান পায়। সেয়েহে আজিকালি সকলোতে চৰ্ট ফৰ্ম ব্যৱহাৰ কৰে। হিৰণ্য, এইফালে চা, এই টো ব্ৰেণ্ডৰ বটলৰ নাম ডিৰেক্টৰ স্পিচিয়েল। গ্ৰাহকে তোক তেনেকৈ নুসুধিবহি আকৌ। তোক সুধিবহি ডি.এছ. আছেনে? ঠিক সেইদৰে অ.টি. বুলি ক'লে বুজিবি অল্ড টেভানৰ কথা কৈছে। নতুন চেলচমেন হিৰণ্যক এইখিনি বুজনি দি মালিক হীৰা চৌধুৰী দোকানখনৰ পৰা ওলাই গৈ কেইদিনমানৰ আগতে কিনা, প্ৰেমিকাজনীৰ দৰে মৰম ভৰি থকা মাখন ৰঙৰ জেন কাৰখন ষ্টাৰ্ট দি উৰণীয়া চৰাইটোৰ দৰে ভুৰং কৰি কোনোবা ফালে গুচি গ'ল।

হিৰণ্যই কাউন্টাৰৰ ভিতৰত ড্ৰয়াৰৰ মুখত ৰখা সিংহাসনৰ দৰে ওখ কাঠৰ চকীখনত বহিবলৈ চৰকাৰী চাকৰিত প্ৰথমদিনা জইন কৰি চকীত বহি লৈ নতুন চাকৰিয়ালে জনে যি শিহঁৰণ অনুভৱ কৰে হিৰণ্যৰ হৃদয়খনো সেই একেই আনন্দত চেলচমেনৰ চকীত বহিবলৈ পাই ঢৌ খেলি গ'ল। আজিৰ পৰা এইখন ব্যস্তজগতৰ সিয়ো এজন ব্যস্ত কৰ্মচাৰী হ'ল। সি বহাৰ পৰাই পিচফালে মূৰ কৰি দোকানৰ প্ৰতিটো ৰেকত শাৰী-শাৰীকৈ সজাই তেথাৱা ৰং বিৰঙৰ কাগজৰ লেবেল লগোৱা

বিলাতী মদৰ বটলবোৰত চকু ফুৰালে। হিৰণ্যই ডাঠি ভাবি ল'লে — বিলাতী মদতকৈ মানুহৰ বাবে দামী সম্পদ এইখন জগতত আন একোৱেই নাই। নহ'লেনো ইমান টকা খৰচ কৰি ইয়াক পান কৰি সকলো তৃপ্তিতকৈ এইবিধতহে বেছি তৃপ্তি পায়নে? এনেবোৰ কথাকে ভাবি থাকোতে এজন গ্ৰাহক আহি তাক সুধিলেহি 'হেৰি, আৰ. এচ. আছেনে?' আৰ. এচ. কি? আৰ. এচ.? হিৰণ্য বিবুদ্ধিত পৰিল এটা প্ৰশ্নবোধক চাৱনিৰে চকুহাল মেলি হিৰণ্যই মানুহজনৰ ফালে হেবাঙৰ দৰে চাই থাকিল। মানুহজনে ফুটাই ক'লে 'ৰয়েল ষ্টেগৰ কথা কৈছো। নুবুজাতো বুজাই দিয়াত হিৰণ্যই মনতে মানুহজনক ধন্যবাদ জনালে। এৰাতুন! মালিকে বুজায়েই গৈছিল নহয় আজিকালি মানুহে মাত কথাবোৰ চৰ্ট ফৰ্মত ব্যৱহাৰ কৰে বুলি। মানুহ জনে এইবাৰ ক'লে— পোৱালী এটা দিয়ক। হিৰণ্য এইবাৰ হে যেন বেছি বিবুদ্ধিত পৰিল। মানুহজনে কি পোৱালীৰ কথা কৈছে বা? হিৰণ্যই সুধিয়েই পেলালে হেৰি, কিহৰ পোৱালীৰ কথা কৈছে আপুনি? গ্ৰাহকজনে খিত্‌খিত্‌কৈ হাঁহি ক'লে—আপুনি দেখিছো নিশ্চয় নতুন মানুহ। বুজা নাই? পোৱালী মানে কুৱাটাৰ বটলৰ কথা কৈছো। তাৰ এটা দিয়ক। কৈয়েই গ্ৰাহকজনে কাউন্টাৰৰ ফুটাটোৰেদি পঞ্চাশ টকীয়া নোট এখন সোমোৱাই দিলে। হিৰণ্যই নতুন নতুন শব্দবোৰ শুনিবলৈ পাই এখন বিচিত্ৰ জগতত প্ৰবেশ কৰা যেন লাগিল তাৰ। ৰয়েল ষ্টেগৰ কোৱাৰ্টাৰ বটলটো কাগজ এখনেৰে মেৰিয়াই দি পঞ্চাশটকীয়া নোটখন ড্ৰয়াৰত ভৰাই থৈ বটলটো কাউন্টাৰৰ ফুটাটোৰেদি গ্ৰাহকজনলৈ ঠেলি দিলে। গ্ৰাহকজনে বটলটো লৈ গুচি গ'ল। সি ড্ৰয়াৰটো খুলি গ্ৰাহকজনে দিয়া পঞ্চাশ টকীয়া নোটটো হাতেৰে এনেয়ে চুই চালে। একদম খম্‌খমীয়া হৈ আছে। নতুন পঞ্চাশ টকীয়া। সি নোটখনলৈ তধা লাগি চাই ৰ'ল। এই মূহূৰ্তত আন মানুহে এই দৃশ্যটো দেখা পোৱাহেঁতেন এনেকৈ ভাবিলেহেঁতেন যে হিৰণ্যই জীৱনত যেন প্ৰথম পঞ্চাশ টকীয়া নোট দেখিছে। নোটখনৰ এপিঠিত বুকু অংশৰ পৰা মূৰলৈ মহাত্মা গান্ধীৰ ছবিখন তুলি দিছে। সি লক্ষ্য কৰিলে মহাত্মা গান্ধীয়ে মুখ মেলি চিন্তাক্লিষ্ট ভাবে আছে। হিৰণ্যই মনতে শলাগিলে দেশৰ চৰকা খুব উচিত চিন্তা কৰি নোটত মহাত্মা গান্ধীৰ ছবিখন তুলি দি মহাত্মা প্ৰতি সন্মান জনাইছেহ এইটো খুব ভাল কাম কৰিছে। তেওঁৰ স নিৰ্লোভ, পৰম ত্যাগী, প্ৰকৃত স্বাধীনতা সংগ্ৰামী, দেশ প্ৰেমিক, জনগ ভাল পোৱা এইখন দেশত আন কোন হ'ব পাৰে। টকাটোত থ গান্ধীৰ মুখখনলৈ চাই থাকোতেই তাৰ গান্ধীজী মানুহজনৰ এ কথালৈ মনত পৰি গ'ল। তাহানিখন পঢ়ি থকা কালতে 'নতুন পৃথি আলোচনীখনৰ কোনোবা এটা সংখ্যাৰ এটা প্ৰবন্ধত পঢ়িবলৈ পাইছি সি। গান্ধীজীয়ে দেশৰ চৰকাৰক উদ্দেশ্যি কৈছিল—'মাদক দ্ৰব্য আম দেশত সম্পূৰ্ণ নিষিদ্ধ হ'ব লাগিব। মাদক দ্ৰব্য বৰ বেয়া বস্তু। চুৰি-ডকাইতি, বেশ্যা বৃত্তিতকৈও বেয়া বস্তু। মাদক দ্ৰব্য বিক্ৰি জৰিয়তে যি শুল্ক ৰাজ ভঁৰাললৈ আহে সেই ধন আমি নুচুওঁ।' হিৰণ্য গান্ধীজীৰ কথাষাৰ সুঁৱৰি মনতে হাঁহিলে। সি এই বাবেই হাঁহিলে যে, গান্ধীৰ আদৰ্শত বিশ্বাসী আমাৰ দেশৰ চৰকাৰে গান্ধীৰ আদৰ্শ পিঠি দি আজিকালি অথালি-পথালিকৈ গঢ় লৈ উঠা পি.চি.অ.বোৰ দৰে ঘন ঘনকৈ বিলাতী মদৰ দোকান খুলিবলৈ পাৰমিট দি ৰাজ সংগ্ৰহৰ বাবে উঠি পৰি লাগিছে। দেশখনত বিলাতী মদৰ বন্যা বোৱা দিছে। তৎমূহূৰ্ততে হিৰণ্যৰ বিবেকে তাক যেন যেন কাণে কাণে গুণগুণ ক'লে—'হিৰণ্য, নোটত গান্ধীজীৰ ছবিখন ব্যৱহাৰেই কৰি নেলাগিছিল। কিয়নো আজি মাদকদ্ৰব্য ব্যৱসায়ীসকলে নোটখন নহয় গান্ধীজীৰ মূৰটো লৈহে যেন সেইবিধ দ্ৰব্য বেচিছে দূৰ্নীতিকাৰীসকলে গান্ধীজীৰ মূৰটোহে যেন জেপত চেপেটা কৰি ভৰা লৈ দূৰ্নীতি কৰি গৈছে। বুইছ হিৰণ্য, নোটত গান্ধীজীৰ ছবিখন তুলি গান্ধীজীৰ আদৰ্শক কুঠাৰঘাট কৰাহে হৈছে। নোটখন চুই থকা হিৰণ হাতখন সেই মূহূৰ্তত ফাগুনীয়া বতাহৰ কোব খাই আঁহতপাত কঁপা দৰে থৰ থৰকৈ কঁপিবলৈ ধৰিলে। ■

- শিক্ষকসকল জীৱনদাতা পিতৃ-মাতৃতকৈ বেছি শ্ৰদ্ধাৰ পাত্ৰ, কাৰণ পিতৃ-মাতৃয়ে সন্তান জন্মহে দিয়ে; জীৱন যাত্ৰাৰ প্ৰণালী নিৰূপন কৰে শিক্ষকেহে। — *এৰিষ্ট'টল*
- মন আৰু বিবেক দুয়োটাৰ উন্নতিসাধনৰ বাবে আৱশ্যক একাগ্ৰতাৰ। এই ভাবটি থকা মানুহজনেই পৃথিৱীত নিজৰ পদচিহ্ন ৰাখি যাব পাৰে পাচৰ চামৰ কল্যাণৰ কাৰণে। — হুমায়ুন কবীৰ

*সংগ্ৰাহিকা*
ৰুণজুন পাতিৰ
একাদশ শ্ৰেণী (কলা শাখা)





# চাৰপ্ৰাইজ


বন্তি গগৈ
*স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ*

প্ৰায় ডেৰ বছৰ মানৰ পিছত মণিমালা ঘৰখনলৈ আহিছে। তাই এই ডেৰবছৰৰ ভিতৰতে সিহঁতৰ অঞ্চলটোৰ বহু পৰিৱৰ্তন দেখিবলৈ পাইছে। অঞ্চলটোৰ বহু উন্নতিও হৈছে। আগৰ সেই কলেজখন, হাইস্কুল আৰু ফাৰ্মখনৰ বাহিৰেও এতিয়া টেলিফোন এক্সেঞ্জ, চিনেমাহল আদি বহি সেই গহীন পৰিৱেশটো পাতল কৰি পেলাইছে। তিনি আলিৰ চুকটোত থকা গেলামালৰ দোকান দুখনৰ ঠাইত এতিয়া কেইবাখনো ষ্টেচনাৰি দোকান পকীকৈ সজা হৈছে। নতুনকৈ গঢ়ি উঠা গাৰ্লচ কলেজ খনৰ সন্মুখত এটা সৰু চাৰি আলিৰ সৃষ্টি হৈছে। মেচঘৰ বিলাক বাঢ়ি যোৱাৰ উপৰিও ঢিমিক-ঢামাক চাকিৰ পোহৰৰ সলনি এতিয়া সেই ঠাইবোৰত সন্ধ্যা হোৱাৰ লগে লগে ইলেকট্ৰিক লাইটৰ পোহৰত দিন যেন হৈ পৰে। সৰু সৰু গুমটি দোকানৰ সলনি এতিয়া ডাঙৰ ডাঙৰ বেটাৰী চাৰ্জৰ দোকান পি. চি. অ আদি বহি এক গমগমীয়া পৰিবেশ বিৰাজ কৰিছে।

মণিমালাৰ নিজৰ গাওঁখনেই কিবা নতুন নতুন যেন লাগিছে। মেট্ৰিক পাছ কৰিয়েই তাই গুৱাহাটীৰ কলেজত হোষ্টেলত থাকি পঢ়িবলৈ গৈছিল। একেখন কলেজতে বি. এ. চি পাছ কৰি তাই গুৱাহাটীতে কম্পিউটাৰ বিজ্ঞান পঢ়িবলৈ লৈছিল। প্ৰথম ছমাহত তাই ঘৰলৈ দুবাৰ আহিছিল যদিও তাৰ পিছৰ পৰা তাই ঘৰলৈ অহা নাই। প্ৰথম বছৰৰ দুৰ্গা পূজাত তাই বান্ধৱীৰ পৰিয়ালৰ লগত দাৰ্জিলিং, কাশ্মীৰ আদি চাবলৈ গৈছিল আৰু এইয়া ফাইনেল পৰীক্ষা দি তাই ঘৰলৈ আহিছে। প্ৰতিবাৰেই তাই ঘৰলৈ আহিব নোৱাৰাৰ কাৰণ দৰ্শাই মাক-দেউতাকলৈ চিন্তা নকৰিবৰ বাবে ফোন কৰে নতুবা চিঠি দিয়ে। এই ডেৰ বছৰত তাইৰ যে কিমান পৰিৱৰ্তন হ'ল এই বিষয়ে মাক-দেউতাকে জনাৰ কোনো উপায়ে নাছিল। এতিয়াহে তেওঁলোকৰ একমাত্ৰ জীয়েকৰ পৰিৱৰ্তনখিনি দেখা পাব আৰু তাৰ খবৰ দিবলৈকে তাই এইবাৰ ঘৰলৈ আহিছে। কিন্তু .......................।

ঘৰলৈ অহাৰ পিছদিনাই মাকে তাইক ওচৰতে থকা মোমায়েকৰ ঘৰলৈ যাবলৈ ক'লে। মোমায়েকৰ ঘৰলৈ যোৱাতকৈ তাইৰ মানস আঙ্কলৰ ঘৰলৈ যোৱাৰ কথাহে ভাবি আছিল। সেয়ে তাই মাকে কথাষাৰ কোৱাত এক প্ৰকাৰে ভালেই পালে কাৰণ একোটা গলিতে মানসৰো ঘৰ আছে।

মানস আঙ্কলৰ কথা ভাবি তাইৰ নিজকে বৰ নিষ্ঠুৰ যেন লাগিল। যোৱা ডেৰ বছৰে তাইৰ মানসলৈ চিঠি দিয়া বা ফোন কৰাৰ কথা মনত নপৰে। অথচ মানসে তাইলৈ কেইখন চিঠি দি লে,



কেইবাৰ ফোন কৰিলে; শেষত সি সেইবোৰ একো নকৰা হ'লগৈ। মানসে তাইক ক্ষমা কৰাটো অসম্ভৱ। তাইক সি ক্ষমা নকৰাটোকেই বাঞ্চা কৰে। ইতিমধ্যে তাই ক্ষমাৰ অযোগ্য হৈ গৈছে। তাইৰ দেহ মন এতিয়া আৰু সেই শান্ত নিমজ্জিত; অজলা লেকচাৰ জনৰ হৈ থকা নাই। তাই এতিয়া এজন টেকনিকেল ইঞ্জিনিয়াৰৰ বাকদত্তা আৰু বিয়া হোৱাটোও নিশ্চিত; এই কথা হয়তো মানসে নাজানে।

মানসে মণিমালাক ক্লাচ চেভেনত পঢ়ি থকা অৱস্থাৰ পৰাই ভাল পাইছিল। প্ৰথম প্ৰেমৰ শিহঁৰণ সিয়েই জগাই তুলিছিল মণিমালাৰ হৃদয়ত। সেই প্ৰেম দুয়ো-দুয়োকো প্ৰকাশ কৰিছিল। মণিমালাৰো ভাল লাগিছিল। তাক সেই সময়ত। মানসে তেতিয়া বি. এ পাছ কৰি ওচৰৰ হাইস্কুল খনত অবৈতনিক ভাৱে সোমাই আছিল। মাজে-সময়ে আহি

সিহঁতৰ ঘৰত থকা মানসক মাকে তাইক পঢ়াবলৈ কৈছিল। সেই সুযোগতে মানস সিহঁতৰ ঘৰলৈ ঘনকৈ আহিছিল আৰু দুয়োৰে সমন্ধ গাঢ় হৈ পৰিছিল। সুন্দৰ্ মাৰ্জিত চেহেৰাৰ মানসৰ অমায়িকতাত মণিমালাৰ দেউতাক সঁচাকৈয়ে মুগ্ধ হৈছিল। তেওঁ তাক এম. এ. পঢ়িবলৈ টকা-পইচাৰেও সহায়-সুবিধা কৰি দিছিল। তেতিয়াৰ পৰা তাই 'মানস আঙ্কল' বুলিয়েই তাক মাতিছিল। মানসৰ পৰামৰ্শমতেই দেউতাকে তাইক গুৱাহাটীৰ স্বদেশী কলেজৰ হোষ্টেলত ৰাখি পঢ়াইছিল। বি. এ. চি. পাছ কৰালৈকে তাই মানসৰ অভাৱ বৰকৈ অনুভৱ কৰিছিল। কলেজত তাইক আশা কৰা প্ৰেমিকবোৰেও তাইৰ অলৰ-অচৰ সিদ্ধান্তক অৱমাননা কৰিব পৰা নাছিল আৰু সেই বাবেই মানসলৈ চিঠি দিয়াটোও তাইৰ বৰ ঘন হৈছিল। প্ৰথম বছৰ তাই গুৱাহাটীত বৰ অস্বস্তিৰে দিন কটাইছিল আৰু বাৰে বাৰে ঘৰলৈ গুছি আহিব বিচৰাত মানসেই তাইলৈ বুজনি দি চিঠি লিখিছিল। তেনেদৰে বি. এছ. ছি পাছ কৰি তাই মানসৰ লগত আলোচনা কৰিয়েইতো কম্পিউটাৰ বিজ্ঞান পঢ়িবলৈ গৈছিল। সি কৈছিল যে বৰ্তমান যুগত কম্পিউটাৰৰ বিষয়ে জ্ঞান থকাটো অতি প্ৰয়োজন। গতিকে সুবিধা পাওঁতেই শিকি লোৱা ভাল আৰু চাকৰিৰ ক্ষেত্ৰতো সহজ হ'ব ছাগৈ। তাই কিন্তু পঢ়াৰ আৰু ইচ্ছা নাই বুলিহে প্ৰত্যুত্তৰ দিছিল। লাজ আৰু সঙ্কোচেৰে তাই সুধিছিল "বিয়ালৈ আৰু কিমান দিন ৰ'ম' মানসে তাইক মৰমৰ সুৰত কৈছিল— 'খুব বেছি তিনিবছৰ, অপেক্ষা কৰা। মই কলেজখনত সোমাইছোহে। অলপ আগবাঢ়ি লওঁ।

কিন্তু তাই জনা নাছিল যে কম্পিউটাৰ বিজ্ঞান পঢ়িবলৈ গৈ তাইৰ মনৰ ইমান ডাঙৰ পৰিবৰ্তন হ'ব বুলি। মানসৰ অভাৱে আচম্বিতে তাইক শ্বিলঙীয়া বান্ধৱীৰ ককায়েক প্ৰশান্তৰ কাষ চপাই নিলে। প্ৰশান্তৰ ওচৰত যেন তাৰ মনত মানসক নিৰস নিষ্প্ৰাণ যেন বোধ হ'ল। ৫/৬ বছৰ গুৱাহাটীত থাকি গাঁৱৰ প্ৰতি অৱহেলাৰ ভাব পোষিত হ'ল আৰু গাঁৱত মানসৰ লগত জীৱন কটাবলৈ তাইৰ অক্ষম যেন লাগিল। প্ৰশান্তৰ আৰমদায়ক গাড়ীত উঠি সতেজ আৰু সুকোমল দুবাহুৰ মাজত সোমাই ফুৰিবলৈ গ'লে গুৱাহাটীখনেই তাইৰ বেছি ভাল লাগে আৰু সেই কলেজ শিক্ষক জনৰ কথা তাই পাহৰি যায়। তাই নিজেও বহুত পৰিবৰ্তন হ'ল। শান্ত গহীন, আৰু মাৰ্জ্জিত মুখৰ সাধাৰণ পোছাক পিন্ধা মণিমালা এতিয়া ৰঙচঙীয়া পোছাক আৰু বিলাসী জীৱন লৈয়ে ব্যস্ত।

যোৱা দুবছৰত তাই মানসলৈ মাত্ৰ এখন নে দুখন চিঠি দিয়াৰ বাহিৰে তাইৰ আৰু চিঠি দিয়াৰ কথা মনত নপৰে। মানসেও ফোনেৰে তাৰ মাকৰ মৃত্যুৰ বাতৰি দি অকলশৰীয়া জীৱনত সাহিত্যচৰ্চাকে মূখ্য ৰূপে লোৱাৰ কথা জনাইছিল। সেই সময়ত মণিমালাৰ তাৰ খবৰ ৰাখিবলৈ আহৰি নাছিল। সেইবাবেই তাই আজি ভাৱিছে তাৰ সন্মুখত কোনো সংকোচ বা দ্বিধাবোধ নকৰাকৈ স্পষ্ট কৈ,কৈ দিব যে সি আৰু তাইলৈ অপেক্ষা কৰি লাভ নাই। কাৰণ অহা ফেব্ৰুৱাৰী মাহত টেকনিকেল ইঞ্জিনীয়াৰ প্ৰশান্ত বুঢ়া গোহাঁইৰ লগত তাইৰ বিয়া হ'ব। খবৰটো জনাবলৈহে তাই আহিছে। তাই আগতকৈ বহুত স্মাৰ্ট হোৱা যেন লাগিল। প্ৰায় দিনৰ দুইমান বজাত তাই এখন ৰিক্সাত উঠি প্ৰথমে মানসৰ ঘৰলৈকে গ'ল।

মানসৰ ঘৰটোৰ লগত তাইৰ মনে সজা ঘৰটোৰ সাদৃশ্য দেখি তাইৰ টোপনিৰ পৰা সাৰ পোৱা যেন লাগিল। ঘৰটোৰ সন্মুখত এখন নতুনকৈ নিৰ্মিত পৰিষ্কাৰ ক'লা ৰঙৰ প্ৰকাণ্ড লোহাৰ গেট। গেটৰ পৰা ঘৰলৈ সোমাই যোৱা পথচোৱা পকী; দুয়োফালে দলিচাৰ দৰে দুখন ল'ন, কাষে কাষে দেৱদাৰু গছৰ শাৰী আৰু বাওঁফালৰ ড্ৰয়িং ৰুমৰ খিড়ীকিৰ কাষত এখন ফুলনি; ঠিক তাই বহুদিনৰ আগতেই কল্পনাতে সজা ঘৰটোৱেই। হয় মানসে তাইৰ ধাৰণা মতেই ঘৰটো বনাইছে। পৰিৱেশটো গহীন আৰু শান্ত কিন্তু কোমল আৰু সৌন্দৰ্য্যময়ো। দুৱাৰখন খোলা থকাৰ বাবে তাই কোনো মাত নিদিয়াকৈ ভিতৰলৈ সোমাই গৈছিল। পৰ্দাখন দাঙি সোমাওঁতেই মানসক হাতত চাবি একোচা লৈ ক'ৰাবলৈ যাবলৈ সাজু হৈ অহা দেখা পালে। বহুত দিনৰ মূৰত মানসক দেখি তাই হৃদয়ত এক কঁপনিৰ অনুভৱ কৰিলে। তাই চমকি উঠিল। ডিঙিটোত কিবা এটাই সোপা মাৰি ধৰা যেন লাগিল। তাই তলমূৰ কৰি ৰৈ গ'ল। মানসে এটা সেমেকা মিচিকিয়া হাঁহি মাৰি কিছু সময় তথা লাগি চাই ৰ'ল আৰু পিছমূহুৰ্ত্তে ক'লে— "অ মণি, (মানসে মৰমতে তাইক মণি বুলিয়েই মাতিছিল) তুমি অকলেই আহিলা! তুমি আহি আছা বুলি গম পায়ো বিশেষ এটা কামত লাগি থকাৰ বাবে তোমালোকৰ ঘৰলৈ যাব পৰাই নাই। বেয়া নাপাবা আকৌ।"

তাইৰ মনৰ দুৰ্বল ভাবটো লুকুৱাই সচেতন হৈ হাঁহি সুধিলে আঙ্কল; খবৰ কেনে? ভালে আছাতো? কথাষাৰ তাই কাণৰ পৰ্দাত তৰঙ্গৰ দৰে বাজি উঠাত মানসক তাইৰ উপহাস কৰা যেন লাগিল। মানসে স্বভাৱ সুলভ হাঁহিটোৰে প্ৰত্যুত্তৰ দিলে— ওঁ ভালেই, তোমাৰ খবৰ ছাগৈ বহুত ভাল। মই ইতিমধ্যে সকলো কথাই গম পাইছো। অৰ্থাৎ তোমাৰ খবৰ মই ৰাখিছো। যেনে— পঢ়ি শেষ কৰি সুদূৰ শ্বিলঙলৈ বিয়া হৈ যাবলৈ ওলোৱাৰ কথা ইত্যাদি। বিয়া হৈ যাবলৈ বুলি কওঁতে তাই উচ্‌প খাই উঠিল। সি একেৰাহে কৈ গ'ল— মোৰ নতুন খবৰ শুনা আকৌ; মই বৰ্তমান স্থানীয় কলেজখনৰ প্ৰিঞ্চিপাল। মোৰ থেচিচৰ কাম প্ৰায় শেষেই হৈছে। কথাবোৰ চিন্তা কৰাটো পলম হ'ল। কি কৰিবা। তুমি মোৰ বিষয়তো একো নাজানা ছাগৈ; অলপ পৰ কিবা এটা চিন্তা কৰাৰ দৰে ৰৈ পুনৰ ক'লে— মণি, তোমাক এটা চাৰপ্ৰাইজ দিম বুজিছা। তুমি আকৌ ভয় নাখাবা; আচৰিতো নহ'বা। তাই ক'লে— "নাখাওঁ বাৰু, দিয়ক। সি পুনৰ ক'লে— "চাৰ প্ৰাইজটো পাই ছাগৈ তুমি আনন্দতে 'থেংক ইউ' বুলিহে ক'বা নহয় জনো? মা ঢুকোৱাৰ পিছত অকলশৰে থাকি আমনি লগাত কিছু সাহিত্য চৰ্চা কৰিলো আৰু তাৰ মাজতে........................।" তাই উৎসুক হৈ তাৰ মুখলৈ একেথৰে চাই ৰ'ল। সি ক'লে— "তোমাৰ শুভবাৰ্তাবোৰে বোধহয় মোক শুভ কাম কৰিবলৈকে উদগ্নি দিলে। অৰ্থাৎ তোমাৰ মণি নামটোৰ লগত ৰজিতা খুৱা মণিকা নামৰ তোমাৰ লগৰী গৰাকীক মই জীৱন সংগী হিচাপে বাচি ললো লগৰী যদিও একে ক্লাচৰহে, কলেজৰ নহয়। এইটো মোৰ ভুল নে ভাল কাম সেইটো তোমাৰ বিচাৰ্য্যৰ বিষয়।

এনে সময়তে ভিতৰৰ পৰা হাতত চাহৰ ট্ৰে লৈ সুন্দৰ সুগঢ়ী লাহী ককাঁলৰ এগৰাকী ন-কইনা ওলাই আহিল। মানুহ গৰাকীয়ে লোৱা কপালৰ ডাঙৰ ৰঙাফোটটো আৰু নিৰ্মল মাৰ্জিত মুখ খনিৰ ফালে মণিমালাই অপলকনেত্ৰে চাই ৰ'ল। মানুহ গৰাকীয়েও খন্তেক ৰৈ তধা লাগি চাই ৰ'ল যদিও পিছ মুহুৰ্ত্বতে টেবুলত চাহ থৈ ক'লে— "চাহ খোৱা" মানসে তাইৰ লগত পৰিচয় কৰাই দিলে— "এইয়া তোমাৰ আন্তি। আমাৰ বিয়া হোৱা তিনিমাহ মানহে হৈছে।" আৰু তাইৰ ফালে দেখুওৱাই ক'লে— 'মণি এওঁ মোৰ অতি মৰমৰ ভাগিন্ মণিমালা। মোৰ মতে মণিয়েই। অহা ফেব্ৰুৱাৰী মাহত টেকনিকেল ইঞ্জিনীয়াৰ প্ৰশান্ত বুঢ়া গোঁহাইৰ লগত এওঁৰ বিয়া হ'ব। এই খবৰকো তুমি দিবলৈ অহা নাইজানো মণিমালা?" মানুহ গৰাকীয়ে চিনাকি কৰোঁতে হাঁহি নমস্কাৰ দিছিল যদিও তাই প্ৰতি নমস্কাৰ দিবলৈকো পাহৰি গ'ল। মানসে মাকৰ ফটোখনৰ ফালে চাই ক'লে— "চাহ খোৱা আকৌ।" মানসৰ সলসলীয়া কথাবোৰে তাইৰ কাণৰ বিন্ধাত বিন্ধি থকা সৰকা কৰা যেনেহে লাগিল। বাৰে বাৰে তাইৰ কাণত প্ৰতিধ্বনি হ'ল "মণি যদিও তুমি জয়ী বুলি ভাৱিছিলা প্ৰকাৰান্তৰে তুমি পৰাজয়হে হ'লা।" বহু সময়লৈকে প্ৰতিধ্বনি হোৱা কথাষাৰে তাইক ভাৱিবলৈ বাধ্য কৰালে, হয়, প্ৰকৃততে তাইৰেই পৰাজয় হ'ল। তাই যি উল্লাসেৰে মানসক এটা গোপন চাৰপ্ৰাইজ দিম বুলি আহিছিল সেই উল্লাস উদ্যম নিমিষতে জয় পৰি গ'ল। তাইৰ ডিঙিতেই মাছৰ কাঁইটৰ দৰে যেন বিন্ধি ৰৈ গ'ল।

মণিমালাই বিদুৎ বাল্ব জ্বলি উঠাৰ দৰে ক্ষীপ্ৰতাৰে মানসলৈ চালে। এতিয়াও কম্পিউটাৰৰ দৰে মানসে তাইৰ ইমান খবৰ ধৰি ৰাখিছেনে! তাইৰ নিজকে বৰ দুৰ্বল ৰোগী যেন লাগিল। মানসৰ ওচৰত তাইৰ নিজকে ডাঙৰ অপৰাধী যেন বোধ হ'ল। গাঁৱলীয়া; অকঁৰা, ল'ৰামতীয়া মানসৰ গাত যে এনে ধৈৰ্য্য সাহস আৰু এখন নিৰ্মল হৃদয় লুকাই আছিল তাই ভৱাই নাছিল।

তাই কোনোমতে মাটিত হালি নপৰাকৈ থিয় দি থাকিল। অস্পষ্ট মাতেৰে যাওঁ বুলি কৈ তাই মণিকা নামৰ হোজা গাঁৱলীয়া সাধাৰণ অথচ নম্ৰ ছোৱালী জনীৰ কথা ভাৱি ঘৰমুৱা হ'ল। বিনয়ী যেন লগা ছোৱালী জনীকে তাইতকৈ বহু উচ্চ আৰু সৌভাগ্যৱতী যেনভাৱ হ'ল। সচাঁকৈয়ে তাই এনে এজন হৃদয়বান লোকৰ সহধৰ্মিনী হোৱাই যোগ্য। ■

---


- উন্নতিৰ বাবে শান্তিৰ অতি প্ৰয়োজন — *স্বামী বিবেকানন্দ*
- তোমাৰ আত্মীয় কুটুম্ব কোন হ'ব সেইটো তোমাৰ ভাগ্যই নিৰ্দ্ধাৰণ কৰি দিয়ে, কিন্তু তোমাৰ বন্ধু কোন হ'ব সেইটো নিৰ্দ্ধাৰণ কৰিব পাৰা কেৱল তুমি — *এবি জেকছ ভেলি*
- লিখা-পঢ়া শিকি কেৱল নিজে শিক্ষিত হ'লেই নহ'ব, নিজে পোৱা শিক্ষাৰ সহায়-আদৰ্শ আনকো বিলাই দিব লাগিব। — *ভল্টেয়াৰ*
- আমি চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ, মাছৰ দৰে সাঁতুৰিবলৈ শিকিছোঁ; কিন্তু ভাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই। — *মাটিন লুথাৰ*

*সংগ্ৰাহিকা*

নৱনীতা দেৱী
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

# অশান্ত সময়

বশিষ্ঠ দেৱ ফুকন
*স্নাতক ১য় বৰ্ষ, অসমীয়া বিভাগ*



শ্ৰীযুত সনাতন হাজৰিকা নাহৰনি এল. পি. স্কুলৰ হেড্‌মাষ্টৰ। এজন কাঢ়া তথা সুশিক্ষক হিচাপে অঞ্চলটোত তেওঁৰ নাম আছে। প্ৰত্যেক বছৰে তেওঁৰ স্কুলৰ পৰা অন্ততঃ দুটামান ল'ৰা ছোৱালীয়ে বৃত্তি পায়েই আৰু এই পৰম্পৰা আগৰে পৰাই চলি আহিছে। হাজৰিকাৰ পৰিয়ালত পত্নী দেৱবালা, জীয়েক ৰশ্মি আৰু দুই পুত্ৰ ৰিদীপ আৰু বিশ্বজিৎ। জীয়েক ৰশ্মি দশম মানত, ৰিদীপ অষ্টম মানত আৰু বিশ্বজিতে অহা বছৰতে বিদ্যাৰম্ভ কৰিব। এজন শিক্ষক হিচাপে হাজৰিকাই বিশ্বজিতক নিজৰ স্কুলখনতে পঢ়াটো বিচাৰে যদিও ঘৰৰ অন্যান্য সদস্যসকল মানে জীয়েক ৰশ্মি তথা পুতেক ৰিদীপৰ যুক্তি হ'ল যে, তাক অসমীয়া মাধ্যমৰ ভগা-চিগা স্কুলবোৰত নপঢ়াই ওচৰেৰে নাম কৰা ইংৰাজী মাধ্যমৰ স্কুলখনতে নাম লগাই দিব লাগে। কাৰণ সিহঁতে বোলে অসমীয়া স্কুলত পঢ়ি যি ভুল কৰিলে সেইটো ভায়েকক কৰিবলৈ নিদিয়ে। প্ৰথমতে হাজৰিকাই এইবোৰত মূৰ নঘমাইছিল যদিও অষ্টমমানলৈকে পঢ়া দেৱবালাইও যেতিয়া সিহঁতক সমৰ্থন কৰিবলৈ ধৰিলে হাজৰিকাই অলপ গুৰুত্ব দিবলৈ বাধ্য হ'ল।

হুহ................গোটেইখনে যেতিয়া উন্নতি কৰিছে পঢ়ি শুনি মানুহ বিদেশলৈ গৈছে, ডাঙৰ মানুহ হৈছে আৰু আমাৰ এওঁ নিজৰ পুতেককো এল. পি. স্কুলৰ মাষ্টৰ বনাব খুজিছে— দেৱবালাৰ যুক্তি। হাজৰিকাই কিবা কম বুলিও নকলে। ক'লে কি হ'ব, ইহঁতে কি বুজিব দেশৰ ভাষা, সংস্কৃতি আদি যে পতনৰ গৰাহত। বুকুভেদি ওলাই আহিব খোজা হুমুনিয়াহটো কোনোমতে চেপি ৰাখিলে হাজৰিকাই।

আকৌ এবাৰ ভাৱিলে হাজৰিকাই নাই নাই মোৰ মতৰ পৰিৱৰ্তন হ'বই নোৱাৰে। নিজৰ ভাষা সংস্কৃতি এৰি মোৰ লৰাই বিজতৰীয়া এসোপা পঢ়িব নোৱাৰে। যদি অসমীয়া স্কুলত অসমীয়াই নপঢ়ে পঢ়িব কোনে? সেই বঙালী কেইটাই মাৰোৱাৰী কেইটাই............! তেনেহ'লে দেখোন কেইবছৰমানৰ পাছত দবৰত দিবলৈও অসমীয়া পোৱা নাযাব। নাই, সেইটো হ'বলৈ দিব নোৱাৰি অন্ততঃ আমিবোৰ জীয়াই থকালৈকে। মোৰ ল'ৰাই যিমানেই যি হ'লেও অসমীয়াতেই পঢ়িব।"— জাতীয়তাবাদী চিন্তাধাৰাৰে অনুপ্ৰাণিত হাজৰিকাই ভাবিলে।

এদিন হাজৰিকাই শ্ৰেণীত পঢ়াই থাকোঁতেই হঠাৎ ধুনীয়া মাৰুতি গাড়ী এখন স্কুলৰ সমুখত ৰ'লহি। হাজৰিকাই পঢ়াই থকাৰ পৰাই চাই দেখিলে এগৰাকী সুন্দৰী মহিলা গাড়ীৰ পৰা নামি আহিছে। স্কুলৰ নতুন পৰিদৰ্শক আহিছে বুলি হাজৰিকাই ল'ৰা-ছোৱালীবোৰক মনে মনে পঢ়ি থাকিবলৈ কৈ বাহিৰলৈ আহিল। মানুহ গৰাকীয়ে হাজৰিকাক দেখি ক'লে:

আপুনিয়েই ইয়াৰ হেড্‌মাষ্টৰ নেকি?

হয়................ আহক।..........এইবুলি হাজৰিকাই মহিলা গৰাকীক কাৰ্যালয়তে বহিবলৈ দি সুধিলে—

পিছে............ আপুনি?

অ' ....মই শ্ৰীমতী জ্যোতিৰেখা গোহাঁই। ঠিকাদাৰ ৰণজিৎ গোহাঁইৰ পত্নী।

— হাজৰিকাৰ মনত পৰি গ'ল— পেপাৰত পঢ়া ঠিকাদাৰ ৰণজিৎ গোহাঁইৰ কু-কীৰ্তিসমূহ। কেনেকৈ কিবা এটা বনোৱাৰ পাছতে ভাগি মানুহৰ মৰাৰ কথা!



ৰূপালী জয়ন্তী সংখ্যা • ২০০২-২০০৩ বৰ্ষ

মোক এইখন স্কুলৰ মাষ্টৰণীৰূপে নিযুক্তি দিছে। এইবুলি কৈ তেওঁ নিযুক্তি পত্ৰ এখন হাজৰিকাৰ ফালে আগবঢ়াই দিলে।

এইদৰে চাওঁতে চাওঁতেই আগৰ চাৰিজন মাষ্টৰৰ ঠাইত এতিয়া সাতজন হ'লগৈ। বাকী কেইগৰাকীও কোনোবা দালালৰ পত্নী, ইঞ্জিনিয়াৰৰ পত্নী আদি।

স্কুলখন চলি থাকিল হাজৰিকাও নিয়মিতভাৱে যায় সকলো আহে। চাৰিটা শ্ৰেনীত পাঠদান চলি থাকে। পঢুৱাই পঢ়াই থাকে বাকী সকলে সন্মুখৰ ফিল্ডখনত বহি আড্ডা দিয়ে। এদিন হাজৰিকা স্কুললৈ অহাত পলম হ'ল। পথাৰৰ জেওৰাখন গৰুৱে ভঙাত মেৰামতি কৰি স্কুল পায়হি মানে চাৰে এঘাৰ মানেই বাজিলগৈ। স্কুলখনত সোমায়েই ভিতৰত চিঞৰ বাখৰ শুনি কি হৈছে বুলিনো হাজৰিকাই ভিতৰলৈ জুমি চালে। তাৰে কিছুমান ল'ৰা-ছোৱালীয়ে বেঞ্চৰ ওপৰত নৃত্য কৰিছে, কিছুমানে কাগজৰ ৰকেট উৰুৱাইছে আৰু মাষ্টৰণী এখন চিনেমাৰ আলোচনী টেবুলত মেলি থৈ দিবা নিদ্ৰাত মগ্ন। হাজৰিকাক দেখি ল'ৰা-ছোৱালীবোৰ চুপ-চাপ হৈ বহিল। ভিতৰত সোমাই হাজৰিকাই গল খেকাৰি দুটামান মাৰি "এইবোৰ কি হৈছে" বুলি খঙেৰেই ক'লে। মাষ্টৰণী গৰাকীয়ে খপজপকৈ উঠি চাৰ চাৰ কালি ৰাতি এটা পাৰ্টি এটেণ্ড কৰিব লগা হ'ল কাৰণেই টোপনিয়েই ভাল নহ'ল" বুলি কৈ হাজৰিকাৰ মুখলৈ চালে, খঙত হাজৰিকাই একো নকৈ নিজৰ কাৰ্যালয়লৈ গ'ল।

এবাৰ ছমহীয়াৰ বহী চাওঁতে হাজৰিকাই দেখিলে যে ল'ৰাই ভাৰতৰ ৰাষ্ট্ৰপতি "তৰুণ গগৈ" লিখিছে, অসম প্ৰথম মুখ্যমন্ত্ৰী "গোলাপ বৰবৰা" লিখিছে। বহী দিওঁতে তাক যেতিয়া এইবোৰ কথা সুধিলে সি ক'লে যে বাইদেউৱে যি কৈছে সি সেইটোৱেই লিখিছে। আনকি যেতিয়া সি সেইবোৰ কৰাই দিয়া বহীখন দেখুৱালেহি তেতিয়া হাজৰিকাৰ মুখৰ মাত হেৰাল। বাৰে বিংকৰা ভুল এসোপাত ৰাইট চিন দি তাত নম্বৰ পৰ্যন্ত দিয়া আছে।

এইবোৰ দেখিশুনি হাজৰিকাৰ এসময়ত অসহ্য লাগিলগৈ। এদিন স্কুল ছুটীৰ পাছত সকলো শিক্ষক শিক্ষয়ত্ৰীকে মাতি আনি হাজৰিকাই অলপ বুজালে— ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যত, সিহঁতক যদি এতিয়াৰ পৰাই এই জাবৰ জোথৰবোৰ শিকোৱা হয়, তেনেহ'লে সিহঁতৰ ভৱিষ্যতবোৰ কি হ'বগৈ? আপোনালোকে যদি দৰমহা খাবলৈকে স্কুলত সোমাইছেহি তেনেহ'লে ইয়াত নপঢ়ালেও হ'ব? কেৱল আহি চহীটো কৰি যাবহি। এই ল'ৰা-ছোৱালী কেইটাক পঢ়াবলৈ আমাৰ আগৰ কেইজনেই যথেষ্ট। সেইদিনা শ্ৰীমতী গোহাঁইয়ে ল'ৰাক প্ৰশ্নোত্তৰ কৰাই দিছে— মহাত্মা গান্ধীক বৃটিছে গুলিয়াই মাৰিলে বুলি। এগৰাকীয়ে গোলাপ বৰবৰুৱাক অসমৰ প্ৰথম মুখ্যমন্ত্ৰী পাতিলে। সেইদিনা হাজৰিকাই মনৰ সকলো ক্ষোভ উজাৰি দিলে আৰু শেষত নতুন মাষ্টৰণী কেই গৰাকীয়ে তলমূৰ কৰি ওলাই গ'ল।

দুদিনমানৰ পাছত এদিন হাজৰিকাই বজাৰৰ পৰা আহোঁতে বাটতে ৰণজিৎ গোহাঁইয়ে আগছি ধৰাৰ দৰেই ধৰিলে আৰু ক'লে—

হাজৰিকা আপুনি মোৰ পত্নীক অপমান কৰিছে।

মইতো অপমান কৰা নাই। মই মাথো বুজাইছোহে হাজৰিকাই লাহেকৈ ক'লে।

অ' আপুনি মোৰ পত্নীক বুজাবলৈ আহিছে? আপুনি জানেনে কালিলৈ আপুনি কোনোবা ধুবুৰীলৈ বদলি হৈ যাব পাৰে বা চাকৰিৰ পৰাই খেদা নাই আপুনি? ভালদৰে থাকিব নহ'লে এই বুঢ়া বয়সত বৰ লটি-ঘটি হ'ব কিন্তু। এইবুলি কৈ ফোঁ-ফোঁৱাই ঠিকাদাৰ ৰণজিৎ গোহাঁই গাড়ীখনত উঠি গুচি গ'ল। হাজৰিকা শিলপৰা কপৌৰদৰে ঠৰ লাগি ৰ'ল।

ঘৰলৈ আহি বহুত ভাৱিলেহি হাজৰিকাই কি কৰা যায়। শেষত হাজৰিকাই ভাৱিলে যে অৱসৰ ল'বলৈ ছয় সাতবছৰমান থাকোঁতে যদি মোৰ এই লটিঘটিখন হয়, তেনেহ'লে মোৰ কি হ'ব? পৰিয়ালটোৰ অযোগ্য মানুহৰ হাতত আছে। .........ওঁহোঁ, মই আৰু একোৰে প্ৰতিবাদ কৰিব নোৱাৰোঁ। বিবেকৰ দংশনত গোটেই জীৱন ভূগিম পাছে মোৰ এই কণ কণ ল'ৰা-ছোৱালী কেইটাৰ কথা ভাৱিবই লাগিব। আৰু বিশ্বজিৎ এই ধৰণৰ দূৰ্নীতি গ্ৰস্ত বিদ্যালয়ত পঢ়াতকৈ, য'ত শিক্ষক শিক্ষয়ত্ৰীবোৰ টকাৰ জোৰত ল'ৰা-ছোৱালীক পঢ়াবলৈ আহে জ্ঞানশূন্য মগজবোৰ লৈ-তাতোকৈ সি ইংৰাজী স্কুলখনতে পঢ়া ভাল। অন্ততঃ সমাজত অলপ সন্মান লাভ কৰিব পাৰিব।

জীৱনৰ প্ৰথম নৈতিক পৰাজয়ত সনাতন হাজৰিকা তলমূৰ কৰি বহি ৰ'ল। ■

- কিতাপ এখন নি ওভোটাই নিদিয়াটো শিক্ষাজগতৰ এক কলংক স্বৰূপ। — *চক্ৰেটিছ*
- প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে। তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য।

*সংগ্ৰাহক*
মৃদুল চিৰিং ফুকন
স্নাতক ১ম বৰ্ষ (ৰাজনীতি বিজ্ঞান)

# বিবৰ্ণ সপোন


নব কুমাৰ হাজৰিকা
*স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান শাখা)*

প্ৰতীক্ষা দত্তই গুৱাহাটী জিলা পুথিভঁৰালত লাইব্ৰেৰীয়ান পদত যোগদান কৰা আজি প্ৰায় এমাহমানেই হ'ল। অথচ মনৰ অস্থিৰতা তাইৰ এতিয়াও কমা নাই। কেইবাশ কিলোমিটাৰ দূৰত মাকক এৰি আহি তাই বাৰু কেনেকৈ এখন নতুন ঠাইত নিজকে খাপ খুৱাই লয়.....! নিৰৱ মুহূৰ্তবোৰত তাইৰ মনত পৰে কলেজীয়া জীৱনৰ স্মৃতিবোৰৰ কথা লগতে ঘৰত অকলে এৰি অহা মাক আৰু ভনীয়েকৰ কথা। গুৱাহাটীলৈ আহোঁতে মাকো লগতে আহিছিল। কিন্তু তেওঁ গাঁৱৰ চহা জীৱনৰ মাদকতা ত্যাগ কৰি গুৱাহাটী মহানগৰৰ যান্ত্ৰিক জীৱনৰ লগত নিজকে খাপ খুৱাব নোৱাৰি বুকুত এটা চিন্তাৰ বোজা বান্ধি নানান দিহা পৰামৰ্শ বুজনি আদি দি সপ্তাহ চেৰেকৰ পাছতেই ঘৰ পালেগৈ।

তাই মাজে মাজে বৰ অকলশৰীয়া অনুভৱ কৰে। বাতৰি কাকত, আলোচনী আদিয়ে জানো কেৱল মানুহৰ হিয়াৰ বেদনাখিনি সম্পূৰ্ণ লাঘৱ কৰিব পাৰে.........। ......অকনমান সঁচা মৰম এযাৰ আত্মীয়ৰ মাতৰ বাবে তাইৰ প্ৰাণে আজি হাঁহাকাৰ কৰিব লাগিছে। নিস্তব্ধতা যিমানেই বাঢ়ি যায় অভাৱবোৰো সিমানেই সক্ৰিয় হৈ উঠে। কেতিয়াবা অফিচৰ দুই এজন সহকৰ্মীৰ লগত কোঠাৰ ভিতৰৰ পৰায়ে দুই এষাৰ কথা পাতে। তাকো তাই আগতিয়াকৈ যোগাযোগ নকৰে, সঁহাৰিহে জনায়।

* * * * *

পুৰন্দৰ সেনগুপ্ত এজন সুঠাম সুশ্ৰী পুৰুষ, লনী দেহ ভঙ্গীমাত গাম্ভীৰ্যৰ চাপ, খোজত এটা প্ৰতিশ্ৰুতিৰ ভাৱ পৰিস্ফুত হয়। এই ধৰণৰ মানুহে আনক সহজে আকৰ্ষণ কৰিব পাৰে। চাকৰিৰ খাতিৰত গুৱাহাটীলৈ নতুনকৈ আহিছে। তেওঁৰ বাবেও ঠাইডোখৰ আচহুৱা অথচ পুৰুষ হোৱা বাবে সোনকালে সফল হৈছে নিজকে পৰিবেশৰ লগত খাপখুৱাই লোৱাত। তাতে বেংকৰ চাকৰি, লগ পায় বহুতো নতুন নতুন ব্যক্তিক। বহুকেইজনৰ লগত অতিসোনকালে ভাল সম্পৰ্কও গঢ়ি উঠিছে। দুচকুত তেওঁৰ পৃথিৱী চোৱাৰ হেঁপাহ আৰু লক্ষ্যত অবিচল জীৱনত কিবা এটা কৰাৰ। গতিকে বেংকৰ চাকৰিটোক লৈ তেওঁ সুখীয়েই, কাৰণ এই পথত উন্নতি কৰিবৰ অজস্ৰ সুযোগ আছে। সেনগুপ্তই জীৱনত উন্নতি কৰিব খোজা মানুহ। অথচ এই সেনগুপ্তও কেতিয়াবা নিজৰ ওচৰত দুৰ্বল হৈ পৰে। তেওঁৰ বুকুৰ ভিতৰত বাৰে বাৰে কিছু অচিনাকি চিনাকি অনুভৱে কুট্‌-কুটাই থাকিবলৈ লৈছে। ......এটি অভিজ্ঞতা...... এটি অতৃপ্ত........, যিটো তেওঁ হেৰুৱাই পেলাইছে হঠাতে, সময়ৰ লগে লগে আৰু জীৱনৰ পৰিৱৰ্তনৰ লগে লগে। দিনৰ ভাগত তেওঁ ব্যস্ততাৰে পাৰ কৰে বাবে এনে বিশৃংখল চিন্তা ভাৱনাই তেওঁক আমনি কৰাৰ সুযোগ নাপায়। কিন্তু ৰাতি তেওঁ যেতিয়া বিচনাখনৰ ওচৰলৈ যায় আৰু বিচনাত বাগৰ দিয়ে, তেতিয়া তেওঁ খুৱেই অকলশৰীয়া অনুভৱ কৰে।...... কিছুমান বস্তু পাবলৈ তেওঁৰ প্ৰাণে হাঁহাকাৰ কৰি উঠে......, তেওঁ চট্‌ ফটাই থাকে ওৰে ৰাতি....... কিবা এক আদিম দুঃস্বপ্নই তেওঁক খেদি লৈ ফুৰে। তেওঁ পৰিত্ৰাণ বিচাৰে এই বিভীষিকাৰ পৰা। নিজৰ অজানিতেই তেওঁ গাখীৰ খুৱাই পুঁহি ৰখা সাপ এটিয়ে যেন ভোকৰ জ্বালাত তেওঁক দংশন কৰিবলৈ উদ্যত হয়। ....... এই দংশন বৰ বিষময়, ..... মনৰ অস্থিৰতা ক্ৰমে বৃদ্ধি পায় আৰু তেওঁ তাৰ সমাধান বিচাৰি সমস্ত চলাথ কৰে।



* * * * *

প্ৰতীক্ষাই কামৰ ভৰত আজিকালি নতুন কিবা এটা ভাৱিবলৈ আজৰিয়েই নাপায়। অৱশ্যে মাহটোৰ মাজৰ সপ্তাহ দুটাত বৰকৈ সময়ৰ অভাৱ অনুভৱ নকৰে তাই। বেংকৰ লেনদেন বোৰৰ পৰা আজিকালি তাই প্ৰায় মুক্ত হৈছে। বেছিভাগ কামেই চম্ভালে পুৰন্দৰে। মানুহ জনৰ লগত ইমান কম দিনৰ ভিতৰতে যে ইমান ভাল এটা সম্পৰ্কই গঢ় লব তাক তাই ভাৱিবই পৰা নাছিল প্ৰথমতে। দিনটোৰ বেছিভাগ সময় তাই লাইব্ৰেৰীতেই থাকে। আবেলি পৰত নিজৰ কোঠা পায়গৈ। ভাগৰে তাইক হেঁচা মাৰি ধৰে। বেগটো বিচনালে দলিয়াই তাই চোফাখনতে বহি পৰে কিছুসময়, তাৰপাচত কাপোৰ কানিবোৰ সলাই বাথৰুমলৈ গৈ হাত মুখ ধুৱে আৰু কিবা এটা খাই লৈ টি ভিটো আগত ৰাখি বিচনাত পৰে। নহ'লে চেল্‌ফৰ ভাল লগা উপন্যাস এখনত হাত থয়। আবেলিটো প্ৰায় এই ৰুটিনৰ মাজেৰেই পাৰ হয়।



অৱশ্যে দেওবাৰৰ দিনটোলৈ তাই অত্যন্ত হেঁপাহেৰে বাটচাই ৰয়......। পুৱাৰে পৰা তাই ঘৰৰ কাম বনবোৰ কৰি দুপৰীয়া অকনমান শুই.... কল্পনাৰ সাগৰত সোণবৰণীয়া জাহাজত উঠি পৃথিৱী জয় কৰাৰ স্বপ্ন ৰচে। শুই উঠি তাই গা পা ধুই ভাল লগা একোখন শাৰীৰে দেহটো ঢকাৰ যত্ন কৰে। কিন্তু তাই আজিকালি অনুভৱ কৰিছে কাপোৰবোৰৰ আঁৰত তাই যেন লুকাব নোৱাৰা হৈ আহিছে। ........ তাই বাৰু শকত হৈছে নেকি......? চাৰিবজাৰ লগে লগে আহি পায়হি তাইৰ মনৰ মানুহজন, বাকী সময়বোৰ হয়তো পাৰ্কত নহ'লে কোনোবা এটা চিনেমা ঘৰত পাৰ হয়।

* * * * *

ঃ প্ৰতীক্ষা...... পাৰ্কখনৰ ফুলবোৰ ইমান জাকজমকতাৰে ফুলিব ধৰিছে, ফুলবোৰে বাৰু ভাৱিছেনে দুদিনৰ পাছতযে সিহঁত শুকাবলৈ আৰম্ভ কৰিব.....?

প্ৰতীক্ষাই নিৰৱে শুনি গৈছে পুৰন্দৰৰ কথাবোৰ, তাৰপাছত কেৱল তাৰ দুচকুত চকু ৰাখি তাই চায়েই আছে বহুপৰ। সি তাইৰ স্থবিৰতা ভাঙি দিলেহে হয়তো তাই উভতি আহিব ভাৱনাৰ অটল গহ্বৰৰ পৰা বাস্তৱ জগতলৈ।

ঃ কি হ'ল...... তেনেদৰে চাই ৰ'লা যে?

ঃ কিয় সোধা তেনে প্ৰশ্ন?

ঃ এনেয়ে।

ঃ তুমিতো মোক সদায়ে দুখ দিয়াতেই থাকা.....!

ঃ তুমিতো মোক সদায়ে দুখ দিয়াতেই থাকা.....!

এইবাৰ তাই অন্য দিশে দৃষ্টি নিক্ষেপ কৰিলে,.... এই অভিযোগ যেন দূৰ দিগন্তৰ সিপাৰে কোনো স্থানত থকা পুৰন্দৰৰ আত্মাইহে শুনিব..... আৰু তাইৰ অভিমানবোৰ ভাঙিবৰ বাবে মৰমতে আকোঁৱালি লৈ দুগালে যেন দুটা চুমা আঁকি দিব.....। এনে মুহূৰ্তবোৰত সঁচাই প্ৰতীক্ষাক তেনেই সৰু ছোৱালী এজনী যেন লাগে। তাইৰ অভিমানবোৰতে যেন পুৰন্দৰে বিচাৰি পায় বহু জনমৰ কিছু মান অপ্ৰাপ্তিৰ প্ৰাপ্তি।

পুৰন্দৰে তাইৰ তেনেই কাষলৈ গৈ পুনৰ তাইৰ স্থবিৰতা ভঙ্গ কৰাৰ যত্ন কৰিছে।

ঃ ধেৎ আঁকৰি জনী.... চকুৰে দেখি থকা কিবা এটা সুধিলেও দুখ দিয়া হয়নেকি? হ'ব বাৰু এতিয়াৰে পৰা নুসুধো তেনে কথা, ব'লা এতিয়া সেই ডালিয়া কেইজোঁপাৰ কাষতে থকা আৰামী বেঞ্চখনতে বহোঁগৈ।

সেই আৰামী বেঞ্চখনেই সিহঁতৰ জীৱনৰ এটি বছৰৰ সুখ-দুখৰ ভু লোৱা বাবেই সুচল আৰু সুবিধাজনক স্থান। দুয়ো দুয়োকে ক্ৰমাৎ ওচৰৰ পৰা পাব বিচৰা হ'ল। এদিন সি তাইক কলে —

ঃ প্ৰতীক্ষা..... এইদৰে দূৰে দূৰে আৰু কিমান থাকিবা? আমি দুয়ো দুয়োকো ওচৰৰ পৰা চাবলৈ আৰম্ভ কৰিলে কেনে হয়........?

তাইৰ দেহৰ মাজেৰে কিবা এটা যেন অজান শিহঁৰণ পাৰ গৈ গ'ল........। তাই একোকে হা না কৰিব নোৱাৰিলে, মাথোঁ আৰু অকণমান কাষ চাপি গৈ পুৰন্দৰ হাতখনত জোৰেৰে চেপি ধৰিলে.......। এইকন সময়ে হয়তো দুয়োৰে হৃদয়ৰ ভাৱনা একীভূত হোৱাৰ বাবে যথেষ্ট। সিহঁতে সামাজিক বান্ধোনেৰে দুয়ো দুয়োকে এটা শুভ দিন বাৰ চাই বান্ধি পেলালে। এতিয়া সিহঁত আনৰ দৃষ্টিত ভিন্ন যদিও সিহঁতৰ দৃষ্টিত দুয়ো এক, এডাল ডোলৰ বন্ধনত আৱদ্ধ। প্ৰতীক্ষা আজি বহুত সুখী, হয় বহুত সুখী.......?

* * * * *

প্ৰতীক্ষা অসমত থকা আজি দুটা বছৰেই হ'ল অথচ কামাখ্যা মন্দিৰ দৰ্শন হোৱা নাই। হয়তো প্ৰথমে অকলে যোৱাত অসুবিধাবোধ কৰিয়ে নগ'ল বা পাছলৈ কামৰ ভৰত সময় উলিয়াব নোৱাৰিলে, কিন্তু আজি বিয়া হোৱাৰো চাৰি মাহেই হৈ গ'ল এতিয়াতো তাই যাব পাৰে। কথাতো ভৱাৰ লগে লগে তাই সিদ্ধান্ত কৰি পেলালে কাইলৈকে তাই কামাখ্যালৈ যাব। অলপো সময় নষ্ট নকৰি তাই পুৰন্দৰৰ ওচৰলৈ প্ৰায় দৌৰি যোৱাদি গৈ ক'লে —

ঃ চোঁৱা কাইলৈ কামাখ্যা মন্দিৰলৈ যাম, তুমি অফিচত চুটি লৈ আহিবা। নাযাওঁ বুলি নকবা কিন্তু। ময়ো আজিয়ে চুটি লৈ আহিম। পুৰন্দৰেও না নকৰিলে। কামাখ্যালৈ যোৱাৰ হেঁপাহ এটা তাৰো নথকা নহয়। সেয়েহে এক্বোৰতে কৈ দিলে যাম বুলি। তাইৰ মনতো তেতিয়াৰে পৰা কিবা এটা পৱিত্ৰতাৰে ভৰি পৰিল। সাউতকৈ গৈ তাই পাকঘৰত সোমালেগৈ একাপ চাহ খোৱা আৰু খুওৱাৰ মানসিকতাৰে। পুৰন্দৰেও চোফাতে বহি খন্তেক বাতৰিখনত চকু ফুৰালে। এনেতে কলিংবেলটো বজাত উঠি গৈ দুৱাৰখন খুলি দিলে। পিয়ন এজনে এখন চিঠি দি যায়। চিঠি খনলৈ সি কিছুসময় চাই থাকে। "কাৰ চিঠি হ'ব পাৰে বাৰু এই খন.....!" সি মনে মনে ভাৱিবলৈ ধৰিলে। গোট গোট আখৰেৰে লিখা আছে তাৰ ঠিকনা। "আখৰবোৰ দেখাত ডাঙৰ মানুহৰ হাতৰ আখৰ যেন নালাগে। কিন্তু.......?"

ইপিনে প্ৰতীক্ষাই চাঁহ খাবলৈ মাতি মাতি আমনি লগাত নিজে তাৰ চাহ কাপ লৈ আহিছে। তাই অহা দেখি চিঠিখন পকেটত ভৰাই থৈ পুনৰ বহি পৰিল চোফাখনতে।

ঃ চাহ লওক।

প্ৰতীক্ষাই চাহ কাপ তাৰফালে আগবঢ়াই দিলে। কিন্তু কাপটো তাৰ হাতত নৰৈ একেবাৰে মজিয়াতহে ৰ'লগৈ। ৰ'ল বুলিও একেবাৰে টুকুৰা-টুকুৰ হৈহে.......।

ঃ এহ....... গোটেই কাপোৰযোৰ তিয়াই পেলালহে, লংপেণ্টটো ডাঠ নোহোৱা হ'লে হয়তো ভৰিটোকে পুৰিলে হয়।

তাই টলকিবই নোৱাৰিলে....... কেতিয়া হাতৰ পৰা সৰি পৰিল চাহৰ কাপ-প্লেটযোৰ, ভাৱিছিল পুৰন্দৰে ধৰিছিল। সি যি কি নহওঁক লংপেণ্টটোৰ বাবেই ভৰিটো কথমপি ৰক্ষা পৰিল। চাহ আৰু তাইৰ খোৱা নহ'ল। তাইৰ কাপকে পুৰন্দৰক দি তাই পাকঘৰত সোমালেগৈ।

লাইব্ৰেৰীৰ পৰা আহোঁতে বাহিৰে বাহিৰে বজাৰ কৰি আনিলে তাই। যাৱতীয় কাম বনবোৰ আজি আবেলিয়েই কৰি প্ৰায় শেষ কৰিছে। পুৰন্দৰ অহালৈ বাট চাই চাই ভাত খোৱাকে নহ'ল তাইৰ। কিন্তু সি এতিয়া ৰাতি দহ বজা পৰ্য্যন্ত আহি নোপোৱাত তাইৰ মনত কিছুমান অন্তহীন চিন্তাই না না দিশৰ পৰা খুন্দিয়াবলৈ ধৰিলে, কি বা হৈছে......? ক'ত বা আছেগৈ ইমান দেৰিলৈকে.......? একো এটা নজনোৱাকৈ আগতেতো কলৈকো নাযায় ইত্যাদি ইত্যাদি। তাই বিচনাতে পৰি একেবোৰ কথাকে মনৰ ভিতৰতে পাগুলি আছে। বহুবাৰ ফোনো কৰিছে অফিচৰ লগৰ কেইজনলৈ। তেওঁলোকেও নাজানে কলৈ গৈছে, অফিচৰ পৰা নিৰ্দিষ্ট সময়তে ওলাই গৈছে বুলিয়েই তেওঁলোকে কৈছে।

এনেতে বাহিৰত স্কুটাৰৰ মাত শুনি বুকুখন তাইৰ কঁপি উঠিল। নিশ্চয় পুৰন্দৰেই.......। অথচ ইমান দেৰিকৈ অহা বাবে তাই সম্পূৰ্ণ নিশ্চিন্ত হব পৰা নাই। কেনেকৈবা আহিছে.......? খিৰিকিৰ গ্লাছেৰে বাহিৰলৈ চাই তাই দেখে ঢলং পলংকৈ আহি বাৰান্দাত থিয় হৈছেহি মানুহজন। হঠাৎ আজি এই পৰিবৰ্তন দেখি তাই একো বুজিব পৰা নাই। বুকুখন তাইৰ পুনৰবাৰ কঁপি উঠিছে। খং আৰু অভিমানে তাইৰ চকুপানী নিৰ্দিষ্ট সময়তকৈ কিছু আগতেই দুগালেৰে বোৱাই আনিছে। দৰ্জাখন খুলিয়েই তাই দৌৰি ভিতৰলৈ সোমাই গৈ বিচনাত পৰিলেগৈ। তাই গাৰুত মুখ গুজি কান্দিছে মাথো....... পাৰে মানে কান্দিছে। সেই মুহূৰ্তত তাই কন্দাৰ বাহিৰে অন্য একো কথাকে ভাৱিব পৰা নাছিল। পুৰন্দৰে তাইৰ পাছে পাছে ৰুমলৈ সোমাই গ'ল। তাইৰ প্ৰায় ওচৰতে বৈ লেজুবন্ধা কথাৰে তাইক কৈ গৈছে.....

ঃ তুমি কান্দিছা কিয়? নাকান্দিবা.... নাকান্দিবা.... চোৱা মই তোমাৰ বাবে এইয়া কি আনিছোঁ..... কল আনিছোঁ.... আৰু..... এইয়া চোৱা.... নাৰিকল এটাও আনিছোঁ.... আৰু বহুত কিবা কিবাকিবি....। কালিলৈ সোনকালে উঠিব লাগিব.... নাকান্দিবা এতিয়া সোনকালে শুই থাকা....।

সি কাষৰ বিচনাখনতে পৰিদিলে। হয়তো টোপনি গ'ল সি....। কিন্তু প্ৰতীক্ষা..... তাই জানো শুব পাৰিলে? তাই তাৰ জোতাযোৰ খুলি বিচনাত ভালকৈ শুৱাই আঁঠোৱাখন তৰি দিলে। তাৰ পাছত বিচনাত পৰি তাই কথাবোৰ ভাৱিবলৈ ধৰিলে। তাইটো তাক একো কথা সুধিবলৈকে সুযোগ নাপালে....। এনেদৰেই পাৰহৈ গ'ল বহু সময়। তেনেতে তাই শুনিবলৈ পালে বাৰ বজাৰ ঘণ্টাৰ শব্দ ক্ৰবাৰ পৰা ভাঁহি আহিছে। তাইৰ ভাৱ হ'ল এই দূপৰ নিশালৈকে তাইয়ে কেৱল সাৰে থকা নাই....., সাৰে আছে হয়তো তাইৰ দৰে আৰু বহুজন.......। তাৰ পাছত তাই হয়তো টোপনি গৈছিল। আগৰ দৰে ভাঁহি অহা ঘণ্টাৰ শব্দত তাই চকু মেলিলে। ঘড়ীটো চাই দেখে তেতিয়া চাৰি বাজিছে। বাৰ বজাৰ পৰা চাৰি বজাৰ মাজৰ সময়খিনিৰ কথা তাইৰ মনত নাই।

তাই বিচনা এৰি ঘৰৰ কামবোৰ কৰি গাটো ধুই উঠিছেহে.....। এনেতে পুৰন্দৰে উঠি আহি তাইক যাবৰ বাবে সাজু হ'বলৈ ক'লে। তাই বিশেষ একো কথাতে গুৰুত্ব নিদি কাম কৰি থাকিল। সি গা-পা ধুই আহি পুনৰ তাইৰ একেবাৰে কাষলৈ আহি ক'লেহি।

ঃ প্ৰতী......., চোঁৱা......... কালি হৈ যোৱা ঘটনাটো পাহৰি যাবলৈ চেষ্টা কৰিব নোঁৱাৰা.........!

তাইৰ জোৰেৰে বন্ধ কৰি ৰখা কান্দোনটোৱে এইবাৰ পাৰভাঙি সজোৰে ওলাই আহিল। চকুৰ পানীয়ে তাইৰ দুগাল ভৰি পৰিল। তাই কান্দি কান্দি তাৰ বুকুত ঢলি পৰিল আৰু বাৰে বাৰে সুধিলে —,

ঃ কিয়, কিয় তুমি তেনে কৰিলা?

সিয়ো দুখেৰে কবলৈ ধৰিলে—,

ঃ প্ৰতী, চোৱা, এতিয়াৰে পৰা আৰু কেতিয়াও তেনে কাম নকৰোঁ....। তাই শান্ত হ'ল।

ঃ আৰু এটা কথা —

ঃ কি?

ঃ হঠাৎ ওপৰৰ পৰা কাগজ আহিছে, মই এমাহৰ বাবে মুম্বাইৰ হেড্অফিচলৈ এটা বিশেষ ট্ৰেইনিঙত যাব লাগে।

কথাযাৰে প্ৰতীক্ষাক হুলে বিন্ধাদি বিন্ধিলে।

ঃ আৰু যাব লাগিব আজিয়েই ঠিক দুই বজাৰ ৰাজধানী এক্‌ছপ্ৰেছত। মই প্ৰথমতে ফ'ন কৰি হেড অফিচৰ লগত যোগাযোগ কৰিছিলো জানোচা নগ'লেও হয়, কিন্তু নাই একো লাভ নহ'ল, যাবই লাগিব।..... সেয়েহে ভাৱিলো ইয়াতনো তুমি অকলে কি কৰিবা, গতিকে তোমাকো লগত লৈ যোৱাৰ কথা ভাৱি অফিচত এখন দৰ্খাস্ত দি তোমাৰ ছুটি মঞ্জুৰ কৰাই আহি বাহিৰে বাহিৰে ৰেলষ্টেচনলৈ গৈ দুটা টিকেট বুক কৰি আহিলো। আৰু ৰাতি.......।

প্ৰতীক্ষাই এইবাৰ পুনৰ কান্দিলে।

ঃ নাকান্দিবা মই এমাহৰ বাবেহে যাবলৈ ওলাইছো........., আৰু এটা কথা ভাৱিছোঁ..........,

ঃ কি কথা?

তাই সুধিলে,

ঃ তুমি মোৰ লগত যোৱাতকৈ তোমাক তোমাৰ মাৰাৰ ঘৰত থৈ গ'লে কেনে হয়? বহুদিন মাকো লগপোৱা নাই।

ঃ তুমি ভাৱিছা যেতিয়া কৰিবা কি ভাল দেখা.......।

প্ৰতীক্ষাই সকলো কথা সহজেই মানি ললে।

ঃ হ'ব তেনেতে, এতিয়া সোনকালে ওলোৱাগৈ, আঁঠ বাজিছেই দহমান বজাত আহি পাবহিয়ে লাগিব। ভালেই হ'ব দিয়া যোৱাৰ আগতে এবাৰ কামাখ্যা দৰ্শন কৰি গ'লে মনটোৱে ভাল লাগিব।

দুয়ো স্কুটাৰেৰে গৈ কামাখ্যা মন্দিৰ পালেগৈ। এঘণ্টা মান মন্দিৰত থাকি দুয়ো ওভতি আহিল।

ঃ প্ৰতী তুমি নামা, মই টিকেট দুটা লৈ আঁহোগৈ। সাজু হৈ থাকিবা কিন্তু।

প্ৰতীক্ষাক পদূলিত নমাই পুৰন্দৰ ৰেল ষ্টেচনলৈ গ'ল। তাই বাধা নিদিলে। তাই গেটৰ পৰা ভিতৰলৈ সোমাই বাৰাণ্ডাত এগৰাকী মহিলাৰ লগত আঁঠ দহবছৰীয়া ল'ৰা এটাক দেখি আচৰিত হৈ খৰধৰকৈ আহি মহিলা গৰাকীলৈ চাই বঃকচোন বুলি কৈ দৰ্জাখন খুলি ভিতৰলৈ সোমাই গ'ল।

ঃ মা-এইয়া কোন? দেউতা ঘৰত নাই যে ক'লৈ গ'ল?

মহিলা গৰাকীয়ে একো নামাতি কিবা ভাৱত বিভোৰ হৈ পৰিল। "মা-দেউতা ঘৰত নাই নেকি?" প্ৰতীক্ষাৰ মূৰটো যেন আচন্দ্ৰাই কৰি গ'ল। তাই বিশেষ একো বুজিব নোৱাৰি বাহিৰলৈ আহি দুৱাৰ মুখ পাইছেহিহে। এনেতে পুৰন্দৰক দেখি অম্লানে "দেউতা দেউতা" বুলি চিএঞৰি চিএঞৰি স্কুটাৰৰ ওপৰত একে জাপে বহি ললে।

ঃ বাবা, তোমালোক আহি পালাহি........., মই আক' দুদিনমানৰ পাছত আহিম বুলিহে ভাৱিছিলো। সেয়েহে ষ্টেচনৰ পৰা আনিবলৈ যোৱা নহ'ল বুজিছা.....।

ঃ দেউতা আমাৰ ঘৰত সেইযে ধুনীয়া আণ্টি গৰাকী ও থাকে নেকি? ..... এইবাৰ পুৰন্দৰ একেবাৰে নিৰ্বাক হৈ পৰিল কি উত্তৰ দিব সি.....? এতিয়া পুত্ৰৰ হাততেই সি ধৰাশায়ী। তাৰ সকলো পূৰ্ব পৰিকল্পনা অথলে গ'ল, এতিয়া তাৰ চাৰিওফালে সি কেৱল আন্ধাৰকে দেখিছে। কণমানি ল'ৰাটোৰ কাষত বৈ সি মাথো চাই আছে বিশাল আকাশখনলৈ। তাৰ দৃষ্টিত নীলা আকাশখনো যেন ক্ৰমাৎ ডাৱৰে ভৰি পৰিছে.....। ■





# প্ৰৱঞ্চনা

দীপিকা দত্ত
*স্নাতক ২য় বৰ্ষ (কলা শাখা)*



কান্দি কান্দি ভাগৰি পৰি খিৰিকিৰে বাহিৰলৈ চালে নমিতাই তাইৰ সেমেকা চকুযুৰিৰে। এখন শান্ত, ধূসৰ পৃথিৱী। এমুঠি জোনাকেৰে আধা ঢাক খাই থকা এখন অচিন পৃথিৱী। এমুঠি পাতল ডাৱৰ নীৰৱে বুকুত সাৰটি লৈ আকাশখন যেন শুই আছে। এখন নীলা আকাশ, শান্ত, সজীৱ।

নমিতাই ভাবিলে, সৌৱা আকাশত জোন, জিক্‌মিক্ এজাক চঞ্চল তৰা। কিন্তু তাইৰ হিয়াত জোন নাই, তৰা নাই। তাইৰ পৃথিৱীত ফুল নাই, স্বপ্ন নাই, বসন্ত নাই, আশা নাই। একোৱে যেন নাই তাইৰ জীৱনত।

নিমাতী পৃথিৱীখনত ইমান বেদনা, ইমান আঘাট! ইমান নিষ্ঠুৰ কিয় এই নিয়তি? খুউব জোৰেৰে চিএঞৰি কান্দি দিবলৈ মন গ'ল তাইৰ। কিন্তু নোৱাৰিলে। বুকুৰ মাজত এটা গধুৰ বেদনা অনুভৱ কৰিলে তাই। গাৰুটো তাইৰ দুচকুৰ পানীৰে তিতি গ'ল। বুকুখন জোৰেৰে ভুকুৱাই দিবলৈ মন গ'ল তাইৰ। কিন্তু কিয়?

নমিতাই পাগলীৰ দৰে নিজকে প্ৰশ্ন কৰিলে - আত্মহত্যা কৰি প্ৰতিশোধ লব নেকি বাৰু তাই? যিজনে উপেক্ষা কৰি তাইক বহু দূৰলৈ ঠেলি দিছে আত্মহত্যা কৰি তাই তাৰ ওপৰত প্ৰতিশোধ ল'ব পাৰিব জানো? বিকাশৰ চিঠিখন দুহাতত লৈ এজনী সৰু ছোৱালীৰ দৰে ফেকুৰী ফেকুৰী কান্দি উঠিল তাই। কন্দাৰ বাহিৰে কিবা কৰিব পাৰিব জানো তাই। এইখন যেন বিকাশৰ চিঠি নহয়, তাইৰ বাবে একোপাত শেলৰ নিৰ্মম আঘাট।

সিদিনা বিকাশৰ পৰা পোৱা চিঠিখনৰ কথা মনলৈ আহিল। সি তাইলৈ লিখিছে - "তুমি মোৰ জীৱনৰ পৰা আঁতৰি যোৱা নমিতা। মোৰ জীৱন পথত তুমি প্ৰাচীৰ হৈ নাথাকিবা। আমাৰ দুয়োৰে প্ৰেমক তুমি এটা দুৰ্ঘটনা বুলি পাহৰি যোৱা।

উহ! বিকাশ তুমি এয়া কি কৰিলা? তুমি ইমান দয়াহীন, ইমান নিষ্ঠুৰ কেনেকৈ হ'ব পাৰিলা? নিঃশব্দে হাঁহাকাৰ কৰি উঠিছিল তাইৰ অন্তৰে। তাই অনুভৱ কৰিলে তাইৰ সমান দুৰ্ভগীয়া এই পৃথিৱীত যেন দ্বিতীয় এজন নাই। তাইৰ দৰে যেন কোনেও এনে নিৰ্মল আঘাট পোৱা নাই।

বিকাশ আৰু নমিতাৰ চিনাকী হৈছিল কোনো এক শুভ মূহূৰ্তত। এই চিনাকীয়েই এদিন দুয়োৰে মাজত অংকুৰ মেলি দিছিল পবিত্ৰ ভালপোৱাৰ। দুয়ো দুয়োৰে প্ৰতি বিনিময় কৰিছিল আন্তৰিক অনুৰাগ, আব্দাৰ কিম্বা অভিযোগ অথবা প্ৰতিশ্ৰুতি কোনোদিন বিচ্ছেদ নোহোৱাৰ। দুয়ো দুয়োকে খুব ভাল পাইছিল।

এনেদৰেই দিনবোৰ আগবাঢ়িছিল।

আজি তাইৰ বৰকৈ মনত পৰিছে বিকাশৰ সৈতে কটোৱা মধুৰ অন্তৰংগ মূহূৰ্তবোৰলৈ। কত যে মধুৰ আবেলি পাৰ কৰি দিছিল দুয়ো লুইতৰ ৰূপালী বালিৰ ওপৰত। কত যে গধূলি সিহঁতে কটাইছিল নেহৰু পাৰ্ক, শুক্ৰেশ্বৰ ঘাট অথবা বশিষ্ঠাশ্ৰমৰ সেই মনোৰম সেউজীয়া পৃথিৱীত। কিমান কথা পাতিছিল ফুল-তৰা-গানৰ, আকাশৰ, চৰাইৰ অথবা সপোনৰ। হাঁহিছিল, দুয়ো-দুয়োলৈ চাই ৰৈছিল কত মুহূৰ্ত একেথৰে অপলক দৃষ্টিৰে....। তেতিয়া তাইৰ মোহ উপজিছিল তাইৰ জীৱনটোৰ প্ৰতি। তাই ভাবিছিল, তাইৰদৰে সুখী হয়তো দ্বিতীয়জনী নাই এই পৃথিৱীত। সঁচাকৈয়ে জীৱনটো কিমান সুন্দৰ।

কিন্তু আজি......? বিকাশৰ দুঃসংবাদ কঢ়িয়াই অনা চিঠিখন হাতত লৈ তাই চাই আছে দূৰ দিগন্তলৈ। য'ত মিলিত হ'ব পাৰিলে তাই হয়তো এই পৃথিৱীৰপৰা পলাই যাব পাৰিব। পাহৰিব পাৰিব বিষাদ, যন্ত্ৰণাৰে ভৰা এই ক্লেদাক্ত পৃথিৱীৰ বিস্বাদ স্পৰ্শ। বুকুৰ বেদনাবোৰ গলি গলি তাইৰ দুচকুৰেদি চকুলো হৈ বাগৰি আহিল।

বিকাশ এদিন গুচি গৈছিল সুদূৰ আমেৰিকালৈ। ইউনিভাৰচিটিত

গৱেষণা কৰিবলৈ। আনন্দ তাইৰ নলগা নহয়। লাগিছিল খুবেই। কিন্তু কিছু বেদনাও অনুভৱ কৰিছিল তাই। তথাপি তাইৰ এই ভাবিয়েই আনন্দ লাগিছিল যে দুবছৰ বিচ্ছেদৰ বেদনাৰ পিছতে তাইৰ মৰমৰ বিকাশ ঘূৰি আহিব তাইৰ কাষলৈ। কিমান যে আনন্দ লাগিব সেইদিনা। গতিকে দুবছৰ বিচ্ছেদৰ দুখবোৰক তাই উভতি অহাৰ পিছৰ সুখবোৰৰ সৈতে তুলাচনীত তুলি দিছিল। তেতিয়া সুখবোৰৰ ওজন বেছি হৈ পৰিছিল তাইৰ ওচৰত।

নমিতাৰ মনত আছে, আমেৰিকালৈ যোৱাৰ দিনা ৰাতিপুৱা গোপীনাথ বৰদলৈ এৰোড্ৰামত আত্মীয়-স্বজন, বন্ধু-বান্ধৱী বহুতো গোট খাইছিল। নমিতাও গৈছিল বিকাশক আগবঢ়াবলৈ। তাই ওলাই আহিব খোজা চকুপানী আৰু চেপা ক্ৰন্দনটো কোনোমতে সম্বৰণ কৰি বিকাশক বিদায় দিছিল।

তাইৰ মনৰ বেদনাবোৰৰ উমান পায়েই হয়তো সি তাইক মৰমেৰে কৈছিল - "মাত্ৰ দুটা বছৰহে নমিতা, কোনোমতে কটাই দিবা। আকৌ উভতি আহিলে কিমান যে ফূৰ্তি হ'ব। তোমালৈ মই গৈয়েই চিঠি দিম। তুমি চিন্তা নকৰিবা।

বিকাশৰ বুজনিত নমিতাৰ মনটো কিছু সজীৱ হৈ উঠিছিল। বিশাল নীলা আকাশখনত লাহে লাহে প্লেনখন হেৰাই যোৱালৈ হাত জোকাৰি তাই চাই ৰৈছিল একেথৰে। এৰোড্ৰামৰপৰা উভতি অহা সমগ্ৰ পথ তাই কেৱল বিকাশৰ কথাকেই ভাবি আহিছিল। নমিতাৰ বুকুখনৰ কোনোবাখিনিত যেন হাতুৰীৰে কোবোৱাৰ দৰে বিষাইছিল। বুকুখন সুদা সুদা অনুভৱ কৰিছিল তাই। তথাপি নিজকে প্ৰত্যয় নিয়াবলৈ যত্ন কৰি মনে মনে বিকাশৰ শুভ কামনা কৰি প্ৰাৰ্থনা কৰিছিল ভগৱানৰ ওচৰত।

এনেদৰেই পাৰ হৈ গৈছিল বহু দিন বহু ৰাতি। সেইদিনা, যিদিনা তাই বহুদিনৰ বিৰতিৰ পাছত বিকাশৰ পৰা চিঠিখন পাইছিল। সকলো কাম-বন কৰি আজৰি হৈ তাই যেতিয়া চিঠিখন খুলি লৈছিল তেতিয়া বহুত ৰাতি। পৃথিৱীখন নীৰৱে টোপনিত লালকাল। দিনৰ ব্যস্ততাৰ পিছত সকলোৱে যেন নিৰৱে নিশ্চিন্তভাৱে শুই আছে। কিন্তু সাৰে আছে মাথো জিলমিল এজাক তৰা আৰু সাৰে আছে এটি নিষ্পাপ আশাবাদী নাৰীৰ মন।

টোপা টোপে সৰি পৰা চকুপানীবোৰ আঁচলেৰে মচি নমিতাই আকৌ শেষবাৰৰ বাবে মেলি লৈছে বহুদিনৰ মূৰত পোৱা বিকাশৰ চিঠিখন।

মৰমৰ নমিতা,

আজি তোমাক যিটো কথা ক'ম তুমি হয়তো সপোনতো শুনিম বুলি ভবা নাছিলা। কিন্তু কি কৰিম? ই যে বাস্তৱ সত্য। তুমি মোক ক্ষমা কৰিবা। ভুল কৰাটো একো অস্বাভাৱিক নহয়। ভুল শুধৰণিৰ সমষ্টিয়েইটো আমাৰ জীৱন। মোৰ গৱেষণা শেষ হৈছে। কৃতকাৰ্যও হৈছো। কিন্তু মই এতিয়া আৰু নিজ দেশলৈ উভতি যাব নোৱাৰো, মানে নোযোৱাৰ সিদ্ধান্তই লৈছো। মোক ক্ষমা কৰিবা। তুমি জানাই মই যে খুউব দুৰ্বল। এৰিণাৰ অপৰূপ সৌন্দৰ্য আৰু সান্নিধ্যত মই সকলো পাহৰি গৈছো। এৰিণাক মই বিয়া কৰাই ইয়াতেই আৱদ্ধ হৈ পৰিলো। গুৱাহাটীলৈ উভতি যোৱাৰ কথা মই ভবা নাই। মোৰ ওপৰত তুমি কোনো বেয়া ভাব নাৰাখিবা। তোমাৰ পৰা আশীৰ্বাদ পোৱাৰ কামনাৰে —

ইতি

তোমাৰ 'বিকাশ'

চিঠিখন পঢ়াৰ পিছত নমিতাৰ বুকুৱে আকৌ এবাৰ হাহাকাৰ কৰি উঠিল। উহঃ বিকাশ তুমি কেনেকৈ ইমান নিষ্ঠুৰ হ'লা? তুমি জানো সঁচাকৈ মোক বাদ দি, মোক প্ৰৱঞ্চনা কৰি এৰিণাক লৈ সুখী হ'ব পাৰিবা? নিমিষতে তাইৰ চকুযোৰ জ্বলি উঠিল। আউলি-বাউলি চুলিৰে তাই ঘৰৰ বাহিৰলৈ ওলাই আহিল। তাই কলৈ যাব যেন নিজেই নাজানে। মাত্ৰ আন্ধাৰে আবৰি থকা গলি এটাৰে তাই আগুৱাই গ'ল সন্মুখলৈ। নিশাটো শেষ হ'বলৈ তেতিয়াও কিছুপৰ বাকী। ■





# কবিতা

# নতুন দিনৰ গান

*(সুন্দৰৰ সূত্ৰধাৰ অমিয় সন্দিকৈৰ হাতত)*

**শিৱ প্ৰসাদ গগৈ**

বাৰুদৰ ধোঁৱা আঁতৰি যোৱাৰ পাছত
দুচকুত জিলিকিব সাতোৰঙী ৰামধেনু
জনাম স্বাগত,
পুৱতি পখীৰ কাকলিত
আকৌ আৰম্ভ হ'ব নতুন এটি দিন
বকুল তলত বহি পুনৰায় আওঁৰাম আমি
জীৱনৰ আদি পাঠ
তাহানিতে এৰি থৈ অহা ল'ৰালি কালত।

আগচোতালত ৰ'দৰ উমলৈ ফুলি থকা গোলাপ জোপাত
উৰি উৰি আহি পৰিবহি
নান্দনিক এটি দুটি স্বপ্নীল পখিলা,
পুৱাৰ ভৈৰৱী সুৰে আমাৰ হৃদয়বোৰ সাৱতি লবহি
তাতেই আমি যে বিছাৰি পাম
আইৰ মৌ-মিঠা মাত চেনেহী একোলা।
পেঁপাৰ মাতত উৰুলিকৃত হৈ
আকৌ নাচিম আমি বহাগৰ উৰণীয়া নাচ
পলকতে পাহৰি যাম দুৰ্দ্দিনৰ তেজে ধোৱা আকুল যন্ত্ৰনা
এইখনি পৃথিৱীতে
আমিয়ে আকৌ বিছাৰি পাম আমাৰ হেৰোৱা ঠিকনা
পাৰহে আহি জীৱনৰ যতমানে দুঃসহ কঢ়াল বেদনা। ■

# ফাটবিহু

**হেমেন দলে**
*দ্বাদশ শ্ৰেণী, বিজ্ঞান শাখা*

উমলি জামলি
ধেমালিৰ বালিঘৰ সাজি
ৰামধেনুৰ ৰঙেৰে
প্ৰেমৰ সাতোৰঙ সানি
ৰঙীণ কৰি তুলি
প্ৰৌঢ়-প্ৰৌঢ়া সকলোৰে
ৰজনজনাই উঠে ফাট বিহুৰ তলী।
কেঁচা মাটিত জন্ম
ঐক্য-সম্প্ৰীতিৰ প্ৰতীকস্বৰূপ ফাট বিহু
বিভিন্ন জনগোষ্ঠীৰ সমন্বয় তলী।
নদীখনে নিৰ্বিকাৰে আঁকে ছবিবোৰ
নাম চাৰিকড়ীয়া
চিৰ চঞ্চলা, লাস্যময়ী,
স্ৰোতস্বিনী, কালস্ৰোত যাৰ পৰিচয়।
বহাগৰ কোনোবা এদিন
ঢোল পেপাঁৰ গুমগুমনি
ফাট বিহুৰ নাচোনৰ লয়লাস।
সময় বোকোচত বান্ধি
হৃদয় সেউজবুলীয়া কৰি
প্ৰেমৰ কুঁহিপাতবোৰ
আৰু সেউজীয়া হয়
ফাট বিহুৰ বুকুত।
হাবুং ঃ আহল-বহল পলসুৱা আৰ্দ্ৰভূমি
হাবুঙৰ বুকুতেই ম'হঘুলি
হাবুকৰ বুকুতেই চাৰিকড়ীয়া
ম'হঘূলিৰ বুকুত ফাট বিহু
গানৰ সুৰত সুৰ মিলাই
ঢোলৰ লগত তাল মিলাই
ফাটবিহুৰ উতনুৱা সুৰত বাউলী
অসমীয়া, মিছিং দে উৰী সকলো
ঐক্য-সম্প্ৰীতিৰ এনাজৰীডাল আৰু দৃঢ় হয়
ফাট বিহুৰ সান্নিধ্যত
ম'হঘূলিৰ বুকুত। ■



## প্ৰেমৰ বৰ্ণমালা

জয়কুমাৰ শইকীয়া
*স্নাতক ৩য় বৰ্ষ, কলা শাখা*

তোমালৈ লিখিছো
কেইটামান প্ৰেমৰ বৰ্ণ।

নিৰৱতাত কিয়
তোমাৰ দুচকুত উজ্বলি উঠে
এটোপাল সেউজীয়া ৰ'দ।

মোৰ বুকুৰ বাৰিষাত
তুমি
অশ্ৰুৰ বাণ হৈ আহা।

কেনেকৈ বুজাম তোমাক
নীলা মেঘবোৰ
বৰষুণ হৈ নামি আহে
এজাক জোনাকীৰ সতে

বন্ধু,
মোৰ প্ৰেমৰ বৰ্ণমালা
তোমালৈকে পঠালো
সেউজ ঠিকনাত
কেইটামান অ-আ-ক-খ। ■



## ঠিকনা বিচাৰি

হীৰা মণি লামু বৰুৱা
*স্নাতক ১ম বৰ্ষ, অসমীয়া বিভাগ*

দিবা নেকি বন্ধু, এটি ঠিকনা মোক
বিচাৰিবলে এখন নিৰ্মল আকাশ
শান্তিৰে শুবলে এটা মাত্ৰ ৰাতি
এজাক বৰষুণ খুজি আনিম
ধুই নিকা কৰিবলৈ পৃথিৱীৰ অসূয়া-অপ্ৰীতি।
দিবানেকি বন্ধু, এটি ঠিকনা মোক
বিচাৰিবলে এখন সেউজীয়া পথাৰ,
হেঁপাহেৰে সেৱন কৰিবলে এজাক স্বচ্ছ বতাহ
এমুঠি শইচ কাটি আনিম,
সকলোৰে মিলিজুলি পাৰ কৰিবলে দিন আৰু ৰাতি।

দিবানেকি বন্ধু, এটি ঠিকনা মোক
বিচাৰিবলে এখন পঁজা ঘৰ
কথা পাতি পাৰ কৰিবলে এটি উজাগৰী নিশা,
য'ত থাকিব স্নেহভৰা পিতৃ-মাতৃৰ
কোমল হাতৰ স্পৰ্শ আৰু
কণমানিৰ ফুটা-নুফুটা এটি দুটি মাত। ■





## সূৰুযমুখীলৈ একলম

মেঘাশ্ৰী দত্ত
*স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ*

"তই দীঘলকৈ সেওঁতা নাফালিবি সূৰুযমুখী
নাগাবি ৰুণজুণ সেউজীয়া গান
তোৰ দুচকুৰ পতাত কাজল নলবি, এনেয়ে ধুনীয়া তোৰ চকুযুৰি।
ভৰা নদীত মুখ নাচাবি সূৰুযমুখী,
দেওলগা ঘাটে দোষ ধৰিব,
ঘনে ঘনে পদূলিলৈ নোলাবি, উতনুৱা ল'ৰাজাকে পদূলি গৰকিব।
বাঁহৰ চাৰিবেৰৰ মাজত গা নুধুবি তই
আকাশখন বলীয়া হ'ব।
বতাহ আহিলে কাপোৰসাজ টানি-টুনি লবি
বতাহজাক বৰ নিলাজ অ'
সুবিধা পালেই চুই যাব তোক
তোৰযে এতিয়া গাভৰুদেহ ঢকাৰ সময়।".
তোৰযে এতিয়া গাভৰুদেহ ঢকাৰ সময়।".
—গাভৰুকালৰ আইৰ এই সঁকিয়নী আজিও মনত পৰেনে তোৰ?

সূৰুযমুখী,
আজিও আছেনে তোৰ ওঁঠৰ সেই ফুটো-নুফুটো হাঁহি
তোৰ সেই দুহাতেৰে আজিও সিঁচনে বাৰু সপোন ফুলৰ গুটি
ৰাতি-ৰাতি বাজেনে তোৰ বন্ধ কোঠাত ভায়লিনৰ সুৰ,
লিখনে বাৰু তই মোলৈ ঠিকনাবিহীন চিঠি?

তই বেইৰ তলত বহাৰ দিনৰে পৰা মই
তোৰ চহৰৰ পৰা নিৰুদ্দেশ
তেতিয়াৰ পৰাই মই কবি
মোৰ গোটমৰা তেজবোৰ ক্ৰমশঃ চিঞাহী হয়
মোৰ সপোনবোৰ এচকল-এচকলকৈ খহে
বাৰিষাৰ গৰাখহনীয়াৰ দৰে।



সেয়ে আজিকালি উকা কাগজত
তোৰ প্ৰতিচ্ছবিকেই আঁকো
তোলৈ চিঠি লিখিবও নোৱাৰি
কাৰণ,
তইযে আজি সেন্দুৰৰ ৰক্তৰেখাৰে সীমন্তিনী! ■



## অনুভৱৰ তুলিকাৰে

জুৰি ভূঞা
*স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ*

মোৰ অনুভৱী হৃদয়খনত তুমিয়েইটো সিঁচি দিলা
নানাৰঙী কঠিয়াৰ বীজ।
সজীৱতাৰ ঘ্ৰাণ বিচাৰি বাউলী হ'ল এপাহি ৰজনীগন্ধা।
উন্মনা হোৱা দেহ-মনেও খুটিয়াই চাব জনা হ'ল
জোনাকী হৃদয়ত নিশাৰ নিস্তব্ধতা
যৌৱন নদীৰ তৰংগায়িত কোবাল ঢৌৰে
ছিঙি নিয়ে হাজাৰ জনৰ দাসত্বৰ বন্ধন
সৃষ্টি হয় নতুন প্ৰজন্মৰ।
নৈশব্দতাৰ প্ৰাচীৰ ভাঙি বাগৰি অহা
তোমাৰ বুকুৰ ঘন ঘন স্পন্দনে
কাতৰ কৰি তোলা নাইনে
পুত্ৰস্নেহত দগ্ধ হোৱা হাজাৰ জননীক?
উৰুখা চালৰ তলত বহি, মেলি লওঁ কেতিয়াবা
তোমাৰ স্বাক্ষৰিত স্মৃতিৰ ভাঁজবোৰ
কিন্তু সিহঁতবোৰেও মোৰ দেহত মেলি দিয়ে
একো একোটা বিষাক্ত কীট
একোটা মায়াসনা গোপন গধূলি। ■



# বয়সে গৰকা দিন

জিনা দত্ত
*স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ*

চাৰিকড়িয়া পাৰৰ
সেউজ ঘাঁহনিত
লাগি ৰ'ল তোমাৰ মোৰ
শৈশৱৰ হাঁহি ধেমালিবোৰ।

যৌৱনৰ দুৱাৰ দলিত
অগা-দেৱা কৰা
তোমাৰ মোৰ ভবিষ্যতৰ আশা
হেৰাই গ'ল অজানিতে!

আজি সকলো শেষ হ'ল
জীৱনৰ আবেলি বেলা।
হৃদয়ত জ্বলি উঠা একুৰা জুই
যাৰ তাপত মই ছাই হৈ পৰো।

"সন্ধিয়াটো মাতাল হোৱাৰ দৰে হয়"
আধুনিকতাৰ নামত সিহঁতে পাতিছে
কিহৰ খেলা।
প্ৰেমিক-প্ৰেমিকা যুগল দেখিলে মনত
জুই জ্বলে,
সিহঁতে আধুনিকতাক প্ৰশ্ৰয় দি
ৰাষ্টাই ঘাটে পাতিছে কিহৰ মেলা। ■



# সুৰৰ সন্ধানত

অনুৰূপা দত্ত
*একাদশ শ্ৰেণী, বিজ্ঞান শাখা*

এটি ছাইৰঙী সপোনৰ আমেজত
মাতাল হৈ থাকোতে
কিয় জগালি মোক
মইয়ে এতিয়া হেৰুওৱা সুৰৰ সন্ধানত মগ্ন।

যিদিনা সুৰবোৰ আছিল মোৰ বুকুত
পুৱা-গধূলি বুকুৰ ভিতৰত প্ৰতিধ্বনিত হৈছিল
আৱতিৰ ধ্বনি।
সুখবোৰে বুকুত দোলা দিলেই
সুৰবোৰে গুন-গুনাইছিল,
সপোনবোৰ জলমলাইছিল।

কিন্তু, যিদিনা সুৰবোৰ হেৰাইছিল হঠাতে
বুকুৰ কোনোবাখিনি সেইদিনাৰে পৰা উকা
এতিয়া বতাহৰো অস্পৰ্শিত সেই ঠাই
এতিয়া মাথো উকা হৃদয়, উকা মন!

সেইয়ে নজগাবি মোক
মোক এটা সপোন ৰচিবলৈ দে
আকৌ মোৰ বুকুত থিতাপি লবহি সুৰবোৰে
যিদৰে আহে সুখৰ পিছত দুখ আৰু দুখৰ পিঠত
উঠি আহে সোনালী সুখ
ঠিক তেনেকৈয়ে, ঠিক তেনেকৈয়ে!! ■





# আত্মস্থ

দেৱযানী গগৈ
*স্নাতক ৩য় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ*

আপুনি মোক নেদেখাকৈ
আপোনাক মই নেদেখাকৈ
বেৰাবোৰ তৰি দিছো
আটোম টোকাৰিকৈ,
অকস্মাত
সীমাৰ পাৰ হোৱা লতাবোৰো
ছিঙি দিছো
গজালি মেলা সময়ৰ সুৰুঙাত।

সীমাৰ সিপাৰে
জিলিকি উঠিলে সুখৰ ৰং
ঈৰ্ষাৰ জুই জ্বলে ইপাৰে
যেন পুৰি নিব ৰঙৰ তুলিকা!

সিপাৰৰ বৰষাসিক্ত নিশাত
ইপাৰে কিন্তু চিৰনব্য হাঁহিৰ খলকনি
যেন
সমস্ত সুখে দিলেহি ধৰা!
প্ৰতিযোগিতাৰ মৰিচীকাত
পকী ঘৰৰ চূড়াই চুৰে আকাশ
ভাঙি ভাঙি নিশাৰ নিৰৱতা
যান্ত্ৰিক কণ্ঠই
ৰাগীত মতলীয়া কৰে

সুবিধা হ'লেই
গাজি উঠে আপোনাৰ বন্দুক
গাজি উঠে মোৰ বন্দুক
একে পথ হৈও
ইজনে সিজনক নিচিনাৰ অতীৱ আখৰা
ক্ৰমশ ঃ
আপুনি মোক নেদেখাকৈ
আপোনাক মই নেদেখাকৈ
বেৰাবোৰ তৰি দিছো
আটোম-টোকাৰিকৈ। ■

# অনুভৱ মোৰ প্ৰেমৰ

হৰ্ষচন্দ্ৰ টাইদ
*স্নাতক ১ম বৰ্ষ, প্ৰাণী বিজ্ঞান বিভাগ*

মোৰ সেউজীয়া পথাৰত তুমি ভৰি নিদিয়াৰ বহু পূৰ্বে
অনিশ্চিয়তাৰে অংকুৰিত হালধীয়া সপোন মোৰ বালি-চাপৰিত বন্ধকত
থৈ আহিলো।
প্ৰতিটো বিনিদ্ৰ তিমিৰাছন্ন নিশি মৃদু কঁপনি জোকাৰে মোৰ হৃদয় গৰ্ভত
তোমাৰ প্ৰেমৰ প্ৰসৱ বেদনা,
মোৰ বুকুৰ দুৱাৰত এবাৰ টুকুৰিয়াই চোৱাহিচোন,
তোমাৰ পঞ্চাংগুলিৰ স্নিগ্ধ স্পৰ্শত হৃদয়ৰ নিভৃত কোণত পঞ্জীভূত কোমল
সেউজীয়া সপোনবোৰ সাৰ পাই উঠিব আৰু
তুমি মোৰ "প্লেট্নীক" প্ৰেমৰ অনাস্থা বিনিময়ক আলাপ প্ৰেম
প্ৰেম "চকলং"ৰ উৰুলীকৃত বাস্তৱ ধ্বনি। ■



# আমাৰে মইনা শুব এ

বিকাশ গগৈ
*স্নাতক ১ম বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ*



মই গাঁৱৰ মানুহ। গাঁৱৰ বোকাপানী
মোৰ প্ৰথম সহচৰ, প্ৰথম ভালপোৱা
মোৰ জিভাত আইৰ নিভাঁজ মাতৃভাষা
এপিয়লা পকা ধানৰ সুবাস আমাৰ প্ৰাণৰ তৃষ্ণা।

ন-জোনটো ওলালেই আয়ে দেখুৱাইছিল
কিন্তু সূৰ্যটো নেদেখুৱায়। কাৰণ সূৰ্যটো হেনো
বৰ তেজস্বী। ন-জোনটোৰ অন্বেষণতেই মাটিৰ ফলিত
আঁক এটা মাৰি আয়ে শিকাইছিল একে একে দুই বুলি
মই কৈছিলো একে একে এঘাৰ।

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ প্ৰতিকৃতি দাহ হ'লেই
আইয়ে কৈছিল-সেইজাক বতাহ নলবি। কাৰণ
তাত বাৰুদ বাৰুদ গোন্ধাব পাৰে হৃদয়।

পঢ়াৰ টেবুলত বহিবলে ক'লেই
মোৰ পেট কামোৰণি হয়। গা ধুবলে দিলেই
পানী লগা জ্বৰ হয়। অৱশ্যে মামাৰ ঘৰত ফুৰিবলে গ'লে
মোৰ একো নহয়। এনাইয়ে সাঁচতিত ৰাখি থৈছে
পেন্‌চনৰ এখন ফট্‌ফটীয়া নোট।

একাঠু বোকা গছকি আইৰ লগত পথাৰলৈ যাবলৈ ওলালেই
মোৰ পিঠিত পৰিছিল ছিটিকনি এছাৰিৰ কোব। মই
টেঁটু ফলা চিঞঁৰ মাৰি কৈছিলো— মই যামেই
আয়ে কৈছিল— ওঁহো নোৱাৰ। কিন্তু নাঙলৰ
প্ৰথমটো মুঠিতেই শিকিছিলো জীৱনৰ প্ৰথম ব্যঞ্জন বৰ্ণ।

ডিঙিত এডাল এৰাল লগাই আই ওলাই গৈছিল
বে-চৰকাৰী স্কুলত পাঠদান দিবৰ বাবে। মই আইৰ
আঁচল ধৰি কান্দিছিলো। কোনোবাদিনা খুউব ফেকুৰী ফেকুৰী
দৌৰিছিলো। পিতাই গৈছিল ঘৰ চলোৱাৰ তাড়নাত
দৰমহা লৈ ল'ৰা পঢ়াবলে।

পোহৰখিনি সাৱতি বেলিটো ডুব যোৱাৰ পিছতে
ঘৰমুখী চৰাইজাকৰ প্ৰথমটো চুমাতে শুই পৰিছিলো
আইৰ বুকুত মুখ লুকুৱাই। মোৰ আইৰ ওঁঠত অমৃত সুৰ
'আমাৰে মইনা শুব এ.......'
মোৰ আই মোৰ প্ৰথম প্ৰেম, প্ৰথম ভালপোৱা। ■

# এবুকু প্ৰেমেৰে মোৰ গাওঁ খনিলৈ

বন্তি গগৈ
*স্নাতক ২য় বৰ্ষ, অসমীয়া বিভাগ*

তোমাৰ খবৰ মই নাপাওঁ
মোৰ চহৰিত ঠিকনা তুমি বহুদিন ব্যৱহাৰ কৰা নাইযে সেইকাৰণে।
জীৱনৰ বাটত দি আহিলো তোমাক
মোৰ সেউজীয়া হৃদয়ৰ ঠিকনা
তোমালোকৰ পদূলিৰ জপনাতে ওলমি ৰ'ল মোৰ শৈশৱৰ সন্ধিয়া!
আজিও সজীৱ হৈ আছেনে
আমি ওপজা গাঁৱৰ মৃন্ময় ঠিকনা?
দুপৰীয়া শিমলু শিতানেদি
উটি আহেনে বতাহত
চেঙেলীয়া গৰখীয়াৰ সুৰময় মন
আঘোণৰ সোনোৱালী পথাৰ
নদীৰ বালিত উমলিছেনে শৈশৱে?
নিশাবোৰ মাতাল হৈ পৰি ৰয়
মই থকা ব্যাধিগ্ৰস্ত এই চহৰত।
এই চহৰৰ হৃদয়হীনতাত ৰবকৈ মনত
পৰে, এবুকু প্ৰেমেৰে প্ৰেমময়
মোৰ গাওঁখনিলৈ আৰু
সেইবাবেই যাম হৃদয়ৰ ঠিকনা বিচাৰি
মই ওপজা পলসুৱা মাটিৰ সেই গাঁৱলৈ
য'ত এৰি আহিছো
বুকুৰ নিৰ্বাসিত উপকূল
তোমাৰ বুকুৰ সুৰভিত
মোৰ দেহমনৰ ধন। ■



English Section

# PANDA : Symbol of World Wide Fund for Nature

**Harsha Chandra Taid**
*T.D.C., First Year (Zoology Deptt.)*

**Introduction :**

The unchecked hunting and unabated destruction of forest area have caused the extinction of many species of animals like–Cheetah, Dodo, Golden langur, Malayan Sun Bear, Pig tailed Macaque, Himalayan Porcupine etc., rendering the Mother Earth desolate.

According to Red Data Book of ecologists about 600 more species of animals and birds are still fighting their last battle against the onslaught of man. Some of these rare and endangered animals of Indian forest are– the great Indian Bastard of Rajasthan. Black buck, wild Ass, Bison, Golden langur, Nilgai Ilecse, Asiatic lion of Gir forest, Pigmy hog and panda etc.

**About Panda :**

Panda is a very interesting animal not only for its unique feature but also for its behaviour. Panda looks same as the cub of a bear. Some people so called it Reconn and coaties of South America. Panda are of two types : One is Giant Panda and other is Red Panda. Giant Panda is found only in China. This Giant is the symbol of world wild life fund (WWF) now renamed wold wide fund for nature. Its body is black covered with and white fur and its eyes are surrounded by black fur.

The other type Panda is the Red Panda. Its body is covered with red fur and its size is smaller than the giant panda. It is found in the lower region of the Himalayan and in different regions of India. Though its body is covered with red furs–in some parts of its face and ears are covered with white furs. Its tail is long and hairy. The most interesting feature of a panda is that it has furs in his paws–such characteristics is not found in other animals.

Panda is a noctural animal. They spend sleeping on branches or inside the hollow of trees. During its sleeping time it covers its whole body coiled by long tail. When night falls it clims down from the tree slowly in search of food. Panda eats fleshy and juicy roots, fruits, birds egg, insects etc. If Panda is in the state of danger or in fear, it quickly climbs up the tree and gives out obnoxious odour from the gland that is contained in its tail.

Panda gives birth to babies in the spring season. At one time it gives birth to two cubs. The cubs of Panda become full matured and self dependent only after completing one year.

**Contribution of WWF in conservation of Wildlife in India :**

Mr. Guy Mountfort WWF founder and Frustee visited India when Mrs. Indira Gandhi was our Prime minister and offered her to raise fund for creation of tiger reserve to save the endangered tiger. The success of "Project Tiger, taken up by the Government from 1973 has been hailed not for extinction but also assured for preserving floral and founal genetic diversity in some of the unique and endangered ecosystem. There are fifteen tiger reserves covered by the 'Project Tiger' in India including Manas National Park of Assam.

**Conclusion :**

To create awareness among the people in the protection and conservation of forest and wild life we observe World Forest Day on 21st March and first week of October as wild life week every year. It is our bounder duty to protect and improve the natural environment and to have compassion for living creatures. To love our Mother Earth is to love the nature. ■

# A PEN-PICTURE OF A DEORI VILLAGE

**Dibyajyoti Dutta**
*T.D.C., 3rd Year (Dept. of Political Science)*

It was a cold gloomy day when we, a team comprising of ten students and two teachers, started our journey. Our destination was a Deori inhabited village Balideori and is known to be the solitary village of Deori Community in the region. Our trip was organised by the Department of Anthropology, Dhakuakhana College to have some first hand study about the Deori people. When we reached the spot, a feeling of moist adhired with the sweet scent of paddy field greeted all of us and the fatigue of the painful journey got gradually washed off. Hectic work schedule was going there on as it was a high time of harvest. We had been there for five days and encountered with several experiences. Here is a pen-picture of the findings of the illustrious study trip.

**A brief outline of the origin** : Assam is the habitation of various tribal communities. Almost all of them have certain culture and tradition and they develop it in their own and unique style. Bodo, Kachari, Mishing, Rabha, Deori, are some major inhabitants of the land. Deori community has a notable culture and tradition which is a hidden treasure for the anthropologists.

The Deori community represents the class 'Priest'– a section of the Chutia community. In the first two decades of 13th century, before the arrival of the Ahom, the empire of the Chutias was spreading towards the river Subansiri (a tributary of the river Brahmaputra). Chutias are the tribals of Tibeto-Burmese.

In the first decades of the 16th century Ahoms attacked the Chutia and captured their state. Some of the Chutia people fled away in terror but some of them managed to keep marital relationships with the Ahoms.

There are four major classes of the Chutias. They are : hindu, Ahom, Barahi and Deori. The main and important class of them is Deori. Some people used to say that the vary life style of the Deoris are the same as it was in 14th century. From this point one can imagine how much they tried hard to maintain their our own and tradition. Deoris were living in the riverside of kundil in ancient Sodiya, according to the census report of 1901.

**Now a days** : Now a days Deori people are living in various parts of Assam. Especially, Sivsagar, Lakhimpur, Jorhat districts are the major habitations of them. There are three classes of Deoris :

a) Dibongia
b) Tengaponiya and
c) Borgonya.

In ancient times, there was a class called 'Patargonya' too. In due course of time, this community got assimilated in Dibongia class. Only the people of Dibongia class can speak their own mother tongue.

**About the term Deori** :The real explanation of the term 'Deori' is not yet given convincingly by the sociologists. Generally, the people who believe in God and pray for the well-being of their own community is known as 'Deori'. The people of the community believe that their ancestors came to Assam from the mountain Himgiri and lived in the North of Assam. Himgiri may probably be the Himalayas.

The Deoris were living prosperous and peaceful life in Sodiya when some hilly tribed invaded them. They left Sodiya for good within a night making their way to an uncertain destination sailing through the rivers Brahmaputra, ultimately they reached Sivasagar and Lakhimpur Districts and got established themselves these. They to keep relationships with Assamese people to promote mutual co-operation and gave up their mothers tongue. Only Dibongia Deoris use their own language and retain it till date.

**Bali-Deori–The solitary Deori Village in Dhakuakhana Sub Division :**

Bali Deori, the lone Deori Village in Dhakuakhana Sub-division has developed their own culture and tradition in their own unique way. The village is situated in the South-West of Dhakuakhana town about 20 K.M. from it. The village is located in a picuturesque natural scenery accompanied by a mighty river kherkotiya. According to an old villager Mr. Ranjan Deoru, thevillage had its origin when some Deori people of Maz-Deori (a village of Mazuli) cause there i the 18th century. The river kherkotiya deposited a huge quantity of sand in that place in the flood time. The word 'Bali' is the Assamese word for sand. The inhabitants of the area are Deori and hence the name 'Balideori' is originated.

**Religion** : Religion is the internal affairs of human soul. Deoris are religious people. They are Hindus. There are three groups of religious Hindu people among them.

a) <u>Vaishnavas</u> : Who believes in the religious attitude, founded by Srimanta Sankardeva.

b) <u>Shakta</u> : Who believes in the Goddess Aadyashakti and worship her and make sacrifices.

c) <u>Krishnaguru's followers</u> : They don't believe in Vaishnavism or Saktiaism and follows the ideals of a legendary personage Krishnaguru. The Deori community has firm faith in God and always pray with great humility and reverence.

* *Festivals* : Deori people celebrate various religious festivals. They follow the Assamese Calendar.

The Deori people have a reputed temple of Aadyashakti. In the month of Bohag, unlike the Assamese people they don't perform Huchari (a Assamese tradition of singing and dancing together). If circumstances prevail. They worship to the goddess Aadyashakti and seek kind permission from her on the occasion.

Meanwhile, a particular man or woman is possessed by an evil spirit which is called 'Deo otha' (rising of evil spirit). He or she tells about the future of the villagers and the villagers believe and sustain firm faith that the predictions will be true. The 'deo' drinks only animal blood (those animals which are sacrificed in altar of the temple) and don't take usual foods. In Balideori Village it is an interesting fact that only woman are caught by the evil-spirit-'Deo'. At this time, the followers only wear white clothes (now a days other coloured clothes are also worn). Red coloured clothes are strictly prohibited at the place.

They also celebrates 'Saonia Puja', 'Meota Puja' 'Borhobah', 'Magh Bihu', 'Kati Bihu' and so on. Marriage ceremony is too an interesting festival that is performed by them. There are certain rules and regulations, rituals, habits are tied up with it.

**Dress and ornaments** : Every society, be it Assamese, Bodo, Mishing have a particular dress habit. Every man tends to form society and in society they create their own peculiarities among themselves in various fields, according to their religious belief and century long experiences support it. As a matter of fact, the Deori community has their own century long adornment and in the 21st century they are nourishing it, using it with heart felt devotion. They use particular adornments on particular occasions. A Deori male uses a loin cloth called 'Ikho'. While they stay at home and the 'Ikho' usually combines with a shirt or sporting. While going out of their home or village they generally use trousers and Shirts. They wear white cloth and use a necklace (called Kanthmoni) while they take part in traditional social function.

**House type** : Deori people build their traditional house by using bamboos, woods, canes inroads etc. They believe in typical 'Chang Ghar' (a raised platform). The lower part of the house is used as an enclosure for the animals. The floor has certain holes in it and they passes the unnecessary victual to animals. A corridor is enclosed to the mid of the house or in a side by which they can differ various rooms for cer-

tain purposes. The fire place is attached with the 'Chang' and they call it as 'Dudepati'. They cooked various meals there and eat them sitting around the fire -place. One plat form remains enclosed to the house for cleaning various things. Such a platform is also built (by somebody) at the entrance of the house.

**Food habit :** The food habit of Deori community comprises rice as principle item and they take both vegetable and non-vegetable diet. They drink 'Chuje', a traditional liquor and it is extremely favourite drink of them. Instead of tea, they take 'Chuje' in the morning. In religious functions they prepare various kinds of recipies. Pork is one of their favourite choice and it is accepted as the sacred in the ceremony.

**Conclusion** : Deori people contributed whole heartedly towards the making of entire Assamese Culture. They have century long culture and tradition and they retain it well till date. It is a hard work to include all about these in such an article.

However, I feel and have farm-faith that Deori community has something more peculiarities which may be a matter of study. ■

## My heart

**Achyut Chamuah**
*H.S. 2nd Year ,Science*

Oh! my heart is full of joys
When my will is made by the bliss
Down in enthusiasm full of wills
Like climbing the Himalayas and the hills.
Nobody can touch the peak,
(Peak of imagination)
Thoughts that my heart seeks.
Everyone wesses him with offers
Who perfects himself with regular practice.
So, my heart beats in speed
If it wants to see imaginary seeds.
Arrives at its willingness
When the seed is made,
If it's on the contrary
My heart becomes waried. ■





## উপ সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ বাটচ'ৰাতে দেশ আৰু জাতিৰ বাবে আত্মবলিদান দিয়া স্বহীদসকলৰ লগতে সেইসকল ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জনাইছো যি সকল ব্যক্তিৰ ত্যাগ আৰু ঐ কান্তিক প্ৰচেষ্টাৰ ফলত আজি আমাৰ মহাবিদ্যালয়খনি এখন লেখত লবলগীয়া মহাবিদ্যালয় ৰূপে পৰিগণিত হৈছে। ঢকুৱাখনা মহাবিদ্যালয়খনৰ সামূহিক প্ৰতিচ্ছবিটোক নিচেই ও চৰৰ পৰা উপলব্ধি কৰাৰ মানসেৰে ২০০২-২০০৩ চনত ঢকুৱাখনা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ আশা-আকাংক্ষা, অভাৱ-অভিযোগসমূহৰ প্ৰতিনিধিত্ব কৰা ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যক্ৰমণিকাত এটা বছৰ নিজকে জড়িত কৰিছিলো, যিহেতু বাহ্যিকভাৱে মহাবিদ্যালয়খনিত থাকি ইয়াৰ ভিতৰচ'ৰা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সামূহিক সমস্যাসমূহ বুজি উঠাটো খুবেই কঠিন। যি কি নহওঁক, এনে এটি মহান অনুষ্ঠানৰ ছাত্ৰ-একতা সভাৰ উপ-সভাপতিৰ দৰে গধুৰ পদত সংখ্যাগৰিষ্ঠ ভোটেৰে মোক নিৰ্বাচিত কৰা বাবে ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতাসভাৰ বিষয়ববীয়া সকললৈ শ্ৰদ্ধা নিবেদিছো।

সময় চকৰিৰ অনিৰুদ্ধ গতি কেতিয়াও স্তব্ধ নহয়। কাৰো বাবে খন্তেকো ই অপেক্ষা নকৰে। ময়ো পাৰ কৰি দিলো ২০০২-২০০৩ বৰ্ষটি মহাবিদ্যালয়ৰ সেৱাৰ উদ্দেশ্য। এতিয়া বিগত বছৰটিলৈ ঘূৰি চাই দেখিছো, স্মৃতিৰ মণিকোঠাত পঞ্জীভূত হৈ আছে বহুতো ঘাত-প্ৰতিঘাত আনন্দ-বেদনাৰ অভিজ্ঞতা। মোৰ সেই অভিজ্ঞতাবোৰ প্ৰকাশ কৰাটো প্ৰতিবেদনৰ সীমিত পৰিসৰৰ মাজত সম্ভৱ নহয়। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাচৰে পৰা ছাত্ৰ একতা সভাৰ মোৰ সতীৰ্থ সকলক লগত লৈ মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতিৰ হকে নিজকে অৰ্পণ কৰিছিলো আৰু কিমান দূৰ সফল হ'ব পাৰিছিলো নাজানো। কিন্তু মহাবিদ্যালয়ৰ পৰিয়ালটিৰ সকলো সদস্যৰ হৃদয়তে কিছু ঠাই অধিকাৰ কৰিবলৈ কৰিবলৈ সক্ষম হৈছিলো, সেইয়াই মোৰ জীৱনৰ আটাইতকৈ সফলতা বুলি ভাবো।

১৯৬৬ চনত স্থাপিত মহাবিদ্যালয়খনিৰ দিন হিচাপত যিমান উন্নতি হ'ব লাগিছিল সিমান হোৱা নাই, ই সত্য কথা। কিন্তু মহাবিদ্যালয়খনিৰ সোণালী জয়ন্তীৰ প্ৰাক্-মূহুৰ্তৰ যোল্লটা বৰ্ষত বিশেষভাৱে মহাবিদ্যালয়খনিৰ উন্নতি হোৱা সকলোৰে দৃষ্টিগোচৰ হৈছে। ইয়াৰ কাৰণ মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ সাৰ্বজনীন প্ৰচেষ্টা বুলি ক'লে হয়তো ভুল কোৱা নহ'ব। ইয়াৰ উপৰিও মহাবিদ্যালয়খনিৰ শৈক্ষিক পৰিৱেশক সৰ্বোত্তম কৰি তোলাত মহাবিদ্যালয়খনিৰ সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ তথা ছাত্ৰ-ছাত্ৰীসকলৰ পদক্ষেপকো স্বীকাৰ কৰিব লাগিব।

**বছেৰেকীয়া কাৰ্যকালৰ এটি বিৱৰণ ঃ**

১। ডাঙৰ সৌধ নিৰ্মাণ কৰিবলৈ হ'লে তাৰ ভেটি সুদৃঢ় হ'ব লাগিব। অটুট ব্ৰহ্মচৰ্যৰ ভেটিত ছাত্ৰ-জীৱন প্ৰতিফলিত কৰিবলৈ হ'লে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা, সংস্কৃতি আৰু বিভিন্ন খেলা-ধূলাৰ মাজেদি উন্নতি লাভ কৰিব লাগিব। এই উদ্দেশ্য আগত ৰাখি আমাৰ কাৰ্যকালত ইং১৮/১/২০০৩ তাৰিখৰ পৰা ২৪/১/২০০৩ তাৰিখলৈকে ৩৭ তম মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়।

২। মহবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৃংখলাবদ্ধতাৰ এক পৰিচায়ক হ'ল- ইউনিফৰ্ম। ছাত্ৰ-একতা সভাৰ আলোচনা মৰ্মে এইবছৰৰ পৰা ইউনিৰ্ফম পৰিধানৰ ব্যৱস্থালোৱা হয়।

৩। মহাবিদ্যালয়খনিৰ বিভিন্ন অভাৱ অভিযোগৰ বাবে আমি সাংসদ ৰাণী নৰহ বাইদেউলৈ এখন স্মাৰক প্ৰেৰণ কৰোঁ।

৪। মহাবিদ্যালয়ৰ আন এটা প্ৰধান সমস্যা হ'ল চাৰিকড়ীয়া নদীৰ গৰাখহনীয়া। এই খহনীয়া ৰোধৰ বাবে ছাত্ৰ একতা সভাই ইং ৯/৯/২০০৩ তাৰিখে ঢকুৱাখনাৰ মহকুমাধিপতি মহোদয়ৰ জৰিয়তে স্থানীয় বিধায়ক আৰু জলসম্পদ মন্ত্ৰীলৈ এখনি আবেদন আগবঢ়াওঁ আৰু ২৩/৯/২০০৩ তাৰিখৰ কাৰ্যকৰী বৈঠকত গৰাখহনীয়া সম্পৰ্কত প্ৰস্তাৱ গ্ৰহণ কৰি উক্ত প্ৰস্তাৱ ছাত্ৰ একতা সভাৰ সদস্যই গৈ লখিমপুৰ জিলা উপায়ুক্ত মহোদয়ক প্ৰেৰণ কৰে।

৫। পৰম্পৰাগতভাৱে আমাৰ মহাবিদ্যালয়ে পালন কৰি অহা দুটা মূল উৎসৱ বিশ্বকৰ্মা পূজা আৰু সৰস্বতী পূজা পতা হয়। বিজ্ঞানভৱনত দিনযোৱা কাৰ্যসূচীৰে অনুষ্টুপীয়াকৈ সৰস্বতী পূজা পতা হয়। এই পূজা সুচাৰুৰূপে পালন কৰাত মাননীয় অধ্যাপক শ্ৰীযুত দিলীপ কুমাৰ হাতীবৰুৱা, শ্ৰীযুত চিৰণ গগৈ, শ্ৰীযুত প্ৰশান্ত গগৈ চাৰলৈ বিশেষভাৱে কৃতজ্ঞতা জনালোঁ।

৬। ইং ২৩/৮/২০০৩ তাৰিখে মহাবিদ্যালয়ৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱা হয়। এই আদৰণি সভাত এক নতুন অনুষ্ঠান

'আইচ ব্ৰেকিং' এ সকলোকে আনন্দিত কৰিলে। এই অনুষ্ঠানটিত বিশেষভাৱে সহায় কৰা মাননীয় শিক্ষাগুৰু শ্ৰীযুত সেৱক চুতীয়া আৰু শ্ৰীযুত অমল দত্ত চাৰলৈ আন্তৰিক অভিনন্দন যাঁচিছো। এই নবাগত আদৰণি সভাখন উদ্বোধন কৰে লক্ষীমপুৰ জিলাৰ উপায়ুক্ত শ্ৰীযুত হেমেন্দ্ৰ কুমাৰ গগৈদেৱে। সভাৰ শেষৰ ফালে অতি উলহ মালহেৰে, সাংস্কৃতিক অনুষ্ঠানৰ যোগেদি আদৰণিসভাখন সমাপ্ত কৰা হয়।

মনৰ মাজত কোনো কপটতা নাৰাখি একমাত্ৰ মহাবিদ্যালয়খনৰ কাৰণে অশেষ কষ্ট কৰিছিলো। অৱশ্যে কাৰ্যবৰ্ষৰ মাজতে আমি কিছুমান বাহিৰা লোকৰ চকুত বিদ্ৰোহী হৈ পৰিছিলো, যিসকলে নেকি আমাৰ লগত এটি মনেসজা আৰু অস্বাভাৱিক ঘটনা জড়িত কৰি দিছিল। কিন্তু অনেক জটিল আৰু শংকিত পথৰ মাজেদিয়ে আমি আমাৰ কাৰ্যকাল পাৰ কৰিলো বুলি ক'লেও হয়তো বঢ়াই কোৱা নহ'ব।

কৃতজ্ঞতা স্বীকাৰ ঃ

উপসভাপতি হিচাপে এই অভাজনক সু-পৰামৰ্শৰে সকলোমূহূৰ্ততে সহায়-সহযোগিত কৰাৰ বাবে মাননীয় অধ্যক্ষ শ্ৰীযুত শিৱপ্ৰসাদ গগৈ, শ্ৰীযুত যামিনী কুমাৰ শইকীয়া চাৰ, শ্ৰীযুত মৃদুল কুমাৰ গগৈ চাৰ, শ্ৰীযুত যুক্তিৰত্ন শইকীয়া চাৰ, শ্ৰীযুত অঞ্জন গোহাই চাৰ, শ্ৰীযুত নৰেন দাস চাৰ, শ্ৰীযুত সেৱক চুতীয়া চাৰ, শ্ৰীযুত যোগানন্দ সুত চাৰ, শ্ৰীযুত দিলীপ হাতীবৰুৱা চাৰ, শ্ৰীযুত প্ৰশান্ত গগৈ চাৰ, শ্ৰীযুত চিৰণ গগৈ চাৰ, শ্ৰীযুত প্ৰকাশ উপাধ্যায় চাৰ, শ্ৰীযুত সত্য নেওগ চাৰ আৰু মোৰ বন্ধু প্ৰণৱ, সত্য, জ্যোতিপ্ৰসাদ, মনোজ, শিৱ, সঞ্জীৱ, চক্ৰপাণি, ভাইটি, সোনাৰাম, ফটিক, ৰমেন, কৈলাশ, পৰাগ আৰু ছাত্ৰ-একতা সভাৰ সমূহ সদস্যলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

সদৌশেষত, মোৰ অনিচ্ছাস্বত্বেও কাৰোবাৰ ওচৰত যদি ভুল কৰিছিলো তাৰবাবে ক্ষমা বিচাৰি, লগতে ঢকুৱাখনা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ মংগল কামনা কৰি মোৰ প্ৰতিবেদনৰ সমাৰণি মাৰিলো।

'জয়তু ঢকুৱাখনা মহাবিদ্যালয়'

জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা'

ধন্যবাদ সহকাৰে

**হোমেন বৰগোহাঞি**

*উপ-সভাপতি*

*ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা*

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০২-২০০৩ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাবে মূল্যবান ভোটেৰে জয়যুক্ত কৰালে সেই সকলোটিলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ঢকুৱাখনাৰ অগ্ৰণী আৰু মহান এই শিক্ষা অনুষ্ঠানটিৰ সেৱা কৰিবলৈ সুবিধা দিয়াত মোৰ অগ্ৰজ আৰু অনুজসকলৰ প্ৰতিও মই চিৰকৃতজ্ঞ। এই আপাহতে মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ ঁপ্ৰহ্লাদ গোহাঁই প্ৰয়াত আত্মাৰ প্ৰতিও শ্ৰদ্ধাঞ্জলী নিবেদন কৰিছোঁ।

গত ইং ৩০/১১/০২ তাৰিখে মহাবিদ্যালয়খনিৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰো। সম্পাদকৰ দায়িত্ব লৈয়েই ১৮/১/২০০৩ ৰ পৰা ২৪/১/০৩ লৈকে মহাবিদ্যালয়ৰ সপ্তাহ অনুষ্ঠিত কৰো। নিয়াৰিকৈ সমাপন হোৱা এই অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ বিহু প্ৰদৰ্শন অন্যতম আছিল।

ইয়াৰ পাচতেই মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে কেইবাখনো কাৰ্যনিৰ্বাহকৰ সভাত আলোচনা কৰি কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰো। দৃষ্টিগোচৰ কৰা বিষয়সমূহ আছিল — কেন্টিন স্থাপন কৰা, উচ্চমান বিষয়ৰ শ্ৰেণীসমূহৰ কোঠাত পুনৰ একোখনকৈ ফেন লগোৱা, গৰমৰ দিনত জিৰণি লবলৈ পকীৱাল বন্ধা, মহাবিদ্যালয়ৰ চৌহদৰ পকী দেৱাল নিৰ্মান কৰা, স্থায়ী খেলপথাৰ নিৰ্মান কৰা, আভ্যন্তৰিণ পদপথ নিৰ্মান কৰা, চাৰিকড়ীয়া নদীৰ গৰাখহনীয়াৰ স্থায়ী প্ৰতিৰোধ কৰা, ছাত্ৰ-ছাত্ৰীৰ জলপানি দিয়াত অধিক গুৰুত্ব দিয়া, ইউনিফৰ্মৰ প্ৰচলন কৰা, অতিৰিক্ত চাইকেল ষ্টেণ্ড নিৰ্মান কৰা, মটৰ চাইকেল, গাড়ীৰ ষ্টেণ্ড নিৰ্মান কৰা, স্থায়ীকৈ ছাত্ৰ আৰু ছাত্ৰী জিৰণিকোঠা নিৰ্মান কৰা, প্ৰসাৰগাৰ সমূহ উন্নতিসাধন কৰা, ঁপ্ৰহ্লাদ গোহাঁই সোঁৱৰণী প্ৰেক্ষাগৃহ নিৰ্মান আৰম্ভ কৰা, ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাচুল ৭.০০ (সাত) টকাৰ পৰিবৰ্তে ১৫.০০ (পোন্ধৰ) টকা কৰা, কেটেল ব্ৰীজৰ কাম সম্পূৰ্ণ কৰা ইত্যাদি।

সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কৰ্তৃপক্ষই কিছুমান দাবী কাৰ্যকৰী কৰে। যেনে কেন্টিন নিৰ্মান, শ্ৰেণীকোঠাত ফেন সংযোগ, গছৰ তলত





জিৰণিৰ বাবে পকীৱাল নিৰ্মান, চৌহদৰ দেৱাল নিৰ্মান, আভ্যন্তৰিণ পদপথ নিৰ্মান, খেলপথাৰৰ উন্নতি সাধন, ইউনিফৰ্মৰ প্ৰচলন ইত্যাদি। পুঁজিৰ অভাৱত চাৰিকড়িয়ানদীৰ গৰাখহনীয়া সম্পূৰ্ণ কৰিব পৰা নগ'ল বুলি কৰ্তৃপক্ষই জনায়।

অইনহাতে সঞ্চিত পুঁজিৰে ঁপ্ৰহলাদ গোহাঁই সোঁৱৰণী প্ৰেক্ষাগৃহ নিৰ্মাণ আৰম্ভ কৰাকে ধৰি কিছুমান কাম প্ৰতিকূলতাৰ কাৰণে কৰ্তৃপক্ষই কাৰ্যকৰী কৰিব নোৱাৰিলে।

চাৰিকড়িয়া নদীয়ে মহাবিদ্যালয়ৰ দক্ষিণফালে কৰা খহনীয়া প্ৰতিৰোধ কৰিবৰ বাবে গত ইং ২৩-৯-০৩ তাৰিখৰ কাৰ্যনিৰ্বাহকৰ বৈঠকত লখিমপুৰ জিলাৰ উপায়ুক্ত মহোদয়লৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হয়। স্থানীয় মহকুমাধিপতি জৰিয়তে বিধায়ক আৰু জলসম্পদ মন্ত্ৰীলৈও গৰাখহনীয়া স্থায়ী প্ৰতিৰোধৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰা হয়। এই কথা 'অগ্ৰদূত' কাকততো প্ৰকাশ পাইছে। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত লখিমপুৰত অনুষ্ঠিত ছাত্ৰসভাত আমাৰ একতা সভাৰ তৰফৰ পৰা উপস্থিত থাকি বিভিন্ন সমস্যাসমূহ অৱগত কৰো। এই সভাত চাৰিকড়িয়া নদীৰ গৰাখহনীয়াৰ স্থায়ী প্ৰতিৰোধ ব্যৱস্থাৰ দাবী উত্থাপন কৰা হয়। এই দাবী অসম চৰকাৰলৈও প্ৰেৰণ কৰা হৈছে। এই সম্পৰ্কত স্থানীয় বিধায়ককে ধৰি বিভিন্নজনৰ লগত ছাত্ৰ একতা সভাই আলাপ আলোচনা চলাই আহিছে।

ছাত্ৰ-ছাত্ৰীসকলে পাবলগীয়া জলপানি নোপোৱাত কাৰ্যকৰী সমিতিৰ বৈঠকত প্ৰস্তাৱ গ্ৰহণ কৰি ঢকুৱাখনাৰ মহকুমাধিপতিৰ জৰিয়তে শিক্ষামন্ত্ৰীলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

মহাবিদ্যালয় কৰ্তৃপক্ষই ২০০৩ চনৰ শিক্ষাবৰ্ষৰ আৰম্ভণিৰ ইউনিফৰ্ম পৰিধান কৰাটো বাধ্যতামূলক কৰি দিছে।

মহাবিদ্যালয়ৰ বহিঃছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে ঢকুৱাখনা ব্লক চাৰিআলিৰ সুলভমূল্যৰ দোকানত কেৰাচিন তেলৰ যোগান ধৰা ব্যৱস্থা কৰা হৈছে। ছাত্ৰ একতাসভাৰ পদক্ষেপতে আমাৰ কাৰ্যালয়ত শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ তত্বাৱধানত ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতী সকলৰ বাবে কেৰিয়াৰ গাইডেন্স গঠন কৰা হৈছে। লগত অভাৱ-অভিযোগ দাখিল কৰিবৰ বাবে "গ্ৰীভেনচ চেল" খোলা হৈছে। নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত চলোৱা ৰেগিং ছাত্ৰ একতা সভাই বন্ধ কৰি দিয়া হৈছে।

আমাৰ কাৰ্যকালৰ আৰম্ভণিতে লখিমপুৰ জিলাৰ মাননীয় সাংসদ ৰাণী নৰহ বাইদেউৱে ৫০০০০০.০০ (পাঁচ লাখ) টকা শিক্ষকৰ কমনৰূম নিৰ্মানৰ বাবে অনুদান দিয়ে আৰু সম্প্ৰতি খৰতকীয়াভাৱে নিৰ্মান কাৰ্য চলি আছে।

কাৰ্যকালৰ শেষৰফালে স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষামূলকভ্ৰমণলৈ যাবৰ কাৰণেও সাংসদ ৰাণী নৰহৰ পৰা এককালিন সাহায্য পাওঁ।

মহাবিদ্যালয়ৰ বিভিন্ন ধৰণৰ উৎসৱ যেনে বিশ্বকৰ্মা পূজা, সৰস্বতী পূজা উদযাপন কৰা হয়। গত ইং ২৩/৮/০৩ তাৰিখে অনুষ্ঠিত হোৱা নৱাগত আদৰণি সভাখন সুকলমে পাৰ হৈ যায়। সভাৰ এইবাৰৰ অন্যতম কাৰ্যসূচী আছিল "আইচ বেকিং" অনুষ্ঠান।

আমাৰ দেশখনৰ মহাবিদ্যালয়সমূহক NAAC ৰ দ্বাৰা মূল্যাংকন কৰাৰ যি ব্যৱস্থা কৰা হৈছে সেই ব্যৱস্থাই আমাৰ মহাবিদ্যালয়কো অহা শিক্ষাবৰ্ষৰ আৰম্ভণিতে সাঙুৰি লব বুলি আশা কৰা হৈছে।

মোৰ দুবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়খনিৰ কিছু অভাৱ-পৰিলক্ষিত হৈছে। যেনো - ল'জিক আৰু এডুকেশ্যন এই পাঠ্যক্ৰম দুটা আমাৰ মহাবিদ্যালয়ত নাই। কৰ্তৃপক্ষই পাঠ্যক্ৰম দুটা আৰম্ভ কৰিব বুলি আশা কৰা হৈছে।

মহাবিদ্যালয়ৰ 'বিজ্ঞান ভৱন'ৰ ফালে আৰু এটা অতিৰিক্ত প্ৰসাৰগাৰ নিৰ্মান কৰিব লাগে। ছাত্ৰ জিৰণিকোঠাতো ছাত্ৰ অনুপাতে সৰু। গতিকে প্ৰয়োজনীয় কোঠা নিৰ্মান কৰিব লাগে।

মহাবিদ্যালয়ৰ মুখ্য গেটখনত তলা লগোৱাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া পাঠদান চলি থকা সময়ত যান-বাহনৰ অহা-যোৱা বন্ধ কৰিব পৰা যাব।

ছাত্ৰাবাসৰ আসনৰ সংখ্যা বৃদ্ধি কৰিব লাগে আৰু চৌহদত পকীদেৱালৰ ব্যৱস্থা কৰিব লাগে।

পুথিভঁৰালত পুথিৰ সংখ্যা আৰু বৃদ্ধি কৰিব লাগে।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এটি শৌচাগাৰ নিতান্তই প্ৰয়োজন।

দেখা গৈছে যে — ছাত্ৰ-ছাত্ৰী সকলে নিয়মীয়াকৈ শ্ৰেণীকক্ষত থাকি পাঠগ্ৰহণ নকৰে। বহু সময়ত শিক্ষাগুৰুসকল আহি শূন্য শ্ৰেণীকক্ষ দেখি উভতি যায়।

ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ নিয়মীয়া উপস্থিতিয়েহে শিক্ষানুষ্ঠানটিৰ সাফল্যতা নিৰূপন কৰে।

মহাবিদ্যালয়খনিৰ ছাত্ৰী নিবাসৰ চৌহদৰ দেৱাল পকীকৰণৰ ব্যৱস্থা কৰিব লাগে। আমি এইখিনি অভাৱ-অভিযোগ কৰ্তৃপক্ষৰ ওচৰত ডাঙি ধৰিলো। পাচৰ ছাত্ৰ একতা সভাই এই বিষয়ে গুৰুত্ব দিব বুলি আশা কৰিলো।

আমাৰ কাৰ্যকালত ছাত্ৰ একতা সভাৰ কেইগৰাকীমান বিষয়ববীয়াৰ সৈতে থিয়েটাৰ গৃহত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। সংবাদ মাধ্যমত এই সম্পৰ্কে প্ৰকাশিত বাতৰিটো একপক্ষীয় আৰু উদ্দেশ্য প্ৰণোদিত আছিল। যি কি নহওক এই ঘটনাৰ দায়িত্ব আমি নিজে মূৰ পাতি

লৈ সদৌটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। ভৱিষ্যতে যাতে এনে পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে আশা প্ৰকাশ কৰিছো।

সদৌ শেষত মোৰ কাৰ্য্যকালত সকলো সময়তে কামত দিহা-পৰামৰ্শ দি সহায়-সহযোগ আগবঢ়োৱা বাবে অধ্যক্ষ মহোদয়কে ধৰি সহায় কৰা চাৰ-বাইদেউ আৰু ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতিৰ কামনা কৰিছো। শিক্ষাৰ জ্যোতিধাৰা বোৱাই দিয়াত মহাবিদ্যালয়খনি আগৰণুৱা হওক সেই শুভ কামনাৰে।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা।

*শ্ৰদ্ধাৰে*

হৰি চন্দ্ৰ চুতীয়া

সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা

## সাহিত্য আৰু আলোচনী শাখাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল চিৰনমস্য ব্যক্তিলৈ সেৱা জনাইছো, যিসকলৰ আদৰ্শৰে অনুপ্ৰাণিত ঢকুৱাখনা মহাবিদ্যালয় আজি মহিমামণ্ডিত। তেখেতসকলৰ আদৰ্শ আমাৰ বাবে পাথেয় হৈ ৰোৱাৰ আশাৰে মোৰ প্ৰতিবেদনৰ পাতনি মেলিছো।

*অকণমান আত্মতোষামোদ ঃ* সাহিত্যৰ প্ৰতি সৰুৰে পৰা মোৰ দুৰ্বাৰ আকৰ্ষণ। সাহিত্যৰ সুৰভিয়ে সকলোকে চুই যোৱাৰ দৰে মোকো চুই যায়। সাহিত্য মোৰ বুকুৰ আপোন। কিন্তু মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনীশাখাৰ সম্পাদিকাৰ দৰে গধুৰ দায়িত্ব এটি কান্ধ পাতি ল'ব লাগিব বুলি কোনোদিনে ভবা নাছিলো। কিন্তু এদিন আকস্মিক ভাৱে হৈ পৰিছিলো এই বিভাগৰ বিভাগীয় সম্পাদিকা। মনত হাজাৰ ভাৱৰ উদুলি-মুদুলি পাৰিমনে বাৰু সুচাৰুৰূপে পালন কৰিব এনে এক গধুৰ দায়িত্ব! কোনো এক কাৰণবশতঃ ০২-০৩ বৰ্ষৰ নিৰ্বাচনত উক্ত বিভাগৰ নিৰ্বাচিত সম্পাদক জনৰ পদটি খালি হৈ পৰাত অধিনীক উক্ত পদলৈ মনোনীত কৰা হয়। মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত শিৱ প্ৰসাদ গগৈদেৱ, শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত ভোলা গগৈ দেৱ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যসকলে কিমান বিশ্বাসেৰে মোৰ হাতত কাৰ্যভাৰ অৰ্পণ কৰিছিল আৰু মই সেই বিশ্বাস কিমানখিনি ৰাখিব পাৰিছো সেয়া নিৰ্ভৰ কৰিব মোৰ কাৰ্যকালৰ সফলতা-বিফলতাৰ ওপৰত।

মাথো কেইমাহমানৰ বাবেহে এই বিভাগত সেৱা আগবঢ়াবলৈ সুযোগ পাইছিলো। পূৰ্বৰ সম্পাদকগৰাকীৰ কাৰ্যকালতে 'কলেজ সপ্তাহ' অনুষ্ঠিত হৈছিল। ১৯/০১/০৩ তাৰিখে পালন কৰাৰ বাবে এই আপাহতে মই সম্পাদকগৰাকীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ইয়াৰ পিছতে মোৰ হাতত আহি পৰিছিল আলোচনী প্ৰকাশৰ দৰে গধুৰ দায়িত্ব। বৰ্তমানলৈকে হোৱা অভিজ্ঞতাৰ পৰা ধাৰণা হ'ল যে, এখন উন্নত মানদণ্ডৰ আলোচনীৰ বাবে যি লিখনিৰ প্ৰয়োজন তেনে লিখনিৰ অভাৱ। বহুসময়ত লিখনি বিচাৰি ব্যক্তিগতভাৱেও ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত হাত পাতিব লগা হৈছিল। তাৰ ভিতৰতো শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলে চালি-জাৰি চাই কেইটিমান লিখনি প্ৰকাশৰ উপযোগী কৰি দিয়াত চাৰ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। উন্নত মানদণ্ডৰ লিখনিৰ অভাৱত আলোচনীখনৰ আকাৰ আশা কৰা ধৰণেৰে বৃদ্ধি কৰিব নোৱাৰিলোঁ।

*কৃতজ্ঞতা স্বীকাৰ ঃ* বুকু ভৰি থকা কৃতজ্ঞতাক ভাষাৰ মাধ্যমেৰে কিমানখিনি প্ৰকাশ কৰিব পাৰি নাজানো, তথাপি মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত শিৱপ্ৰসাদ গগৈ দেৱ, উপাধ্যক্ষ ড° জিতৰাম কলিতাদেৱ, শ্ৰদ্ধাৰ শ্ৰীযুত অমিয় কুমাৰ সন্দিকৈ দেৱ, শ্ৰীযুত ভোলাগগৈ দেৱ শ্ৰীযুত ইন্দিবৰ বুঢ়াগোহাঞি দেৱ শ্ৰীযুত ডিম্বেশ্বৰ গগৈ দেৱ আদি শিক্ষা গুৰুসকলে যি সহযোগিতা আগবঢ়ালে তাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম। ইয়াৰ উপৰিও মোৰ প্ৰতি পদক্ষেপতে সহায় আগবঢ়োৱা বন্ধু দিব্য, কিৰণ, কমল, হৰিচন্দ্ৰ, অপূৰ্ব তৰুণ, নৃপেনদা, বান্ধবী জুৰি, ৰীণা, জিনা, মিতালী, পৰশ, পূৰৱী, দেৱ, নৱনীতা, ভণ্টিধন, অঞ্জনা, কৃষ্ণা ভাইটি বাশিষ্ঠ আদিলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰি আৰু ঢকুৱাখনা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ সাফল্য কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰিলো।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"

*শ্ৰদ্ধাৰে*

মেঘালী দত্ত

*সম্পাদিকা, সাহিত্য আৰু আলোচনী শাখা*





## সাহিত্য প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ

| | | |
|---|---|---|
| (ক) ইংৰাজী কবিতা আবৃত্তি ঃ | | |
| | ১ম স্থান ঃ | শ্ৰীবিশ্বজিৎ বৰা |
| | ২য় স্থান ঃ | শ্ৰীটিকেন্দ্ৰজিৎ ভৰালী |
| | ৩য় স্থান ঃ | শ্ৰীমতী পল্লৱী বৰগোহাঁই |
| (খ) হিন্দী কবিতা আবৃত্তি ঃ | | |
| | ১ম স্থান ঃ | শ্ৰীমতী পল্লৱী বৰগোহাঁই |
| | ২য় স্থান ঃ | শ্ৰীমতী মেঘালী দত্ত |
| | | শ্ৰীমতী দেৱযানী গগৈ |
| | | শ্ৰীগিৰিন্দ্ৰ বৰফুকন |
| | ৩য় স্থান ঃ | শ্ৰীমতী জোনালী কলিতা |
| (গ) অসমীয়া কবিতা আবৃত্তি ঃ | | |
| | ১ম স্থান ঃ | শ্ৰীমতী এনিশা বুঢ়াগোহাঁই |
| | ২য় স্থান ঃ | শ্ৰীবিশ্বজিত বৰা |
| | ৩য় স্থান ঃ | শ্ৰীমতী ৰিণু গগৈ |
| (ঘ) স্ব-ৰচিত কবিতা আবৃত্তি ঃ | | |
| | ১ম স্থান ঃ | শ্ৰীটিকেন্দ্ৰজিৎ ভৰালী |
| | ২য় স্থান ঃ | শ্ৰীমতী মেঘালী দত্ত |
| | ৩য় স্থান ঃ | শ্ৰীমতী দেৱযানী গগৈ |
| (ঙ) বাতৰি পঠন ঃ (অসমীয়া) ঃ | | |
| | ১ম স্থান ঃ | শ্ৰীমতী মেঘালী দত্ত |
| | ২য় স্থান ঃ | শ্ৰীমতী দেৱযানী গগৈ |
| | ৩য় স্থান ঃ | শ্ৰীমতী পল্লৱী বৰগোহাই |
| (চ) বাতৰি পঠন ঃ (ইংৰাজী) ঃ | | |
| | ১ম স্থান ঃ | শ্ৰীমতী মেঘালী দত্ত |
| | ২য় স্থান ঃ | শ্ৰীগিৰিন্দ্ৰ বৰফুকন |
| | ৩য় স্থান ঃ | শ্ৰীমতী ৰুণজুন দত্ত |
| (জ) গল্প লিখা প্ৰতিযোগিতা ঃ | | |
| | ১ম স্থান ঃ | শ্ৰীমতী মেঘালী দত্ত |
| | ২য় স্থান ঃ | শ্ৰীহোমেন দলে |
| | ৩য় স্থান ঃ | শ্ৰীমতী পল্লৱী দত্ত |
| (ঝ) প্ৰবন্ধ লিখা প্ৰতিযোগিতা ঃ | | |
| | ১ম স্থান ঃ | বিবেচিত নহ'ল |
| | ২য় স্থান ঃ | শ্ৰীমতী শিখাৰাণী ফুকন |
| | ৩য় স্থান ঃ | শ্ৰীহোমেন দলে |
| বছৰৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী ঃ | | শ্ৰীমেঘালী দত্ত |

## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ ফালৰ পৰা সেইসকললৈ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলি জনাইছোঁ, যিসকলে নিজৰ জীৱনক সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত কৰি 'মৃত্যু' নামৰ এই চিৰ সত্য চক্ৰবেহুৰ মাজত নিজকে হাঁহি হাঁহি বিলীন কৰি দিলে।

লখিমপুৰ জিলাৰ এখন জাকত-জিলিকা শিক্ষিত ঠাই ঢকুৱাখনা অঞ্চলত ১৯৬৬ চনত স্থাপিত হোৱা ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০০২-২০০৩ বৰ্ষৰ সাংস্কৃতিক শাখাৰ সম্পাদকপদৰ বাবে মোক নিৰ্বাচিত কৰি মাহবিদ্যালয়খনিলৈ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে নিৰ্বাচনী প্ৰচাৰৰ কামত মোক ওতঃপ্ৰোতভাৱে সহায় কৰা ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ সমূহ আবাসীৰ ওচৰত মোৰ হিয়াভৰা ওলগ তথা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। এই সুযোগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত শিৱ প্ৰসাদ গগৈ দেৱৰ লগতে বিভাগীয় উপদেষ্টা মাননীয় শ্ৰীযুত নৰেণ দাস চাৰলৈ আৰু মোক সহায় সহযোগ আগবঢ়োৱা সমূহ কৰ্ম-কৰ্তালৈ কৃতজ্ঞতা জনাই প্ৰতিবেদনৰ পাতনি মেলিছো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ ঠিক পিছতেই মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ ৰঙ্গ মঞ্চটো নতুনকৈ নিৰ্মাণৰ আঁচনি গ্ৰহণৰ পৰা কাৰ্যকৰী কৰালৈকে মোক প্ৰেৰণা আৰু সহযোগিতা আগবঢ়োৱা বিভাগীয় উপদেষ্টা মহোদয়, বন্ধু মনোজ, আব্দুল আৰু ভাইটি অজিত, দিব্যজ্যোতিলৈ আন্তৰিক কৃতজ্ঞতা থাকিল। বহুতো পৰিকল্পনা হাতত লৈ কাৰ্যভাৰ গ্ৰহণ কৰিছিলো যদিও মোৰ কাৰ্যকালত কিছুমান সমস্যাই প্ৰাচীৰ ৰূপে থিয়

দিছিল। তথাপিতো মনৰ মাজত হতাশাক প্ৰশ্ৰয় নিদি মহাবিদ্যালয়খনিৰ সাংস্কৃতিক দিশটোক আগবঢ়াই নিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো। এই আপ্ৰাণ চেষ্টাত মই কিমানদূৰ সফলতা লাভ কৰিছিলো সেইয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিচাৰ কৰিব।

সময়ৰ নীৰব গতিত ইয়াৰ পিছতেই আহি পৰিছিল মহাবিদ্যালয়ত প্ৰত্যেক বৰ্ষতে পালন কৰি অহা "শ্ৰীশ্ৰী সৰস্বতী পূজা কাৰ্যকৰী কৰাত চেষ্টাৰ অলপো ত্ৰুটি কৰা নাছিলো।

পৰিবৰ্তনশীল সময়ৰ লগত খোজ মিলাই আমাৰ মহাবিদ্যালয়লৈয়ো শিক্ষা লাভৰ উদ্দেশ্য প্ৰব্ৰজন ঘটিছিল বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ পৰা অহা নবাগতসকলৰ ভৱিষ্যত মহাবিদ্যালয়ৰ গৌৰৱ, দেশৰ গৌৰৱ, সমাজৰ গৌৰৱৰ অধিকাৰী এই নবাগতসকলক মহাবিদ্যালয়লৈ আদৰি জনোৱাত অলপো অৱহেলা কৰা নাছিলো। সেইসূত্ৰে ২৩/৮/০৩ তাৰিখে নবাগতা আদৰণি সভাখন আনুষ্ঠানিক ভাৱে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তাৰ সহযোগত আয়োজন কৰা হয়। এইখিনিতে উনুকিয়াই থ'ব লাগিব যে, নবাগত আদৰণি সভাৰ দিনা বিভাগীয় উপদেষ্টা শ্ৰীযুত নবেন দাস চাৰৰ তত্বাৱধানত আৰু মহাবিদ্যালয়ৰ বাদ্য-বাজকসকলৰ সহযোগত গীতেৰে সমৃদ্ধ এটি সাংস্কৃতিক অনুষ্ঠানত পুৱণি আৰু নবাগতা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভাবিকাশৰ ক্ষেত্ৰত সহায় আগবঢ়াবলৈ পাই মই সচাঁয়ে সুখী অনুভৱ কৰিছিলো।

শেষত মোৰ শিক্ষাৰ মন্দিৰ ঢকুৱাখনা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি আৰু সাংস্কৃতিক দিশত প্ৰতিভা লুকাই থকা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অধিক অনুশীলনৰ বাবে বিনম্ৰ অনুৰোধ জনাই মোৰ প্ৰতিবেদন সামৰিছো।

'জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা'

*শ্ৰদ্ধাৰে—*
**ঠুনিল বৰুৱা**
*সম্পাদক, সাংস্কৃতিক শাখা*
*ঢঃ মঃ ছাঃ একঃ সঃ*

## সাংস্কৃতিক শাখাৰ প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ

(১) বৰগীত প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী পৰশমনি পায়েং
- ২য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই
- ৩য় স্থান ঃ শ্ৰীমতী ৰিংকুমনি বড়া

(২) বনগীত প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী পৰশমনি পায়েং
- ২য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই
- ৩য় স্থান ঃ শ্ৰীমতী মানসী গগৈ

(৩) লোকগীত প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী পৰশমনি পায়েং
- ২য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই
- ৩য় স্থান ঃ শ্ৰীমতী চুমী দত্ত

(৪) ভজন প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী পৰশমনি পায়েং
- ২য় স্থান ঃ শ্ৰীমতী চুমী দত্ত
- ৩য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই

(৫) গজল প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী পৰশমনি পায়েং
- ২য় স্থান ঃ শ্ৰীমতী কৃষ্ণা বুঢ়াগোহাঁই
- ৩য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই

(৬) ৰাভা সংগীত প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী পৰশমনি পায়েং
- ২য় স্থান ঃ শ্ৰীমতী মানসী গগৈ
- ৩য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই

(৭) ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী পৰশমনি পায়েং
- ২য় স্থান ঃ শ্ৰীমতী মানসী গগৈ
- ৩য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই

(৮) জ্যোতি সংগীত প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী পৰশমনি পায়েং
- ২য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই
- ৩য় স্থান ঃ শ্ৰীমতী মানসী গগৈ

(৯) আধুনিক গীত প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী মানসী গগৈ
- ২য় স্থান ঃ শ্ৰীমতী পৰশমনি পায়েং
- ৩য় স্থান ঃ শ্ৰীমতী চুমী দত্ত

(১০) হিন্দী গীত প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী মানসী গগৈ
- ২য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই
- ৩য় স্থান ঃ শ্ৰীহেমন্ত মিলি





(১১) বিহু গীত প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী মানসী গগৈ
- ২য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই
- ৩য় স্থান ঃ শ্ৰীমতী নিজৰা গগৈ

(১২) ঐঃ নিতম প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী পৰশমণি পায়েং
- ২য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই
- ৩য় স্থান ঃ শ্ৰীমতী জ্যোতিকা দলে

(১৩) আনুঃ নিতমঃ প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী পৰশমণি পায়েং
- ২য় স্থান ঃ শ্ৰীমতী গুণলতা কুটুম
- ৩য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই

(১৪) আধুনিক নৃত্য প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী মনোৰঞ্জন দাস
- ২য় স্থান ঃ শ্ৰীমতী চুমী দত্ত
- ৩য় স্থান ঃ শ্ৰীমতী দেৱাশ্ৰী গোহাঁই

(১৫) বিহুনৃত্য প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীমতী নিজৰা গগৈ
- ২য় স্থান ঃ শ্ৰীতিলোত্তমা ভৰালী
- ৩য় স্থান ঃ শ্ৰীমতী লিলি গগৈ

(১৬) কৌতুক অভিনয় প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীজিতেন খনিকৰ
  শ্ৰীহৰিচন্দ্ৰ চুতীয়া
- ২য় স্থান ঃ শ্ৰীমতী নিজৰা গগৈ
- ৩য় স্থান ঃ শ্ৰীভবেন তামুলী

(১৭) একক অভিনয় প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীনিতুল কোঁচ
- ২য় স্থান ঃ শ্ৰীঠুনিল বৰুৱা
- ৩য় স্থান ঃ শ্ৰীপ্ৰহ্লাদ বৰুৱা

(১৮) মূক অভিনয় প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীভবেন তামুলী
- ২য় স্থান ঃ শ্ৰীঅমৰজ্যোতি কলিতা
- ৩য় স্থান ঃ শ্ৰীঅনুপ বৰুৱা

(১৯) ভেশচন প্ৰতিযোগিতা
- ১ম স্থান ঃ শ্ৰীঅমৰজ্যোতি কলিতা
- ২য় স্থান ঃ শ্ৰীপাপুল শইকীয়া
- ৩য় স্থান ঃ শ্ৰীজ্যোতিষ সেনাপতি

(২০) একাংকিকা নাট প্ৰতিযোগিতা
- (ক) শ্ৰেষ্ঠ অভিনেতা ঃ শ্ৰীপংকজ কুমাৰ শইকীয়া
  - নাটক ঃ উলংগ ছোৱালীজনী
  - পৰিচালক ঃ পংকজ কুমাৰ শইকীয়া
- (খ) শ্ৰেষ্ঠা অভিনেত্ৰী ঃ শ্ৰীমতী স্বপ্নালী লাহন
  - নাটক ঃ উলংগ ছোৱালীজনী
  - পৰিচালক ঃ পংকজ কুমাৰ শইকীয়া



## ক্ৰীড়া শাখাৰ সম্পাদকৰ প্ৰতিবেদন

"আমি অজ্ঞানৰ আন্ধাৰ বিনাশো"

মই সচাঁয়ে শ্ৰদ্ধা জনাইছো যিসকল ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত মহাবিদ্যালয়খনি স্থাপিত হৈছিল।

জয় জয়তে সেইসকল ব্যক্তিলৈ মোৰ শ্ৰদ্ধা জনাইছো যিসকলে ক্ৰীড়া শাখাৰ সম্পাদকৰূপে আপোনালোকে বিবিশ্বাসত নিৰ্বাচিত কৰিছিল, সেইবাবে আপোনালোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। মোক ২০০২-২০০৩ বৰ্ষৰ ক্ৰীড়া শাখাৰ সম্পাদকৰূপে আপোনালোকে বিবিশ্বাসত নিৰ্বাচিত কৰিছিল। মই অজানিতে কৰা ভুলবোৰৰ কাৰণে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো।

মই সচাঁয়ে প্ৰশংসা কৰিবলৈ বাধ্য মহাবিদ্যালয়ৰ প্ৰবক্তা, ক্ৰীড়া শাখাৰ উপদেষ্টা শ্ৰীযুত যুক্তিৰত্ন শইকীয়া চাৰক। মোক বিভিন্ন দিশত নানা ধৰণৰ দিহা পৰামৰ্শ দি সকলো কামতে সহায়-সহযোগিতা কৰি মোৰ কাম-কাজ চলাই নিয়াত চাৰে বহুত সহায় কৰিলে। এই চেগতে চাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰদ্ধাৰ মৃদুল গগৈ চাৰ, অঞ্জন বৰগোহাঁই চাৰ, যামিনী শইকীয়া চাৰ, ধীৰেন দাস চাৰ চিত্ৰ কোঁচ চাৰ, সেৱক চুতীয়া চাৰ আৰু প্ৰকাশ উপাধ্যায় চাৰলৈ এই অপাহতে কৃতজ্ঞতা জনাইছো।

২০০২-২০০৩ বৰ্ষৰ কাৰ্যকাল মূৰ পাতিলৈয়ে 'মহাবিদ্যালয় সপ্তাহ'ৰ কাম-কাজত সোমাই পৰিলো। 'মহাবিদ্যালয় সপ্তাহ'ত ক্ৰিকেট খেলৰ বাহিৰে আনবোৰ খেল খেলোৱা হয়। আমাৰ এখন উপযুক্ত খেলপথাৰ নথকাৰ বাবে ক্ৰিকেট খেলখন খেলাব নোৱাৰিলো। সেইবাবে ছাত্ৰ-বন্ধুসকলৰ ওচৰত মই ক্ষমা মাগিছো।

মোৰ কাৰ্যকালৰ প্ৰথম কাম হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয়ৰ 'এথলেটিক' খেলত অংশ গ্ৰহণ কৰি বহুদিনৰ পৰা বন্ধ হৈ থকা এটা বহুদিনীয়া বাট পুনৰ খুলিলো।

দ্বিতীয়তে, ঢকুৱাখনাত অনুষ্ঠিত অভিৰুচি ক্ৰীড়া দিৱসত অনুষ্ঠিত কৰা ফুটবল খেলত মহাবিদ্যালয়ৰ দলটিয়ে অংশগ্ৰহণ কৰি প্ৰথমবাৰৰ বাবে সুনাম অৰ্জন কৰাৰ বাবে সক্ষম হৈছে।

তৃতীয়তে, আন্তঃমহাবিদ্যলয়ৰ ফুটবল খেলত অংশ গ্ৰহণ কৰি ভাল পাৰদৰ্শিতা দেখুৱাবলৈ আমাৰ দলটিয়ে সক্ষম হৈছিল। কিন্তু 'ট্ৰাই' ব্ৰেকাৰত পৰাজিত হয়। ইয়াৰ বাবে খেলুৱৈ সকলৰ অনুশীলনৰ অভাৱক উনুকিয়াব পাৰি।

চতুৰ্থতে, ঢকুৱাখনাত লীগ মেচত অংশগ্ৰহণ কৰি দ্বিতীয় পৰ্যায়ৰ পৰা বিদায় লব লগাত পৰে মহাবিদ্যালয়ৰ দলটিয়ে। ইয়াত ভাল ফল দেখুৱাব নোৱাৰাৰ কাৰণ হ'ল মহাবিদ্যলয়ৰ নিজা এখন খেল পথাৰ নাই, য'ত খেলুৱৈসকলে অনুশীলন কৰিব পাৰে।

ইয়াৰ উপৰিও আন্তঃ মহাবিদ্যালয় ভলীবল খেলত অংশগ্ৰহণ কৰিবলৈ সকলোবিলাক যা-যোগাৰ কৰি থকা হৈছে। এইসকলোবিলাক কামত মোক সহায় কৰা বন্ধু ভৰেন, ৰাকেশ, কৈলাশ, মাধৱ, ৰাজীৱ, ৰিতুল, ইন্দ্ৰজিত বান্ধৱী চুমী, মধুস্মিতা, নিজৰা, সংগীতা, ৰেখামনি, ৰশ্মি, ৰেখা, ভণ্টি দেৱযানী, এনিশা, ৰাজশ্ৰী, জানটি আদি সকলোলৈকে মোৰ হিয়াভৰা আন্তৰিকতা জ্ঞাপন কৰিলো।

সদৌ শেষত মহাবিদ্যালয়ৰ অভূতপূৰ্ব সাফল্য কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

'জয়তু ঢকুৱাখনা মহাবিদ্যালয়'

'জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা'

*শ্ৰদ্ধাৰে—*

**নিতুল কোঁচ**

সম্পাদক, ক্ৰীড়া শাখা

ঢঃ মঃ ছাঃ এঃ সঃ

## তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদিছো, যিসকলৰ প্ৰচেষ্টাত মহাবিদ্যালয়খনি আজি এনে এটা অৱস্থাত উপনিত হৈছেহি আৰু যিসকল অসম মাতৃৰ বীৰ সন্তানে অসমীয়া জাতিৰ ভাষা, সংস্কৃতি ৰক্ষাৰ কাৰণে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি নতুন প্ৰজন্মৰ ভেটি প্ৰতিষ্ঠা কৰি থৈ গৈছে। মহাবিদ্যালয়খনিৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু মোৰ চিৰপূজ্য শিক্ষা-গুৰুসকলকো মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ, যিসকলৰ অনুগ্ৰহত মই ২০০২-২০০৩ বৰ্ষৰ মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদক হিচাপে এক দুৰ্লভ অভিজ্ঞতা আহৰণ কৰিবলৈ বিনা-প্ৰতিদ্বন্দ্বিতাৰে সুযোগ লাভ কৰিলোঁ। প্ৰতিজন শুভাকাংক্ষীৰ ওচৰত মই ঋণী হৈ ৰ'ম।

কোনো এটা কাম কৰিম বুলি ভাবি লোৱাটো যিমান সহজ, কাৰ্য ক্ষেত্ৰত কিন্তু তাৰ সম্পূৰ্ণ বিপৰীত। তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাৰ্যসূচীত ব্যস্ত হ'বলগীয়া হয়। প্ৰথম দিনাই তৰ্ক আৰু আলোচনা শাখাৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। প্ৰতিযোগিতাসমূহ উদ্বোধন কৰে এই মহাবিদ্যালয়ৰে অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীযুত ডিম্বেশ্বৰ গগৈদেৱে। অন্যান্য ক্ষেত্ৰত শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলে সহায় কৰাৰ উপৰিও মাননীয় অধ্যাপক দ্বয় শ্ৰীযুত সেৱক চুতীয়া চাৰ আৰু শ্ৰীযুত ডিম্বেশ্বৰ গগৈ চাৰে কুইজ আৰু তৰ্ক প্ৰতিযোগিতাখনি বিশেষভাৱে আকৰ্ষণীয় কৰি তুলিছিল। মোৰ বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ শ্ৰীযুত যামিনী কুমাৰ শইকীয়াচাৰে প্ৰতি মূহুৰ্ততে কৰা অকুণ্ঠ সহায় কোনো দিনে পাহৰিব নোৱাৰোঁ। তাৰোপৰি সকলো শিক্ষাগুৰুৰ সহায় সহযোগ মইহে নালাগে কোনো সম্পাদকেই পাহৰিব নোৱাৰে।

অন্য কেইবছৰৰ তুলনাত এই বছৰৰ বিভিন্ন প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা বহুগুণে বৃদ্ধি পায়। সেয়ে ক'ব খোজো প্ৰতিযোগীসকলৰ উৎসাহেই প্ৰতিযোগিতাৰ মূল ধন।





এইখিনিতে উনুকিয়াই থওঁ প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা 'প্ৰহ্লাদ গোঁহাই সোঁৱৰণি' তৰ্ক প্ৰতিযোগিতাখনি এই বছৰো ৪ নৱেম্বৰত পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰোঁ। ট্ৰফীৰ লগতে প্ৰাইজ মানিৰ ব্যৱস্থা কৰি প্ৰতিযোগী বৃদ্ধি কৰাৰ লগতে আকৰ্ষণীয় কৰা হয়। প্ৰতিযোগিতাখনি উদ্বোধন কৰে মহাবিদ্যালয়ৰে অধ্যক্ষ শ্ৰীযুত শিৱপ্ৰসাদ গগৈদেৱে আৰু অধ্যক্ষ হিচাপে অংশগ্ৰহণ কৰে শ্ৰীযুত জগদীশ চন্দ্ৰ গগৈদেৱে। তৰ্কপ্ৰতিযোগিতাখনিত আঠখন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰে। শ্ৰেষ্ঠ তাৰ্কিক সন্মান লাভ কৰে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী সোনপাহী মৰাঙে। ২য়স্থান লাভ কৰে ঘিলামৰা নৰ্থবেংক মহাবিদ্যালয়ৰ ছাত্ৰ মল্লজিৎ চেতিয়াই লগতে তেওঁলোকৰ মহাবিদ্যালয়ৰ দলটি শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয়। ৩য় স্থান লাভ কৰে ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰাহুল দে নামৰ ছাত্ৰজনে।

*কৃতজ্ঞতা স্বীকাৰ ঃ* কিছুমান মূহুৰ্ত আহে যেতিয়া আনন্দই দুপাৰ ভাঙে। মোৰ কাৰ্যত আগবাঢ়ি যোৱাৰ পথত গতি নিৰূপন কৰে কোনো ব্যক্তিৰ পৰামৰ্শই। যাৰ ওচৰত প্ৰত্যেক ক্ষেত্ৰতে সহায়ৰ হাত পাতিছিলো সেইসকল অগ্ৰজ অনুজক হয়তো একো দিব নোৱাৰিলোঁ, কিছু মৰম আৰু সন্মান, কৃতজ্ঞতাৰ বাহিৰে। সেইসকলৰ ভিতৰত অধ্যক্ষ শ্ৰীযুত শিৱপ্ৰসাদ গগৈছাৰ, অধ্যাপক শ্ৰীযুত চিত্ৰকুমাৰ কোঁচ ছাৰ, শ্ৰীযুত যুক্তিৰত্ন শইকীয়া ছাৰ, শ্ৰীযুত অঞ্জন বৰগোঁহাই ছাৰ শ্ৰীযুত চিৰণ গগৈ ছাৰ, শ্ৰীযুত মৃদুল গগৈ ছাৰ, শ্ৰীযুক্তা বিজয়া দত্ত বাইদেউ, শ্ৰীযুক্তা অনিমা দত্ত বাইদেউ সকলোলৈকে মোৰ শ্ৰদ্ধা নিবেদিলোঁ।

বন্ধু-বান্ধৱীসকলৰ ভিতৰত সহায় পৰামৰ্শ আগবঢ়োৱা সৰ্বশ্ৰী কুশল, মনোজ, জ্যোতি প্ৰসাদ, ৰেৱত, বিকাশ, অপূৰ্ব, সুভাষ, মনোজ, হৰিশ্চন্দ্ৰ, নিৰু, কৰবী, প্ৰীতি, জোনালী, নিবেদিতা, তৰংগ, তৃষ্ণা, বিদ্যা, ৰিণু আদি আৰু ভাইটি-ভণ্টিসকলৰ ভিতৰত ৰাজশ্ৰী, প্ৰণালী, দ্বিপেন, ৰুণ-জুন, পমী, পলী, পল্লৱী, জ্যোতিকা আৰু ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰী-নিবাসৰ সমূহ ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। যিসকলৰ নাম অজানিতে ৰৈ গ'ল তেওঁলোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ।

শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"

**নৃপেন দত্ত**

*সম্পাদক, তৰ্ক আৰু আলোচনা শাখা*

## তৰ্ক আৰু আলোচনা শাখাৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ঃ

আকস্মিক বক্তৃতা প্ৰতিযোগিতা

১ম স্থান ঃ শ্ৰীমতী ৰিণু গগৈ
২য় স্থান ঃ শ্ৰীমতী জোনালী কলিতা
৩য় স্থান ঃ শ্ৰীমতী ৰুণ-জুন দত্ত

কুইজ প্ৰতিযোগিতা

১ম শ্ৰেষ্ঠ দল ঃ শ্ৰীমনি দ্বীপ গগৈ
শ্ৰীসুৰুজমণি গগৈ
শ্ৰীবাবুল শৰ্মা

কুইজ প্ৰতিযোগিতা

২ম শ্ৰেষ্ঠ দল ঃ শ্ৰীটিকেন্দ্ৰজিৎ ভঁৰালী
শ্ৰীসঞ্জীৱ বৰুৱা
শ্ৰীকৃষ্ণকান্ত চুতীয়া

তৰ্ক প্ৰতিযোগিতা ফলাফল ঃ

১ম স্থান ঃ শ্ৰীকুশল বৰগোহাঁই
২য় স্থান ঃ শ্ৰীমতী ৰুণজুন দত্ত
৩য় স্থান ঃ শ্ৰীমতী পল্লৱী বৰ গোঁহাই

শক্তি উত্তোলন প্ৰতিযোগিতা ঃ (ছোৱালী) ০-৫৯ কিঃ গ্ৰাঃ

১ম স্থান ঃ শ্ৰীমতী বিনীতা দলে
২য় স্থান ঃ শ্ৰীমতী বিজুমণি দেৱী
৩য় স্থান ঃ শ্ৰীমতী পল্লৱী বৰগোঁহাই

তৰ্ক আৰু আলোচনা শাখাৰ শ্ৰেষ্ঠ প্ৰতিযোগী

শ্ৰীমতী ৰুণ-জুন দত্ত

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



যিসকলৰ অনুগ্ৰহত মই ২০০২-২০০৩ বৰ্ষৰ ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ দৰে এক দুৰ্লভ অভিজ্ঞতা আহৰণ কৰিবলৈ সুবিধা পালো আৰু যিসকলে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে উক্ত বিভাগত সেৱা আগবঢ়াবলৈ সুযোগ দিলে সেইসকল শুভাকাংক্ষীলৈ মোৰ হিয়া ভৰা ওলগ জনালো।

**মোৰ কাৰ্যকালত ঃ** সময়ৰ লগত সংগতি ৰাখি পূৰ্ব পৰম্পৰা অনুসৰি এইবছৰো 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয়। শৰীৰ চৰ্চা বিভাগৰ খেলসমূহ উদ্বোধন কৰে ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ 'সমাজ শাস্ত্ৰ' বিভাগৰ অধ্যাপক শ্ৰীযুত থানুকৃষ্ণ দত্ত ছাৰে। তেখেতে অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰি আমাক কৃতাৰ্থ কৰাৰ বাবে এই ছেগতে তেখেতলৈ কৃতজ্ঞতা জনাইছো।

"দেহা থাকিলেহে বেহা" বুলি অসমীয়াত এষাৰ কথা আছে। সুস্থ দেহ মানেই হৈছে সুস্থ মন। সুস্থ মন মানেই সুস্থ ব্যক্তি, সুস্থ ব্যক্তিৰেই গঠিত হয় সুস্থ সমাজ, সুস্থ সমাজেই হৈছে, সুস্থ জাতি। সুদক্ষ খেলুৱৈ জাতিৰ গৌৰৱ। অতি পৰিতাপৰ বিষয় যে, মহাবিদ্যালয়ৰ এটা সুকীয়া ব্যায়াম গাৰ নাই, এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই উচিত ব্যৱস্থা হাতত লোৱা উচিত। ইয়াৰ উপৰিও কিবা এটা কৰিব লগা থাকিলেও অৰ্থৰ অভাৱত সময়ত কামটো কৰা হৈ নুঠেগৈ। এইখিনিতে মই এটা কথা উল্লেখ কৰিব খোজে যে, অন্য কেইবছৰৰ তুলনাত এইবছৰৰ মহাবিদ্যালয় সপ্তাহত শৰীৰ চৰ্চা বিভাগৰ খেল সমূহত প্ৰতিযোগিতাৰ সংখ্যা বৃদ্ধি কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্যকালত প্ৰতি মূহুৰ্ত্ততে মোক দিহা-পৰামৰ্শ দি সহায় কৰা মাননীয় উপদেষ্টা মহোদয় শ্ৰীযুত বিশ্ববিকাশ গগৈ, শ্ৰীযুত যুক্তি ৰত্ন শইকীয়া, শ্ৰীযুত মৃদুল গগৈ আৰু শ্ৰীযুত যামিনী শইকীয়া চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ঢকুৱাখনা শৰীৰ চৰ্চা ক্লাবৰ সমূহ কৰ্মকৰ্তা, বিনাৰাম, ভূপেন, ধৰণী, ৰঞ্জিত, জীৱন্তলৈ মোৰ তৰফৰ পৰা সশ্ৰদ্ধ প্ৰণিপাত জনালো।

ঢকুৱাখনা কাৰাটে ক্লাবৰ প্ৰশিক্ষক সুৰেন্দ্ৰ নাথ বৰুৱা আৰু মহাবিদ্যালয়ৰ মোৰ সতীৰ্থ বৃন্দ প্ৰণৱ ৰাজু, মানস, ৰাজেন, গোবিন, নৃপেন, কুশল, সংগীতা, ৰেখা, ৰঞ্জু, বনশ্ৰীহঁতলৈ মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জনালো।

মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো। সৰ্বশেষত মহাবিদ্যালয়খনিৰ উজ্জ্বল ভৱিষ্যত আৰু সমূহ শিক্ষক ছাত্ৰ-ছাত্ৰীৰ সু-স্বাস্থ্য কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।

"স্বাস্থ্যই পৰম সম্পদ"

জয়তু ঢকুৱাখনা মহাবিদ্যালয়,

জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ-একতা সভা।

শ্ৰদ্ধাৰে—

**দ্বিপেন দত্ত**

*সম্পাদক, শৰীৰ চৰ্চা বিভাগ*

## প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ

(১) ভাৰ উত্তোলন প্ৰতিযোগিতা ঃ (ল'ৰা) ০-৫০ কিঃ গ্ৰাঃ
১ম স্থান ঃ শ্ৰীঅচ্যুত চুতীয়া
২য় স্থান ঃ শ্ৰীজিতেন খনিকৰ
৩য় স্থান ঃ শ্ৰীদ্বিপেন দত্ত
শ্ৰীবিজু পেগু

ভাৰ উত্তোলন প্ৰতিযোগিতা ঃ (ছোৱালী) ০-৫০ কিঃ গ্ৰাঃ
১ম স্থান ঃ শ্ৰীমতী বিনীতা দলে
২য় স্থান ঃ শ্ৰীমতী মৌচুমী খনিকৰ
৩য় স্থান ঃ শ্ৰীমতী দিপিকা দত্ত





(২) শক্তি উত্তোলন প্ৰতিযোগিতা ঃ (ল'ৰা) ০-৫৯ কিঃ গ্ৰাঃ
১ম স্থান ঃ শ্ৰীজয় কুমাৰ শইকীয়া
২য় স্থান ঃ শ্ৰীবিজু পেগু
শ্ৰীঅভিজিত পেগু
৩য় স্থান ঃ শ্ৰীদ্বিপেন দত্ত

শক্তি উত্তোলন প্ৰতিযোগিতা ঃ (ল'ৰা) ৬০ কিঃ গ্ৰাঃ ওপৰত
১ম স্থান ঃ শ্ৰীসত্য নাৰায়ন বৰুৱা
২য় স্থান ঃ শ্ৰীজিতেন খনিকৰ
৩য় স্থান ঃ শ্ৰীগোবিন কলিতা

শক্তি উত্তোলন প্ৰতিযোগিতা ঃ (ছোৱালী)
১ম স্থান ঃ শ্ৰীমতী বিনীতা দলে
২য় স্থান ঃ শ্ৰীমতী বিজুমণি দেৱী
৩য় স্থান ঃ শ্ৰীমতী পল্লৱী বৰগোঁহাই

(৩) পাঞ্জা প্ৰতিযোগিতা ঃ (ল'ৰা) ০-৫৯ কিঃ গ্ৰাঃ
১ম স্থান ঃ শ্ৰীনৱজিত কলিতা
২য় স্থান ঃ শ্ৰীবিনন্দ পেগু
৩য় স্থান ঃ শ্ৰীসত্য নাৰায়ণ বৰুৱা

পাঞ্জা প্ৰতিযোগিতা ঃ (ছোৱালী) ০-৫৫ কিঃ গ্ৰাঃ
১ম স্থান ঃ শ্ৰীমতী সংগীতা শইকীয়া
২য় স্থান ঃ শ্ৰীমতী কল্পনা সন্দিকৈ
৩য় স্থান ঃ শ্ৰীমতী পল্লৱী বৰগোঁহাই

পাঞ্জা প্ৰতিযোগিতা ঃ (ছোৱালী) ০-৫৫ কিঃ গ্ৰাঃ ওপৰত
১ম স্থান ঃ শ্ৰীমতী গুণলতা কুটুম
২য় স্থান ঃ শ্ৰীমতী মৌচুমী খনিকৰ
৩য় স্থান ঃ শ্ৰীমতী তিলোমনি সন্দিকৈ

(৪) সাতোঁৰ প্ৰতিযোগিতা ঃ (ল'ৰা)
১ম স্থান ঃ শ্ৰীনৱজিত শইকীয়া
২য় স্থান ঃ শ্ৰীঅজিত ৰাজখোৱা
৩য় স্থান ঃ শ্ৰীমনোজ শইকীয়া

সাঁতোৰ প্ৰতিযোগিতা ঃ (ছোৱালী)
১ম স্থান ঃ শ্ৰীমতী মৌচুমী খনিকৰ
২য় স্থান ঃ শ্ৰীমতী সংগীতা শইকীয়া
৩য় স্থান ঃ শ্ৰীমতী দীপাঞ্জলী গগৈ

(৫) যোগাসন প্ৰতিযোগিতা ঃ (ল'ৰা)
১ম স্থান ঃ শ্ৰীৰাজু শৰ্মা
২য় স্থান ঃ শ্ৰীঅচ্যুত চমুৱা

(৬) দেহশ্ৰী প্ৰতিযোগিতা ঃ (ল'ৰা)
১ম স্থান ঃ শ্ৰীমোহন মিলি
২য় স্থান ঃ শ্ৰীসত্যনাৰায়ণ বৰুৱা
৩য় স্থান ঃ শ্ৰীদ্বিপেন দত্ত
শ্ৰীবিজু পেগু

বছৰৰ শ্ৰেষ্ঠসকল ঃ (ল'ৰা)
১ম স্থান ঃ শ্ৰীমোহন মিলি
*(মি. ডি. কে. চি.)*
২য় স্থান ঃ শ্ৰীৰাজু শৰ্মা *(যোগ সম্ৰাট)*
৩য় স্থান ঃ শ্ৰীনৱজিত শইকীয়া
*(পাঞ্জাবীৰ, সাতোঁৰবীৰ)*
৪ৰ্থ স্থান ঃ শ্ৰীঅচ্যুত চুতীয়া
*(লৌহ মানৱ, ডি. কে. চি.)*
৫ম স্থান ঃ শ্ৰীজয়কুমাৰ শইকীয়া
*(শ্ৰেষ্ঠ শক্তিমান পুৰুষ, ডি. কে. চি.)*

বছৰৰ শ্ৰেষ্ঠসকল ঃ (ছোৱালী)
১ম স্থান ঃ শ্ৰীমতী সংগীতা শইকীয়া
*(পাঞ্জাৱাণী, ডি. কে. চি.)*
২য় স্থান ঃ শ্ৰীমতী বিনীতা দলে
*(শক্তিমান মহিলা, ডি. কে. চি.)*
৩য় স্থান ঃ শ্ৰীমতী মৌচুমী খনিকৰ
*(সাতোঁৰৰাণী)*

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকললোকে ঢকুৱাখনা মহাবিদ্যালয়খনি গঢ়ি তোলাত নিজৰ জীৱন বিপন্ন কৰি সমূহীয়া স্বাৰ্থ ত্যাগ কৰি ঢকুৱাখনাবাসীৰ মাজলৈ আশাৰ সোনালী কিৰণ ছটিয়াই গ'ল সেইসকল বৰেণ্য ব্যক্তিলৈ মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০২-২০০৩ বৰ্ষৰ সমাজ সেৱাৰ সম্পাদক পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱাত ব্ৰতী হবলৈ সুযোগ এই অভাজনক দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ-কৃতজ্ঞ।

এই বর্ষটোৰ সমাজসেৱৰ সম্পাদকৰূপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে মহাবিদ্যালয়ৰ বিভিন্ন দিশনৈ সেৱা আগবঢ়াবলৈ চেষ্টা কৰিলো। এই সুযোগতে মোক বিভিন্ন কামত দিহা পৰামৰ্শ দি সহায় কৰা বিভাগীয় উপদেষ্টা সন্মানীয় শ্ৰীযুত চিৰণ গগৈ চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মোক বিভিন্ন দিশত সহায় কৰা বন্ধু-বান্ধৱী সকললৈও কৃতজ্ঞতা থাকিল।

মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ আৰম্ভ হৈছিল জানুৱাৰী মাহৰ ১৮ তাৰিখৰ পৰা ২৪ তাৰিখলৈ। এই বাৰ্ষিক সপ্তাহটিত তোৰণ নিৰ্মাণ, পেক্ষাগৃহ সজোৱা, মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰা আদি কাৰ্যসূচী পালন কৰিছিলো। ইয়াৰ লগতে মহাবিদ্যালয়ৰ সৌন্দৰ্য অক্ষুন্ন ৰখাত মহাবিদ্যালয়ৰ বৃক্ষবোৰত চূণৰ প্ৰলেপ দি সুন্দৰকৈ ৰখাৰ ব্যৱস্থা কৰিছিলো। মহাবিদ্যালয়ৰ খেল পথাৰখনো ব্যৱহাৰ উপযোগী কৰি তোলা হৈছিল।

সময়ৰ অগ্ৰগতিৰ লগে লগে আমাৰ মাজলৈ আহি পৰিল আমাৰ পৰিয়ালৰ নতুনজনক আদৰণি জনোৱা উৎসৱ। মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাখন অনুষ্ঠিত হৈছিল ২৩ আগষ্ট ২০০৩ত। এই উৎসৱমুখৰ অনুষ্ঠানটি নিয়াৰিকৈ চলাই নিয়াত সাধ্যনুসাৰে সহায়ৰ হাত আগবঢ়াও। আদৰণি তোৰণ নিৰ্মাণকে ধৰি মহাবিদ্যালয়ৰ বিভিন্ন কাম বিভাগীয় সম্পাদক আৰু বন্ধুবৰ্গৰ সহযোগত তৎপৰতাৰে কৰোঁ।

মহাবিদ্যালয়ৰ এনে এটি গধুৰ দায়িত্ব পালন কৰি কিমান সফলতা লাভ কৰিলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। যদি অজানিতে কিবা ভুল কৰিছো তাৰ বাবে মোক ক্ষমা নকৰিবনে?

মোৰ কাৰ্যকালৰ ভিতৰত পৰ্যবেক্ষন কৰি জিতেন খনিকৰ আৰু তৃণা চেতীয়াক মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সমাজ সেৱক উপাধিৰে সন্মানিত কৰি প্ৰশংসা পত্ৰ আগবঢ়লো।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, ছাত্ৰ একতা সভাৰ বিষয়-বৱীয়া সকললৈ মোৰ কৃতজ্ঞতা থাকিল। পদে পদে দিহা পৰামৰ্শ দিয়া উপদেষ্টা চিৰণ গগৈ আৰু যুক্তি ৰত্ন শইকীয়া চাৰলৈ আন্তৰিক কৃতজ্ঞা জ্ঞাপন কৰিলো। লগতে বিভিন্ন দিশত সহায় কৰা মিণ্টু, বিজু, জয় দ্বীপ, বিদিপ, ৰণ্টু, দিব্য, মৃগাংক, ৰঞ্জিত, ৰাতুল, মেদিনী, বিষুঃ, মানস, লীনা, ৰাজশ্ৰী, পমী, লাবন্য, লখিমী, বিনোদ, ৰাণী, সোন, মুকুল, মনোজ, প্ৰণৱ আৰু অজানিতে থাকি যোৱা সকললৈ কৃতজ্ঞতা থাকিল।

সদৌ শেষত মোৰ অজ্ঞাতে বৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো আৰু ঢকুৱাখনা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰিছো।

*শ্ৰদ্ধাৰে—*
প্ৰণৱ চুতীয়া
সম্পাদক সমাজসেৱা বিভাগ
২০০২-২০০৩ বৰ্ষ



## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল তথা সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো আৰু লগতে ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০০২-২০০৩ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত অপ্ৰতিদ্বন্দ্বিতাৰে দায়িত্ব বহন কৰিবলৈ সুবিধা দিয়াত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-বন্ধুলৈ মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা নিবেদিলো।

বহু আশা আৰু প্ৰত্যাশাৰে বিভাগীয় সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত চাওতে চাওতে আজি বছৰটোৰ অন্তিম পৰ্যায়ত উপনীত হৈছোহি। মোৰ অতি সীমিত জ্ঞানেৰে আমাৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ হকে কি কৰিব পাৰিলো সেইটো আপোনালোকৰ বিচাৰ্য বিষয় যদিও যথাসাধ্যে চেষ্টাৰ ত্ৰুটি কৰা নাছিলো বুলি মোৰ অনুভৱ হয়। আমাৰ মহাবিদ্যালয়খনৰ আৰ্থিক দিশটো বিশেষভাৱে সবল নোহোৱাত ছাত্ৰসকলক প্ৰয়োজনীয় সুবিধাসমূহ মোৰ কাৰ্যকালত প্ৰদান কৰিবলৈ সক্ষম হৈছো বুলি মই ক'ব নোৱাৰো। ছাত্ৰ জিৰণি কোঠাৰ সামান্য পুঁজিৰে ছাত্ৰ সকলৰ বাবে, এই মহাবিদ্যালয়খনৰ কাৰণে যিখিনি কৰণীয় কাম কৰিব নোৱাৰিলো তাৰ বাবে মই এই সুযোগতে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলো।

সম্পাদক পদত অধিষ্ঠিত হোৱাৰ পাচত 'মহাবিদ্যালয় সপ্তাহ'ৰ কাম-কাজ পৰিপাটিকৈ চলাই নিয়াত অগ্ৰসৰ হওঁ। এই দিশত বিভাগীয় উপদেষ্টা মহোদয় শ্ৰীযুত অঞ্জন বৰগোঁহাই ছাৰে বিশেষভাৱে ভূমিকা লয় আৰু অন্তিম মূহুৰ্তলৈকে তেখেতে মোক সকলো দিশতে পৰামৰ্শ দিয়াৰ উপৰিও সহায়ৰ হাত আগবঢ়ায়। এইক্ষেত্ৰত বিভিন্ন সময়ত বিভিন্ন কামত সহায়-সহযোগ আগবঢ়োৱা শ্ৰীইন্দ্ৰেশ্বৰ বৰুৱা আৰু মোৰ বন্ধু প্ৰণৱ, প্ৰশান্ত, অৰুণ, সোনাৰাম, মণ্টু, মনোজ আৰু মনোৰঞ্জনলৈ ধন্যবাদ জনালো।

এইখিনিতে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা অধ্যক্ষ মহোদয়ক এটি অনুৰোধ জনাওঁ যে, ছাত্ৰ জিৰণি কোঠাতো বিশেষভাৱে মেৰামতি কৰাত গুৰুত্ব দিয়ে যেন। লগতে ছাত্ৰ জিৰণি কোঠাৰ সমূহ অভাৱ দূৰ কৰাত সহায়ৰ হাত আগবঢ়ায় যেন। সদৌ শেষত কাৰ্যকালৰ সময়ছোৱাত জ্ঞাত-অজ্ঞাতভাৱে কৰা সকলো ভুলৰ বাবে মহাবিদ্যালয়ৰ পৰিয়ালটিৰ ওচৰত বিনম্ৰভাৱে ক্ষমা বিচাৰি আৰু ঢকুৱাখনা মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল হোৱাৰ কামনাৰে মোৰ এই প্ৰতিবেদন সামৰিছো।

'জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা"

*শ্ৰদ্ধাৰে—*
ৰাজু বৰুৱা
সম্পাদক ছাত্ৰ জিৰণি কোঠা

## ছাত্ৰ-জিৰণি কোঠাৰ প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ

(১) কেৰম চেম্পিয়ান *(একক)* ঃ শ্ৰীদেৱজিত শইকীয়া
ৰাণাৰ্চ আপ ঃ শ্ৰীহোমেন বৰগোহাঁঞি

(২) কেৰম চেম্পিয়ান *(দ্বৈত)* ঃ শ্ৰীসঞ্জীৱ গগৈ
শ্ৰীহোমেন বৰগোহাঁঞি
ৰাণাৰ্চ আপ ঃ শ্ৰীসুমিত গগৈ
শ্ৰীঅৰুণ হাজৰিকা

(৩) বেডমিণ্টন চেম্পিয়ান *(একক)* ঃ শ্ৰীপ্ৰশান্ত ছত্ৰধৰা (একেৰাহে দুবছৰ)
ৰাণাৰ্চ আপ ঃ শ্ৰীহিতেশ্বৰ চুংক্ৰাঙ্গ

(৪) বেডমিণ্টন চেম্পিয়ান *(দ্বৈত)* ঃ শ্ৰীপ্ৰশান্ত ছত্ৰধৰা (একেৰাহে তিনিবছৰ)
শ্ৰীঅংকুৰ ফুকন
ৰাণাৰ্চ আপ ঃ শ্ৰীপদুম পেগু
শ্ৰীহেমেন দলে

(৫) টেবুল টেনিচ চেম্পিয়ান *(একক)* ঃ শ্ৰীঅংকুৰ ফুকন (একেৰাহে পাঁচবছৰ)
ৰাণাৰ্চ আপ ঃ শ্ৰীপ্ৰশান্ত ছত্ৰধৰা

| | | | |
|---|---|---|---|
| (৬) | টেবুল টেনিচ চেম্পিয়ান (দ্বৈত) | ঃ | শ্ৰীপ্ৰশান্ত ছত্ৰধৰা |
| | | | শ্ৰীঅংকুৰ ফুকন |
| | ৰাণাৰ্চ আপ | ঃ | শ্ৰীসোণাৰাম বড়া |
| | | | শ্ৰীপৰাগ গগৈ |
| (৭) | ডবা চেম্পিয়ান | ঃ | শ্ৰীমোহন চন্দ্ৰ গগৈ |
| | ৰাণাৰ্চ আপ | ঃ | শ্ৰীসুশীল কুমাৰ চায়েঙীয়া |
| | শ্ৰেষ্ঠ প্ৰতিযোগীতা ছাত্ৰ জিৰণী কোঠা | ঃ | শ্ৰীপ্ৰশান্ত ছত্ৰধৰা (একেৰাহে দুবছৰ) |

## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



জয় জয়তে ঢকুৱাখনা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে মোৰ শিক্ষাগুৰুসকলৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ হিয়াভৰা শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। দায়িত্বতথকা কালছোৱাত সকলোসময়তে সৎ দিহা-পৰামৰ্শৰে সহায় কৰা বিভাগীয় উপদেষ্টা মহোদয়া শ্ৰীযুক্তা বিজয়া দত্ত বাইদেউলৈ মোৰ সশ্ৰদ্ধ প্ৰণামৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০০২-২০০৩ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত যিসকল শুভাকাংক্ষী বান্ধৱী তথা ছাত্ৰীয়ে ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে যথাসম্ভৱ সেৱা আগবঢ়াবলৈ সুবিধা দিলে সেই সকলো ছাত্ৰীবান্ধৱীলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো। এই এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়ৰ যি গধুৰ দায়িত্বভাৰ গ্ৰহণ কৰিলো তাত কিমানদূৰ সফলতা লাভ কৰিলো সেইয়া মহাবিদ্যালয়ৰ ছাত্ৰসকলে বিচাৰ কৰিব। ছাত্ৰীসকলৰ বছৰেকীয়া পুঁজি তেনেই সামান্য হোৱাৰ বাবে মনত উন্নতিৰ বহু আশা পুঁহি ৰখা স্বত্বেও সেই সকলোবোৰ সম্ভৱপৰ হৈ নুঠিল তাৰ বাবে ছাত্ৰী বান্ধৱীসকলৰ ওচৰত ক্ষমা ভিক্ষা মাগিলো।

এইখিনিতে সম্পাদিকা হিচাপে ছাত্ৰীসকলৰ যি অভাৱ-অভিযোগ সেইয়া অৱগত কৰিবলৈ গৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা অধ্যক্ষ মহোদয়ক টানি অনুৰোধ জনাওঁ যে, আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাটো আচুতীয়া স্থানত থকাৰ বাবে সকলো সময়তে অহা যোৱা কৰাত ছাত্ৰীসকল অসুবিধাৰ সন্মুখীন হয়। সেয়েহে দয়ালু মহোদয়ে কোনো এক উপযুক্ত স্থান নিৰ্বাচন কৰি ছাত্ৰী জিৰণি কোঠাটো নিৰ্মাণ কৰাৰ লগতে ছাত্ৰীসকলৰ অভাৱ সমূহতো সহায়ৰ হাত আগবঢ়াব বুলি আশা কৰিলো। কাৰণ, ছাত্ৰ জিৰণি কোঠাৰ তুলনাত ছাত্ৰী জিৰণি কোঠাটো যথেষ্ঠ পিছপৰি আছে। বিশেষকৈ ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয় সামগ্ৰীবিলাক থবৰ বাবে এটা আলমাৰীৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিলো। তাৰোপৰি ছাত্ৰী জিৰণি কোঠাৰ বাবে আচুতীয়াকৈ কোনো আলোচনী বা বাতৰি কাকত লোৱাৰ ব্যৱস্থা কৰিলে ছাত্ৰীসকল যথেষ্ট লাভবান হ'ব বুলি ভাবো। আশা ৰাখিছো মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে এই বিষয়ত গুৰুত্বসহকাৰে বিচাৰ কৰি চাই পৰৱৰ্তী সম্পাদিকাসকলক এই অভাৱ দূৰ কৰাত সহায় কৰিব।

প্ৰতিবছৰে মহাবিদ্যালয়ত চলি অহা হেপাহৰ 'মহাবিদ্যালয় সপ্তাহটিত যিসকল ছাত্ৰীয়ে প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভাবিকাশৰ লগতে প্ৰতিযোগিতাসমূহ চলাই নিয়াত মোক সহায় কৰিলে, সেইসকললৈ মই হেপাহেৰে ধন্যবাদ জনালো। আশা ৰাখিছো যাতে অনাগত দিনবোৰতো তেওঁলোকে অধিক সফলতা অৰ্জন কৰিব পাৰে। এই আপাহতে সেইমুহূৰ্তবোৰত কেতিয়াবা জ্ঞাতে-অজ্ঞাতে কৰি যোৱা ভুল-ভ্ৰান্তিবোৰৰ বাবেও আপোনালোকৰ ওচৰত মই ক্ষমা বিচাৰিছো।

কৃতজ্ঞতা স্বীকাৰ ঃ নিৰ্বাচনী প্ৰচাৰ কাৰ্যৰপৰা আৰম্ভ কৰি মোৰ কাৰ্যকালৰ প্ৰতিমুহূৰ্ততে দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা কৰি অহা মোৰ প্ৰিয় বান্ধৱী সংগীতা বৰুৱাৰ নাম প্ৰথমে ল'ব লাগিব। যিখিনি ত্যাগ স্বীকাৰ কৰি তেওঁ মোক সহায়ৰ হাত আগবঢ়ালে তাৰ বাবে মই তেওঁৰ ওচৰত ঋণী হৈ ৰলো। লগতে ৰিমঝিমবা, পূৰ্ণিমাবা, বিদ্যাবা, স্মৃতিবা, মৃদুস্মিতাবা আৰু মোৰ বান্ধৱী তৃষ্ণা, ৰিণা, ৰাজশ্ৰী, মমতা, মামু, বানী, ধনদা, মায়া, বিজু, ভন্টি-নমিতা, পৰিস্মৃতা, বিজু তথা অজ্ঞাতে ৰৈ যোৱা বান্ধৱীসকল, মোৰ বন্ধু-ৰাজেন, মানস, প্ৰণৱ, ৰাজু কৈলাস, মনোজ, জান, প্ৰাঞ্জল আৰু মোহনদা, লগতে প্ৰতিযোগিতাসমূহ নিয়মীয়াকৈ পৰিচালনা কৰা শ্ৰদ্ধাৰ প্ৰশান্ত চত্ৰধৰাদালৈ মোৰ শুভেচ্ছা তথা আন্তৰিক ধন্যবাদ জনালো।

পৰিশেষত, সমূহ কৰ্ম-কৰ্তা ছাত্ৰ-ছাত্ৰীয়ে যি সহায় কৰি মোক এই উপকাৰ কৰিলে তেওঁলোকলৈ মই পুনৰবাৰ মোৰ শ্ৰদ্ধা আৰু ধন্যবাদ জনাই এই প্ৰতিবেদন সামৰিলো।

'জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা'

ধন্যবাদেৰে
মুনমী গগৈ
*সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা*
ঢঃ মঃ ছাঃ এঃ সঃ





## ছাত্ৰী জিৰণি কোঠাৰ প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ

| | | | |
|---|---|---|---|
| (ক) | কেৰম প্ৰতিযোগিতা (একক) | | |
| | চেম্পিয়ন | ঃ | শ্ৰীমতী বৰ্ণালী গগৈ |
| | ৰাণাৰ্চ আপ | ঃ | শ্ৰীমতী কৃষ্ণা বৰুৱা |
| (খ) | কেৰম প্ৰতিযোগিতা (দ্বৈত) | | |
| | চেম্পিয়ন | ঃ | শ্ৰীমতী মুন্মী গগৈ |
| | | | শ্ৰীমতী বিজুমনি দেৱী |
| | ৰাণাৰ্চ আপ | ঃ | শ্ৰীমতী বৰ্ণালী গগৈ |
| | | | শ্ৰীমতী তৃষ্ণা চমুৱা |
| (গ) | বেডমিণ্টন প্ৰতিযোগিতা (দ্বৈত) | | |
| | চেম্পিয়ন | ঃ | শ্ৰীমতী কৃষ্ণা বৰুৱা |
| | | | শ্ৰীমতী জ্যোতিকা পাতিৰ |
| | ৰাণাৰ্চ আপ | ঃ | শ্ৰীমতী ৰেখা পাতিৰ |
| | | | শ্ৰীমতী শেৱালী দলে |
| (ঘ) | বেডমিণ্টন প্ৰতিযোগিতা (একক) | | |
| | চেম্পিয়ন | ঃ | শ্ৰীমতী কৃষ্ণা বৰুৱা |
| | ৰাণাৰ্চ আপ | ঃ | শ্ৰীমতী পম্পী বৰুৱা |
| (ঙ) | ৰিং খেল প্ৰতিযোগিতা (একক) | | |
| | চেম্পিয়ন | ঃ | শ্ৰীমতী নিজৰা গগৈ |
| | ৰাণাৰ্চ আপ | ঃ | শ্ৰীমতী সংগীতা শইকীয়া |

(চ) ৰিং খেল প্ৰতিযোগিতা (দ্বৈত)

চেম্পিয়ন : শ্ৰীমতী নিজৰা গগৈ
শ্ৰীমতী সংগীতা শইকীয়া

ৰাণাৰ্চ আপ : শ্ৰীমতী মুন্‌মী গগৈ
শ্ৰীমতী তৃষ্ণা চমুৱা

(ছ) ডবাখেল প্ৰতিযোগিতা (একক)

চেম্পিয়ন : শ্ৰীমতী পম্পী বৰুৱা

ৰাণাৰ্চ আপ : শ্ৰীমতী সংগীতা শইকীয়া

(জ) লুডুখেল প্ৰতিযোগিতা (একক)

চেম্পিয়ন : শ্ৰীমতী বিজুমণি দেৱী

ৰাণাৰ্চ আপ : শ্ৰীমতী বানী গগৈ

(ঝ) লুডুখেল প্ৰতিযোগিতা (দ্বৈত)

চেম্পিয়ন : শ্ৰীমতী কল্পনা সন্দিকৈ
শ্ৰীমতী দীপিকা দত্ত


ৰাণাৰ্চ আপ : শ্ৰীমতী জ্যোতিকা পাতিৰ
শ্ৰীমতী কৃষ্ণা বৰুৱা



# Dhakuakhana College Megazine
# Silver Jubilee Issue 2002-2003

## Our Editors

| | Year | Editor |
|---|---|---|
| | 1971-1972 | Mohuram Chamuah |
| | 1972-1973 | Bagen Baruah |
| | 1973-1975 | Madan Chutia |
| | 1975-1977 | Bishnu Borborborah |
| | 1977-1978 | Pabitra Kumar Gogoi |
| | 1978-1985 | Anantra Kumar Dutta |
| | 1985-1986 | Ramen Chutia |
| | 1986-1988 | Lokheswar Sonowal |
| | 1988-1989 | Loknath Handique |
| | 1989-1990 | Chita Kumar Konch |
| | 1990-1991 | Cheniram Gogoi |
| | 1991-1992 | Lekhan Chutia |
| | 1992-1993 | Hemanta Kumar Baruah |
| | 1993-1994 | David Gogoi |
| | 1994-1995 | Jayanta Madhab Baruah |
| | 1995-1996 | Jitu Dutta |
| | 1996-1997 | Palash Konch |
| | 1997-1998 | Jiten Saikia |
| | 1998-1999 | Pabitra Kalita |
| | 1999-2000 | Dhrubajyoti Handique |
| | 2000-2001 | Modhab Saikia |
| | 2001-2002 | Ashwini Kumar Pegu |
| Silver Jubilee Issue | 2002-2003 | Meghalee Dutta |


WORKSHOP
ON

মুগা আৰু এড়ী
সুতাকটা প্ৰশিক্ষণ
